# মঙলদৈ মহাবিদ্যালয়

# আলোচনী



# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

৪২-৪৩ তম যুটীয়া সংখ্যা

ইং ২০০৩-০৪ আৰু ২০০৪-০৫ বৰ্ষ

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

**Mangaldai College Magazine:** Volume 41: 2003-2004 and 2004-2005, Published by Mandaldai College Students' Union: Mangaldai College: Mangaldai: Darrang: Assam.


# মঙলদৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ ঃ ৪১ তম সংখ্যা

২০০৩-০৪ আৰু ২০০৪-০৫ বৰ্ষ

## সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | ড০ যাদৱ চন্দ্ৰ নাথ |
| উপদেষ্টা মণ্ডলী | ঃ | মতিৰাম মেধি<br>অনিল চন্দ্ৰ শৰ্মা<br>শচীন চহৰীয়া<br>পৰেশ কুমাৰ শৰ্মা<br>জামালউদ্দিন আহমেদ |
| তত্ত্বাৱধায়ক | ঃ | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| সম্পাদকদ্বয় | ঃ | শ্ৰীচিন্ময় বৰুৱা (২০০৩-০৪ বৰ্ষ)<br>শ্ৰীদেৱৰ্ষি ডেকা (২০০৪-০৫ বৰ্ষ) |
| সদস্য | ঃ | সাধিৰাম বড়া<br>অচ্যুত চন্দ্ৰ শৰ্মা |
| অক্ষৰ বিন্যাস | ঃ | পূৰবী বৰুৱা |
| আৰ্হিপাঠ | ঃ | ইকবাল ৰছিদ হাজৰিকা |
| অংকন | ঃ | শৰৎ |
| প্ৰকাশক | ঃ | মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা |
| মুদ্ৰণ | ঃ | পাৰামাউণ্ট কম্পিউটাৰ চে'ণ্টাৰ এণ্ড্ অফচেট, বৰদৌলগুৰি, দৰং। |



মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ
ডঃ যাদৱ চন্দ্ৰ নাথ

# শ্ৰদ্ধাঞ্জলি




"আয়ে দিয়া বিহু গামোচাৰে
গুলি খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতা গচি
পুনৰ সপ্তম সাজু হৈছো আই
দিবলৈ জীৱন দান।।"

-জ্যোতি প্ৰসাদ আগৰৱালা

# উছৰ্গা

মঙলদৈ মহাবিদ্যালয়ৰ ৪২-৪৩ তম যুটীয়া সংখ্যা আলোচনী সম্পাদনা সমিতিৰ তৰফৰপৰা মহাবিদ্যালয় পৰিয়ালৰ সকলোলৈ শ্ৰদ্ধা নিবেদিছোঁ। এই সংখ্যা আলোচনী প্ৰকাশ হৈ ওলোৱাত অনিচ্ছাকৃত ভাৱে পলম হৈছে। সেয়ে আমি প্ৰথমেই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। আলোচনীখন সুন্দৰ কৰি তুলিবলৈ চেষ্টাৰ ক্ৰটি কৰা নাই। আলোচনীখনে যৎকিঞ্চিত হলেও পঢ়ুৱৈ সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ মনৰ খোৰাক যোগালে আমি পৰম উৎসাহিত হ'ম। এই আশাৰে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত এই সংখ্যা আলোচনী উছৰ্গা কৰিলোঁ।

- সম্পাদনা সমিতি

# মঙলদৈ মহাবিদ্যালয়ৰ সংগীত

**ৰচনা**

শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী

**সুৰ আৰু স্বৰলিপি**

কুমাৰ আনন্দ নাৰায়ণ দেৱ

**তাল**

দাদৰা

(ভাতখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।। ১।।
অজ্ঞানতাৰ তমসা বাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণত চুমি।। ২।।
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাও হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।

স্থায়ী

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | × | | | ০ | | | × | | | ০ | |
| গ | গ | গপ | গৱ | গৱ | ম | গ | গ | -প | গৱ | গৱ | স |
| ম | হা | জী | ৱS | নS | ৰ | ম | হা | Sসা | ধS | নাS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | - | - | - |
| আ | শাS | ৰ | গ | জাS | লি | তু | মিS | S | S | S | Sধ |
| ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ | জ্ঞা |
| ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | ণা | ৰ | ৱৰ |
| ৰ | ৰগ | মগ | প | নৰ | স | - | - | - | - | | |
| ম | হা | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |

১ম অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | × | | | ০ | | | × | | | ০ | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | - | নধ | পধ | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | - | - | - | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | - | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ৱ | নী | S | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | - | - | - | - |
| সু | ধা | সন্ | SS | জী | SS | ৱ | নী | S | S | S | S |
| প | প | প | পধ | ম | মৰ | ম | ম | Sম | ম | গমপ | ৰ |
| বি | ক | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | - | - | - | - |
| তো | মা | ৰ | চ | ৰS | ণ | চুS | মি | S | S | S | S |

২য় অন্তৰা

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| | × | | | ০ | | | × | | | ০ | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | - | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | প | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | - | - | - | - | - |
| তু | মি | যে | দীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | - | - | - | - |
| তু | মি | যে | দীS | Sপ্ | তিS | মা | S | S | S | S | ন |

(পুনৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# বিদায় সম্ভাষণ

সুদীৰ্ঘ কাল মঙলদৈ মহাবিদ্যালয়ত অধ্যাপনাৰ দৰে গুৰু দায়িত্ব বহন কৰি কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা ডঃ হীৰেন্দ্ৰ কুমাৰ গোস্বামী (ভাৰপ্ৰাপ্ত অধ্যক্ষ), ডঃ ৰমেন কুমাৰ ৰায় (মুৰব্বী অধ্যাপক, বঙালী বিভাগ), শ্ৰীজয় চন্দ্ৰ শৰ্মা (ৰসায়ন বিজ্ঞান বিভাগ), ডঃ হৰিশ চন্দ্ৰ ডেকা (মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ), শ্ৰীঅনিল চন্দ্ৰ শৰ্মা (অধ্যাপক, ৰসায়ন বিভাগ), শ্ৰীবিজয় চন্দ্ৰ গোস্বামী (মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ), শ্ৰীভূপেন্দ্ৰ নাথ কাকতি (মুৰব্বী অধ্যাপক, পদাৰ্থ বিজ্ঞান) আৰু এই মহাবিদ্যালয়ৰ কাৰ্য্যালয়ৰ কাম-কাজত নিস্বাৰ্থ আৰু নিষ্ঠাৰে সুদীৰ্ঘ কাল সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা শ্ৰীসাধিৰাম বড়া (হিচাপ পৰীক্ষক), শ্ৰীচিত্ৰ বাহাদুৰ চেত্ৰী (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী) লৈ আমাৰ সকলোৰে স্নেহ আৰু শ্ৰদ্ধা ভৰা বিদায় সম্বৰ্দ্ধনা জনালোঁ।

- সম্পাদনা সমিতি

# অশ্রু-অঞ্জলি



**প্ৰাণজ্যোতি বৰুৱা**

**জন্ম ঃ ২১ নবেম্বৰ, ১৯৮১ চন   মৃত্যু ঃ ১২ মাৰ্চ, ২০০৫ চন**

মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীপ্ৰাণজ্যোতি বৰুৱা যোৱা ইং ১২-০৩-০৫ তাৰিখ শনিবাৰে আমাৰ মাজৰ পৰা আঁতৰি গ'ল। প্ৰাণজ্যোতিয়ে যোৱা ২৫-০২-০৫ তাৰিখৰপৰা গুৱাহাটী মেডিকেল কলেজ হাস্তাতালত বৃক্কজনিত ৰোগৰ সৈতে যুঁজি যুঁজি অৱশেষত হাৰ মানে। ১২-০৩-০৫ তাৰিখে চিকিৎসকে তেওঁ মৃত বুলি ঘোষণা কৰে।

মঙলদৈ চহৰৰ উপহুপাৰাত ইং ২১-১১-১৯৮১ তাৰিখে প্ৰাণজ্যোতিয়ে জন্ম গ্ৰহণ কৰে। উপহুপাৰা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া শ্ৰীশিৱ প্ৰসাদ বৰুৱা আৰু শ্ৰীলাৱণ্য বৰুৱাৰ কণিষ্ঠ পুত্ৰ প্ৰাণজ্যোতি ইং ২০০৩ চনলৈ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। সৰবৰহী প্ৰাণজ্যোতিয়ে ২০০০ চনৰপৰা ২০০১ চনলৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ খেল বিভাগৰ মুখ্য সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিছিল।

জীৱনৰ মাথো তেইশটা বসন্ত গছকিয়েই নিষ্ঠুৰ নিয়তিৰ ৰোষত আঁতৰি যোৱা প্ৰাণজ্যোতিৰ অকাল মৃত্যুত আমি মঙলদৈ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গই গভীৰ বেদনা অনুভৱ কৰিছোঁ আৰু বেদেহী আত্মাৰ সদ্‌গতি কামনা কৰি পৰিয়ালবৰ্গলৈয়ো সমবেদনা যাঁচিছো।

প্ৰাণজ্যোতিৰ স্বৰ্গগত আত্মাই চিৰশান্তি লাভ কৰক। ইতি-

- সম্পদনা সমিতি

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| **প্ৰবন্ধ** | | |
| খটৰা সত্ৰৰ চমু বুৰঞ্জী | ড০ বিজয় কুমাৰ শৰ্মা | ১ |
| বিজ্ঞান ঃ অন্ধবিশ্বাস আৰু আমি | হৰিচন্দ্ৰ ৰাজবংশী | ৪ |
| স্মৃতি আৰু ইয়াৰ সংৰক্ষণ | মঞ্জু কলিতা | ৭ |
| গীতা আৰু গোবিন্দমিশ্ৰ | টমিজা ৰেবিনা চুলতানা | ৯ |
| মান্যভাষা আৰু ইয়াৰ ধাৰণা | কাৰ্ত্তিক বৰুৱা | ১২ |
| বৈজ্ঞানিক মানসিকতা ঃ সমাজৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা | পুষ্পাঞ্জলী শিৱম | ১৫ |
| গাঁৱলীয়া সমাজৰ সৌন্দৰ্য্যবোধ | গীতিকা শৰ্মা | ১৭ |
| সংস্কৃতি আৰু আধুনিক সমাজ | নিলোপম দাস | ১৯ |
| **গল্প** | | |
| ৰক্ত দান জীৱন দান | লীনা শইকীয়া | ২১ |
| পদুম খুড়াৰ মোবাইল | ড০ খলিলুৰ ৰহমান | ২৪ |
| আবদ্ধ হৃদয়ৰ নিহত প্ৰেম | কমল কুমাৰ নাথ | ২৮ |
| বন্যা | জয়চন্দ্ৰ শৰ্মা | ৩২ |
| প্ৰস্তুতি মধুকল্যলৈ একলম | প্ৰণৱ কুমাৰ শৰ্মা | ৩৬ |
| এখন ইচ্ছা-পত্ৰ | কমৰুন জান্নাত | ৪১ |
| এটি তৰাৰ মৃত্যু | জ্যোতিৰ্ময় নাথ | ৪৩ |
| নষ্ট গদ্য | | |
| এটা জীৱন........ মৃত্যুৰ সিপাৰে...... | অনুভৱ এন্দাৰ্চন | ৪৫ |
| অন্যায়ৰ জয় সততাৰ পৰাজয় | অমূল্য হাজৰিকা | ৪৭ |
| অমাৱস্যাৰ জোনাক | মনীষা শৰ্মা | ৫০ |
| প্ৰেম এবাৰেই হয় | সোণটি বোনাপাৰ্ট | ৫৩ |


## ENGLISH SECTION


| | | PAGE |
|---|---|---|
| Without You | Rahul Dev Biswas | 93 |
| Everything Love | Barnali Sarmah | 93 |
| How To Express | Naba Kumar Boro | 94 |
| About Life | Nabajyoti Konwar | 94 |
| Cricket And Examination | Mizanur Rahman | 95 |
| A Dream Of Love | Mainul Hoque | 96 |
| The Indian Tiger | Buddhin Ch. Hazarika | 97 |
| Commercial Prospectus And Problems Of Medicinal Plans In Assam | Sachindra Saharia | 103 |

# সূচীপত্র

❑কবিতা

*ফাগুনৰ সপোন। প্ৰণৱ ডেকা।। *দুখ। পলাশ কুমাৰ নাথ।। *শৰতৰ পাপৰি। ডেইজী প্ৰিয়া ডেকা।। *বিষাদৰ ডাৱৰ। মঃ আমিনুল হক।। *দেওলগা শাওন। ৰিমঝিম নাথ।। *আহ্বান। ৰিমঝিম্ বৰষা।। *শেৱালী। হিমাদ্ৰী শৰ্মা।। *স্তব্ধ হৈ যোৱা বতাহজাক। চয়নিকা ডেকা।। *কবিতা। মিনু কলিতা।। *কবিতাৰ অপমৃত্যু। জয়ন্ত কুমাৰ নাথ।। *মোৰ বুকুৰ সৰিয়হ ডৰা। ৰাজীৱ কলিতা।। *তুমি মোৰ বুকুত আচা। দীপাঞ্জলী হাজৰিকা।। *নিছিদ্ৰ ত্ৰিকাল। বিতোপন ডেকা।। *আধুনিকতাৰ সংজ্ঞা বিচাৰি। পৱিত্ৰ নাথ।। *যি পথে আহিবা তুমি। অঞ্জুমণি চহৰীয়া।। *পানীপিয়া চৰাইৰ বাবে। পাৰিজাত কানন কোঁৱৰ।। *কল্পনা। প্ৰণৱ জ্যোতি ডেকা।। *জ্বলন্ত হৃদয়। তৰুলতা ডেকা।। *শৈশৱ। মুনমণি চহৰীয়া।। *বাট বুলিলেই অবাট। দুলুমণি শৰ্মা।। *বৰষা। নমিতা কলিতা।। *অপেক্ষা। ইলামণি কলিতা।। *অনুভৱ। ধনমণি ডেকা।। *অনুভৱ। মিনতি শৰ্মা।। *প্ৰিয়তমা। মঃ আছিৰউদ্দিন।। *চাকৰি। সুৰজিৎ কুমাৰ নাথ।। *হে ভগৱান! আমাক অলপ শান্তি দিয়া। দ্বীপ কিশোৰ শইকীয়া।। *নতুন ব'হাগী আই। কুন্তি মণ্ডল।। *অনুভৱৰ পৃষ্ঠা লুটিয়াই। গীতিকা শৰ্মা।। *এজন কৃষকৰ তিনিটা কবিতা। ভাস্কৰ জ্যোতি নাথ।। *সন্ধিয়াৰ চকুলো। হোমাশ্ৰী দেৱী।। *শৰত। পলাশ চহৰীয়া।। *শৰতৰ পদুলি। মহঃ মিৰ্জা শ্বাহাদত মুৰ্চিফুল আলম।। *কৃষ্ণচূড়া। হিমাদ্ৰী কলিতা।। *স্মৃতিৰ জলঙাৰে। দ্বীপশিখা ডেকা।। *যীশুলৈ প্ৰশ্ন তিনিটা। ভাস্কৰ জ্যোতি নাথ।। *এটি নিশাৰ আবেগ। জ্যোতিময় নাথ।। *ঠিকনা। সাগৰিকা ডেকা।। *মোৰ হাঁহি ভালপোৱাজনলৈ। চিত্ৰাৰাণী বৰুৱা।। *নিঃকিনৰ আৰ্তস্বৰ। তৃষ্ণা দেৱী।। *বিস্ফোৰণ। নৱজ্যোতি ডেকা।। *সন্ত্ৰাস। নৱজ্যোতি দাস।। *মোৰ হৃদয়ৰ মানস পটত। কমল কুমাৰ নাথ।। *সময়ৰ এটি ক'লাজ। গীতিকা শৰ্মা।। *ন-অসমীয়া। মোঃ ছায়েদ আলী।। *উজাগৰী নিশা। মতিৰাম মেধি।। *নিঃসঙ্গতা। নমিতা বৰুৱা।। *এই নদীৰ পাৰত কান্দে কলিজাৰ বুলবুলি। বিজুমণি ডেকা।। *২০০৪ৰ শাৰদীয় মেলা। বিজুমণি ডেকা।। *সৃষ্টিৰ শিল্পী। তপন শৰ্মা।। *জ্ঞানৰ অন্বেষণত। ডেইজী দেৱী।। *মই পোহৰে কৈছো। বিপুল চহৰীয়া।। *কিছু মনত পৰা কথাৰে...। জ্যোতিস্মিতা ডেকা।। *মঙলদৈ মহাবিদ্যালয়। হিৰণ্য।। *মঙ্গলদৈ মহাবিদ্যালয়। গীতিকা চহৰীয়া।। *মূল্য। বিপুল গোস্বামী।। পৃষ্ঠা ৫৭-৯২


প্ৰবন্ধৰ শিতান
Rubul Hazarika, PCC

# খটৰা সত্ৰৰ চমু বুৰঞ্জী

ড০ বিজয় কুমাৰ শৰ্মা
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ

দৰং জিলাৰ দীপিলা মৌজাত খটৰা সত্ৰ অৱস্থিত। খটৰা সত্ৰ খটৰা গোঁসাই ঘৰ বা ৰঘুনাথ মন্দিৰ নামেৰেও জনাজাত। মাধৱ দেৱৰ শিষ্য লেচাকনীয়া গোবিন্দ আতৈয়ে এই সত্ৰ স্থাপন কৰে-(পবিত্ৰ অসম)। সত্ৰত ৰাম, লক্ষ্মণ, সীতা, হনুমান আৰু লৱ-কুশৰ মূৰ্ত্তি আছে। মন্দিৰটোৰ বিশালতাৰ বিষয়ে লোক সাহিত্যত পোৱা যায়-

'খটৰা গোঁসাইঘৰ দেখোতে
ভয়ঙ্কৰ
দুকুৰি নাহৰৰ খুটা হৰি এ'।
-(পবিত্ৰ অসম)

অসমৰ সত্ৰৰ ইতিহাসত খটৰা সত্ৰত মূৰ্ত্তি স্থাপন কাৰ্য্যই এক বিশেষ তাৎপৰ্য্য বহন কৰি আছে।

নৱবৈষ্ণৱৰ ধৰ্মৰ খুঁটি পুতিবলৈ গোবিন্দ আতৈ দৰঙলৈ আহি প্ৰথমে ভুখুংমুখত এখন সত্ৰ পাতে। তাৰ পৰা আহি পানীসেলী আৰু নগৰাত কিছু দিন থাকে। এই ঠাই সত্ৰ স্থাপনৰ বাবে অনুকূল নোহোৱা বাবে বৰ্তমানৰ খটৰালৈ আহি তাত এখন সত্ৰ পতাৰ আয়োজন কৰে (খটৰা সত্ৰ)। সেই সময়ত দৰঙত শৈৱ, শাক্ত ধৰ্মৰ উপৰিও বাসুদেবী বৈষ্ণৱৰ সম্প্ৰদায়ৰ প্ৰাৱল্য আছিল। ৰামায়ণ, মহাভাৰত আদিৰ প্ৰভাৱ জনসাধাৰণৰ ওপৰত পৰিছিল। আতৈয়ে যিডোখৰ ঠাইত সত্ৰ পতাৰ বাবে নিৰ্বাচন কৰি গৈছিল সেই ঠাইত 'কেঁচাইখাইতী'ৰ থান আছিল-(শ্ৰীনবীন চন্দ্ৰ শৰ্মা)। তেওঁ তাত এক অদ্ভুত কাণ্ড দেখিবলৈ পালে- এটা ভেকুলীয়ে এডাল সাপ গিলি আছে- (গোবিন্দ চৰিত)। ঠাই ডোখৰৰ শুভলক্ষণ দেখা পাই তাত সত্ৰৰ ভেঁটি স্থাপন কৰি জনসাধাৰণক শৰণ-ভজন দিবলৈ চেষ্টা কৰিলে। কিন্তু অসুৰ প্ৰকৃতিৰ লোক সকলে আতৈৰ ওচৰত শৰণ-ভজন লোৱাৰ পৰিবৰ্ত্তে তেওঁক সত্ৰ প্ৰতিষ্ঠাৰ বাবে অপমান কৰিলে। জনসাধাৰণৰ স্বভাৱ দেখি আতৈএ সুন্দৰীদিয়াত থকা মাধৱ দেৱৰ ওচৰলৈ গৈ সকলো কথা বিৱৰি ক'লে। মাধৱদেৱে গোবিন্দৰ মনোভাৱ বুজিব পাৰি ৰাম ভাওনাৰ বাবে নিৰ্মাণ কৰা ৰাম, লক্ষ্মণ, সীতা, হনুমানৰ মূৰ্ত্তি খটৰালৈ পঠিয়াই দিলে। গোবিন্দই চাৰি মূৰ্ত্তিক সত্ৰৰ মণিকূটত স্থাপন কৰি মূৰ্ত্তিৰ সন্মুখত ভাগৱত পাঠ, প্ৰসঙ্গ, কীৰ্ত্তন আদি কৰিব ধৰিলে আৰু সত্ৰৰ নিয়ম-নীতি সমূহ জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব ধৰিলে। জনসাধাৰণক ধৰ্মজ্ঞান দিয়া আৰু অভিনয়ৰ বাবে গোবিন্দ আতৈৰ নাম যশ প্ৰচাৰ হ'বলৈ ধৰিলে। গোবিন্দ আতৈৰ খ্যাতিৰ বিষয়ে জানিব পাৰি কোচ ৰজা নৰনাৰায়ণে তেওঁক মাতি নি দধিমথন যাত্ৰা অভিনয় কৰি দেখুৱাবলৈ অনুৰোধ কৰিলে। ৰজাৰ অনুৰোধত আতৈয়ে ভাল ল'ৰা আনি নাৰীৰ সাজ পিন্ধাই তেওঁলোকৰ সহায়ত দধিমথন যাত্ৰা দেখুৱাই ৰজাক সন্তুষ্ট কৰে-(গোবিন্দ চৰিত)। ৰজা সন্তুষ্ট হৈ সত্ৰৰ কৰ কাটল ৰেহাই দিয়ে।

গোবিন্দ আতৈয়ে জনসাধাৰণক বৈষ্ণৱ ধৰ্মত শৰণ দিয়াইছিল যদিও কিছুমান অসৎ

লোকৰ সঙ্গত পৰি তেওঁ পশু চিকাৰৰ বাবে গৈ পহু বুলি এটা গৰু খাপৰেৰে হানি মাৰিলে। মাধৱ দেৱে এইকথা শুনি তেওঁক বৰ্জন কৰিছিল যদিও আতৈৰ আন আন শিষ্যৰ অনুৰোধত সেইবাৰলৈ ৰক্ষা পৰে।

সত্ৰৰ প্ৰসাৰৰ ক্ষেত্ৰত গোবিন্দই তেৰ কুৰিৰো অধিক মেধি পাতিছিল- (বৰ কাকত)। কছাৰি মেধি সকলৰ তালিকাত বাৰ গৰাকী মেধিৰ নাম আছে। আন কেইগৰাকীমান মেধিৰ নাম সম্ভবাইল হাজৰিকা, কণামেধি, চণ্ডী বৰুৱা, মনভালত্তোম, কৃষ্ণাই ডেকা আদি। এইসকল লোকৰ প্ৰচেষ্টাত দৰঙ জিলাৰ উপৰিও অন্যান্য জিলাৰ লোক খটৰা সত্ৰৰ প্ৰতি আকৰ্ষিত হৈছিল।

খটৰা সত্ৰৰ মূল আকৰ্ষণ কেন্দ্ৰ মণিকূটৰ বিগ্ৰহ। আগেয়ে মণিকূট নাছিল। কীৰ্ত্তন ঘৰৰ আগডোখৰ মণিকূটৰ দৰে ব্যৱহাৰ কৰা হৈছিল। বৰ্ত্তমান কীৰ্ত্তন ঘৰৰ আগফালে মণিকূট নিৰ্মাণ কৰি গুৰুআসনত ভাগৱত স্থাপন কৰা হৈছে। তথাপি হাজাৰ-হাজাৰ দৰ্শকে মন্দিৰৰ মূৰ্ত্তি সমূহ দৰ্শন কৰি নিজকে পূণ্যবান বুলি ভাবে। বিগ্ৰহৰ সেৱা কৰা ভক্তক নিৰ্মালি দিয়ে অব্ৰাহ্মণ পুৰোহিতে। ব্ৰাহ্মণ পুৰুহিতে আগেয়ে পাচেতি উৎসৱৰ গোন্ধ আৰু জেঠমহীয়া কাজ কৰিছিল। বিংশ শতিকাৰ ষাঠি দশক মানৰ পৰা এইপ্ৰথা লোপ পায়। ঐতিহাসিক দৃষ্টিভংগীৰে ৰামচন্দ্ৰ আৰু নৱবৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা কৃষ্ণৰ সময়ৰ ব্যৱধান যথেষ্ঠ। নৱবৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতা কৃষ্ণৰ বিপৰীতে ৰামচন্দ্ৰ প্ৰভৃতি মূৰ্ত্তি সমূহক উপাসনা কৰাৰ তাৎপৰ্য্য নোহোৱা নহয়।

নৱবৈষ্ণৱ ধৰ্মৰ উৎপত্তিৰ আগৰে পৰা অসমত বাসুদেৱী বৈষ্ণৱ ধৰ্মৰ শক্তিশালী ধাৰা দেখিবলৈ পোৱা যায়। এই বৈষ্ণৱ ধৰ্মত বিষ্ণুৰ লগত মাতৃশক্তি জড়িত। এনে পৰম্পৰাৰ প্ৰতি আস্থাশীল লোকৰ মাজত নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে মূৰ্ত্তি স্থাপন কৰি, তাকে ঈশ্বৰৰ মূৰ্ত্তি বুলি প্ৰত্যয় নিয়াই শৰণ দিয়া কাৰ্য্য আৰম্ভ কৰে। কৃষ্ণৰ লগত ৰাধাৰ সম্পৰ্ক স্থাপন কৰি ভাৰতবৰ্ষৰ অন্যত্ৰ দুয়োকে উপাসনা কৰা হয়। অসম যুগল মূৰ্ত্তি উপাসনা কৰা নহয়। দৰঙৰ লোকৰ বাবে যুগল মূৰ্ত্তিৰ প্ৰয়োজন হৈপৰিল। সেয়ে কৃষ্ণৰ স্বৰূপ ৰাম-সীতা খটৰাত উপাসনাৰ বিষয় হ'ল।

ৰামায়ণত ৰামচন্দ্ৰক বিষ্ণুৰ অৱতাৰ বোলা হৈছে। তেওঁ সূৰ্য্যৰ দৰে তুল্য পৰম পুৰুষ-। (আদিকাণ্ড ১৬/১১-১২-১৪)। ৰামচন্দ্ৰ জন্মৰ মূলতে অগ্নি। সেই ফালৰ পৰা সূৰ্য্য আৰু অগ্নিৰ লগত ৰামচন্দ্ৰৰ সম্পৰ্ক আছে। কোনো কোনো পণ্ডিতে ৰামচন্দ্ৰ আৰু ইন্দ্ৰক অভিন্ন বুলি ভাবে। ইন্দ্ৰ বৃষ্টিৰ দেৱতা। তেওঁৰ কৃষিৰ লগত সম্পৰ্ক আছে।

ৰামচন্দ্ৰৰ পত্নী সীতাৰ জন্ম হৈছিল কৃষিভূমিৰ পৰা। ঋকবেদ (৪/৫৭/৬-৭) ত ঋষিসকলে সীতাক প্ৰাৰ্থনা কৰি কৈছে, "হে সুভাগ্য সীতা তোমাক প্ৰাৰ্থনা কৰিছো আমাক ধন আৰু সু-ফল প্ৰদান কৰক।" আশ্বলায়ন গৃহসূত্ৰ সীতাক কৃষি দেৱী বোলা হৈছে। পাৰস্কৰ গৃহসূত্ৰ (২/১৭/৯) সীতা ইন্দ্ৰৰ পত্নী। কৃষিৰ লগত বৃষ্টিৰ সম্পৰ্ক থকা বাবেই সীতাক ইন্দ্ৰৰ পত্নী বোলা হৈছে। (পাৰস্কৰ গৃহসূত্ৰ ২/১৭/৯) ইন্দ্ৰ আৰু সীতাই ৰাম-সীতাত পৰিণত হৈছে।

ৰামচন্দ্ৰৰ ভক্ত হনুমান। হনুমান মৰুৎ বা বায়ুপুত্ৰ। ইন্দ্ৰৰ বৃত্ৰকটে কৰা সময়ত মৰুৎগণে সহায় কৰিছিল- (ঋকবেদ)। সেয়ে মৰুৎগণৰ লগত ইন্দ্ৰ বা ৰামৰ সম্পৰ্ক আছে। মৰুৎগণেই শেষত হনুমান ৰূপে পৰিগণিত হৈছে। ঋক্‌বেদ, কৌশিতকী ব্ৰাহ্মণ, ছাণ্ডল্যউপণিষদ, মহাভাৰত, বৌদ্ধধৰ্মগ্ৰন্থ ত্ৰিপিটক আদিত কৃষিৰ উল্লেখ পোৱা যায়। জৈন সকলৰ মাজত বাসুদেৱক বলদেৱ গোষ্ঠীপতি। কৃষ্ণ নৱম বাসুদেৱ। সিদ্ধান্ত কৌমুদীত থকা বাসুদেৱ শব্দৰ অৰ্থৰ ভাৱাৰস্ত এনেধৰণৰ - "যি সৰ্বত্ৰ বিৰাজ মান, যাৰ মাজত সকলো বাস কৰে"। কৃষ্ণ বৃষ্ণি বংশীয় বাবে তেওঁকেই বাসুদেৱ

বোলা হৈছে। মহাভাৰতৰ বনপৰ্ব (১২/২১-২৩, ২৫-২৭, ৩৮, ৫১)ত বৃষ্ণি বংশীয় কৃষ্ণ, সূৰ্য্যবিষ্ণু আৰু যজ্ঞবিষ্ণু আৰু বৈদিক নাৰায়ণক একাকাৰ কৰা হৈছে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল ৰাম কৃষ্ণ অভিন্ন। মাধৱদেৱৰ নামঘোষাতে এইকথা মানি লোৱা হৈছে। 'শ্ৰীনাথে জানকী নাথে অভেদ আত্মানি' সীতা আৰু হনুমানৰ লগত কৃষিজীৱি লোকৰ অনেক বিশ্বাস জড়িত হৈ আছে।

ক) খটৰা সত্ৰত কাপোৰ বব নজনা তিৰোতাই কাপোৰ বব জানিলে ৰঘুনাথ মন্দিৰত কাপোৰ দিয়াৰ শঠা তোলে।

খ) সন্তানহীন লোকে সন্তান কামনা কৰে।

গ) বিবাহযোগ্য গাভৰুৱে উপযুক্ত পতি কামনা কৰে।

ঘ) খৰাং বতৰত হনুমানৰ মূৰ্ত্তিমন্দিৰৰ বাহিৰলৈ উলিয়াই বৰষুণ কামনা কৰে।

ঙ) ভাদ আৰু আহিন মাহত অনুষ্ঠিত পাচেতি উৎসৱৰ দধিমথন আৰু বোকা ভাওনাৰ লগত উৰ্বৰা বিশ্বাস জড়িত।

চিকাৰ কাৰ্য, নাৰী আদিৰ লগত উৰ্বৰা বিশ্বাস জড়িত। নৃবিজ্ঞানৰ ভাষাত উৰ্বৰাকাণ্ডৰ আন নাম মাতৃ পূজা (লোক কৃষ্টিৰ উৎস)। সীতা আৰু হনুমান দুয়ো উৰ্বৰা বিশ্বাসৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হৈছে। খেতি অধিক হোৱাৰ বিশ্বাসেৰে শালি খেতিৰ সময়ত পাচেতিৰ উদ্‌যাপনৰ দিন ধাৰ্য্য কৰা হৈছে। উৰ্বৰা বিশ্বাসৰ লগত জড়িত স্ত্ৰী-পুৰুষৰ অবাধ বিচৰণৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে খটৰা সত্ৰত সংযত ৰূপ দিবলৈ সক্ষম হৈছে।

এতিয়া আহো খটৰা সত্ৰৰ পূজাৰী সম্পৰ্কীয় আলোচনালৈ। খটৰা সত্ৰত বৈদিক নিয়মেৰে মূৰ্ত্তি পূজা কৰা নহয়। দৰং ৰাজবংশাৱলীত উল্লেখ আছে গোঁসাই কমল আলিৰ উত্তৰে যিমানবোৰ মন্দিৰ আছে তাত 'কোচে মেচে পুজিবেক'। দৰঙৰ মন্দিৰত পূজাৰ্ ধিকাৰ ৰাজ আদেশ প্ৰদত্ত। আনহাতে নৱবৈষ্ণৱ আন্দোলনৰ গুৰিতে বৰ্ণ বৈষম্য দূৰ কৰি সমাজত সাম্য ভাৱ জগাই তোলা। এই প্ৰসঙ্গত বিবেকানন্দৰ উক্তি এযাৰ উল্লেখ কৰা হ'ল- উচ্চ বৰ্ণৰ হিন্দুসকলে বহুযুগ ধৰি ভাৰতবৰ্ষ শাসন কৰিলে, এতিয়া শূদ্ৰৰ ৰাজত্বৰ যুগ আহিছে; মুচি, মেটৰ, খেতিয়ক, জালোৱাই হে এতিয়াৰ পৰা দেশ শাসন কৰিব- (ভাৰতীয় চিন্তা, ২য় খণ্ড পৃ:৫১)। খটৰা সত্ৰৰ অব্ৰাহ্মণ পূজাৰীৰ সমাবেশ এনেবোৰ চিন্তাৰ ফচল। অব্ৰাহ্মণ পুৰোহিত হলেও সত্ৰলৈ ব্ৰাহ্মণ আৰু অনাবৈষ্ণৱ লোকৰ সমাবেশ ঘটে। উৎসৱৰ সময়ত ইছলাম, খ্ৰীষ্টান আদি ধৰ্মৰ লোকেও অংশ গ্ৰহণ কৰে। খটৰা সত্ৰৰ এই ঐতিহ্যত দৰঙী ৰাইজৰ চিন্তাৰ ফলশ্ৰুতি।

খটৰা সত্ৰত সত্ৰাধিকাৰ বা মুৰব্বী নাই। ৰাজহুৱা সভাত নিৰ্বাচিত প্ৰতিনিধি সকলে এখন সমিতি গঠন কৰে। সমিতিখনে সত্ৰ পৰিচালনা কৰে। এই সমিতি 'সমূহ'ৰ সদস্যৰে গঠিত। যি সকল লোকে বংশানুক্ৰমিক ভাৱে সত্ৰৰ লগত জড়িত তেওঁলোকক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যই হ'ল 'সমূহ'। 'সমূহ'ৰ সকলো লোকেই মহাপুৰুষীয়া।

সত্ৰৰ বিষয় বৰীয়া বুলিবলৈ দেউৰী, আদ্‌পৰীয়া, ভড়ালী, গায়ন-বায়ন আৰু যোগনিয়াৰেই প্ৰধান।

অসমৰ সত্ৰ সমূহৰ ভিতৰত খটৰা সত্ৰ বিভিন্ন দিশেৰে বৈশিষ্টপূৰ্ণ।

***

# বিজ্ঞান ঃ অন্ধবিশ্বাস আৰু আমি

হৰিচন্দ্ৰ ৰাজবংশী
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

বিজ্ঞান আৰু কাৰিকৰী কৌশলৰ অগ্ৰগতিয়ে মানুহৰ দৈনন্দিন জীৱন আৰামদায়ক কৰি তুলিছে। উদাহৰণ স্বৰূপে কম্পিউটাৰ, এয়াৰ কণ্ডিছনাৰ্চ, এয়াৰ কুলাৰ্চ, হিট কনভাৰ্টাৰ্চ আদিৰ বাবে মানুহৰ কষ্ট বহু পৰিমাণে লাঘৱ হৈছে। কিন্তু মনত প্ৰশ্নোত্তৰ হয়- এনেবোৰ আচৰিত কাৰিকৰী কৌশল মানুহৰ মগজুত কেতিয়াৰপৰা প্ৰৱেশ কৰিবলৈ ধৰিলে? তেতিয়া হয়তো প্ৰশ্নোত্তৰ উদ্ভাৱন কৰিব লাগিব, যেতিয়াৰপৰা মানুহে সভ্য-সংস্কৃতিৰ আলোক ৰশ্মি পাবলৈ ধৰিলে, তেতিয়াৰপৰাই।

এইটো বিজ্ঞেয় যে পৃথিৱীখন অলৌকিক। আমি সঠিককৈ কোনেও নাজানো এই পৃথিৱীখন কেতিয়া আৰু কেনেকৈ সৃষ্টি হৈছিল। এই লৈ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত বিভিন্ন ধৰণৰ প্ৰশ্নোত্তৰ উদ্ভৱ হৈ আহিছে। বিশেষকৈ ধৰ্মাৱলম্বী লোক সকলে পোনচাটেই ক'ব খোজে যে পোন প্ৰথমে হোনো পৃথিৱীত দেৱ-দেৱীৰ আবিৰ্ভাৱ হৈছিল। তাৰ পিছত বিভিন্ন যুগৰ পৰিবৰ্তন হৈ আজিৰ এই অৱস্থাত পৰিণত হৈছে। অৱশ্যে এইটো স্বীকাৰ্য্য যে তেওঁলোকেও এই তথ্য সমূহ ব্যক্তিগত ধৰ্মৰ কিছুমান ধৰ্মগ্ৰন্থৰ জৰিয়তেহে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। কিন্তু বিজ্ঞান সমাজৰ ঐক্যবদ্ধ শান্তিয়ে এখন অস্থিৰ অশুদ্ধ সমাজক এক শুদ্ধ ৰূপ দিবলৈ আগবাঢ়ি গৈছে। আধুনিক যুগত বিজ্ঞানৰ বিষম অগ্ৰগতিক আজিৰ অন্ধবিশ্বাসত ডুব গৈ থকা সমাজে সহজে মানি ল'ব নোখোজে। বিজ্ঞানে কেতিয়াও মিছা নকয় আৰু ক'ব নোৱাৰে। শুদ্ধাতি শুদ্ধ পৰীক্ষালব্ধ জ্ঞানৰ জৰিয়তেহে বিজ্ঞানে কোনো প্ৰমাণিত তথ্য আগবঢ়ায়। আনুমানিক ভাৱে কোনো তথ্যই ই আগনবঢ়ায়। এতিয়া বিজ্ঞানক যদি আমি প্ৰশ্ন কৰো পৃথিৱীখন কেতিয়া, কেনেকৈ সৃষ্টি হ'ল বুলি? তেনেহ'লে বিজ্ঞানে ক'ব- আজিৰপৰা হাজাৰ হাজাৰ নিযুত বছৰ আগেয়ে বায়ুত থকা গেছৰ সুক্ষ্ম-সুক্ষ্ম কণিকা সমূহৰ ৰাসায়নিক ভাৱে বিক্ৰিয়া সংঘটিত হৈ কিছুমান জৈৱ যৌগৰ সৃষ্টি হৈছিল। এই জৈৱ যৌগবোৰৰো আভ্যন্তৰিণ ৰাসায়নিক পৰিবৰ্তনৰ ফলস্বৰূপে ভাইৰাছ সদৃশ সান্ধ্য জীৱৰ আবিৰ্ভাৱ হৈছিল আৰু এনেদৰে ক্ৰমাৎ জৈৱ বিবৰ্তনৰ ফলত এককোষীৰপৰা বহুকোষী জৈৱ জীৱলৈ ৰূপান্তৰিত হৈছিল।

জৈৱ বিবৰ্তন বিজ্ঞানৰ পিতৃস্বৰূপ লেমাৰ্কে জিৰাফৰ ওপৰত যি তত্ত্ব পৰীক্ষা আগবঢ়াইছিল তাৰপৰাই আমি ক'ব পাৰো যে প্ৰকৃতিৰ খাদ্য সংকটৰ ফলত জিৰাফৰ ডিঙি দীঘল হয়। ইয়াত কোনো ধৰ্মীয় সমস্যা জৰ্জৰিত হৈ থকা নাই। ঠিক তেনেদৰে মানুহ বান্দৰৰহে জিনীয় ৰূপান্তৰ মাথোন। বিজ্ঞানে পৰীক্ষাৰ

দ্বাৰা কৈছে যে আমিও হেনো পোনতে বান্দৰ আছিলো। বৰ্তমানেও বান্দৰৰ লগত মানুহৰ অংগৰ সাদৃশ্য পোৱা যায়।

এনেবোৰ তথ্য বিজ্ঞানে আগবঢ়োৱাৰ পিছতো একাংশ সমাজে কিয় অন্ধ বিশ্বাসতেই ডুব গৈ আছে, ভাবিলে দুখ লাগে। অন্ধ বিশ্বাসিত মানুহে আজিও ক'ব খোজে যে 'অম্বুবাসী'ৰ দিনাখন হেনো পৃথিৱীৰ 'ৰজস্বলা' হয়, সেয়েহে সেই পঞ্চদিন অপবিত্ৰ হিচাবে গণ্য কৰে। কিন্তু এই বিষয়ত বিজ্ঞানে অজুহাতহে দেখুৱাব খোজে, কিয়নো পৃথিৱীৰ 'ৰজস্বলা' হ'বলৈ ই কোনো জীৱ নহয়। পৃথিৱীখন মাথো বায়ু, পানী, মাটি, বৃক্ষ, জৈৱ-অজৈৱ, অনুজীৱ ইত্যাদিৰে পৰিবেষ্টিত এটি মণ্ডল বা সমষ্টিহে। গতিকে পৃথিৱীৰ যে ৰজস্বলা হয়, আচলতে ই মানুহৰ বিভ্ৰান্তি মাথোন।

আধুনিক সৌৰকেন্দ্ৰিক গ্ৰহগতি তত্ববিদ ক'পাৰনিকাছে পৃথিৱী যে সূৰ্য্যৰ চাৰিওফালে ঘূৰে এই তত্ব আগবঢ়াইছিল। গ্ৰহগতিৰ বিশদ বিবৰণ তেওঁৰ বিজ্ঞান সাধনাৰ কীৰ্তিস্তম্ভ স্বৰূপ 'On the revolutions of the Celestial Spheres' গ্ৰন্থখনত আছে। সেই সময়ৰ এচাম ধৰ্মাৱলম্বী দুষ্কমী লোকে-ক'পাৰনিকাছে আগবঢ়োৱা তত্ব মানি ল'বলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে চাক্ষুস হৈছিল যে সূৰ্য্যহে দেখোন পৃথিৱীৰ চাৰিওফালে ঘূৰি আছে। তেওঁলোকৰ মতে সূৰ্য্যটো হৈছে এটা দেৱতা, গতিকে সূৰ্য্যদেৱতাহে পৃথিৱীৰ চাৰিওফালে ঘূৰি মানৱ সমাজক চাব পাৰিব। ক'পাৰনিকাছে এই কথাও সদৰি কৰে যে সূৰ্য্য কোনো দেৱ-দেৱতা নহয়, ই মাথো এটা উত্তপ্ত বাষ্পপিণ্ড স্বৰূপ নক্ষত্ৰহে। পিছে ক'পাৰনিকাছৰ মন্তব্যই ব্যক্তিসকলৰ নিষ্ঠুৰ বিবেকক পৰাভূত কৰিব নোৱাৰিলে। ক'পাৰনিকাছে ধৰ্মবিৰোধী কথা প্ৰকাশ কৰাটো মহাপাপ বুলি তেওঁলোকে এই মহান বিজ্ঞানীজনক নিৰ্মমভাৱে হত্যা কৰে।


বৰ্তমানেও দেৱ-দেৱী, ভগৱান আদিক লৈ আদিৰেপৰা তৰ্ক-বিতৰ্ক চলি আহিছে। এতিয়া প্ৰশ্ন হয়- ভগৱান বুলি কাক, কিয় আৰু কি বিশ্বাস হয়? হিন্দু ধৰ্মৰ কিছু সংখ্যক লোকে আঁহত গছ দেখিলেই পূজা কৰে আৰু সেই পূজাৰ নিমিত্তে বহুতো অৰ্থ খৰচ কৰে। ইয়াৰ ফলস্বৰূপে লাভালাভ কি এই কথা কোনেও সদৰি কৰিবপৰা নাই যদিও কোনো কোনো লোকে ক'ব খোজে যে ই মাথো এটা মনৰ শান্তিৰ মাধ্যম। ঈশ্বৰৰ পূজাৰ নামত যিমানবোৰ নিষ্পাপ জীৱৰ বলি-বিধান দিয়া হয় সেইবোৰৰপৰা জানো কিবা লাভ হৈছে- কেতিয়াও হোৱা নাই। গতিকে সমাজৰ বিভৎস লোকসকলে এনেবোৰ কাৰ্য্য কৰাটো কেতিয়াও বাঞ্ছনীয় নহয়। আকৌ হয়তো কোনোৱে প্ৰশ্ন কৰিব পাৰে- যদি ভগৱান নায়েই তেনেহ'লে পৃথিৱীৰ এই জীৱ সমাজখন কাৰদ্বাৰা কেনেকৈ পৰিচালিত হৈ আছে? তেনে প্ৰশ্নোত্তৰ স্বৰূপে বিজ্ঞানে ক'ব যে ভগৱান বুলি কোনো শান্তিপূৰ্ণ যাদুকৰী জীৱ বা ব্যক্তি নাই। ই মাথো এটা শক্তি বুলি বিবেচনাৰ স্থল। ভগৱানৰ নামত পূজা স্বৰূপে পায় মাথো মনৰ শান্তি। অৱশ্যে এই ক্ষেত্ৰত বিজ্ঞানো একমত যে মানসিক শান্তিৰ জৰিয়তে মানুহৰ স্বাস্থ্যৰ উন্নতি হয়।

বৰ্তমানেও গ্ৰামাঞ্চলৰ লোকসকল সঁচাকৈয়ে দুখ লগাকৈ অবিশ্বাসত ডুব গৈ আছে। আমি আটায়ে জ্ঞাত যে ভাল খাদ্যই হৈছে স্বাস্থ্যৰ উন্নতিৰ মূল। বিশেষকৈ দেখা যায় যে পৰীক্ষাৰ দিনাখন পৰীক্ষাৰ্থী সকলে কণী খাই গ'লে হেনো পৰীক্ষাৰ ফলাফল বেয়া হয়। তেওঁলোকে মত প্ৰকাশ কৰে সঁচা, কিন্তু কিয় হয় ইয়াৰ কাৰণ দিব নোৱাৰে। আচলতে বৈজ্ঞানিক দৃষ্টিভংগীৰে চাবলৈ গ'লে কণীও হৈছে প্ৰ'টিনৰ উৎস। গতিকে পৰীক্ষাৰ দিনাখন কণী খাই গ'লে কোনো ধৰণৰ পাপ হ'ব নোৱাৰে; বৰঞ্চ শৰীৰত প্ৰ'টিনৰ অভাৱ পূৰণহে হয়।

শেষত ক'ব খোজো যে

আধুনিক বিজ্ঞানসন্মত সমাজ গঢ়িবলৈ আমাক বিজ্ঞান আৰু প্ৰযুক্তিমূলক জ্ঞানৰ বিশেষ প্ৰয়োজন। ১৯৫৮ চনতে গৃহীত ৰাষ্ট্ৰীয় বিজ্ঞান নীতি প্ৰস্তাৱত বিজ্ঞান সন্মত জ্ঞানৰ প্ৰয়োজনীয়তা বিশেষভাৱে স্বীকাৰ কৰা হৈছে। বৈজ্ঞানিক জ্ঞানৰ ব্যৱহাৰ আৰু বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগৰ যোগেদি সমাজৰ প্ৰতিজন নাগৰিকৰ প্ৰতি এক যুক্তিসংগত পাৰ্থিব আৰু সাংস্কৃতিক সুবিধা আগবঢ়োৱা সম্ভৱপৰ। এই সম্ভৱনা স্বীকাৰ কৰি লোৱাৰ ফলস্বৰূপে জন কল্যাণকামী সামাজিক মূল্যবোধ গঢ়ি উঠে। বিজ্ঞান আৰু বিজ্ঞানসন্মত মানসিকতাৰ বাবে সমাজৰ প্ৰতিজন ব্যক্তিৰে প্ৰধান কৰ্তব্য। ইয়াৰ অবিহনে বিজ্ঞানৰ প্ৰকৃত অধ্যয়ন কিম্বা প্ৰযুক্তিৰ অৰ্থপূৰ্ণ ব্যৱহাৰ কৰাটো প্ৰায় অসম্ভৱ কথা।

*****



মাজবাটৰ শিলত অঙ্কিত প্ৰাচীন বাণৰজাৰ মূৰ্ত্তি




বাজনা পথাৰত শিলৰ মন্দিৰৰ পদ্ম চিহ্ন অঙ্কিত শিলাখণ্ড

MANGALDAI COLLEGE LIBRARY
Date ..............
Estd. 1951

# স্মৃতি আৰু ইয়াৰ সংৰক্ষণ

মঞ্জু কলিতা
প্ৰবক্তা, দৰ্শন বিভাগ



স্মৃতি সম্বন্ধে বিভিন্ন মনোবৈজ্ঞানিকে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। আহৰণ কৰা বিভিন্ন অভিজ্ঞতাবোৰ সঞ্চিত কৰি উপযুক্ত সময়ত প্ৰয়োগ কৰিব পৰা মানসিক প্ৰক্ৰিয়াকে সৃষ্টি বুলি বুজোৱা হয়। শিক্ষালব্ধ সকলো কথা আমাৰ চেতন মনে ধৰি ৰাখিব নোৱাৰে। চেতন মনৰ পৰা বিলুপ্ত হৈ আমাৰ অভিজ্ঞতাবোৰ অচেতন মনলৈ যায়। প্ৰয়োজন হ'লে আমাৰ মনে সেইবোৰক আকৌ প্ৰতিৰূপৰ সহায়েৰে চেতন মনত পুনৰ প্ৰকাশ কৰিব পাৰে। ব্যক্তি মনৰ এই ক্ৰিয়া প্ৰচেষ্টাই হ'ল স্মৃতি। এই স্মৃতি প্ৰক্ৰিয়াত আমি তিনিটা স্তৰ পাওঁ যেনে- অভিজ্ঞতা, সংৰক্ষণ আৰু পুনঃস্মৰণ।

বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে সকলো মানুহৰে স্মৃতি শক্তি সমান নহয়। পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিশেষজ্ঞ সকলে স্মৃতিৰ উপযুক্ত প্ৰয়োগ সম্বন্ধে নানা ধৰণৰ গৱেষণা চলাই আহিছে। মনোবৈজ্ঞানিক সকলে স্মৃতিৰ উপযুক্ত প্ৰয়োগ সম্বন্ধে কিছুমান বাস্তৱ সন্মত পৰামৰ্শ আগবঢ়াইছে। যেনে- আগ্ৰহ, অভিপ্ৰায়, অখণ্ড পদ্ধতি, সক্ৰিয় প্ৰচেষ্টা, প্ৰতিৰূপৰ প্ৰয়োগ, ছন্দৰ প্ৰয়োগ, পুনৰাবৃত্তি, যৌক্তিক শিক্ষন, ইচ্ছাশক্তি আৰু জিৰণি। তেওঁলোকৰ মতে ওপৰোক্ত উপায় সমূহ অৱলম্বন কৰিলে আমি শিকা কথাবোৰ দীৰ্ঘদিনলৈ সঞ্চিত কৰি ৰাখিব পাৰো।

পৃথিৱীৰ ভিন্ন চিকিৎসা কেন্দ্ৰত এচাম বৈজ্ঞানিকে স্মৃতিৰ সংৰক্ষণ কেনেকৈ কৰিব পাৰি সেই সম্বন্ধে গৱেষণা আৰম্ভ কৰিছে। পৰীক্ষা কৰি দেখা গৈছে যে যি সকল ব্যক্তিৰ শিক্ষা-দীক্ষাৰ মাত্ৰা অধিক, তেওঁলোকে বৃদ্ধ বয়সতো স্মৃতিত অতীতক ধাৰণ, সংৰক্ষণ আৰু দীৰ্ঘকাল ধৰি বহন কৰিব পাৰে। কেৱল সেয়াই নহয় নিয়মিত কঠোৰ শাৰীৰিক পাৰিশ্ৰমেও মানসিক কৰ্মক্ষমতা বঢ়াই স্মৃতি সংৰক্ষণত আৰু স্মৰণত সহায় কৰে। বিশ্ববিদ্যালয় তথা বিভিন্ন ধৰণৰ অনুষ্ঠান-প্ৰতিষ্ঠান সমূহে মস্তিষ্কৰ নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰি গৱেষণা কৰি জানিব পৰা গৈছে যে মস্তিষ্কৰ এক নিৰ্দিষ্ট অংশই স্মৃতিবোৰ সংগ্ৰহ কৰি সঞ্চিত কৰে আৰু প্ৰয়োজনৰ সময়ত মনত উদ্ভাসিত কৰে। মস্তিষ্কৰ নিম্ন অংশত অৱস্থিত হিপ্‌প'কেম্পাছ হ'ল সেই নিৰ্দিষ্ট একক অংশ যাৰ কাৰ্য্যকৰী ক্ষমতা অত্যাধিক। বৈজ্ঞানিক সকলে ক'ব

বিচাৰে যে কিবা উপায়ে হিপ্‌প'কেম্পাছক সুস্থ সবল কৰি ইয়াৰ কৰ্মক্ষমতা বঢ়াই দিব পাৰিলে হয়তো বৃদ্ধ বয়সতো পূৰ্ণ স্মৃতি শক্তিলৈ মানুহে জীয়াই থাকিব পাৰিব।

বিস্তৃত অধ্যয়নে দেখুৱাইছে যে মস্তিস্কলৈ অক্সিজেন সৰবৰাহ নহ'লে বা অক্সিজেনৰ নাটনি ঘটিলে হিপ্‌প'কেম্পাছৰ কোষ সমূহ দ্ৰুতভাৱে নষ্ট হৈ যায়। নিয়মীয়া অক্সিজেন মস্তিস্কলৈ সৰবৰাহ কৰি হিপ্‌প'কেম্পাছৰ কোষ সমষ্টি সজীৱ আৰু কৰ্মক্ষম কৰি ৰাখিব পাৰিলে স্মৃতি সঠিকভাৱেই সংৰক্ষণ কৰিব পৰা যায়।

এক মানসিক প্ৰক্ৰিয়া হিচাপে স্মৃতি সদায় মস্তিষ্কৰ লগত জড়িত। মস্তিষ্কৰ ওপৰত বিভিন্ন গৱেষণা চলাই থকা হৈছে যদিও এতিয়াও তাৰ সকলো ৰহস্য উদ্‌ঘাটন কৰিব পৰা হোৱা নাই। যিয়েই নহওঁক স্মৃতি অবিহনে আমাৰ বুদ্ধি সম্ভৱ নহয়। উপযুক্ত পৰিবেশত উপযুক্তভাবে সমাযোজন কৰিবলৈ হ'লে স্মৃতি নিতান্তই প্ৰয়োজন। চিকিৎসা বিজ্ঞানী সকলে স্মৃতিৰ এই গুৰুত্বলৈ লক্ষ্য ৰাখি ইয়াৰ উপযুক্ত প্ৰয়োগ কৰিবলৈ স্মৃতি বৰ্দ্ধন ঔষধো আৱিষ্কাৰ কৰিছে। মনোবিজ্ঞানী সকলে স্মৃতিৰ সংৰক্ষণ আৰু প্ৰয়োগ সম্বন্ধে বিভিন্ন উপায় আগবঢ়াইছে। এটা সুস্থ মনে সুস্থ পৰিবেশত আমাৰ অতীত অভিজ্ঞতাক পুনৰুদ্দীপ্ত কৰিব পাৰিলে আমি আমাৰ কাৰ্য্যক্ষেত্ৰত সফলতা লাভ কৰিব পাৰো। এইখিনিতে উল্লেখ্য যে বিস্মৃতিয়েও আমাক স্মৃতিত সহায় কৰে। আমি অভিজ্ঞতাত পোৱা সকলোবোৰ ঘটনা সংৰক্ষণ যে কৰিব লাগিব এনে নহয়। কিছুমান অলাগতিয়াল কথাবোৰ সংৰক্ষণ কৰাত আমাৰ সুবিধা হয়।

****



পথৰুঘাটৰ ছহিদ স্তম্ভ

# গীতা আৰু গোবিন্দমিশ্ৰ

টমিজা ৰেবিনা চুলতানা
প্ৰাক্তন ছাত্ৰী

নমো ভাগৱতে বাসুদেৱায়।
গীতায়াশ্চৈব মাহাত্ম্যং যথাবৎ
সুত মে বদ।
পুৰা নাৰায়ণ ক্ষেত্ৰে ব্যসেন
মুণিনোদিতম।।

সকলো ধৰ্ম্মৰে একোখন মূল ধৰ্মপুথি থাকে। খ্ৰীষ্টানসকলৰ বাইবেল, মুছলমানৰ কোৰ্আন, বৌদ্ধ সকলৰ ত্ৰিপিটক, শিখ সকলৰ গ্ৰন্থচাহেব আৰু হিন্দু সকলৰ বেদ। বেদৰ এটা ভাগৰ নাম হ'ল উপনিষদ আৰু ইয়াৰে সৰ্বকালৰ অনুবাদ হ'ল গীতা। এই গীতা হিন্দুসকলৰ পবিত্ৰ ধৰ্মপুথি হিচাপে যুগ যুগান্তৰৰপৰা সমাদৰ লাভ কৰি আহিছে।

গোবিন্দমিশ্ৰ এই গীতাৰে অনুবাদক আছিল। দৰং জিলাৰ মঙ্গলদৈ অঞ্চলৰ কেন্দুকলাই ক্ষেত্ৰৰ ওচৰৰে গণকপাৰা গাঁৱতে গোবিন্দমিশ্ৰৰ ঘৰ আছিল বুলি বহুতো পণ্ডিতে থিৰাং কৰিছে। তেওঁ এজন বৈষ্ণৱ কবি আৰু দৰঙী ৰজা ধৰ্মনাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰে। তেওঁ শ্ৰীমদ্ভাগৱত গীতা অসমীয়া পদ্য ছন্দত ৰচনা কৰে। তেওঁ জটিল ৰূপত থকা সংস্কৃতৰপৰা সাধাৰণ ৰাইজে বুজি পোৱাকৈ শ্লোকবোৰ পদলৈ নিয়ে আৰু অসমীয়ালৈ অনুবাদ কৰাত ইয়াৰ প্ৰভাৱ পৰে।

গোবিন্দমিশ্ৰই শ্ৰীমদ্ভাগৱত গীতা পুথিখন যদিও সংস্কৃতৰপৰা অসমীয়ালৈ অনুবাদ কৰিছে তথাপি ই মৌলিক ৰচনাৰ দৰে হৈ পৰিছে। তেওঁ অনুবাদ কৰোঁতে মূল সংস্কৃতত নথকা ছবি, দুলড়ী, ঝুনা আদি বিভিন্ন ছন্দত সৰ্বসাধাৰণে বুজিব পৰাকৈ লিখিছে। তেখেতে মূল সংস্কৃতত নথকা 'বন্দনা অধ্যয়ন' আৰু অধ্যায় নিজে ৰচনা কৰিছে। ইয়াতে তেওঁ ভগৱানৰ অপাৰ মহিমা, দুষ্টক দমন আৰু শান্তক পালনৰ গুণানুকীৰ্ত্তন কৰিছে।

গীতাত আছয় সৰ্বশাস্ত্ৰ অৰ্থ
লৈবাহা বিচাৰি চাই।
গীতা সমুদ্ৰত সাহোৰ মেলিলো
অল্পগুৰু কৃপাপাই।।

গীতাত যে সকলো শ্ৰেণী মানুহৰ বাবে উপদেশ দিছে তাক তলৰ শ্লোকৰপৰাই গম পোৱা যায়-

গৃহী ব্ৰহ্মচাৰী যতি বাণপ্ৰস্থী
চাৰিৰো আশ্ৰম ধৰ্ম।
চাৰিৰো আচাৰ লক্ষণ কহিবো
যাৰ যেন মত কৰ্ম।।

গীতাৰ বন্দনা অধ্যায়ত মহাপুৰুষজনাই ভগৱানৰ গুণানুকীৰ্ত্তন আৰু অলৌকিক শক্তিবোৰৰ কথাকেই বৰ্ণনা কৰিছে। তাৰ পিচৰ অধ্যায়ক 'বিষাদযোগ' নামেৰে নামাকৰণ কৰিছে। তেওঁৰ সুনিপুণ কাব্য প্ৰতিভা ইয়াতেই গম পোৱা যায়। এই অধ্যায়ত কুৰুক্ষেত্ৰ যুদ্ধৰ সময়ত শ্ৰীকৃষ্ণই অৰ্জুনৰ ৰথ দুয়োপক্ষৰ মাজত ৰাখে, তেতিয়া গোটেই আত্মীয়-স্বজন দেখি অৰ্জুনে যুদ্ধ পৰিত্যাগৰ কথা ভাবি শ্ৰীকৃষ্ণক কোৱা কথাবোৰৰ বৰ্ণনা পোৱা যায়।

দ্বিতীয় অধ্যায়ক 'সাংখ্যযোগ' নামেৰে জনা যায়।

এই অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক বুজনি দিয়া দেখিবলৈ পোৱা যায়। শ্ৰীকৃষ্ণই কৈছে যে মানুহৰ আত্মাৰ মৰণ নাইকিন্তু দেহ পৰিৱৰ্তনশীল। পুৰণি বস্ত্ৰ ত্যাগ কৰি নতুন বস্ত্ৰ পিন্ধাৰ দৰে আত্মায়ো সময়ত নতুন দেহত প্ৰৱেশ কৰে। গতিকে ইয়াত শোক কৰাৰ কোনো কাৰণ নাইআৰু ক্ষত্ৰিয় হিচাপে অৰ্জুনৰ কৰ্তব্য মাথো যুদ্ধ কৰা। সেয়ে স্থিতপ্ৰজ্ঞ হৈ অৰ্জুনে যুদ্ধ কৰাহে উচিত।

তৃতীয় অধ্যায়ত কৰ্মযোগ নামেৰে শ্ৰীকৃষ্ণই অৰ্জুনক নিজৰ কৰ্ম কৰি যাবলৈ কৈছে। শ্ৰীকৃষ্ণই অৰ্জুনৰ মনৰ সন্দেহ দূৰ কৰিবলৈ জ্ঞানযোগ আৰু কৰ্মযোগ দুয়োটাই উত্তম বুলি কৈছে। যিজনে ইন্দ্ৰিয় জয় কৰি আসক্তিশূন্যভাৱে ভোগ কৰে তেৱেঁই কৰ্মযোগী আৰু জ্ঞানীসকলেও সদায় নিজৰ কৰ্মহে কৰা উচিত বুলি শ্ৰীকৃষ্ণই কৈছে।

চতুৰ্থ অধ্যায়ত জ্ঞানযোগৰ বিষয়ে শ্ৰীকৃষ্ণই উপদেশ দি কৈছে যে মানুহে যি কৰ্মত কামনা-বাসনা ত্যাগ কৰি কৰে, তেনে কৰ্মই মংগল। তেওঁ আৰু কৈছে যে সকলো যজ্ঞৰ ভিতৰত জ্ঞান যজ্ঞই শ্ৰেষ্ঠ। জ্ঞানৰদৰে শক্তিশালী আৰু পবিত্ৰ একো বস্তু নাই।

পঞ্চম অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক 'কৰ্ম সন্যাস যোগৰ' বিষয়ে কৈছে। কৰ্মতকৈ জ্ঞান বা কৰ্ম ত্যাগেই শ্ৰেষ্ঠ। কৰ্ম নকৰিলে কৰ্মৰ বন্ধনৰপৰা মুক্ত হ'ব পৰা নাযায়। সেয়ে কৰ্মৰ যোগেদিয়ে কৰ্মৰ বন্ধনৰপৰা মুক্ত হ'ব পাৰি।

গীতাৰ ষষ্ঠ অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক অভ্যাসযোগৰ বিষয়ে কৈছে। সংযতাত্মা আৰু বিকাৰশূন্য লোকেই প্ৰকৃত যোগী বুলি তেওঁ অৰ্জুনক জনাইছে। যিয়ে সকলো বস্তুৰ মাজত ভগবানক দেখা পায় তেৱেঁই সুখী আৰু প্ৰকৃত যোগী বুলি শ্ৰীকৃষ্ণই কৈছে।

সপ্তম অধ্যায়ত জ্ঞান-ৱিজ্ঞানৰ তত্ব কথা জনাই কৈছে যে 'পৰা' আৰু 'অপৰা' নামৰ দুটা প্ৰকৃতিৰপৰাই এই জগতখনৰ সৃষ্টি হৈছে। যিজনে ভগবানৰ অভিভূত, অবিদৈৱ আৰু অবিযজ্ঞৰ কথা জানে তেওঁ মৃত্যুকালেও ভগবানক নাপাহৰে বুলি কৈছে।

অষ্টম অধ্যায়ত ভগবানে অক্ষৰ ব্ৰহ্মযোগৰ কথা কৈ ব্ৰহ্ম অধ্যাত্ম কৰ্ম, অধিভূত, অধিযজ্ঞ আদিৰ বিষয়ে আৰু কোনবোৰ জীৱৰ পুণৰ জন্ম হয় তাৰ ব্যাখ্যা দিছে।

নৱম অধ্যায়ত শ্ৰীকৃষ্ণই ৰাজবিদ্যা, ৰাজগুহ্য যোগৰ উপদেশ দিছে। তেওঁ কৈছে যে তেওঁ জগত ব্যাপি আছে আৰু তেৱেঁই সাৰ। সেয়ে আনক পূজা নকৰি তেওঁক কৰাই উচিত।

দশম অধ্যায়ত শ্ৰীকৃষ্ণই বিভূতি যোগৰ বিষয়ে উপদেশ দিছে। তেওঁৰ বিভূতিৰ কথা কৈ অন্ত কৰিব নোৱাৰি। বেদৰ ভিতৰত সাম, দেৱগণৰ ইন্দ্ৰ, ইন্দ্ৰিয়ৰ মন, পুৰোহিতৰ বৃহস্পতি, মহৰ্ষিসকলৰ ভিতৰত ভৃগু, সেনাপতিসকলৰ ভিতৰত কাৰ্ত্তিক, মানুহৰ মাজত ৰজা, সকলো জীৱৰ আত্মা তেওঁ নিজে।

একাদশ অধ্যায়ত শ্ৰীকৃষ্ণই দিব্যচকু দান কৰি অৰ্জুনক বিশ্বৰূপ দৰ্শন কৰাইছে। এইঅধ্যায়তে অৰ্জুনক যুদ্ধত মাত্ৰ নিমিত্ত হ'বলৈ কৈছে আৰু তেওঁ যে ভীষ্ম, দ্ৰোণ, কৰ্ণ আদি সকলোকে বধ কৰিছে তাক জনাইছে।

দ্বাদশ অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক ভক্তিযোগৰ তত্বৰ বিষয়ে কৈ মোক্ষসাধনাৰ বিষয়ে জনাইছে।

ত্ৰয়োদশ অধ্যায়ত ক্ষেত্ৰ যোগৰ বিষয়ে কোৱা হৈছে।

চতুৰ্দশ অধ্যায়ত গুণত্ৰয় বিভাগ যোগৰ বৰ্ণনা দি জগতখন সত্বঃ ৰজঃ তমঃ এই তিনিগুণৰদ্বাৰা আৱদ্ধ বুলি কৈছে। সত্বঃগুণ থাকিলে জ্ঞান প্ৰকাশ হয়, ৰজঃগুণ থাকিলে লোভ কৰ্ম প্ৰবৃত্তিত আসক্তি হয় আৰু তমোগুণত বুদ্ধিনাশ হয়।

পঞ্চদশ অধ্যায়ত পুৰুষোত্তম যোগৰ বিষয়ে কৈছে। এই সংসাৰখনক এডাল আঁহত গছৰ লগত তুলনা কৰিব পাৰি। ব্ৰহ্ম ইয়াৰ মূল; বুদ্ধি, অহংকাৰ আদি ইয়াৰ শাখা আৰু বেদ ইয়াৰ পাত।

ষষ্ঠদশ অধ্যায়ত শ্ৰীকৃষ্ণই দেৱতা আৰু অসুৰ সকলৰ চৰিত্ৰ বৰ্ণনা কৰি কৈছে যে অৰ্জুনৰ গাত দেৱতাৰ সকলো গুণেই আছে আৰু কাম-ক্ৰোধ, লোভ-মোহপৰিত্যাগ কৰি শাস্ত্ৰসন্মত হিচাপে কাম কৰিলেইঅৰ্জুনে মুক্তি পাব।

সপ্তদশ অধ্যায়ত ভগবান শ্ৰীকৃষ্ণই শ্ৰদ্ধাত্ৰয় বিভাগ যোগৰ কথা কৈ সত্ব, ৰজঃ তমঃ গুণী লোকৰ লক্ষণ, শয়ন, ভোজন, পূজ্য পাত্ৰৰ বিষয়ে কৈছে।

অষ্টাদশ অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনৰ আগত মোক্ষ লাভৰ উপায়ৰ বিষয়ে কৈছে। কৰ্মফল, ত্যাগ, সন্যাস আদিৰ বিষয়ে কৈছে আৰু শেষত গোপনীয় তত্ব দি কৈছে যে শ্ৰীকৃষ্ণক পূজা কৰা, ভৰাৰ লগতে শৰণ ল'লে কোনো দোষ নাথাকে। গোপন তত্ব জনাৰ পিচত অৰ্জুনৰ মনৰ সন্দেহ দূৰ হ'ল আৰু নিজ কৰ্মত অৰ্থাৎ যুদ্ধত নামি পৰিবলৈ সংকল্পবদ্ধ হ'ল।


'গীতা মাহাত্ম্য' অধ্যায়ত গীতা পাঠৰপৰা হোৱা লাভালাভ আৰু ফলাফলৰ বিষয়ে কৈছে।

হিন্দুৰ ধৰ্ম শাস্ত্ৰ হ'ল বেদ চাৰিখন। বেদেই পৃথিৱীৰ আটাইতকৈ পুৰণি ধৰ্মশাস্ত্ৰ। এই বেদবিলাকৰ ভাগ চাৰিটা। যেনে- মন্ত্ৰ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ। গীতা হ'ল এই উপনিষদ বিলাকৰ সাৰভাগ। সেয়ে ইয়াৰ ভিতৰত থকা জীৱনৰ জটিল প্ৰশ্ন দৰ্শন, তত্ব আদিবোৰ সকলো শ্ৰেণীৰ লোকৰ বোধগম্য নহ'লেও যিয়ে এবাৰ বুজিছে, তেওঁ গীতাৰ সংস্পৰ্শত আছে। সকলো শ্ৰেণীৰ মানুহৰ জীৱনযাত্ৰাৰো সহায়ক গীতাপুথি সেয়ে হয়তো ভাৰতৰ সকলো লোকৰ মাজতে সমাদৰ লাভ কৰিছে। গীতাত তেনে একে প্ৰয়োজনীয় উপদেশ হিচাপে ক'ব পাৰি সময়ৰ কাম সময়ত কৰাৰ উদ্‌গনি। তাৰোপৰি গীতাত আমাৰ দৈনন্দিন জীৱনৰ লাগতিয়াল বহু উপদেশবাণী পোৱা যায়।

কৰ্মন্যোৱাধি কাৰন্তে মা ফলেষু কদানে।।

গীতা সকলো লোকৰে বাবে ভগবানৰ অংশ বুলি বহুতো লোকে গণ্য কৰে। গীতাৰ প্ৰভাৱ অকল অসম বা ভাৰততে সীমাবদ্ধ থকা নাই। বিশ্বৰ বহুতো ভাষালৈ ই অনূদিত হৈছে। তাৰোপৰি গ্ৰাম্য সমাজৰ বেমাৰ আজাৰ, শুভকৰ্ম আদিত গীতা পাঠ কৰাই গীতাৰ ওচৰত শৰণ লোৱাকে বুজায় আৰু ইয়াৰ মূল কাৰণ মানুহৰ মাজত গীতাৰ প্ৰতি অগাধ বিশ্বাস।

*****



দিহিং সত্ৰ, কুৰুৱা

# মান্যভাষা আৰু ইয়াৰ ধাৰণা

# Concept on Standard language

কাৰ্ত্তিক বৰুৱা, এম.এ.

'মান্যভাষা' (Standard Language) নো কি বা কাক বোলে? এই সম্পৰ্কে শিক্ষিতই হওঁক বা অশিক্ষিতেই হওঁক (ভাষা সম্বন্ধে জ্ঞান নথকা) এক শ্ৰেণী মানুহৰ মনত এটা ভুল ধাৰণা সোমাই থকা দেখা যায়। সেয়ে কেতিয়াবা শুনিবলৈ পোৱা যায় -'আমাৰ ভাষাটো শুদ্ধ, আমি শুদ্ধ ভাষা কওঁ। তোমালোকৰ ভাষাটো ভুল, তোমালোকে শুদ্ধ ভাষা ক'ব নাজানা।' আকৌ কেতিয়াবা শুদ্ধতা-অশুদ্ধতাৰ প্ৰশ্নত দুজন ব্যক্তিৰ মাজত ব্যৱধানৰ সৃষ্টি হোৱা বা এজনে আনজনক অৱহেলা বা অৱজ্ঞাৰ চকুৰে চোৱাও পৰিলক্ষিত হয়। তেওঁলোকে ভাৱে যে 'মান্যভাষা' মানে শুদ্ধ, শ্ৰেষ্ঠ বা উৎকৃষ্ট ভাষা। অসমৰ শিৱসাগৰ অঞ্চলৰ উপভাষাটো অসমৰ মান্যভাষা। সেয়ে ইয়াক শুদ্ধ অসমীয়া ভাষা বুলি ভবা হয় আৰু অসমৰ আন অঞ্চলৰ উপভাষাবোৰ ভুল বা বেয়া বুলি ভবা হয়। এইটো এটা ভুল ধাৰণা আৰু এই ভুল ধাৰণাৰ মূলতে হৈছে 'মান্য' শব্দটোৰ ভুল ব্যৱহাৰ। সেই সকল ব্যক্তিয়ে 'মান্য' (Standard) শব্দটো শুদ্ধ, শ্ৰেষ্ঠ বা ভাল— এনে অৰ্থত ব্যৱহাৰ কৰে আৰু সেয়ে মান্যভাষা মানে তেওঁলোকে শুদ্ধ বা ভাল ভাষা বুলি ভাবে আৰু আনবোৰ উপভাষাক ভুল বা বেয়া বুলি ভাবি লয়। কিন্তু প্ৰকৃতাৰ্থত সেয়া নহয়। কোনো ভাষা বা উপভাষাই শ্ৰেষ্ঠ, শুদ্ধ বা ভাল আৰু কোনো ভাষা বা উপভাষাই নিম্ন, অশুদ্ধ বা বেয়া নহয়। সকলো ভাষাৰেই সমান মূল্য আছে। তেনেহ'লে উপভাষা আৰু মান্য ভাষানো কি বা কাক বোলে?

উপভাষা হৈছে এটা ভাষাৰ নানা ৰূপ। বিভিন্ন আঞ্চলিক, ভৌগলিক, জাতি, ধৰ্ম, শ্ৰেণী, বৰ্ণ-গোষ্ঠী আদি কাৰণত এটা ভাষাই নানা ৰূপ ল'ব পাৰে। ভাষাৰ এই নানা ৰূপবোৰকে উপভাষা বোলে। উপভাষা সমূহৰ মাজত শব্দ, ধ্বনি, উচ্চাৰণ অৰ্থ আদিৰ ক্ষেত্ৰত পাৰ্থক্য থাকিব পাৰে। আকৌ যেতিয়া এটা উপভাষাক আন উপভাষী সকলে শিক্ষা-দীক্ষা, চৰকাৰী কাৰ্য্যালয়, দূৰদৰ্শন, অনাতাঁৰ, ছপাশাল আদি বিভিন্ন প্ৰয়োজনত মাধ্যম (Medium) হিচাপে গ্ৰহণ কৰে তাক মান্যভাষা বোলে। সাধাৰণতে ই বিভিন্ন উপভাষী (Heterogeneous dialect speakers) ৰ মাজত সংযোগী ভাষা (Link Language) হিচাপে কাৰ্য্য সম্পাদন কৰে আৰু ইয়াক স্কুল-কলেজৰ শিক্ষাৰ জৰিয়তেহে শিকা হয়। গতিকে মান্যভাষা হৈছে মৰ্যাদা বা প্ৰাধান্য প্ৰাপ্ত উপভাষা। আধুনিক ভাষা বিজ্ঞানত, ইংৰাজীত 'Standard' শব্দটোৰ বিপৰীতে 'Non Standard' শব্দটো ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ

জৰিয়তে আন উপভাষা সমূহক বুজোৱা হয়। সেয়ে 'মান্য' বা 'Standard' শব্দটোৱে কেতিয়াও সেই উপভাষাটোক শুদ্ধ বা ভাল আৰু আন উপভাষাবোৰক অশুদ্ধ বা বেয়া (Non Standard dialect) নুবুজায়।

কেই বাটাও উপভাষা প্ৰচলিত সমাজ এখনত এটা উপভাষাই বিভিন্ন কাৰণত মান্যভাষা মৰ্য্যদা (Status of the Language) পায়। ভাষা বিজ্ঞানত ইয়াক 'ভাষাৰ মান্যকৰণ' (Standardization of Language) হোৱা বুলি কোৱা হয়। বিভিন্ন সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, ঐতিহাসিক, ভৌগলিক ইত্যাদি কাৰণত এটা উপভাষাৰ মান্যকৰণ হয় আৰু এই মান্যকৰণ চাৰিটা বিশেষ প্ৰক্ৰিয়াৰ লগত জড়িত হয় ঃ

১) নিৰ্বাচন (Selection) ঃ কেই বাটাও উপভাষা প্ৰচলিত সমাজ (Multi Dialect Linguistic Society) এখনত তাৰ উপভাষীসকলে বিভিন্ন কাৰ্য্যক্ষেত্ৰত, যোগাযোগৰ প্ৰয়োজনত, এটা বিশেষ উপভাষাক মাধ্যম হিচাপে নিৰ্বাচন বা পচন্দ কৰি লয়। অসমৰ বৰ্তমান মান্য ভাষাটো উজনি অসমৰ শিৱসাগৰ অঞ্চলত ব্যৱহৃত হোৱা উপভাষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা। এই উপভাষাটোৱেই সোতৰ শতিকাৰ পৰা প্ৰাধান্য লাভ কৰিবলৈ উপক্ৰম কৰে। আহোম সকলৰ ৰাজত্ব কালত শিৱসাগৰ জিলা অঞ্চল সাংস্কৃতিক কেন্দ্ৰত পৰিণত হয় আৰু এই অঞ্চলৰ বাসিন্দা সকলে সাহিত্য সেৱাৰ সুযোগ পায়।তেওঁলোকৰ ৰাজত্বৰ অন্তত অসম ইংৰাজৰ অধীনলৈ যায় আৰু ১৮৩৬ চনত আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকল আহি শিৱসাগৰ অঞ্চলকে নিজৰ কাৰ্য্যৰ কেন্দ্ৰস্থল হিচাপে লয়। বেপ্তিষ্ট মিছনেৰী সকলে সেই উপভাষাটো শিকি বিভিন্ন কিতাপ-পত্ৰ আলোচনী আদি ৰচনা কৰি ছপা কৰি উলিয়ায়। ইয়াৰ ফলত আন অঞ্চলৰ উপভাষী সকল সেই উপভাষাটোৰ দ্বাৰা প্ৰভাৱিত হয় আৰু মান্যভাষা হিচাপে নিৰ্বাচন কৰে। কেতিয়াবা আকৌ কিছুমান অঞ্চলত ৰজা-মহাৰজাই ব্যৱহাৰ কৰা ভাষা বা আন কিছুমান অঞ্চলত ৰাজনৈতিক বা অৰ্থনৈতিক কেন্দ্ৰস্থলৰ ভাষা এটাও মান্যভাষাৰ মৰ্য্যদা পায়। গতিকে এটা উপভাষাক সাধাৰণতে বিশেষ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি কাৰণত মান্যভাষা হিচাপে পচন্দ বা নিৰ্বাচন কৰা হয়,ভাষাৰ শুদ্ধতা বা অশুদ্ধতাৰ ওপৰত ভিত্তি কৰি নহয়।

২) নিয়ম প্ৰণালী প্ৰস্তুতকৰণ(Codification)ঃ উপভাষাটো এটা মান্যভাষা হিচাপে ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান নীতি-নিয়ম (Laws and Rules)ৰ প্ৰয়োজন আৰু সেয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে (Agency) ইয়াৰ প্ৰয়োজনীয়তালৈ চাই ব্যাকৰণ, শব্দকোষ আদি প্ৰস্তুত কৰি উলিয়ায়। ইয়াৰ ফলস্বৰূপে স্থানীয় ভাষীক সকলৰ লগতে সেই উপভাষাটো আন অঞ্চলৰ উপভাষী সকলেও সহজে আৰু সুন্দৰভাৱে ব্যৱহাৰ কৰিব পাৰে। আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকলে প্ৰথমে অসমীয়া ব্যাকৰণ আৰু অসমীয়া, ইংৰাজী অভিধান শিৱসাগৰ অঞ্চলৰ উপভাষাটোত ছপা কৰি উলিয়ায়। তেওঁলোকৰ প্ৰভাৱতে কিছু স্থানীয় লেখকৰো সৃষ্টি হয়, যাৰ ফলত সেই উপভাষাটোত কিতাপ-পত্ৰ আলোচনী আদিৰ সংখ্যা বাঢ়ি আহে। কালক্ৰমত ই বিভিন্ন অঞ্চলৰ উপভাষাৰ ওপৰত সাংস্কৃতিক আৰু সাহিত্যিক প্ৰাধান্য লাভ কৰে।

৩) কাৰ্য্য সম্প্ৰসাৰণ ঃ (Elaboration of function) উপভাষা এটা মান্যভাষা হিচাপে মৰ্যদা পাবলৈ হ'লে ইয়াৰ কাৰ্য্যক্ষেত্ৰত সম্প্ৰসাৰণ হ'ব লাগিব। এই ভাষাটো বিভিন্ন ক্ষেত্ৰৰ মাধ্যম (Medium) বা বাহন (Vehicle) হিচাপে যেনে-- সাহিত্য আলোচনী, বাতৰি কাকত, অনাতাঁৰ, দূৰদৰ্শন, স্কুল, কলেজ, চৰকাৰী কাৰ্য্যালয়, প্ৰশাসনিক, ন্যায়পালিকা ইত্যাদি সকলোতে ব্যৱহাৰ হ'ব লাগিব।

৪) গ্ৰহণ (Acceptance)ঃ বিভিন্ন উপভাষাৰ মাজত এটা বিশেষ উপভাষাইমান্যভাষাক স্বীকৃতি পোৱাৰ ক্ষেত্ৰত আটাইতকৈ উল্লেখনীয় প্ৰক্ৰিয়া বা চৰ্তটো হৈছে গ্ৰহণ। সকলোবোৰ উপভাষীয়ে সেই উপভাষাটো মান্যভাষা হিচাপে মানি লৈ বা গ্ৰহণ কৰি বিভিন্ন কাৰ্য্যক্ষেত্ৰত বিশ্বাস আৰু আস্থা সহকাৰে প্ৰয়োগ কৰিব লাগিব।

গতিকে দেখা যায় যে মান্যভাষা হৈছে বিভিন্ন কাৰণত মৰ্য্যদা বা প্ৰাধান্য প্ৰাপ্ত হৈ আন উপভাষাৰ ওপৰত প্ৰসাৰিত এটা উপভাষা। ইয়াত শুদ্ধতা-অশুদ্ধতাৰ প্ৰশ্ন জড়িত নহয়। আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকলে শিৱসাগৰত নাপাতি যদি গোৱালপাৰা বা কামৰূপত নিজৰ কাৰ্য্যৰ কেন্দ্ৰস্থল পাতিলেহেঁতেন, তেনেহ'লে গোৱালপাৰা বা কামৰূপৰ উপভাষাই মান্যভাষাৰ মৰ্য্যদা পালেহেঁতেন। কাৰণ সোতৰ শতিকাৰ আগৰ কালছোৱাত অসমৰ নামনি অঞ্চলতে সাহিত্য-কলা কেন্দ্ৰ গঢ়ি উঠিছিল। বহুতো কবি আৰু লেখক এই অঞ্চলৰ পৰাই ওলাইছিল আৰু এই অঞ্চলৰ ভাষাৰো মৰ্য্যদা বাঢ়িছিল। কমতাপুৰ, জয়ন্তীপুৰ আৰু কোঁচ বিহাৰৰ ৰজা সকলৰ পৃষ্ঠপোষকতাত অসমীয়া সাহিত্যৰ এই অঞ্চলতে সৃষ্টি হৈছিল। কিন্তু মিছনেৰী সকল আহি শিৱসাগৰ অঞ্চলতহে তেওঁলোকৰ কাৰ্য্যৰ কেন্দ্ৰস্থল পাতে আৰু সেই অঞ্চলৰ উপ ভাষাটোৱে মান্যভাষাৰ মৰ্য্যদা পায়। ****

## কুইজ

? কোন ৰাষ্ট্ৰত চৰকাৰৰ অনুমতি নলৈ দাঢ়ি ৰাখিলে জৰিমনা দিব লাগে?

উত্তৰঃ সাম্যবাদী ৰাষ্ট্ৰ ৰুমানিয়াত।

? কোন চহৰত কুকুৰৰ হোটেল আছে?

উত্তৰঃ প্যাৰিছ নগৰত।

? কোন নগৰক দিনে দুবাৰকৈ ধুই দিয়ে?

উত্তৰঃ ছিংগাপুৰ।

? পৃথিৱীৰ কোন ঘৰৰ ওপৰেদি আজিলৈকে পখী উৰি নাযায়?

উত্তৰঃ আৰবৰ মক্কা নগৰৰ কাবা ঘৰৰ ওপৰেদি।

? পৃথিৱীৰ কোন দেশৰ মানুহে হাতেৰে চলে আৰু ভৰিৰে কাম কৰে?

উত্তৰঃ ব্ৰাজিলৰ অৰণ্যৰ মানুহে।

? কোন দেশত পাগল বেছি?

উত্তৰঃ বাৰ্থা দেশত।

? পৃথিৱীৰ কোন দেশত প্ৰধান মন্ত্ৰী, সেনাবাহিনীৰ কোনো শানিত ৰক্ষক নাই?

উত্তৰঃ ছুইজাৰলেণ্ডত। মাত্ৰ ৭ জন মানুহৰ কালেজিয়াম দ্বাৰাই চলে।

সংগ্ৰাহক-
মঃ মাহমুদুল ইছলাম

# বৈজ্ঞানিক মানসিকতা ঃ সমাজৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা

পুষ্পাঞ্জলী শিৰম
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

বিশ্ববিখ্যাত বিজ্ঞানী ৰামছেছনে কৈছিল, "দেশবাসীক বাৰে বাৰে কোৱা হ'ল যে সমস্ত দুখ-দুৰ্গতি আৰু সমস্যা সমাধানৰ একমাত্ৰ উপায় দিব পাৰে বিজ্ঞানে। আৰু তেওঁলোকে আগ্ৰহৰে এই ভেল্কিবাজী চাবলৈ বৈ আছে। তেওঁলোকে 'শূন্যৰ পৰা বস্তু তৈয়াৰ কৰাৰ দৰে বিজ্ঞানেও কিবা অদ্ভুত শক্তিৰে দুখ-দুৰ্দশা আঁতৰাব বুলি বৈ আছে।' - এনে এটা আধুনিক মিথ্যা ধ্বংস নকৰাকৈ জনগণৰ মাজত বিজ্ঞানসন্মত মানসিকতা গঢ়ি তোলা সম্ভৱ নহয়। এইখিনিতে স্বাভাৱিকতেই এটা প্ৰশ্নৰ উদয় হয় যে প্ৰকৃততে এই বৈজ্ঞানিক মানসিকতানো কি? বিজ্ঞান, যাৰ বাবে আজি আমাৰ দৈনন্দিন জীৱনৰ এটা কামো সমাধা নহয়। আমি পুৱা শুই উঠাৰ পৰা টোপনি যোৱাৰ মুহূৰ্তলৈ য'তে হাত দিছো, যি ফালে দৃষ্টি ঘূৰাইছো তাতেই বিজ্ঞানে ভূমুকি মাৰিছে; 'কেনেভাৱে আপোনাক সহায় কৰিব পাৰো?'- এই বুলি আমাৰ আদেশৰ কাৰণে বাধ্যভাৱে উন্মায়মান হৈছে। বৈজ্ঞানিক মানসিকতা মানে কথা এটা ভালদৰে, যিমান বিশদভাৱে জানিব পাৰি, জনাৰ ইচ্ছা; কথা এটা বিশ্লেষণ কৰি বা চালি জাৰি চোৱাৰ ইচ্ছা, আৰু চালি জাৰি চোৱাৰ পিছত নিজাকৈ এটা যুক্তিসংগত ধাৰণা ল'ব তাকেই বুজায়। প্ৰত্যেকজন মানুহৰে নিজস্ব বুলি এটা কথা থাকে, নিজস্ব মুকলি মন এটাৰ অধিকাৰী আমি সকলোৱে। যদি তাহানিৰ দিনৰে পৰা চলি অহা কোনো এটা বিশ্বাস বা কথাক যুক্তি সহকাৰে কোনোবাই আমাৰ আগত নতুনকৈ দাঙি ধৰে আমাৰ কৰণীয় কি হ'ব বাৰু? এইক্ষেত্ৰত আমাক সহায় কৰিব বৈজ্ঞানিক মানসিকতাই। এই বৈজ্ঞানিক মানসিকতাৰ প্ৰধান বৈশিষ্ট্যই হৈছে প্ৰশ্ন কৰা। এই বৈজ্ঞানিক মানসিকতা জীৱনৰ সৈতে জড়িত দৃষ্টিভংগী; জীৱনৰ সৈতে সম্বন্ধ থকা এক চিন্তাধাৰা। ই কেৱল যে বৈজ্ঞানিক ডিগ্ৰীথকা বা কোনো বিজ্ঞানীৰহে থাকিব সেইটো নহয়। বৰঞ্চ কোনো অবিজ্ঞানী, সাধাৰণ মানুহৰো থাকিব পাৰে। বিজ্ঞানে তাহানিৰ দিনৰে পৰাই ক্ৰমান্বয়ে সকলোকে এনেভাৱে প্ৰভাৱান্বিত কৰি আহিছে যে আজি ইয়াৰ অবিহনে আমাৰ কোনো কামেই নচলে। অতীত সাক্ষী আছে গৌতম বুদ্ধৰ দৰে মহান লোকেও বিজ্ঞানৰ স্বৰূপতাৰ অস্তিত্বৰ কথা সোঁৱৰাই দিছিল। তেওঁ কৈছিল- "তোমাক কোৱা বাবেই বা চিৰাচৰিত বা প্ৰচলিত হোৱা বাবেই বা অনুমান কৰিয়েই যি কোনো কথা বিশ্বাস নকৰিবা। শিক্ষকে কোৱা বুলিয়েই তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সকলো কথা বিশ্বাস নকৰিবা। বৰঞ্চ পৰীক্ষা আৰু বিশ্লেষণৰ দ্বাৰা চালি জাৰি চাই সমাজৰ আৰু দহৰ মংগলজনক কথাত বিশ্বাস ৰাখি তাক সৰোগত কৰি মানি চলিবা।" সেইখিনিতেই ভাৰতীয় আধ্যাত্মিক আৰু বৈজ্ঞানিক চিন্তাৰ আলি দোমোজাত বিজ্ঞানৰ নৱজাগৰণ তথা বৈজ্ঞানিক মানসিকতাৰ প্ৰমাণ পোৱা যায়। অসমীয়া সমাজৰ কাণ্ডাৰী স্বৰূপ মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ পৰৱৰ্তী মহাপুৰুষ

সকলৰ সাহিত্যত ধৰ্ম কথাৰ লগতে বৈজ্ঞানিক চিন্তাৰ কথাও প্ৰকাৰন্তে নিহিত আছিল। শংকৰ-মাধৱৰ ধৰ্মৰ শিকনিত শাৰীৰিক-মানসিক পৱিত্ৰতাৰ বাবে দেখুৱাই দিয়া আচৰণ প্ৰৱৰ্ত্তনৰ মাজত বিজ্ঞান-সন্মত বহুত তথ্য পোৱা যায়। সেই বিলাকৰ ভিতৰত, নিত্য নৈমত্তিক কৰ্ম স্নান আদি ধৌত বস্ত্ৰ পৰিধানৰ পৱিত্ৰতা, নামঘৰত ভক্তসৱৰ পালনীয় পৱিত্ৰতা, মাহ প্ৰসাদ আদি মুখশুদ্ধি আৰু দন্ত পৰিষ্কাৰৰ বাবে খৰিকা ব্যৱহাৰ আদি আচাৰ নীতি সমূহ বিজ্ঞান সন্মত আছিল। নেদেখাটো চাবলৈ, নজনাটো জানিবলৈ মানুহৰ আগ্ৰহ অপাৰ। জ্ঞানপিপাসু মানৱৰ কথাবোৰ ভাঙি পাতি চাব পৰা, ফঁহিয়াই চাব পৰা, তাক জানি-বুজি ল'বৰ বাবে আছে 'বুদ্ধি'। এই বুদ্ধিৰ বাবেই মানুহ জীৱশ্ৰেষ্ঠ। মানুহে ইয়াৰ বলতেই এদিন শিলত শিল মাৰি জুইৰ আৱিষ্কাৰ কৰিলে। তাতেই সীমাবদ্ধ নাথাকি তাক ব্যৱহাৰ কৰাৰ পদ্ধতি, নুমুৱাৰ পদ্ধতি, কিহৰ দ্বাৰা জ্বলে, কেনেকৈ নুমাব পাৰি ইত্যাদি ইত্যাদি কথাবোৰো আয়ত্ব কৰি লৈছিল। বৈজ্ঞানিক মানসিকতা সম্পৰ্কে বিশিষ্ট লেখক তথা বিশিষ্ট বিজ্ঞানী ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে লিখিছিল- "আপোনাৰ মনটো সকলো কথাৰ প্ৰতি মুকলি কৰি ৰাখক আৰু পুৰণি কথাবোৰ চালি জাৰি চাওক। তাৰে লগাখিনি গ্ৰহণ কৰি যিবোৰ ভিত্তিহীন বুলি ভাবে সেইবোৰক এৰি পেলাবলৈ সাজু থাকক। মনটো মুকলি ৰাখি নতুন জ্ঞান তথ্যৰে নতুন সিদ্ধান্তত উপনীত হ'বলৈ সাজু হওক। এনেদৰে আগবাঢ়িব পাৰিলে আপুনিও প্ৰকৃত বৈজ্ঞানিক চিন্তাধাৰাৰে উদ্বুদ্ধ বিজ্ঞানী এজনৰ দৰে আগবঢ়া হ'ব। আপোনাৰ এনে বৈজ্ঞানিক মানসিকতাৰ বাবে সমাজখনৰ আৰু লগতে আপোনাৰো উপকাৰ হ'ব।" বৈজ্ঞানিক মানসিকতাই মানুহক সত্য সন্ধানী কৰি তোলে। বিজ্ঞানৰ চিন্তা চৰ্চা আলোচনাই মানৱ প্ৰগতিৰ সোপান। দেশ আৰু জাতি গঢ়িবলৈ সমাজৰ কামত লগা বেলেগ বেলেগ বৃত্তিত নিযুক্ত সকলো মানুহকে প্ৰয়োজন বৈজ্ঞানিক মানসিকতাৰ। অৱশ্যে এইটো সত্য যে বিজ্ঞানৰ জয়গান স্বত্বেও বৰ্ত্তমান জনসংখ্যাৰ ব্যাপক হাৰত বৃদ্ধিয়ে বৈজ্ঞানিক প্ৰযুক্তিৰ লগত ভাৰসাম্য ৰাখিব পৰা নাই। এই বাবেই পৃথিৱীৰ আধাতকৈয়ো বেছি মানুহে সামাজিক উন্নতিৰ সুফল লাভ কৰিব পৰা নাই। এইবোৰ দিশত আলোকপাত কৰি পৃথিৱীৰ সকলো দেশৰে সকলো মানুহৰে মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি ল'লে বিজ্ঞানেই বৰ্ত্তমান আৰু ভৱিষ্যতৰ জটিল সমস্যা সমূহ সমাধান কৰিব পাৰিব। তলত দিয়া স্বীকাৰ্য বৈজ্ঞানিক মানসিকতাৰ লগত সংগতি পূৰ্ণ-

১) বিজ্ঞান পদ্ধতি সমূহ জ্ঞান লাভৰ বাবে এক কাৰ্যকৰী পদ্ধতি।

২) বৈজ্ঞানিক পদ্ধতি প্ৰয়োগৰ দ্বাৰা আৰব্ধ জ্ঞানেৰে মানৱ সমস্যাসমূহ হৃদয়গম কৰি সমাধান কৰা সম্ভৱপৰ। গতিকে কৌতুহলী আৰু মুক্ত মনেৰে প্ৰশ্ন সোধক। প্ৰশ্নৰ উত্তৰ পাবলৈ কৰা পৰ্যবেক্ষণ, তথ্যসংগ্ৰহ আদি ঢাপৰ মাজেদি বৈজ্ঞানিক জ্ঞান আহৰণৰ পদ্ধতিৰ বাৰম্বাৰ প্ৰয়োগ কৰাৰ ফলত বিজ্ঞান সন্মত মানসিকতাই গঢ় লয়। পুৰণি কালৰে পৰা বা বোপাককাৰ দিনৰে পৰা চলি অহা কথাবোৰক ভালদৰে ফঁহিয়াই চাই যদি তাত কিবা অযুক্তিকৰ কথা দেখিবলৈ পোৱা যায় যথাসম্ভৱ তাক ত্যাগ কৰাই উচিত। তেতিয়াহে এজন প্ৰকৃত বিজ্ঞানীয়ে যেনে মন, যেনে চিন্তা লৈ আগবাঢ়ে, যেনে পদ্ধতি অনুসৰণ কৰে, আমিও তেনে মনৰ অধিকাৰী হ'ম। ইয়ে দেশ তথা সমাজৰ প্ৰগতিত অৰিহণা যোগাব। এটা সময় নিশ্চয় আহিব, যেতিয়া যুক্তিৰ দ্বাৰা সমগ্ৰ অবৈজ্ঞানিক বস্তুবোৰৰ অৱসান ঘটিব। আমিও ভৱভূতিৰ দৰে ক'ব পাৰিম-

"যুক্তিযুক্তমুপাদেয়ং ৱচনং
ৱালকাদপি।
অন্যাদ্ তৃণমেৱ ত্যজম্ অপি
উক্তং পদ্মজন্মনা।।"

****

# গাঁৱলীয়া সমাজৰ সৌন্দৰ্য্যবোৰ

গীতিকা শৰ্মা
স্নাতক দ্বিতীয় বাৰ্ষিক

"শুৱনি আমাৰ গাঁওখনি অতি
শুৱনি গছেৰে ভৰা,
ডাল ভৰি ভৰি ফল-ফুল লাগে
কত পাওঁ তল সৰা।"

আমাৰ সকলোৰে চিনাকি এই কবিতাফাঁকি। গাঁৱৰ সৌন্দৰ্য্য বৰ্ণাবলৈ গৈ কবি তন্ময় হৈ পৰিছে। শস্য-শ্যামলা, চিৰ সেউজী অসমীৰ বুকুৰ অসংখ্য গাঁওবোৰৰ মাজত দেখিবলৈ পোৱা যায় কবিগৰাকীৰ উক্ত কবিতাটিৰ প্ৰতিটো শব্দৰ বাস্তৱ প্ৰতিফলন। অসমৰ প্ৰায় প্ৰতিখন গাঁৱৰ মাজেৰে বা সীমাৰে পাৰ হৈ গৈছে বিভিন্ন নৈ। বিভিন্ন গছ-গছনি, ফল-মূলেৰে গাঁৱৰ প্ৰতিটো চুক-কোণ ভৰি থাকে। পুখুৰীৰ বিভিন্ন মাছৰ লুকাভাকু আৰু গৰু, ছাগলী, হাঁহ, পাৰ আদিয়ে গাঁওবোৰৰ প্ৰাচুৰ্য্যতাক চিহ্নিত কৰে। ভঁৰালত কৃষকৰ সপোনবোৰ ঠাহ খাই থাকে। তগৰ, নাহৰ, চম্পা, গোলাপ আদি নানাবিধ ফুলৰ সৌৰভেৰে গাঁৱৰ প্ৰতিঘৰৰ পদূলিমুখ আমোল মোলাই তুলি এক অপৰূপ শোভাৰ সৃষ্টি কৰে। এয়া কেৱল এখন গাঁৱৰ দৃশ্যাৱলী নহয়, অসমৰ প্ৰত্যেকখন গাঁৱৰ প্ৰতিচ্ছবি এয়া।

কৃষি প্ৰধান আমাৰ দেশৰ অধিক সংখ্যক কৃষিয়েই গাঁৱত কৰা হয়। এক কথাত, গাঁৱৰ কৃষক সকলেই যেন সকলোৰে প্ৰাণস্বৰূপ। নিজা তথা আনৰো প্ৰাণ সঞ্চাৰৰ বাবে গাঁৱৰ এই কৃষকসকলে গোটেই বছৰ জুৰি কিমান যে পৰিশ্ৰম কৰিব লগা হয়। কৃষকৰ সপোনবোৰ যেতিয়া খেতি-পথাৰত ঠন ধৰি উঠে তেতিয়া প্ৰথম নতুন চাউলেৰে 'ন-খোৱা' উৎসৱৰ সৈতে আন কোনো উৎসৱৰেই তুলনা নহয়। এৰা, এই দিনটোলৈকে কিমান আশাৰে যে বাট চাই থকা হয়। ৰাতিপুৱা কুকুৰাই ডাক দিয়াৰ পূৰ্বেই নাঙল-যুৱলি লৈ গৰুহালৰ সৈতে পথাৰলৈ গৈ থকাৰ মুহূৰ্ত্তত, খেতি পথাৰত বোকা পানীৰে লুতুৰি-পুতুৰি হৈ থকাৰ মুহূৰ্ত্তত কৃষক সকলৰ মনত এটা কথাই মাথো অগা-দেৱা কৰি থাকে-"কেতিয়াকৈ বাৰু এই আশাবোৰ ফুল হৈ ফুলিব?" খেতি পথাৰত হাড় ভগা পৰিশ্ৰম কৰিও গাঁৱৰ পুৰুষ সকলে সন্ধিয়া ইঘৰ-সিঘৰত গৈ পুথি পঢ়িবলৈ বা জেঠুৱৈ সভাখন পাতিবলৈ কেতিয়াও নাপাহৰে। গাঁৱলীয়া সমাজৰ এই আন্তৰিকতা আৰু সহযোগিতাই সেয়ে আজিৰ যান্ত্ৰিক যুগতো জীয়াই ৰাখিছে হৃদয়ৰ সঁচা মৰম, চেনেহ, দয়া, শ্ৰদ্ধা আদি শব্দবোৰৰ বাস্তৱ তাৎপৰ্য্য। সেউজীয়াৰে আবৃত্ত এই গাঁওবোৰৰ প্ৰতিটো উপাদানতেই পোৱা যায় সেউজীয়াৰ অবিনৰত্ব পৰশ। সেউজীয়াৰে ভৰি থাকে মানুহৰ মনবোৰো।

গাঁৱৰ মাজমজিয়াত থকা নামঘৰটোত নাইবা ইঘৰ-সিঘৰত পতা 'নাম'বোৰে এতিয়াও জীয়াই ৰাখিছে মানুহৰ হৃদয়ৰ বিশ্বাস আৰু পৱিত্ৰতাক, ঈশ্বৰ প্ৰাৰ্থনাতকৈ এই পৃথিৱীত আন একোৱেই পৱিত্ৰ হ'ব নোৱাৰে।

গাঁৱৰ গৃহিনীসকলে খৰিৰ

জুই ফুঁৱাই ফুঁৱাই চকুৰে একো মনিব নোৱাৰা অৱস্থা হ'লেও নিজৰ যাৱতীয় কামবোৰ সময়মতে কৰি উঠি তাঁতৰ শালখনত বহিলেহে যেন প্ৰকৃত সুখৰ চাবিকাঠি বিচাৰি পায়। সঁচাকৈ নিজে বৈ পিন্ধা কাপোৰ সাজত সৃষ্টিৰ কিমান যে সুখ নিহিত হৈ আছে সেয়া শিপিনী গৰাকীৰ বাহিৰে আনে কেনেকৈ বুজিব পাৰিব?

গাঁৱলীয়া জীৱনৰ পৰশ পাই ডাঙৰ হোৱা এটি শিশু চহৰৰ কৃত্ৰিমতাৰ মাজত ডাঙৰ হোৱা শিশু এটিতকৈ নিশ্চয় অধিক ভাগ্যৱান। গাঁৱৰ বোকা-পানী, ধূলি-বালি গচকি সমনীয়াৰ সৈতে খেলি নাইবা নিজৰ ঘৰত উভৈনদী হৈ থাকিলেও আনৰবাৰীৰপৰা আম, বগৰী, লেতেকু আদি মনে মনে খোৱাৰ শৈশৱৰ সেই আনন্দৰ সৈতে আন একোৰেই তুলনা কৰিব নোৱাৰি। গাঁৱৰ এল,পি, স্কুলত কলপাতত বাঁহৰ কলমেৰে লিখিবলৈ দিয়া কাৰ্য্যই শিশুক শিক্ষাৰ আন এখন জগতৰ সৈতে পৰিচয় কৰাইদিয়াৰ লগতে হাতৰ আখৰ ভাল কৰাতো সহায় কৰে। তদুপৰি স্কুলৰ পৰীক্ষাবোৰত হাতৰ কামৰ বাবে মাটিৰ আম, আপেল, কল আদি বনোৱা কাৰ্য্যই শিশুক সৃজনাত্মক দিশৰ সৈতে পৰিচয় কৰাই দিয়ে। গাঁৱলীয়া জীৱনত শিশুৱে শৈশৱৰ প্ৰকৃত আনন্দ আৰু সৌন্দৰ্য্য উপভোগ কৰাৰ সুবিধা পায়।

বছৰেকৰ মূৰত অহা বিহুটিক আদৰিবলৈ কিমান আগৰেপৰা যে গাঁওবাসী সাজু হৈ থাকে। ব'হাগৰ বিহুবানখন ফাগুনৰ শেষৰ ফালে নাইবা চ'তৰ প্ৰথম ভাগমানত শালত লগোৱাৰ পৰাই বিহুৰ সুবাসে চুই যায় গাঁৱৰ প্ৰতিজন বাসিন্দাক; তাঁতৰ খিতিক-খিতিক শব্দ আৰু ঢেঁকীৰ মাতে বসন্তৰ আগমনৰ বতৰা আগতীয়াকৈ দি যায়হি। কপৌ আৰু তগৰৰ মন পৰশা সৌৰভেৰে গাঁৱৰ প্ৰতিঘৰৰ পদূলি মুখ আমোল-মোলাই যোৱাৰ সময়তেই ব'হাগৰ বলীয়া বানে চঞ্চল কৰি তোলে সকলোকে। .......কাতি বিহুত যদিও অভাৱে জুৰুলা কৰে সকলোকে তথাপিও তুলসীৰ তলত আৰু খেতি পথাৰত মিঠাতেলৰ চাকিগচ জ্বলাবলৈ কোনেও নাপাহৰে। সেইদিনা খেতি পথাৰৰ চাকিবোৰৰ কিযে এক অপৰূপ দৃশ্য হয়, সেয়া প্ৰত্যক্ষ দৰ্শীয়েহে ক'ব পাৰিব ভালদৰে। ....মাঘৰ বিহুৰ কেইদিনমান আগৰেপৰা গাঁৱৰ মুকলি ঠাইত কলৰ শুকানপাত আৰু বাঁহেৰে বনোৱা মেজি বা ভেলাঘৰত সকলোৱে লগ হৈ খোৱা উৰুকাৰ ভাতসাজৰ কথা কোনে বাৰু পাহৰিব পাৰে!

জীৱনৰ চাকনৈয়াত এখন্তেক ঃ

সময় গতিশীল। স্মৃতিক বিস্মৃতিৰ গৰাহলৈ ঠেলি ই গৈ থাকে ভৱিষ্যতৰ দিশে। সময়ৰ গতিশীলতাত নিজকে বিলীন কৰি মানুহৰ মনবোৰো ক্ৰমাৎ গতিশীল হৈ যাব ধৰিছে। সেয়ে আজিৰ বহুতে গাঁৱৰ সহজ-সৰল জীৱনৰ ঐশ্বৰিক সুখকো অৱহেলা কৰি যান্ত্ৰিকতাৰ পৃথিৱীত ভৰি দি চহৰমুখী হৈ পৰিছে। পৰিণতি স্বৰূপে, গাঁৱৰ জীৱন প্ৰণালী প্ৰায় স্তব্ধ হৈ পৰিছে। চেষ্টা কৰা নাই কোনেও গাঁৱৰ মনোমোহা সৌন্দৰ্য্য ধৰি ৰখাৰ বাবে। বৰঞ্চ লাহে লাহে গাঁওবোৰো চহৰলৈ পৰিৱৰ্তন কৰাতহে মানুহবোৰ ব্যস্ত হৈ পৰিচে। তদুপৰি প্ৰতিবছৰে বানে গৰকা অসমৰ এই চিৰসেউজী গাঁওবোৰৰ অৱস্থাও বৰ্তমান অতি শোচনীয় হৈ পৰিছে। অতি দুখ আৰু পৰিতাপৰ কথা যে এতিয়ালৈকে কোনেও গাঁওবোৰৰ অস্তিত্ব ৰক্ষাৰ্থে কোনো কাৰ্যপন্থা হাতত লোৱা নাই।

গাঁৱৰ উন্নতি স্থবিৰ হৈগ'লেও গাঁৱলীয়া জীৱনৰ প্ৰকৃত আনন্দ আৰু সৌন্দৰ্য্য এতিয়াও নোহোৱা হৈ যোৱা নাই। গাঁৱৰ একাংশই চহৰৰ কৃত্ৰিম বিলাসীতাত মুগ্ধ হলেও আন একাংশই গাঁৱৰ নৈসৰ্গিক সৌন্দৰ্য্যক এতিয়াও ধৰি ৰাখিছে। জীৱনৰ সস্তীয়া সুখত জীৱন অতিবাহিত কৰা বহুসংখ্যকে গাঁৱক বেয়া পায়, গাঁওবাসীক উপহাস কৰে, ঘৃণা কৰে গাঁৱৰ সহজ-সৰল জীৱনক। কিন্তু প্ৰকৃততে গাঁৱৰ আনন্দ আৰু সুখৰপৰা যি বঞ্চিত হৈ আছে, তেওঁ জীৱনৰ প্ৰকৃত আনন্দ আৰু সুখৰপৰাই বঞ্চিত হৈ আছে নিশ্চয়। গাঁওবাৰে আমাক অকৃত্ৰিমভাৱে দিয়ে জীৱনৰ সঁচা সুখ আৰু প্ৰাচুৰ্য্যতাবোৰ। সেয়ে হয়তো ব্যস্ততাই গৰকা পৃথিৱীত খোজ দিয়াৰ পিছতো আমি হৃদয়ৰ নিভৃততম কোণৰপৰাই আন্তৰিকতাৰে গাই যাব পাৰো প্ৰিয় শিল্পীৰ সুৰত সুৰ মিলাই-

"এইখনি গাঁও আপোন আপোন
ইয়াতে দেখোন........."

****

# সংস্কৃতি আৰু আধুনিক সমাজ

নিলোপম দাস
প্ৰাক্তন ছাত্ৰ

সংস্কৃতি বিষয়টোৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ বিচাৰ কৰি চালে আমি দেখো সংস্কৃতি হ'ল কোনো এটা জাতি বা মানৱ গোষ্ঠীৰ মাজত শ-শ, হাজাৰ হাজাৰ বছৰ ধৰি চলি অহা নীতি-নিয়মৰ মাজেদি গঢ় লৈ উঠা সুষম বৈশিষ্ট্যৰ সামূহিক ৰূপ। 'সংস্কৃতি' শব্দই সংস্কাৰ বা সংস্কৃত কৰ্মক বুজায়। সহজ ভাষাত ক'বলৈ হ'লে প্ৰকৃতিৰ মানৱীয় প্ৰকৃতিলৈ মানুহক উন্নীত কৰা মানৱীয় কৰ্মৱাজীয়েই সংস্কৃতি।

সংস্কৃতি সমাজৰ দান। অসমীয়া সভ্যতা-সংস্কৃতিৰ বহিৰঙ্গ ৰূপ থাকিলেও এটা আন্তৰিক আৰু আধ্যাত্মিক ভাৱ ৰূপ আছে। সেইটো হ'ল আত্মাক জনাৰ চেষ্টা। এই আত্মিক সাধনাৰ ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ মূল সত্য সমন্বয় সাধনাত প্ৰকাশ পায়।

অসমীয়া সমাজৰ এই আবুৰখনৰ পৰা আজিৰ আধুনিক সমাজখন ব্যতিক্ৰম হোৱা পৰিলক্ষিত হয়। আজিৰ সমাজখনে সংস্কৃতিক এইদৰে পাহৰিছে যে হয়তো এটা সময়ত আমাৰ সংস্কৃতিৰ প্ৰতীক জাতীয় উৎসৱ চিহ্নটিকো পাহৰি যাব লাগিব।

বৰ্তমান সংস্কৃতিৰ কিছু কাৰক লুপ্তপ্ৰায়। কাৰণ আমাৰ আধুনিক সমাজ ব্যৱস্থাত বহিৰাগতৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছে।

সংস্কৃতিয়ে দেশৰ উন্নতিত বাৰুকৈয়ে ক্ৰিয়া কৰে। সেয়ে দেশৰ উন্নতি কৰিবলৈ হ'লে আমি সংস্কৃতিক এৰি চলিব নোৱাৰো।

শেষত, সংস্কৃতি হৈছে এখন দেশৰ, এটা জাতিৰ অথবা এখন সমাজৰ নিজস্ব সভ্যতাৰ দলিল স্বৰূপ; সেয়ে ইয়াক জীয়াই ৰখাটোৱে আমাৰ কাম্য।

***



আন্তঃ মহাবিদ্যালয় যুব মহোৎসৱৰ নাট প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত নাট- "সপোনৰ কাৰেঙ চাপৰি"
অভিনয় শিল্পীসকল ক্ৰমান্বয়ে-
মুন হাজৰিকা, সুৰজিৎ নাথ, তপন বৰুৱা, প্ৰতাপ শৰ্মা, দিপাঙ্কৰ ভূঞা আৰু ধনদা কাকতি।



২০০২-০৩ বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ ও শ্ৰেষ্ঠ কাবাডী খেলুৱৈ
শ্ৰীশৈলেন্দ্ৰ ডেকা আৰু শ্ৰীপ্ৰণৱ জ্যোতি ডেকা



২০০৪ৰ শ্ৰেষ্ঠ সাহিত্যিক
শ্ৰীপুষ্পাঞ্জলী শিৰম




স্বৰচিত কবিতা পাঠ
প্ৰতিযোগিতাত শ্ৰেষ্ঠ স্থান
শ্ৰীনৰজ্যোতি ডেকা



২০০৪ চনৰ ৮ অক্টোবৰৰ পৰা ১৯ অক্টোবৰলৈ নতুন দিল্লীত অনুষ্ঠিত হোৱা কেম্পত অংশ গ্ৰহণ কৰি সুনাম অৰ্জন কৰা মঙলদৈ মহাবিদ্যালয়ৰ ছোৱালী ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শ্ৰীকবিতা বৰুৱা আৰু মিচ্ নাজিয়া জোৎস্না আৰা বেগম, তেওঁলোকৰ তত্ত্বাৱধায়িকা শ্ৰীলীনা শইকীয়াৰ লগত।

# গল্পৰ শিতান



Top of the Europe, Switzerland; Photo: Rubul Hazarika, PCC

# ৰক্ত দান জীৱন দান

লীনা শইকীয়া
প্ৰৱক্তা, প্ৰাণী বিজ্ঞান

ন বাজিবলৈ কেই মিনিটমান বাকী। প্ৰথম ক্লাচটো পাবলৈ ছাত্ৰ-ছাত্ৰীবোৰ ঢাপলি মেলিছে মহাবিদ্যালয়খনলৈ। ছাত্ৰ-ছাত্ৰীবোৰৰ আকাশী ৰঙৰ চুৰিদাৰ বা চার্টবোৰৰ বাবে মহাবিদ্যালয়ৰ পৰিবেশটো সুন্দৰ হৈ পৰিছে। এনেও নাহৰ, বকুল, ওখ ওখ আমলখিৰ গছেৰে পূৰ্ণ মহাবিদ্যালয়খনৰ চৌহদটো যথেষ্ট চকুত লগা। প্ৰণামী, পূৰবী, প্ৰিতিস্মা তিনিওজনী একেটা মেচতে থাকে, একেটা বিষয়তে মেজৰ। সিহঁতেও বেগা-বেগিকৈ খোজ দিছে, কাৰণ এই ক্লাচটো হ'ব বুলি সিহঁত নিশ্চিত। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী লাভ কৰি অহা চাৰজনে কোনোদিনে ক্লাচ ক্ষতি কৰা নাই, কোনোবাদিনা নকৰিলে আগদিনাই সিহঁতক জনাই দিয়ে।

মহাবিদ্যালয়ৰ তোৰণ খনৰ সন্মুখত ৰাস্তা পাৰ হ'ব খোজোতেই হঠাতে অঘটনটো ঘটি গ'ল। তীব্ৰবেগী বাচ এখনে তিনিওজনীকে খুন্দা মাৰিলে। প্ৰণামীৰ আঘাত কিছু বেছিকৈ হ'ল, তেজেৰে গোটেই আকাশী ৰঙৰ চুৰিদাৰ কামিজ ৰাঙলী হৈ পৰিল। ততাতৈয়াকৈ তাইক চিকিৎসালয়ত ভৰ্ত্তি কৰা হ'ল। ডাক্তৰে তেজৰ প্ৰয়োজনৰ কথা কোৱাত লগৰ ল'ৰা-ছোৱালী কেইজনী আগবাঢ়ি আহিল, কিন্তু ডাক্তৰে পৰীক্ষা কৰি সিহঁতৰ তেজ প্ৰণামীৰ লগত নিমিলে বুলি ক'লে। কেইজনমান কলেজলৈ আহি লগৰ আনবোৰক সোধ-পোচ কৰাত লাগিল। খবৰটো গৈ কমনৰুমত বহি থকা প্ৰাণী বিজ্ঞানৰ প্ৰবক্তা সোণালী বাইদেউৰ কাণত পৰিল। তেওঁৰ চাত্কৈ মনত পৰিল সেই rare blood groupৰ ছাত্ৰীজনীৰ কথা। আজি এমাহমান আগে কলেজত স্থানীয় চিকিৎসালয়ৰ সহযোগত কলেজখনৰ Health Care Centreএ পতা স্বাস্থ্য শিবিৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীবৃন্দৰ তেজৰ গ্ৰুপ নিৰ্ণয় কৰা হৈছিল আৰু তেজ দান কৰিবলৈ সন্মতি জনাই সকলোৱে চহী দিছিল। সোণালী বাইদেউৰ স্বামী স্বাস্থ্য বিষয়া বাবে এনে শিবিৰ আদি পতাত কিছু সুবিধা হ'ব বুলি আগৰণুৱা বাইদেউকে এই হেল্থ কেয়াৰ চেণ্টাৰৰ দায়িত্ব দিয়া হৈছিল আৰু বাইদেৱো হাঁহিমুখে সন্মত হৈছিল। আচলতে নাকৰ (NAAC) পিয়েৰ টিম অহাৰ আগে-আগে সকলোৱে মাৰ বান্ধি লাগিছিল, যিজনকে যি দায়িত্ব দিয়া হৈছিল তাক সুচাৰুৰূপে পালন কৰাত চেষ্টাৰ ত্ৰুটি কৰা নাছিল। কলেজখনৰ সন্মান ৰক্ষাৰ বাবে সকলোৱে যেন কিবা যুদ্ধতহে নামিছিল! ব্লাড গ্ৰুপ চোৱাৰ সময়ত সোণালী বাইদেউ লগতে আছিল, আনকি হাঁহি হাঁহি বাইদেৱে তাইক কৈছিলো- 'হেৰা, তোমাৰ তেজৰ গ্ৰুপ মোৰ লগত মিলেহে। কেতিয়াবা মোক তেজ লগা হ'লে দিবা দেই, এইটো কিছু ৰেয়াৰ গ্ৰুপ'। বাইদেউ ততাতৈয়াকৈ কমনৰুমৰ পৰা ওলাই ৰাস্তাৰ ৰিক্সা এখন ল'লে। অইনদিনা হ'লে বাইদেৱে ৰিক্সা পচন্দ কৰিহে উঠিলহেঁতেন- কাৰণ

কোনোবাখন ৰিক্সাত ওলাই থকা গজালৰবাবে শাৰী ফাটে, কোনোবাখনত আকৌ গৈ থাকোতে চিটটো পিচলি তললৈ নামি আহে, কোনোবাখনে আকৌ এক অদ্ভুত শব্দ কৰি যায়। মুঠতে যিকোনো ৰিক্সাত উঠি এনেধৰণৰ পয়মাল লগাইনলয়। সোণালী বাইদেৱে পিচে আজি যিখন ৰিক্সাকে প্ৰথম দেখিলে সেইখনৰ ৰিক্সাচালক জনকে হছ্পিটল ব'লা বুলি উঠি ল'লে। হছ্পিটলত গৈ তেওঁ পোনে পোনে তেজ পৰীক্ষা কৰাইপ্ৰণামীৰবাবে তেজ দিলে। কিছুসময় জিৰণি লৈ থকা অৱস্থাত খবৰ পাই ভিনদেৱে তেওঁক গাড়ীৰে ঘৰলৈ লৈ আহিল। বাইদেৱে যোৱাৰ আগে আগে প্ৰণামীক এবাৰ দেখা কৰিলে। প্ৰণামীৰ চকুত কৃতজ্ঞতাৰ চাৱনি প্ৰকাশ পাইছিল। আহোতে বাটত সোণালী বাইদেউক ভিনদেৱে ক'লে- 'তুমি এইটো ভাল কাম কৰিলা, মইসঁচাই গৌৰৱ অনুভৱ কৰিছো'। বাইদেউৰ ওঁঠত হাঁহি বিৰিঙি উঠিল- বিয়াৰ পিচত এইয়া প্ৰথমবাৰৰ বাবে বাইদেৱে তেওঁৰ স্বামীৰ মুখত প্ৰশংসা শুনিলে!

সুস্থ হৈ উঠাৰ পিচত প্ৰণামীহঁত সোণালী বাইদেউৰ ঘৰলৈ গ'ল এথোপা ফুল লৈ। বাইদেউৰ ফুলত বৰ চখ্। ঠাই নাই বাবে ঘৰৰ বাৰান্দাতে টাবত বিভিন্ন ধৰণৰ ফুল ৰুইছে। প্ৰণামীয়ে দিয়া ফুল থোপা আলফুলে ড্ৰয়িং ৰুমত সজাই থলে। আটাইকেইজনীকে বহিবলৈ দি চৰবত আৰু আম লৈ আহিল। কথা বাৰ্তা পাতি থকাৰ মাজতে প্ৰিতিস্মাই বাইদেউক সুধিলে, "বাইদেউ আপোনাৰহে তেজ প্ৰণামীৰ লগত মিলে আমাৰ লগত নিমিলে, কাৰণটো কি? আমি কলা শাখাৰতো, ব্লাড গ্ৰুপ বস্তুটো ভালকৈ নাজানো।" সোণালী বাইদেৱে হাঁহি এটা মাৰি ক'লে- "এৰা, আৰ্টচৰ হ'লেও এনেকুৱা কথা জনা দৰকাৰ, মই কৈছো ৰ'বা। পোন প্ৰথমে ১৯০০ চনত ডঃ লেণ্ডষ্টেইনাৰ নামৰ অষ্ট্ৰেলিয়াৰ ভিয়েনা চহৰৰ ডাক্তৰ এজনে তেজৰ চাৰিটা গ্ৰুপ আবিষ্কাৰ কৰিছিল, সেইকেইটা হৈছে- এ, বি, এবি, আৰু অ'। ইয়াৰ বাবে তেওঁ নবেল বঁটা লাভ কৰিছিল। মানুহৰ তেজৰ দুটা অংশ- এটা জুলীয়া আৰু আনটো কোষীয় অৰ্থাৎ কোষোৰে গঠিত। জুলীয়া অংশ বা প্লাজমাত এণ্টিবডি নামৰ উপাদান আৰু কোষীয় অংশৰ লোহিত ৰক্ত কণিকাৰ বেৰত এণ্টিজেন্ নামৰ উপাদান থাকে। এই এণ্টিজেন্ আৰু এণ্টিবডি দুই ধৰণৰ- এ আৰু বি। আমোদজনক কথা যে যিজন ব্যক্তিৰ তেজত এণ্টিজেন্ এ থাকে তেওঁৰ তেজত এণ্টিবডি থাকে। আকৌ এণ্টিজেন্ বি থাকিলে এণ্টিবডি এ; এণ্টিজেন্ এ, বি দুয়োটা থাকিলে এটাও এণ্টিবডি নাথাকে; এণ্টিজেন্ এটাও নাথাকিলে এণ্টিবডি দুয়োটা থাকে। কাৰণ একে ধৰণৰ এণ্টিজেন্ আৰু এণ্টিবডি লগ লাগিলে তেজ খমলা বান্ধে। মানুহজনৰ তেজত থকা এণ্টিজেনৰ নামৰ ওপৰত নিৰ্ভৰ কৰিয়ে ব্লাড গ্ৰুপ নামাকৰণ কৰা হয়। এণ্টিজেন্ এ থাকিলে ব্লাড গ্ৰুপ এ, বি থাকিলে বি, দুয়োটা থাকিলে এবি আৰু এটাও নাথাকিলে 'অ'। আকৌ ইয়াৰ লগতে পজিটিভ, নিগেটিভ লগাই কোৱা কথাটো হ'ল আৰ. এইচ্ বা এণ্টিজেন্ ডি নামৰ কাৰকটো থকা নথকাৰ বাবে। এই কাৰকটো থাকিলে পজিটিভ, নাথাকিলে নিগেটিভ।"

"কিন্তু বাইদেউ, এই ব্লাড গ্ৰুপৰ কথাটো এজনৰ তেজ আনজনক দিলে কিয় ইমান ডাঙৰ কথা হৈ পৰে?"

"কাৰণ তেতিয়া দিওঁতাজনৰ তেজৰ এণ্টিজেন্ৰ লগত লওঁতাজনৰ তেজৰ এণ্টিবডিৰ বিক্ৰিয়া ঘটে আৰু দুয়ো একে হ'লে তেজ গোট মাৰি লওঁতা ব্যক্তিজনৰ মৃত্যু ঘটাব, সেয়ে। এই খিনিতে আৰু এটা জানিবলগীয়া কথা আৰ এইচ্ নথকা ব্যক্তিক যদি আৰ এইচ্ থকা ব্যক্তিৰ তেজ দিয়া হয় তেন্তে, নথকাজনৰ তেজত আৰ এইচ্ এণ্টিবডি সৃষ্টি হয়। এনেয়ে কিন্তু মানুহৰ তেজত আৰ এইচ্ এণ্টিবডি নাথাকে। প্ৰথমবাৰ এনে তেজ ল'লে কোনো কথা নাই। কিন্তু আকৌ যদি তিনিমাহৰ ভিতৰত আৰ এইচ্ পজিটিভৰ তেজ, সেই আৰ এইচ্ নিগেটিভ ব্যক্তিজনে গ্ৰহণ কৰে, তেন্তে তেওঁৰ শৰীৰত ইতিমধ্যে প্ৰথমবাৰৰ বাবে সৃষ্টি হোৱা আৰ এইচ্ এণ্টিবডি দ্বিতীয়বাৰ তেজ গ্ৰহণ কৰোতে অহা আৰ এইচ্ এণ্টিজেনৰ লগ লাগিলে কথা বিষম হয়। এই ঘটনাটো নিগেটিভ মাক আৰু পজিটিভ সন্তানৰ ক্ষেত্ৰত মন

কৰিবলগীয়া।প্ৰথম সন্তানটো পজিটিভ হ'লে মাকৰ তেজত আৰ এইচ্ এণ্টিবডিৰ সৃষ্টি হয়। যদিহে দ্বিতীয় সন্তানটোও পজিটিভ হয় তেন্তে মাকৰ তেজৰ পৰা সেই এণ্টিবডি সন্তানটোৰ শৰীৰৰ তেজলৈ এণ্টিজেনৰ সৈতে লগ লাগে। ইয়াৰ ফলত লোহিত ৰক্ত কণিকা ভাঙি হিম'গ্লবিন ওলাই আহে। এই ৰোগক এৰিথ্ৰ'ব্লাষ্টছিছ বুলি কয়"- বাইদেৱে একেৰাহে ক'লে। প্ৰণামীয়ে সুধিলে- "এই আৰ এইচ্‌টোৰ কথা কোনে কেতিয়া আবিষ্কাৰ কৰিলে?" "অ' ভাল কথা সুধিছা, ব্লাড গ্ৰুপ সৃষ্টি হোৱাৰ বহু পিছত ১৯৩৭ চনতহে লেণ্ডষ্টেইনাৰ আৰু আলেকজেণ্ডাৰ উইনাৰে মিলি এই উপাদানটো আবিষ্কাৰ কৰে। তেওঁলোকে ৰেছাছ (Rhesus) নামৰ বান্দৰৰ তেজত ইয়াক প্ৰথম পাইছিল বাবে উপাদানটোৰ নাম আৰ এইচ্ দিয়া হৈছে।" সোণালী বাইদেউৰ ক্লাছ লোৱা যেনেই লাগিল। "সেই কাৰণে বুজিছা, বিয়াৰ বাবে ৰাহি-যোৰা চোৱাতকৈ তেজ গ্ৰুপ আদিহে চাব লাগে। তাৰোপৰি এইচ্ আই ভি বা কোনো জেনেটিক এবনৰমেলিটি আদিও তেজ পৰীক্ষাৰ পৰাহে গম পাব পাৰি। তোমালোকে অৱশ্যে এতিয়াই বিয়াৰ কথা ভবাৰ সময় হোৱা নাই। প্ৰথমে পঢ়া-শুনাখিনি কৰি নিজকে প্ৰতিষ্ঠা কৰি লোৱা।" বাইদেউৰ কথা শুনি তিনওঁজনী অলপ লাজ লাজ কৰিলে। প্ৰিতিস্মাই পিছে উৎসাহেৰে সুধিলে- "বাইদেউ, এই যে শুনি থাকো এইড্‌ছ, এইচ্ আই ভি, সেইটোও অলপ সহজ কৈ বুজাই দিয়কচোন।" "এইড্‌ছক সম্পূৰ্ণকৈ কয় 'একুৱাৰ্ড ইমিউন ডেফিচিয়েঞ্চি ছিনড্ৰ'ম' বুলি অৰ্থাৎ দেহত ৰোগ প্ৰতিৰোধী ক্ষমতাৰ অভাৱ। এইচ্ আই ভি নামৰ ভাইৰাচৰ আক্ৰমণত এই ৰোগ হয়। আমেৰিকাৰ আটলাণ্টাত এই ৰোগ বিধ ১৯৮২ চনত প্ৰথমে ধৰা পৰে। আচলতে এইড্‌ছ ভাইৰাচৰ আক্ৰমণত প্ৰত্যক্ষভাৱে ৰোগীৰ মৃত্যু নহয়। মৃত্যু হয় প্ৰতিৰোধী ক্ষমতাৰ অভাৱৰ বাবে অন্য ৰোগতহে। এই ৰোগ চাৰি প্ৰকাৰে এজনৰ পৰা আন এজনলৈ বিয়পে- (১) অসুৰক্ষিত যৌন ক্ৰিয়াৰে, (২) পৰিশোধন নকৰা বেজীৰে, (৩) সংক্ৰমিক ব্যক্তিৰ পৰা ৰক্ত গ্ৰহণ কৰিলে আৰু (৪) এইড্‌ছ আক্ৰান্ত মাতৃৰ পৰা সন্তানলৈ।" সোণালীবাইদেৱে সংক্ষেপে ক'লে। প্ৰণামীৰ হাঁহি উঠিল- "আজি বাইদেউ আমি বহুত কথা জানিলো, লগৰ দুজনী মানকো ক'ব লাগিব।"

কথা পাতি থাকোতে বহু পলম হ'ল। প্ৰণামীহঁতে বাইদেউৰ পৰা বিদায় ল'লে। সোণালী বাইদেউ সিহঁতক আগবঢ়াব গেটৰ মুখলৈ আহিল। হঠাতে গেটখনৰ ওচৰতে কি হ'ল জানো প্ৰণামীয়ে বাইদেউৰ ভৰি দুখন স্পৰ্শ কৰিলে। "এ, কি কৰিছা" বুলি সোণালী বাইদেৱে আঁতৰি দিওঁতে প্ৰাণামীৰ মুখেদি ওলাই আহিল- "বাইদেউ, আপুনি তেজ দান কৰি মোক জীৱন দান দিলে। এই ধাৰ মই পৰিশোধ কৰিব নোৱাৰো।"

ইতিমধ্যে সূৰুযৰ শেষ আভাই আকাশখন অপৰূপ কৰি তুলিছিল। ***

---

কুইজ

☞ কোন চৰাইৰ পাখী নাই?
উত্তৰঃ নিউজিলেণ্ডত থকা কিউই চৰাইৰ।

☞ কোন চৰায়ে সয়ম্বৰ সভা পাতি বিয়া কৰায়?
উত্তৰঃ দক্ষিণ মেৰুৰ পেংগুইন চৰায়ে।

☞ কি মাছে গছত বাহ সাজে?
উত্তৰঃ স্পিডল আছু মাছে।

-সংগ্ৰাহক
মঃ মাহমুদুল ইছলাম

# পদুম খুড়াৰ মোবাইল

ডঃ খলিলুৰ ৰহমান
জ্যেষ্ঠ প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

পদুম খুড়া বৰ আচৰিত মানুহ দেই; তেওঁৰ মোবাইল ফ'ন্ লোৱাৰ কথা এই চুবুৰীৰ কাৰো আৰু জানিবলৈ বাকী নাই।

ও, পদুম খুড়াৰ কথা কৈছো- তেওঁৰ লগত আপোনালোকৰ চিনাকি হোৱাই নাই নহয়! তেওঁ মানুহজন বোলে কোনোবা এখন কলেজৰ ছায়েনছৰ প্ৰ'ফেছৰ আছিল। পিছে কোন চাবজেক্টৰ- মই নাজানো। তেওঁৰ কথাৰপৰা বিজ্ঞানৰ সকলো বিষয়তে তেওঁক পণ্ডিত যেন লাগে। আমাৰ চুবুৰীতে ছমাহমান হ'ল ঘৰ সাজি থাকিবলৈ লৈছে। তেওঁক দ্বিতীয় প্ৰশ্ন সুধিবলৈ চ্ছানছ্ পোৱাই টান। খুড়াৰ ল'ৰা-ছোৱালী বোলে দুজন। ল'ৰাজন হেনো আমেৰিকা নে জাৰ্মেনীত আছে আৰু ছোৱালীজনী বোলে এতিয়াও মেডিকেলৰপৰা ওলোৱা নাই। ৰিটায়াৰ্ড মানুহ- ছোৱালী এতিয়াও পঢ়ি-শুনি ওলোৱাই নাই; দেৰীকৈ বিয়া কৰাইছিল হ'বলা! মানুহজন বিপত্নীক। তেওঁৰ লগত মদন বুলি ল'ৰা এটা থাকে। সিয়ে খুড়াৰ বজাৰ-সমাৰ, ৰন্ধা-বঢ়া, চোৱা-চিতা চব কৰে। .......পদুম খুড়াৰ বিষয়ে সকলো কবলৈ গ'লে মহাভাৰত এখন হ'ব। পিছত বাৰু সময় সুবিধা মতে আৰু ক'ম।

ও, কি কৈছিলো? পদুম খুড়াৰ মোবাইলৰ কথা। তেওঁৰ ছোৱালীজনীৰ বাবে তেওঁ মোবাইল ফ'ন্ এটা কিনিছে। সিদিনা মোক লগ পালে বজাৰত। পিছফালৰপৰা মাত দিলে,- 'ও ডেকা ল'ৰা, ৰবাচোন, ৰবাচোন। মই অলপতে এইটো ল'লো নহয়।' -পকেটৰপৰা খুড়াই মোবাইল ফ'ন্ এটা উলিওৱাই দেখুৱালে। 'তোমাৰ বৰ দৌৰাদৌৰি নাই যদি বলাচোন চাহ একাপকে খাওঁ।' মানুহজনে কিয়বা মোক বৰ ভাল পায়; ময়ো বিজ্ঞানৰ শিক্ষক কাৰণেই নেকি!

দুকাপ চাহৰ অৰ্ডাৰ দি আৰাম কৰি বহি তেওঁ ক'লে- 'তোমালোকে যে মোবাইল ফ'ন্ বুলি কোৱা এইটোৰ আচল নাম চেলুলাৰ ফ'ন হে। কিছুমানে অৱশ্যে সংক্ষেপে ইয়াক চেলফ'ন্ বুলিও কয়। পিছে জানানে কিয় কয় চেলুলাৰ?' মোৰ উত্তৰলৈ বাট নাচাই খুড়াই আগবাঢ়িল- 'যিটো অঞ্চলত এই ফ'ন্‌ৰ সেৱা আগবঢ়োৱা হয় সেই অঞ্চলটোক কিছুমান লগলগা ষড়ভূজৰ আকৃতিৰ 'চেল' বা কোষ ভাগ কৰি লোৱা হয়; প্ৰায় মৌবাহৰ নিচিনাকৈ। পিছে এটা ষড়ভূজ অঞ্চল বা চেল ওচৰৰ চেলটোৰ কিছুদূৰ ভিতৰলৈকে সোমোৱাকৈ নিৰ্ধাৰণ কৰা হয়। এতিয়া প্ৰতিটো চেলৰ কেন্দ্ৰত চেলুলাৰ ফ'ন্ কোম্পানীৰ এটা মজলীয়া শক্তিৰ অনাতাঁৰ প্ৰেৰক-গ্ৰাহক যন্ত্ৰ বহুওৱা হয়। ইয়াকেই বেইছ্ ষ্টেচন (Base station) বোলা হয়। চেলটোৰ ভিতৰত অন্ কৈ ৰখা প্ৰতিটো চেলফ'নৰ লগত বেইছ্ ষ্টেচনৰ কম্পিউটাৰৰ কেই চেকেণ্ডৰ মূৰে মূৰে তথ্যৰ আদান-প্ৰদান চলি থাকে। তাৰোপৰি বিভিন্ন বেইছ্ ষ্টেচনবোৰৰ মাজতো তথ্য আদান-

প্ৰদানৰ সংযোগ ব্যৱস্থা আছে। লেণ্ড্লাইন টেলিফ'ন্ৰ PSTN কেন্দ্ৰৰ লগতো বেইছ্ ষ্টেচনবোৰৰ যোগাযোগ ব্যৱস্থা থাকে। পিছে লেণ্ডলাইন টেলিফ'ন্ আৰু PSTN কিনো বুজিলানে?'

মইয়ো বিজ্ঞানৰ শিক্ষক আৰু কথা দুটা মোৰ জনা। কলো- 'ও, আমি ব্যৱহাৰ কৰা তাঁৰ লগোৱা টেলিফ'ন্বোৰ লেণ্ডলাইন টেলিফ'ন্ আৰু এইবোৰৰ সংযোগী নেট্ৱাৰ্ককেই Public Sastching Telephone Network বা সংক্ষেপে PSTN বুলি নকয় জানো?'

খুড়াই মূৰ দুপিয়ালে।

'ডেকা ল'ৰা, তুমি ঠিকেই কৈছা। তুমি অলপ খবৰ ৰাখা দেখিছোঁ। আজিকালি আমাৰ দেশত বি এচ এন এল, ৰিলায়েন্স, এয়াৰটেল, হাটচ্ছ্ আদি কেইবাটাও কোম্পানীয়ে চেলফ'ন্ ব্যৱস্থা চলাই আছে।

'পিছে আমাৰ চহৰৰ পৰা বি এচ এন এল আৰু ৰিলায়েন্সৰ বাহিৰে আনবোৰ কোম্পানীৰ মোবাইল- ছৱি, চেলুলাৰ ফ'ন কিন্তু নচলে- মই মাজত মাত লগালো।

'ও, নচলিব তো! সেইবোৰ ক'ম্পানীৰ বেইছ্ ষ্টেচন আৰু 'টাৱাৰ' আমাৰ এই অঞ্চলত নাই নহয়। প্ৰতিটো চেলফ'ন্ কোম্পানীকে চৰকাৰে পাঁচ সংখ্যাৰ এটা ক'ড নম্বৰ দিয়ে। ইয়াকে System Identification Code বা সংক্ষেপে SID বোলা হয়। আমাৰ দেশত এই ক'ড ৯ আখৰেৰে আৰম্ভ হয়। চেলফ'ন্ অন্ কৰিলে ই প্ৰথমতে কন্ট্ৰ'ল চেনেলত SID বিচাৰি চায়। ৰবা, কন্ট্ৰ'ল চেনেল কি তুমিতো নাজানা? ই হৈছে এনে এটা বিশেষ কম্পানাংকৰ চেনেল, যি চেনেলত চেলফ'ন্ আৰু বেইছ্ ষ্টেচনবোৰৰ মাজত ত্যৰ আদান-প্ৰদান চলে। সি যি কি নহওক, চেলফ'ন্ এটাৰে কোনো যোগাযোগৰ চেষ্টা কৰিলে যদি কন্ট্ৰ'ল্ চেনেলত নিজৰ কোম্পানীৰ SID বিচাৰি নাপায় তেনেহ'লে কোম্পানীটোৰ সেৱা সেই অঞ্চলত নাই বুলি ই জনাই দিয়ে। আনহাতে প্ৰতিটো চেলফ'ন্তেই তাৰ নিজা ইলেকট্ৰ'নিক ক্ৰমিক সংখ্যা এটা তৈয়াৰ কৰোতেই ভৰাই দিয়া হয়। যেতিয়াই চেলফ'নেৰে কল এটা কৰা হয়- এই সংখ্যাটো স্বয়ংক্ৰিয়ভাৱে বেইছ্ ষ্টেচনলৈ প্ৰেৰণ কৰা হয় আৰু তাত চেলফ'ন্টোৰ কলৰ যোগ্যতা নিৰ্ধাৰণ কৰি যোগাযোগৰ কামত আগবঢ়া হয়। এই সকলো কথা বেইছ্ ষ্টেচনত থকা কম্পিউটাৰে কৰে।'

'খুৰা, ইমানবোৰ সৰু সৰু বেইছ্ ষ্টেচন নকৰি এটা শক্তিশালী বেইছ্ ষ্টেচন কৰিলেই কামটো সহজ হ'লহেতেন নেকি?'- মই কোনোমতে খুৰাৰ বাক্যস্ৰোতক ৰখাই শুধিলো।

'ও, তুমি ভাল প্ৰশ্নকেই কৰিছা'- পদুম খুৰাই কেতিয়াবাই দোকানৰ 'পোৱালী'টোৰে ৰাখি থৈ যোৱা আৰু প্ৰায় চেঁচা হৈ যোৱা চাহৰ কাপত সশব্দে দীঘলীয়া সোঁহা এটা মাৰি ক'লে, "চোৱা, ৰেডিও, টে'লিভিচন আদিৰ দৰে চেলফ'ন্ৰ বাবে আছুতীয়াকৈ ৰখা বিদ্যুৎ চুম্বকীয় কম্পনাংকৰ বেণ্ড এটা আছে। এয়া হ'ল ৮০০ ৰ পৰা ৯০০ মেগাহাৰ্টয্। এটা বেণ্ডৰ এই ১০০ মেগাহাৰ্টয্ তৰংগ বিস্তৃতিৰ মাজত মাত্ৰ সীমিত সংখ্যক চেনেল তথা গ্ৰাহক সম্ভৱ। গতিকে তেনে এটা বেণ্ডৰ শক্তিশালী ট্ৰেন্ছ্মিটাৰ সাজি বহুৱালে তাৰে দূৰলৈকে বেচি ঠাই আগুৰিব পৰা যাব সঁচা, গ্ৰাহকৰ সংখ্যা কিন্তু নাবাঢ়ে। দৰাচলতে চেলফ'ন্ৰ আৰম্ভণিতে এনে ব্যৱস্থাই প্ৰচলন কৰাৰ চেষ্টা কৰা হৈছিল। এই ব্যৱস্থাত তেতিয়া প্ৰায় ৩৭০০ জন গ্ৰাহকক অপেক্ষাৰত কৰি ৰাখি এবাৰত মাত্ৰ ৫৪৫ গ্ৰাহকলৈহে চেলফ'ন্ৰ সেৱা আগবঢ়াব পৰা গৈছিল। আনহাতে এটা বৃহৎ অঞ্চল সৰু সৰু চেলত বিভক্ত কৰি কম শক্তিৰ ট্ৰেন্ছ্মিটাৰ বহুৱালে এটা চেলৰ অপেক্ষাকৃত দুৰ্বল সংকেতে আন চেলত কোনো অসুবিধাৰ সৃষ্টি নকৰে আৰু ফলত একেটা কম্পনাংকেই বিভিন্ন চেলত একেলগেই ব্যৱহাৰ কৰিব পাৰি; আৰু ইয়াৰ ফলত একেলগে বহু সংখ্যক গ্ৰাহকে চেলফ'ন্ ব্যৱহাৰ কৰি থাকিব পাৰে।'-

এইখিনি খুৰাই মোৰ ফালে চাই মিচিকিয়া হাঁহি এটা মাৰিলে। 'বুজিলানে, ডেকা ল'ৰা'- বুলি কৈ চকীখনত পিঠি লগাই চেঁচা হৈ যোৱা বাকী চাহখিনি যেন বৰ আমেজত খাই শেষ কৰিলে।

খুৰাইআকৌ যেন হঠাতেসাৰ পাই উঠিল। 'আৰু এটা কথা জানিবা। চেলফ'ন্ বোৰৰ কাৰ্যপদ্ধতি আৰম্ভণিতে বিভিন্ন দেশত বিভিন্ন ধৰণৰ আছিল যদিও এতিয়া এই কাৰ্য জি এচ্ এম (GSM) আৰু চি ডি এম্ এ (CDMA) এই দুটা পদ্ধতিত চলে। প্ৰথমটো পদ্ধতিৰ পূৰা নাম Global System for Mobile Telecommunication. একেটা চেলফ'ন্ যাতে বিভিন্ন দেশত সমানেই ব্যৱহাৰ কৰিব পাৰি তাৰ বাবে এই পদ্ধতি। পিছৰটো অৰ্থাৎ CDMA ৰ সম্পূৰ্ণ ৰূপ হ'ল Code Division Multiple Access. এই কথাবোৰ যথেষ্ট কলা-কৌশলপূৰ্ণ বাবে এইবোৰ বেচি নবহলাও; কিন্তু থোৰতে এইটোকে জানিবা যে যাতে সীমিত পৰিসৰৰ কম্পানাংকৰ মাজত অধিকতৰ চেনেলৰ ব্যৱস্থা কৰিব পৰা যায় মুখ্যত: সেই উদ্দেশ্য আগত ৰাখি এফ্ এম্ ডিজিটেল পদ্ধতি, তথ্য সঙ্কোচন তথা সাংকেতীকৰণৰ সহায় লৈ এইবোৰ কৰা হৈছে'।

মোৰ চেলফ'নৰ ভিতৰৰ কথাখিনি জনাৰ অলপ ইচ্ছা আছিল। সেয়ে খুৰাক কলো- 'খুৰা, চেলফ'নৰ পদ্ধতিৰ কথা বাৰু কিছু জানিলো। পিছে ইয়াৰ ভিতৰতনো কি কি থাকে?'

খুৰাই যেন আমেজত মুদি অহা চকুদুটা অলপ মেলি ক'লে- 'ও, তাৰমানে চেলফ'ন্‌ৰ হাৰ্ডৱেৰৰ কথা জানিব খুজিছা? বেচ্, শুনা। ইয়াৰ ভিতৰত মুঠ যন্ত্ৰাংশ থাকে- উ...।' পদুম খুৰাই মনতে কিবা লেখিলে। তাৰ পাছত ক'লে- 'সাতোটা। একনম্বৰ, কেইবাটাও চিপ্ বা আই চি (I.C.) থকা এখন চাৰ্কিট ব'ৰ্ড, য'ত চেলফ'ন্‌ৰ প্ৰেৰক-গ্ৰাহক যন্ত্ৰৰ সকলো বৰ্তনীৰ ওপৰিও তাৰ মূলবস্তু- এটা মাইক্ৰপ্ৰচেচৰ থাকে। সাধাৰণ কম্পিউটাৰ এটাত থকাৰ দৰে এই মাইক্ৰ'প্ৰছেছৰ টোকেই ইয়াৰ মগজু বুলি ধৰিব পাৰা। তাৰ পিছত, সংকেতবোৰ প্ৰেৰণ আৰু গ্ৰহণৰ বাবে এটা সৰু এণ্টিনা; তৃতীয়তে, সমুখতে লগোৱা এখন এল্ চি ডি ব'ৰ্ড (LCD Board) য'ত লিখা বা ছবিবোৰ ওলায়; সংখ্যা তথা আখৰ লিখিবলৈ বিভিন্ন চাবিবোৰ থকা এখন কি-ব'ৰ্ড (Key Board), শব্দ ধৰিবলৈ এটা সৰু মাইক্ৰফ'ন্ আৰু শব্দ উৎপন্ন কৰিবলৈ এটি অকণমানি কিন্তু শক্তিশালী লাউড্ স্পীকাৰ আৰু শেষত অৰ্থাৎ সপ্তমতে ৰিচাৰ্জ কৰিব পৰা এটা বিশেষ ধৰণৰ (সাধাৰণতে লিথিয়াম আয়ন) বেটাৰী।'

"কিন্তু খুৰা, মই মনত পেলাই দিয়াৰ চেষ্টা কৰিলো; 'চিমকাৰ্ড' বুলি সৰু কাৰ্ড এখন যে ভৰাব লাগে,- সেইখন কি বাৰু?"

'ও, চিম কাৰ্ড? তাৰ মানে, SIM অৰ্থাৎ Subscriber Identification Module. বুজিলানে? এয়া হ'ল গ্ৰাহকৰ তথ্য থকা এখন মে'মৰি কাৰ্ড। ইয়াত অৱশ্যে চেলফ'ন্‌ৰ জৰিয়তে আনৰ ফ'ন্ নম্বৰ, ঠিকনা আদি নানান তথ্য সুমুৱাই থব পাৰি। পিছে, এই চিমকাৰ্ডখন নভৰোৱালৈকে চেলফ'ন্ এটা নচলে।'

'খুৰা, কিছুমান মোবাইলত দেখোন কেমেৰা এটাও থাকে।'- খুৰাৰ উত্তৰত মই আকৌ এটা প্ৰশ্ন উলিয়ালো।

'অকল কেমেৰা, মানে ডিজিটেল কেমেৰা কিয়- আৰু কত কি নতুন ধৰণৰ ব্যস্ত চেলফ'ন্‌বোৰত ভৰোৱা হৈ আছে। কিছুমানত টৰ্চলাইট আছে, কিছুমানক আকৌ ইণ্টাৰনেটৰ লগত সংযুক্ত কৰি বিভিন্ন খা-খবৰ আদিও ল'ব পাৰি। দৰাচলতে বিভিন্ন কোম্পানীৰ মাজত প্ৰতিযোগিতা চলিছে কোনে কিমান সুবিধা আগবঢ়াই তেওঁলোকৰ চেলফ'ন্‌বোৰ কেনেকৈ আৰু আকৰ্ষণীয় কৰি তুলিব পাৰে। ভৱিষ্যতৰ চেলফ'নবোৰ এটা এটা সৰু কম্পিউটাৰ যেনহে হৈ উঠিব আৰু ভৱিষ্যতে কিয়? এতিয়াই একেবাৰে কমদামৰ চেলফ'ন্ এটাতো SMS অৰ্থাৎ সংক্ষিপ্ত খবৰ লিখি পঠিয়াবৰ আৰু গ্ৰহণ কৰিবৰ ব্যৱস্থা, ষ্টপ ৱাচ্চ বা বিৰাম ঘড়ী, এলাৰ্ম

ঘড়ী, ঠিকনা ৰখা বহী (এড্ৰেচ বুক), ৰিং ট'ন'ৰ বাবে মিউজিক কম্প'জাৰ, বিভিন্ন গেম আদি থাকেই।'- খুৰাই প্ৰায় একে উশাহতে কথাখিনি শেষ কৰিলে।

সুযোগ পাই মই আকৌ মাত লগালো- 'খুৰা, চেলফ'নৰ আৱিষ্কাৰে আমাৰ পৃথিৱীখনকেই যেন সৰু কৰি পেলাইছে। পিছে, খুৰা ইয়াৰপৰা মানুহৰ কিবা শাৰীৰিক অপকাৰো হয় বোলে?'

মোৰ কথা শেষ হোৱাৰ আগতেই খুৰাই চকু ডাঙৰ ডাঙৰ কৈ মেলি ক'লে- 'ও, ও, অনবৰতে কাণত লগাই হেল্ল', হেল্ল' কৰি থাকিলে ইয়াৰপৰা ওলোৱা উচ্চ কম্পনাংকৰ বিদ্যুৎ চুম্বকীয় তৰংগই বিশেষকৈ কম বয়সৰ ল'ৰা-ছোৱালীৰ মগজুত বেয়া প্ৰভাৱ পেলায় বুলি জনা গৈছে। তাৰোপৰি, বুকুত 'পেচ্-মেকাৰ' লগোৱা মানুহেও বুক পকেটত চেলফ'ন্ লোৱা নিষিদ্ধ- কাৰণ ইয়াৰ তৰংগ বিকিৰণে পেচ্ মেকাৰটোক ঠিকমতে চলিব নিদিব পাৰে। পিছে 'পেচ্-মেকাৰ' কি জানা চাগে ডেকা ল'ৰা'?

'জানো, জানো'- মই প্ৰায় চিঞৰিয়েই উঠিলো। 'অনিয়মীয়া হৃদস্পন্দনৰ বেমাৰীৰ হৃদস্পন্দন নিয়মীয়াকৈ ৰাখিবলৈ ই এটা সৰু ইলেকট্ৰ'নিক যন্ত্ৰ, অপাৰেচন কৰি বুকুৰ ছালৰ তলত বহুওৱা হয়'।

মই ঘড়ীৰ ফালে চালো। প্ৰায় এটা বাজে। বাহিৰত দূৰৈত পদুম খুৰাৰ ঘৰৰ মদনক ইফালে সিফালে চাই আহি থকা দেখিলো। কলো- 'খুৰা, মোবাইল ফ'ন্‌ৰ, ছবি, চেলফ'ন্‌ৰ বিষয়ে আৰু বহু কথা আপোনাৰপৰা জানিবলগীয়া আছিল। পিছে, আজি সময় বহুত হ'ল। ইপিনে সৌৱা মদনো বোধকৰো দেৰি হোৱা কাৰণে আপোনাক বিচাৰি আহিছে। মই এদিন আপোনাৰ তাত যাম বাৰু'। -এইবুলি কৈ চাহৰ পইচাখিনি আগবাঢ়ি কাউন্টাৰত দি দিলো।

'ডেকা ল'ৰা, তুমি কিয় দিছা? ময়েই চাহৰ পইচাখিনি দিলোহেঁতেন নহয়! বাৰু থেঙ্ক ইউ, থেঙ্ক ইউ'- এই বুলি পদুম খুৰাই উঠি আগবাঢ়ি আহিল। মই পইচা দিয়াত খুৰাই যে ভালেই পাইছে তেওঁৰ মিচিকিয়া হাঁহিত সেয়া কিন্তু গোপন হৈ নাথাকিল। আপোনালোকক এইখিনিতে পদুম খুৰাৰ আৰু এটা গুণৰ কথা মনে মনে কওঁ- খুৰা মানুহটো কিন্তু অলপ কৃপণ আছে দেই।

***

## কুইজ

? কোনে প্ৰথমতে লিখা পঢ়া শিকিছিল?
উত্তৰঃ হজৰত ইদ্ৰিছ (আঃ)
? পৃথিৱীত কত পাথৰৰ গছ আছে?
উত্তৰঃ উত্তৰ ৰেডিছিয়াৰ নেটিভ বিজিয় অৰণ্যত।
? পৃথিৱীৰ কোন জাতি পুৰুষে গোটেই শৰীৰত অলংকাৰ পিন্ধে?
উত্তৰঃ নিউগিনি দ্বীপৰ ছাম্বলী জাতি।
? কোন চহৰত ৰবৰৰ ৰাস্তা আছে?
উত্তৰঃ প্যাৰিছ চহৰত।
? পৃথিৱীৰ ক'ত অন্ধ সকলৰ বাবে যাদুঘৰ আছে?
উত্তৰঃ ভাৰতৰ মুম্বাই চহৰত।

-সংগ্ৰাহক
মঃ মাহমুদুল ইছলাম

# আবদ্ধ হৃদয়ৰ নিহত প্ৰেম

**কমল কুমাৰ নাথ**
**স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ**

চহৰখনলৈ নামি আহিল ক্ৰমে অভাৱনীয় ব্যস্ততা। চহৰৰ ব্যস্ত গলিয়েদি বিভিন্ন মানুহ অহা-যোৱা কৰিছে। কোনেওঁ কাৰো প্ৰতি ভ্ৰুক্ষেপ কৰা নাই। অট', ৰিক্সা, মটৰৰ হুৰ হুৰ শব্দই কাণ টাল মাৰি ধৰিব খোজে।

এনেকুৱা গভীৰ ব্যস্ততাৰ মাজতে চহৰৰ কোনোবা এটা চুকত ব্যস্ত হৈ আছে সম্ভু, বিমল, আব্দুল, অৰিন্দম আৰু আড্ডাৰ নিয়মীয়া অংশীদাৰ সুৰজিৎ।

কিছু শান্ত স্বভাৱৰ সুৰজিতে হৰিকাইৰ পাণদোকানৰ সন্মুখতে থকা চকীখনত বহি ব্যস্ত হৈছে সিহঁতৰ তাচ খেল প্ৰত্যক্ষ কৰাত।

হৰিচন্দ্ৰ নামৰ সেই আদহীয়া দোকানীজন সিহঁত আটাইকেইজনৰে মৰমীয়াল হোৱা বাবে তেওঁক হৰিকাই বুলিয়ে মাতে। টানে আপদে তেওঁলোকৰ মাজত টকাৰো আদান-প্ৰদান হয়। সিহঁত নাহিলেও যেন তেওঁৰ দোকানখন খালি হৈ যায়।

খেলৰ মাজতে হঠাৎ বিমলে তাচ পাত কেইটা থৈ জাপ মাৰি থিয় হ'ল আৰু ক'লে ঃ অই তাচ খেলা বন্ধ! এটা ভাল কথা মনত পৰিছে।

ঃ কি কথা অ'? - অৰিন্দমে তাচ পাত কেইটা লৈয়েই তালৈ চাই সুধিলে।

ঃ তাচ পাত থ আৰু সুৰৰ পাৰ্টিত বহ।

সুৰজিৎলৈ চাই বেঁকা হাঁহি এটা মাৰি বিমলে ইংগিত দিলে।

লগে লগে সুৰজিতেও তালৈ কেৰাহিকৈ চালে।

ঃ সুৰৰ পাৰ্টি?- সম্ভু যেন আচৰিত হ'ল।

আব্দুলেও সুৰজিতলৈ চাই সুধিলে ঃ কিহৰ পাৰ্টি অ' সুৰজিৎ?

ঃ মইনো কিহৰ পাৰ্টি দিব লাগে? বিমলেহে দিব লাগে। তাৰ মইনাজনীয়ে পৰীক্ষাত প্ৰথম বিভাগ আৰু অসমীয়াত লে'টাৰ মাৰ্ক পাইছে। তাতে আকৌ মোৰ কি? বুজি পায়ো নুবুজাৰ ভাও জুৰি গহীনাই ক'লে সি।

বাৰু বাৰু! বিমলৰ পাৰ্টিতো জমাত আছে। স্পেচিয়েল পাৰ্টি দিব সি। পিছে তই কিয় ফাঁকি দিবলৈ চেষ্টা কৰিছ। কৈ দে ভাই আমিও জানো। -সম্ভুৱে একপ্ৰকাৰ অনুৰোধ কৰিলে।

ঃ আমাৰ শংকৰক কোনোবা অপ্সৰাই লম্ভা নাইতো?

হাঃ হাঃ হাঃ.........। আব্দুলৰ কথাষাৰত আটায়ে গিৰ্জনী মাৰি হাঁহি দিলে।

লগে লগে কৃত্ৰিম খং দেখুৱাই সুৰজিতে বিমলক ক'লেঃ ভাই, বিমল কথাটো মই তোকহে কৈছিলো। তইনো কিয় উলিয়াব লাগে?

ঃ আৰে বাবা তই কেলেই চিন্তা কৰিছ। আমি আটায়ে জানিলে তোৰ কামটো ভেৰি ইজি হ'ব। - বিমলে সৰু ল'ৰাৰ দৰে তাক বুজনি দিলে।

অজানিতে সুৰজিতেও মিচিকিয়াই হাঁহি দিলে।

ঃ অই বিমল তয়ে কৈ দে। -

অৰিন্দমে কৈ সাজু হ'ল কাহিনী শুনিবলৈ।

ঃ শুন তেন্তে.........!

***

নিয়মীয়া আড্ডা সমাপ্ত কৰি আটায়ে ঘৰমূৰা হ'ল।

সুৰজিতেও নিজৰ গতিবেগ কিছু বঢ়াই দিলে ওন্দোলাই থকা ক'লা আকাশখনলৈ চাই। চিগাৰেটৰ আধাপোৰা টুকুৰাটো লৈ বাৰে বাৰে পিছলৈ চাই আহিছে। কিজানিবা খালি ৰিক্সা এখন আহেই। সাত বাজিবলৈ এতিয়াও দহ মিনিট বাকী আছে। আজি ৰিক্সাবোৰ ক'ত মৰিলগৈ। -মুখৰ ভিতৰতে শব্দ কেইটা উচ্চাৰণ কৰিলে সুৰজিতে। 'পোট-পোট'- হঠাৎ পিছপিনৰ পৰা ৰিক্সাৰ হৰ্ন্ শুনি মনটো কিছু শান্ত হ'ল। ঘূৰি চাই দেখিলে এজনী ছোৱালী আছে ৰিক্সাৰ ভিতৰত।

'ইমান ডাঙৰ বাটটো থাকোটেও হৰ্ন্ বজাব লাগে?' চিগাৰেটৰ শেষ হোপা মাৰি সজোৰে টুকুৰাটো ৰিক্সাখনৰ ফালে মাৰি পঠিয়ালে আৰু ৰিক্সাৱালাজনৰ ওপৰত তাৰ খং দুগুণে বাঢ়িল।

ৰিক্সাখন হঠাৎ ৰৈ গ'ল। কিন্তু কোনো মানুহ নাই, ঘৰ নাই, কিয় বাৰু ৰ'ল? সুৰজিৎ চক খাই গ'ল।

ঃ এক্সকিউজ মি! অকণমান সহায় কৰিব নেকি?-সুৰজিৎ ৰিক্সাখনৰ ওচৰ পোৱাৰ লগে লগে ছোৱালীজনীয়ে তাৰৈ চাই সুধিলে।

অচিনাকি ছোৱালীজনীৰ কোমল শব্দ কেইটাই তাৰ অন্তৰ কঁপাই তুলিলে। ৰিক্সাখনৰ ওচৰলৈ আগবাঢ়ি গৈ সহাৰি জনালে সি,- নিশ্চয়।

ঃ প্ৰ'ফে'ছৰ বৰুৱাৰ ঘৰটো আপুনি জানেনে?

ঃ প্ৰ'ফে'ছৰ অখিল বৰুৱা নহয়নে?

ঃ হয় হয়, মই তেখেতৰ কথাই সুধিছো।

ঃ অৱশ্যে মোৰো তাতেই ঘৰ। তেওঁলোকৰ পৰা অকণমান আগত।

ছোৱালীজনীয়ে ঠিকনাটো দিবলৈ সুবিধাকণকে নিদি পুনৰ ক'লে-

ঃ প্লিজ! মোৰ লগতে এইখিনি যাওঁ আহক। মোৰো অকলশৰে খুব ভয় লাগিছে। আহক না!

একপ্ৰকাৰ জোৰ কৰিয়েই ছোৱালীজনীয়ে সুৰজিতক লগত ল'লে। সুৰজিতেও আপত্তি কৰিবলৈ সময়ে নাপালে।

ৰিক্সাখনে লাহে লাহে পুনৰ গতি কৰিলে।

ঃ আপোনাক পাইহে মোৰ মুখত কিছু পানী আহিছে।

কোনোদিনে ছোৱালীৰ সংস্পৰ্শ নোপোৱা সুৰজিতে খুব সাৱধানে ৰিক্সাৰ চিটটোত যিমান পাৰে কাষত বহি ছোৱালীজনীৰ লগত দুই-এটা কথা পাতিব ধৰিলে।

ঃ বাৰু! তোমাৰ নাম, ঠিকনা?

ঃ মোৰ নাম অনিন্দিতা। ছৰি! মিছ্ অনিন্দিতা শইকীয়া। মই বৰ্তমান কটন কলেজৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। কলেজৰ ওচৰৰে বৰুৱা প্ৰাইভেট্ হোষ্টেলত আছো।

ঃ তোমাৰ অৰিজিন ঘৰ?

ঃ মঙ্গলদৈৰ ছিপাঝাৰত।

'মঙ্গলদৈৰ ছিপাঝাৰত'-মনতে ঠাই খনৰ নামটো আওৰাই পুনৰ সুধিলে-

ঃ ঘৰত কোন কোন আছে?

ঃ ঘৰত মা, দেউতা আৰু এজন ভাইটি আছে। বাইদেউ এজনী আছিল, বিয়া দিছে। বৰ্তমান পৰিয়াল হিচাপে আমি চাৰিজনে আছো।

ঃ আপোনাৰ?

ঃ মোৰ নাম সুৰজিৎ বৰা। বি.এ. পাছ কৰি ঘৰতে আছো। পয়ালগা চৰকাৰে দিয়া চাকৰি-বাকৰিৰ আশা ত্যাগ কৰি দুই এটা টিউচন কৰি কোনোমতে পেট তিনিটা পুহি আছো। মা আৰু ভনী ৰুমাৰ লগতে মই থাকো। আজৰি পৰখিনিত হৰিকাৰ দোকানৰ আগত আড্ডা দিও। বচ এয়ে মোৰ ৰুচি।

ঃ বেয়া নাপায় যদি কথা এটি সোধো? -অতি নম্ৰ ভাৱে ক'লে ছোৱালীজনীয়ে।

ঃ কিয় বেয়া পাম? আমিতো ইজনে সিজনক কথা সুধিয়েই আহি আছো।

ঃ আপোনাৰ দেউতা?

MANGALDAI COLLEGE LIBRARY Date

ঃ 'অ, ক'বলৈ পাহৰিয়েই আছিলো। বহুদিন আগতেই দেউতাই আমাৰ পৰা বিদায় লৈছিল। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে লোৱা সহজ-সৰল দেউতাই এদিন মোক কথা প্ৰসংগত কৈছিল, 'বৰ্তমান পৰিস্থিতিৰ আকাশত যিয়ে উৰিব নোৱাৰে, তাৰ বাবে এটি গছৰ ডাল আৰু এটুকুৰা ৰচিয়েই যথেষ্ট।' তেতিয়া মই কথাষাৰ তীব্ৰ প্ৰতিবাদ কৰিছিলো। তেখেতে পুনৰ কৈছিল, "অ, অৱশ্যে তোৰ কথাখিনিৰ পূৰ্ণ যুক্তি আছে। কিন্তু যিজন ব্যক্তিয়ে জীয়াই থাকিও মৃতকৰ দৰে থাকিবলগীয়া হয় তাৰ বাবে এই পথেই উপযুক্ত পথ। তই হয়তো নুবুজিবি। কাৰণ তই এতিয়াও জীৱনৰ দুৱাৰ দলিতেই আছ'।"

ওঠৰ মাহে দৰমহা নোপোৱাৰ বিৰক্তিত দেউতাই সকলোকে কন্দুৱাই অৱশেষত সেই পথটিকে বাছি লৈছিল। কিন্তু...

সুৰজিতৰ মুখেৰে পাতল পাতলকৈ ওলোৱা কথাষাৰৰ প্ৰত্যুত্তৰত তাই কলে ঃ হ'ব, হ'ব! নক'ব আৰু। নালাগে আৰু ক'ব।

সামান্য হাঁহি সুৰজিতে ক'লে ঃ বাৰু নকও দিয়া। প্ৰথম চিনাকিতে ইমান কোৱাও উচিত নহয় নিশ্চয়।

দুয়োৱে সামান্য হাঁহিলে।

এনেদৰে সাধাৰণ চা-চিনাকিৰ উপৰিও বিভিন্ন দুই চাৰিটা কথাৰ অন্তত নিশা প্ৰায় চাৰে সাত বজাত প্ৰ'ফে'ছৰ মি. বৰুৱাৰ পদূলিমুখৰ পৰা পৰস্পৰে বিদায় ল'লে। ইতিমধ্যে কিনকিনিয়া বৰষুণজাক কিছু ঘন হৈ পৰিব ধৰিছে।

সুৰজিৎ গৈ বিচনাত পৰিলে যদিও টোপনি নাহিল তাৰ। বাৰে বাৰে চকুৰ আগত ভাহি আহিছে অনিন্দিতাৰ কোমল দেহটো আৱৰি ৰখা হালধীয়া ৰঙৰ পাতল শাৰীখনলৈ। খুব কম সময়তে গভীৰ আত্মীয়ৰ দৰে হৈ পৰা সুৰজিতক ছোৱালীজনীৰ মাৰ্জিত আচৰণে সঁচাকৈ মোহিত কৰিলে। হয়তো অনিন্দিতায়ো খুব বিশ্বাস কৰি পেলাইছে তাক!

সেয়ে তাই অহাকালি আবেলি চাৰি বজাত তাক লগ কৰিব বিচৰা হোটেল মহাৰথীত সি যেনেতেনে উপস্থিত হোৱাটোকে ঠিক কৰিলে।

***

ঃ বাঃ বাঃ! খুব মজা লাগিছে দেই।

অজানিতে অৰিন্দমৰ হাত তালি বাজি উঠিল।

ঃ আৰে ভাই সুৰজিৎ, ইমানদিনে তই আমাক কথাটো কোৱা নাছিলি কিয়? তোৰ লগতে সঁচাই আমাৰো যে খুব ভাল লাগি গ'ল।

ঃ বুৰ্ব্বক চালা। -সন্তুৱে সুৰজিতক পিঠিত চাপৰ মাৰি নিজৰ ভাৱ ব্যক্ত কৰিলে।

ঃ অই অই, ঘড়ী চা। চাৰি বাজিবই দেখোন। মাত্ৰ পোন্ধৰ মিনিট বাকী। আব্দুলে সুৰজিৎক সকিয়াই দিলে।

ঃ অ, চাৰি বাজিলেই। ব'ল ব'ল, এক গুলীত দুই চিকাৰ কৰোগৈ। মহাৰথীত সুৰৰ পাৰ্টীও খোৱা হওঁক, ভাবী বন্ধু প্ৰেয়সীও চোৱা হওঁক। কথাষাৰ কৈয়েই অৰিন্দমে বাইকত উঠিলগৈ।

ঃ হাঃ হাঃ হাঃ। আটায়ে কথাষাৰ সমৰ্থন কৰি হোহোৱাই হাঁহি দিলে আৰু বাইক ষ্টাৰ্ট কৰি ৰাওনা হ'ল হোটেল মহাৰথীলৈ।

সুৰজিতেও কোনো আপত্তি নকৰি বাইকত উঠিলগৈ।

বতাহৰ লগত উৰি যোৱাদি গৈছে সিহঁতৰ বাইক কেইখন। হঠাৎ মানুহৰ ভিৰত বাইকৰ তীব্ৰ গতি ৰুদ্ধ কৰিবলৈ বাধ্য হৈ পৰিল সুৰজিতৰ দল।

মহাৰথী হোটেলৰ সন্মুখত বাৰু কিহৰ ইমান জুম? দুই এজনৰ মুখত শুনা গ'ল গাড়ীখনৰে ভুল।

ঃ মটৰ এক্সিডেন্ট্ হৈছে নেকি? -সন্তুৱে কৈ জুমটোৰ ফালে আগবাঢ়ি গ'ল। আটায়ে শংকিত হৈ পৰিল।

আগে আগে গৈ থকা তীব্ৰবেগী এ.এচ.টি.চি. বাচ এখনক অভাৰটেক কৰিবলৈ গৈ হোটেলখনৰ বিপৰীত দিশে বগা মাৰুতীখনে ক্ৰেশ্ব কৰাত স্পট্ ডেথ্ হোৱা বুলি প্ৰত্যক্ষদৰ্শীয়ে কৈছে।

বিমল, আব্দুল আৰু অৰিন্দমো আগুৱাই গ'ল জুমটোলৈ। আটাইৰে মন সেমেকি গ'ল।

ঃ ছোৱালী এজনী স্পট্ ডেথ্ হৈছে। -বাহিৰত ৰৈ থকা সুৰজিতক কথাষাৰ কৈয়েই বিমলে পুনৰ আগৰফালে মুখ

ঘূৰালে।

লগে লগে সুৰজিতৰ হৃদস্পন্দন বৃদ্ধি হ'ল। ধীৰে ধীৰে সিও আগবাঢ়ি গৈ জুমটো ফালি দেখিলে ছোৱালীজনী ৰাস্তাৰ একাষত পৰি আছে। তাৰোপৰি সুৰজিতৰ বুকুখন চিৰিংকৈ উঠিল ছোৱালীজনীৰ গাত মেৰ খাই থকা হালধীয়া শাৰীখন দেখি।

তেতিয়াও কেইজনমান পুলিচ কনিষ্টবলে ছোৱালীজনীৰ চিনাকি কোনোবা আছে নেকি শুধিয়েই আছিল।

সুৰজিতে মৃতদেহটোৰ ওচৰতে বহি নিঠৰ মুখখনলৈ চালে। সি নিশ্চিত হৈ পৰিল যে সেই জনীয়েই যোৱা কালিৰ অনিন্দিতা শইকীয়া। অজানিতে নিগৰি আহিল দুধাৰি চকুলো তাৰ অশ্ৰুসিক্ত নয়নযুৰিৰ পৰা।

আব্দুল বিমলহঁতও চকুলো টুকি সকলো কথা বিবৰি কলে আৰু সুৰজিৎক সান্ত্বনা দিলে।।

***

# EDITOR AND PROF. IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE DURING : 1958-59 TO 2003-04 & 2004-05

| Session | Editor | Prof-In-Charge |
|---|---|---|
| 1958-59 | Bodheswar Deka | P. Bora |
| 1960-61 | Soneswar Sarma | D. Neog |
| 1961-62 | Hara Gauri Adhikari | P. Bora |
| 1962-63 | Maheswar Kalita | D. Neog |
| 1963-64 | Tuwa Ram Deka | D. Neog |
| 1964-65 | Fazlul Karim | D. Neog |
| 1965-66 | Bashab Ch. Sahariah | D. Neog |
| 1966-67 | Hema Kanta Deka | J.C. Sarma |
| 1967-68 | Arun Ch. Das | J.C. Sarma |
| 1968-69 | Naren Hazarika | J.C. Sarma |
| 1969-70 | Prabhat Nr. Choudhury | J.C. Sarma |
| 1970-71 | Dinabandhu Sarma | J.C. Sarma |
| 1971-72 | Mahiuddinn Jiaul Hoque | B. Kakati |
| 1972-73 | Premananda Nath | B. Kakati |
| 1973-74 | Bhabendra Ch. Deka | B. Kakati |
| 1974-75 | Juran Ch. Kalita | B. Kakati |
| 1975-76 | Debendra Kr. Sarma | B. Kakati |
| 1976-77 | Bhaba Kt. Hazarika | B. Kakati |
| 1977-78 | Paramananda Rajbongshi | Naharun Nesa |
| 1978-79 | Sailendra Kr. Sarma Baruah | M.P. Barua |
| 1979-81 | Pankaj Kr. Goswami | Bijay Goswami |
| 1981-82 | Gajendra Baruah | Bharat Ch. Sarma |
| 1982-83 | Biswajit Goswami | Bharat Ch. Sarma |
| 1983-84 | Dulal Barua | Bharat Ch. Sarma |
| 1985-86 | Siba Prasad Baruah | Mati Ram Medhi |
| 1986-87 | Mina Ram Hazarika | Mati Ram Medhi |
| 1987-88 | Bhabesh Barua | Mati Ram Medhi |
| 1988-89 | Muktananda Sarma | Idrish Ali |
| 1989-90 | Mumtaz Khanam | B.C. Hazarika |
| 1990-91 | Mumtaz Khanam | B.C. Hazarika |
| 1991-92 | Babita Kumari Majudeka | Idrish Ali |
| 1992-93 | Aminul Hoque | Idrish Ali |
| 1993-94 | Lakhyadhar Sarma | Dimbeswar Baruah |
| 1994-95 | Jayanta Sarma | Dimbeswar Baruah |
| 1995-96 | Pranab Bhatta | Idrish Ali |
| 1996-97 | Chandan Saikia | Mati Ram Medhi |
| 1997-98 | Arun Sarma | Mati Ram Medhi |
| 1998-99 | Dweep Kishore Saikia | Dr. Bijoy Kr. Sarma |
| 1999-2000 | Ashim Sarma | Bicitra Kr. Medhi |
| 2000-2001 | Prabin Barua | Bicitra Kr. Medhi |
| 2001-2002 | __________ | Dimbeswar Baruah |
| 2002-2003 | __________ | __________ |
| 2003-2004 } | Chinmoi Baruah | Dimbeswar Baruah |
| 2004-2005 } | Debarshi Deka | Dimbeswar Baruah |

*******

# বন্যা



জয়চন্দ্ৰ শৰ্মা
ৰসায়ন বিজ্ঞান বিভাগ

কেইবাদিনো হ'ল একে লেথাৰিয়ে বৰষুণ দিয়েই আছে। নদীবোৰ ফেনে ফোটোকাৰে বাঢ়ি আছে। বাঢ়ি অহা বিশাল জলধি ধৰি ৰাখিবলৈ অসমৰ্থ হৈ মথাউৰি বোৰ ভাগিছে। বানত উটি-ভাহি গৈছে মানুহ, গৰু-ছাগলী তথা ভঁৰালৰ ধান-চাউল আদি। মানুহে আশ্ৰয় ল'বলৈ এটুকুৰা নিৰাপদ ঠাইৰ বাবেও হাহাকাৰ কৰিব লগা হৈছে। মিলনৰ ঘৰ খনেও এই বন্যাৰ কবলৰ পৰা পৰিত্ৰাণ পোৱা নাই। সিহঁতৰ হালৰ গৰুহাল আৰু খেতি পথাৰ বানে মহটিয়াই নিয়াত মিলনৰ মাক-দেউতাকৰ সেইবোৰ চাই থকাৰ বাহিৰে অন্য উপায় নাছিল। বানৰ ক্ষয়-ক্ষতিৰ কথা পুতেকক ক'বলৈ আৰু লগতে মিলনৰ পৰীক্ষাৰ খবৰ ল'বলৈ যেতিয়া মিলনৰ দেউতাক তাৰ ভাৰাঘৰত উপস্থিত হৈছিল তেতিয়া সময় ৰাতিপুৱা দহবাজি গৈছিল।

দেউতাকক দেখিয়েই পঢ়ামেজৰ পৰা উঠি আহি মিলনে আথেবেথে দেউতাকক চকীখনত বহুৱালে। দেউতাকে তেওঁৰ স্বভাৱ-সিদ্ধ ভাষাৰে ঘৰৰ খা-খবৰ তাক দিলে। মাকে ঘৰতে তৈয়াৰ কৰা পিঠা-পনাৰ টোপোলা এটি, অলপ চাউলপাত আৰু এবছৰ আগতে সি নিজহাতে কোৰমাৰি ৰোৱা মালভোগ কলৰ পকাকল একাষি তাৰ কাৰণে দেউতাকে লৈ আহিছিল। আৰু লগতে দিছিল মাকৰ এখন চিঠি, যিখন চিঠি সি এতিয়াও সম্পূৰ্ণকৈ পঢ়িব পৰা নাই। তাৰ চকুত চকুলো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ লগত মিলনৰ সংযোগ হৈছিল আজিৰ পৰা প্ৰায় সাত বছৰ আগতে। ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ ফালে বিস্তীৰ্ণ এলেকাজুৰি স্থাপিত হৈছে এই মহাবিদ্যালয়। কেইবাগৰাকী মহান শিক্ষাপ্ৰেমীৰ আশাশুধীয়া প্ৰচেষ্টাত স্থাপিত হোৱা এই বিদ্যালয়ে সোণালী জয়ন্তী পালন কৰিছে মাত্ৰ এবছৰ আগতে। নাহৰ, দেৱদাৰু, ইউকেলিপ্টাছ্ আৰু নাৰিকল, আমলখি আদি গছৰে সুশোভিত এই মহাবিদ্যালয়ৰ আকৰ্ষণে তাক দূৰৈৰ পৰা টানি আনিছিল। সহজ সৰল গাঁৱলীয়া পিতৃৰ একমাত্ৰ পুত্ৰ মিলন এই মহাবিদ্যালয় প্ৰতি এক প্ৰকাৰ প্ৰেমতেই পৰিছিল। মহাবিদ্যালয়ৰ প্ৰতি জোপা' গছ, পুথিভঁৰাল, শিক্ষক-শিক্ষয়িত্ৰী আৰু বন্ধু-বান্ধৱীয়ে তাৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছিল।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ দিনাখন তাৰ মাক-দেউতাকৰ আনন্দত চকুলো বিৰিঙিছিল। নিজ পুত্ৰক উচ্চ শিক্ষাৰে শিক্ষিত কৰিবলৈ তেওঁলোকৰ সম্বল আছিল মাত্ৰ কেই হালিচামান মাটি। সেই খিনিৰ খেতিবাতিৰে ব্যয়বহুল উচ্চ শিক্ষা দিবলৈ তেওঁলোক সক্ষম হ'বনে বুলি সন্দিহান হৈ পৰিছিল। তথাপি মনৰ জোৰতেই তেওঁলোকে একমাত্ৰ পুত্ৰক পঠিয়াই দিছিল উচ্চ শিক্ষা ল'বলৈ। মিলনে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিকৰ কলা বিভাগত নামভৰ্তি কৰিলে। তাৰ পছন্দৰ বিষয়কেইটা ঠিক কৰি একাগ্ৰভাবে সি পঢ়িবলৈ ল'লে। ঘৰখনৰ এটি উজ্জ্বল

ভবিষ্যতৰ বাবে তাৰ লক্ষ্য আগুৱাই যাবলৈ ধৰিলে।

ঘৰৰ পৰা মহাবিদ্যালয়লৈ যথেষ্ট দূৰ হোৱা বাবে মহাবিদ্যালয়ৰ ওচৰতে থকা এটি মেচত সি সোমাল। এই ক্ষেত্ৰত গাঁৱৰেই অগ্ৰজ কেইগৰাকীমান চিনাকি ছাত্ৰই তাক সহায় কৰিলে। অগ্ৰজ ছাত্ৰ কেইজনমানৰ পুৰণা কিতাপেৰেই তাৰ পঢ়াশুনা আৰম্ভ হ'ল। মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰাও সি সহায় পালে। নুবুজা কথাবোৰ সি শিক্ষক সকলক সুধিবলৈ পিছ পৰি নাথাকিল। দু বছৰৰ মূৰত সি উচ্চতৰ মাধ্যমিকৰ শেষ পৰীক্ষা দিলে।

পৰীক্ষা শেষ কৰিয়েই সি ঘৰলৈ গ'লগৈ। মাক-দেউতাকে তাৰ পৰীক্ষাৰ খা-খবৰ ল'লে। ভালদৰে পাছ কৰিলে পুনৰ উচ্চশিক্ষা ল'বলৈ তেওঁলোকৰ পুত্ৰক নগৰলৈ পঠিয়াবলৈ ইচ্ছা প্ৰকাশ কৰিলে। মাক-দেউতাকৰ তাৰ প্ৰতি থকা অকৃত্ৰিম স্নেহত সি আপ্লুত হ'ল।

পৰীক্ষাৰ ফলাফল ওলাবলৈ তেতিয়াও প্ৰায় তিনিমাহ বাকী। মিলনে এই সময়খিনি অবাবত বহি নাথাকি পিতৃ-মাতৃক বিভিন্ন প্ৰকাৰে সহায় কৰিব ধৰিলে। তাৰ মাক এজনী সুনিপুণা শিপিনী। মাকৰ তাঁত শালৰ উঘা-চেৰেকী আদি ঠিক-ঠাক কৰি দিয়াৰ পৰা মাকে পোহা হাঁহ, পাৰ আৰু ছাগলীবোৰক আহাৰ-পানী খুওৱা কাৰ্যত সি ব্ৰতী হ'ল। সেইদৰে সি দেউতাককো কৃষি কাৰ্যত সহায় কৰিব ধৰিলে। মহাবিদ্যালয়ত কেইবছৰমান পঢ়ি ঘৰুৱা কাৰ্যত মাটি-পানী আলগ ল'ৰা-ছোৱালীবোৰতকৈ মিলন ব্যতিক্ৰম হ'ল। গাঁৱৰ চাৰিআলিৰ দোকানবোৰত আড্ডা দিয়া ল'ৰাবোৰক মিলনে খুব এটা ভাল চকুৰে নাচায়। সি অবাবত সময় খৰচ কৰাটো পছন্দ নকৰে। অৱশ্যে ৰেডিঅ' শুনা আৰু গ্ৰন্থ অধ্যয়ন তাৰ অভ্যাসত পৰিণত হৈছে।

উচ্চতৰ মাধ্যমিকৰ খবৰ এসময়ত ওলাল। সি আশাকৰা ধৰণেই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। মাক-দেউতাকৰ আশীৰ্বাদ লৈ সি পুনৰ মহাবিদ্যালয়লৈ আহিল স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্ত্তিৰ উদ্দেশ্যে। দেউতাকৰ বাঁহ বেচি পোৱা এক হাজাৰ টকা আৰু মাকে হাঁহকণী বেচি পোৱা তিনিশ টকাৰে সি কোনোমতে স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্ত্তি কৰিলে। উচ্চ শিক্ষা ল'বলৈ দুখীয়া মানুহৰ ল'ৰা-ছোৱালী থমকি ৰ'ব লগা হয়। আৰ্থিক অনাটনৰ বাবে কিতাপ-পত্ৰ কিনাত তাৰ কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও গাঁৱৰ অগ্ৰজ ছাত্ৰকেইজন মানৰ সহায়ত আগৰদৰে আগবাঢ়ি গৈ থাকিল। তাৰ প্ৰিয় বিষয় অসমীয়া সি গুৰু পাঠ্যক্ৰমত পঢ়িবলৈ সিদ্ধান্ত ল'লে। অসমীয়া বিভাগৰ অধ্যাপক-অধ্যাপিকা কেইগৰাকীৰ প্ৰতি এটি আকৰ্ষণ আগৰ পৰাই আছিল। অসমীয়া গুৰু পাঠ্যক্ৰমত ভৰ্ত্তি হোৱাৰ এই আকৰ্ষণ আৰু বেছি দৃঢ় হ'ল। দুগৰাকীমান অধ্যাপকে তাক কেইখনমান পাঠ্য-পুথি দি সহায়ো কৰিলে। সিফালে দেউতাকেও তাৰ্লৈ ৰবিবাৰ বা বন্ধৰ দিনত চাউল-পাত আৰু খোৱা বস্তু দি যায়হি। সেইদৰে মিলন আগবাঢ়ি যায় উচ্চশিক্ষাৰ দিশত। পঢ়াৰ মাজে মাজে গল্প-প্ৰবন্ধ আদি লিখাৰ এটি অভ্যাস সি গঢ়ি তোলে। প্ৰথমতে মহাবিদ্যালয়ৰ আলোচনীত সি গল্প-প্ৰবন্ধ লিখিবলৈ আৰম্ভ কৰে। মাক-দেউতাকৰ অসীম কষ্ট আৰু তাৰ যত্নৰ ফলত স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাত অসমীয়া গুৰু পাঠ্যক্ৰমত সি প্ৰথম শ্ৰেণীৰ নম্বৰকেই পালে। অধ্যাপক-অধ্যাপিকা সকলে তাৰ ৰিজাল্ট পাই খুব ভাল পালে আৰু স্নাতক দ্বিতীয় খণ্ডৰ পৰীক্ষাতো একেটা ধাৰাই যাতে অব্যাহত থাকে তাৰ প্ৰতি যত্ন ল'বলৈ পৰামৰ্শ দিলে। সি দুগুণ উৎসাহেৰে পুনৰ পঢ়িবলৈ ধৰিলে। আৰু এবছৰৰ মূৰত স্নাতক দ্বিতীয় খণ্ডৰ পৰীক্ষাত প্ৰথম শ্ৰেণী নাপালেও দ্বিতীয় শ্ৰেণীৰ উচ্চস্থান ল'বলৈ সক্ষম হ'ল। মাক-দেউতাক তাক লৈ গৌৰৱান্বিত হ'ল। কিন্তু তেওঁলোকৰ আশা যে সিমানতে অন্ত পৰিল তাৰ কথা ভাবি তেওঁলোক হতাশ হ'ল। নিজৰ সামান্য মাটি কেই হালিচাৰে এজন

ল'ৰাক পঢ়াৰ খা-খৰচ দিয়াটো যে কিমান কষ্টকৰ তাক ভুক্ত ভোগীয়েহে জানে। তাতে গুৱাহাটীৰ নিচিনা ঠাইত বিশ্ববিদ্যালয়ত পঢ়োৱাটো তেওঁলোকৰ বাবে আকাশ-কুসুম কল্পনা। ইফালে চৰকাৰী চাকৰি পাবলৈও কোনো পথেই খোলা হৈ থকা নাই। কৰবাত পালেও চাকৰি কিনিব পৰাৰ সামৰ্থ তেওঁলোকৰ নাই। ইফালে সি আদৰ্শৰ পৰা বিচ্যুত হোৱা ল'ৰা নহয়। ঘৰৰ মাটি ভেঁটি বেচি দালালৰ জৰিয়তে চাকৰি ল'বলৈ সি কোনোপধ্যে মান্তি নহ'ল। বৰঞ্চ দেউতাকৰ মাটি কেইহালিচাতে খেতি-বাতি কৰি দেউতাকক কষ্টৰ পৰা বেহাই দিয়াতহে সি মনোনিবেশ কৰিলে। ঘৰৰ চৌহদৰ অদৰকাৰী হাবি-বনবোৰ চাফা কৰি দেউতাকৰ লগত উন্নত জাতৰ ফল- কল, অমিতা, আনাৰস আদি অৰ্থকৰী ফলৰ গছ লগাইদিলে। লগতে উলিয়াই ল'লে কেইটামান টিউচন; বিনিময়ত সি কেইটামান টকা পোৱা হ'ল। গাঁৱলীয়া অভিভাৱক বোৰে দিয়া সামান্য পইচা কেইটিৰে কেইটামান সি সাঁচিবও পৰা হ'ল। এনেকৈয়ে চলি আছিল আৰু হয়টো চলি থাকিলহেতেন যদিহে মিলনৰ বন্ধু অজয়ে তাক খবৰটো নিদিলেহেঁতেন।

এদিনাখন আবেলি মিলনে দেউতাকৰ লগত নতুনকৈ ৰোৱা কল আৰু অমিতাৰ পুলিবোৰৰ ওচৰৰ হাবি-জংঘল বোৰ উভালি আছিল। এনেতে বন্ধু অজয়ে মিলনক খবৰটো দিলেহি। 'মিলন তোমাৰ বাবে এটা ভাল খবৰ আছে? খবৰটো দিলে কি খুৱাবি ক?' 'আগতে খবৰটো দেচোন'?-মিলনে ক'লে।

'কিনো খবৰ আনিলি অ' বোপাই'- মিলনৰ দেউতাকে সুধিলে।

'মঙ্গলদৈ মহাবিদ্যালয়ত অসমীয়া বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম এই বছৰৰ পৰাই আৰম্ভ হ'ব নহয়, খুৰা। সেয়েহে মিলনক খবৰটো দিবলৈ আহিলোঁ। কিজানি সি নামভৰ্ত্তি কৰিব পাৰেই'-অজয়ে ক'লে। মিলনৰ চকু তিৰবিৰাই উঠিল। প্ৰায় এবছৰ অপেক্ষাৰ মূৰত তাৰ সপোন দিঠকত পৰিণত হোৱাৰ লক্ষ্ণ সি দেখা পালে। দেউতাকেও খবৰটো শুনি অত্যন্ত আনন্দিত হ'ল। যিকোনো কষ্টৰ বিনিময়ত অসমীয়া বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্ত্তিকৰি পঢ়িবলৈ দেউতাকে মিলনক পৰামৰ্শ দিলে।

আৰু এদিন মঙ্গলদৈ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰৰূপে মিলন পৰিগণিত হ'ল। যিদিনাখন মিলনে স্নাতকোত্তৰ শ্ৰেণীত পঢ়িবৰ বাবে মহাবিদ্যালয়লৈ যাবলৈ ওলাই মাক-দেউতাকৰ আশীৰ্বাদ ল'বলৈ চৰণ স্পৰ্শ কৰিলে, তেতিয়া তাক মদ-ভাং-চিগাৰেটৰ পৰা আঁতৰত থাকি ভালদৰে পঢ়া-শুনা কৰি প্ৰকৃত মানুহ হ'বলৈ চেষ্টা কৰিবৰ বাবে তেওঁলোকে পৰামৰ্শ দিলে। তাৰ সাঁচতীয়া পইচাৰ লগতে দেউতাকৰ পৰা কিছু পইচা লৈ সি পুনৰ মহাবিদ্যালয়লৈ অগ্ৰসৰ হ'ল। সি আগৰ থকা ঠাই সলাই বেলেগ ঠাইত এটি ভাৰা ঘৰ ল'লে। কিতাপ-পত্ৰৰ ক্ষেত্ৰত বিভাগীয় অধ্যাপক-অধ্যাপিকা সকলৰ পৰা সি আকৌ সহায় পালে। তাক সকলোৱে স্নেহৰ চকুৰে চায়। পঢ়া-শুনাত সি ভালদৰেই আগবাঢ়িবলৈ ধৰিলে। যাবতীয় খৰচৰ পইচা উলিয়াবলৈ সি দুটামান টিউচন ল'বলৈ বাধ্য হ'ল। কেতিয়াবা হতাশ হৈ দুইএটা চিগাৰেট খাবলৈ ধৰিলে। এদিনাখন গধূলি টিউচনৰ পৰা আহি ওচৰৰ পাণ-দোকান খনত চিগাৰেট এটা জ্বলাব খুজি সি খুব বেয়াকৈ অপদস্ত হ'ল। দেখিলে দোকানখনৰ অলপ আঁতৰত দোকান আৰু তাৰ ফালে চাই চাই তাৰ প্ৰিয় অধ্যাপক গোস্বামী চাৰে চিগাৰেট হুপি আছে। সি বিজুলী চমকত চিগাৰেটটো পেলাইদি চাৰক অপৰাধী মনোভাৱেৰে অভিবাদন জনালে। চাৰেও পৰিস্থিতি বুজি সামান্য খা-খবৰ লৈ তাক যাবলৈ অনুমতি দিলে। সেইদিনাই সি চিগাৰেট নাখাও বুলি প্ৰতিজ্ঞা কৰিছিল যদিও মনৰ দুৰ্বল মুহূৰ্ত্তত তাৰ প্ৰতিজ্ঞা উৰি গৈছিল আৰু সি হৈ পৰিছিল দুৰ্ঘোৰ চিগাৰেট প্ৰেমী। তাৰ ওঁঠ আৰু আঙুলিত চিগাৰেটৰ দাগ বহি গ'ল। শেষত তাক

ঘৰৰ পৰা অনা পইচা আৰু টিউচনৰ পইচাৰে নোজোৰা হ'ল। প্ৰথম ছেমিষ্টাৰ্ ফৰ্ম ফিলাপৰ বাবে গোস্বামী চাৰৰ পৰা পইচাখিনি ধাৰে ল'লে। বিভাগীয় মুখ্য অধ্যাপক ডেকা চাৰেও তাক বহুত সহায় কৰিছিল যাৰ প্ৰতিদান দিবলৈ সি অক্ষম। প্ৰথম ছেমিষ্টাৰ্ত সি আশা কৰা ধৰণে নম্বৰ নাপালে। সি হতাশ হ'বই ধৰিছিল। কিন্তু অধ্যাপক আৰু অধ্যাপিকা সকলৰ বুজনিত সি পুনৰ পঢ়াত মনোনিবেশ কৰিব ধৰিলে। টিউচন চলি থাকিল। বাতৰি কাকতত গল্প-প্ৰবন্ধ প্ৰকাশ কৰিবৰ বাবে লিখা-মেলা কৰিব ধৰিলে। নিবনুৱা সমস্যা, বিদেশী সমস্যা, আলফা সমস্যা আৰু বানপানী সমস্যাৰ ওপৰত লিখা প্ৰবন্ধবোৰ পাঠক সমাজে আগ্ৰহেৰে পঢ়িবলৈ ধৰিলে। অসমীয়া মানুহৰ এলেহুৱা স্বভাৱেই যে নিবনুৱা সমস্যাৰ প্ৰধান কাৰণ তাক সি বিশ্লেষণ কৰি দেখুৱাবলৈ যত্ন কৰিলে। কামৰ সৰু ডাঙৰ ভাগ সৃষ্টি কৰি তেনে কামবোৰ কৰিবলৈ অনীহ্ৰ কৰাৰ ফলতবহিৰাগতই যে অসমখন ছানি ধৰিলে তাক সি লিখনিৰে দেখুৱালে। তাৰ মতে বানপানী সমস্যা হ'ল নদীৰ পানী বিষয়ক গভীৰ জ্ঞান থকা বিশেষজ্ঞৰ অভাৱ। নদীৰ পানীৰ বিষয়ে গভীৰ জ্ঞান থকা কিছু বিশেষজ্ঞ থাকিলে অসমৰ বানপানী ইমান প্ৰলয়ঙ্কাৰী নহ'লহেঁতেন। নদীৰ মথাউৰিবোৰ যধে-মধে বহুৱাই দিয়াৰ ফলত নদীৰ তলি সমূহবাসস্থান সমূহৰ বহু ওপৰলৈ উঠিল। গতিকে বাঢ়নী পানীয়ে যেতিয়া মথাউৰি ভাগে তেতিয়া গাঁওবোৰ এখনৰ পিছত এখনকৈ পানীত তল যায়। মানুহৰ থকা ঠাইয়েই নোহোৱা হয় আৰু খেতি পথাৰবোৰ দহ-বাৰ ফুট পানীৰ তলত অৱস্থান কৰে। এই সমস্যাৰো সমাধান সুদূৰ পৰাহত। মাথোন প্ৰতি বছৰে সাহাৰ্য্যৰ নামত চোৰৰ লুণ্ঠন। অৱশ্যে এটা কথা ঠিক; এই সমস্যাবোৰ এটা আনটোৰ বিপৰীতধৰ্মী। আলফা সমস্যা থকা সময়ত বিদেশী সমস্যা নোহোৱাৰ নিচিনা হয়। সেইদৰে বানপানী হ'লে আনবোৰ সমস্যা লুকাই পৰে। সমস্যাৰ সমাধান পাওঁকবা নেপাওঁক মানুহে তাৰ প্ৰবন্ধবোৰ খুব মনোযোগেৰে পঢ়ে। প্ৰবন্ধ লিখাৰ লগে লগে সি ছেমিষ্টাৰ পৰীক্ষাৰ বাবেও সাজু হ'ব লাগে।

সি দ্বিতীয় ছে'মিছ্টাৰ পৰীক্ষাত বহিল। এইবাৰ সি প্ৰথম শ্ৰেণীৰ নম্বৰ পালে। অধ্যাপক অধ্যাপিকা সকলে তাক উৎসাহ দিবলৈ ধৰিলে যাতে সি তৃতীয় আৰু চতুৰ্থ ছেমিষ্টাৰতো প্ৰথম শ্ৰেণীৰ নম্বৰ পাব পাৰে। সেয়ে সি দেউতাক অহা সময়ত আগন্তুক তৃতীয় ছেমিষ্টাৰ পৰীক্ষাৰ বাবে এটি পাঠ গভীৰ ভাৱে অধ্যয়ন কৰি আছিল।

মাতৃ স্নেহ কেনে বিশাল অনুমান কৰিব নোৱাৰি। হাজাৰ বিপদ অতিক্ৰম কৰিও পুত্ৰৰ সৰ্বাঙ্গীন মঙ্গলেই মাতৃৰ কাম্য। বানত জুবুলা হোৱা মাকে লিখিছিল-

মোৰ পৰম স্নেহৰ মিলন,

তোমাৰ পৰীক্ষাৰ খবৰ পাই খুব সুখী হলোঁ। তোমাৰ আগন্তুক পৰীক্ষাৰ খবৰবোৰ যেন আৰু ভাল হয় তাৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। বানত আমি সৰ্বস্বান্ত হলোঁ। বাৰু যাবলৈ দিয়া সেইবোৰ। বাৰিষাৰ বানতকৈ ভয়ানক বন্যাৰ কথাহে তোমাক সোঁৱৰাই দিব খুজিছোঁ। মদ, চিগাৰেট বা যৌৱনৰ বলিয়াবানে যাতে তোমাক লক্ষ্যভ্ৰষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি তুমি সাৱধান হ'বা। জীৱন যুদ্ধত জয়ী হ'বলৈ হ'লে এইবান সমূহে তুমি পদানত কৰিব লাগিব।

ইতি-

'স্নেহময়ী জননী'

এটুপি তপত চকুলোৱে ক্ৰমান্বয়ে তাৰ দুচকুত আনি দিছিল বাৰিষাৰ বন্যা আৰু সেই বন্যাত সি ধুবলৈ চেষ্টা কৰিছিল তাৰ ওঁঠ আৰু হাতৰ আঙুলিবোৰত থকা চিগাৰেটৰ দাগ। দেউতাকৰ গাত ধৰি মনতে প্ৰতিজ্ঞা কৰিছিল আগন্তুক পৰীক্ষাবোৰত আৰু ভাল ৰিজাল্ট্ কৰাৰ। ****

# প্ৰস্তুতি মধুকল্যৈলৈ একলম

প্ৰণৱ কুমাৰ শৰ্মা
জেষ্ঠ প্ৰবক্তা, প্ৰাণী বিজ্ঞান বিভাগ

প্ৰস্তুতি,

আজি বহুদিন ধৰি তোমালৈ এখন চিঠি লিখিম বুলি ভাবি আছো যদিও লিখা হোৱা নাই। ফোনতেই বহু কথা পাতিব পাৰি যদিও চিঠিখন লিখাৰ আনন্দই বেলেগ। দিশপুৰ পলি ক্লিনিকৰ কোঠা নং এশ দহৰ পৰা ৰোগগ্ৰস্ত প্ৰদীপ্ত পৰাশৰৰ তোমালৈ এইখন চিঠি।

এসময়ৰ প্ৰাণী বিজ্ঞানৰ ছাত্ৰ মোৰ বাবে ৰোগৰ ব্যাখ্যা বা কাৰণ বুজাটো বৰ জটিল নহয়। হে'পাটাইটিছ্-বি ৰোগৰ লক্ষণ যে পূৰ্ণবয়স্ক জনৰ দেহত বেছিকৈ দেখা যায় সেয়াও মই জানোঁ। কিন্তু তথাপিও মই যেন আজি মানসিক ভাৱে বৰ দুৰ্বল। মোৰ দেহ আৰু মনৰ অস্বাভাৱিক অৱস্থাৰ বিষয়ে তোমাক ৰোগৰ সংজ্ঞা এনেভাৱে দিব বিচাৰিছো যে মানুহৰ দেহৰ সাধাৰণ ক্ৰিয়াবোৰ চলি থকাত ব্যাঘাত জন্মা মানেই ৰোগ হোৱা। মোৰ অসুখৰ খবৰ পাই তুমি ফোন্ কৰাৰ কথা মোৰ মাই কোৱাৰ পৰা তোমাক লগ পাবলৈ প্ৰবল ইচ্ছা হৈছে। অতীতৰ কথাবোৰ মনত পৰিছে। পদাৰ্থ বিদ্যাত পঢ়া পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ দৰে মনটো যিমানেই ওপৰলৈ উঠাও সিমানেই মাধ্যাকৰ্ষণ শক্তিয়ে মোৰ অতীতটোক মোৰ দেহৰ কেন্দ্ৰলৈ টানি আনে।

টন্ছিলৰ অসুখত দহ-এঘাৰ বছৰ বয়সলৈ মাৰ কোলাত উঠি আমনি কৰা কথাবোৰ মনলৈ আহে। এবাৰ তোমাৰো টনছিলাইটিছ্ হোৱাৰ কথা কৈছিলা। পেৰাথাইৰয়ড্ গ্ৰন্থি চাৰিটা বিষালে বৰ আমনি লাগে। বৰকটকী চাৰে, পিটুইটেৰী হৰ্মন আৰু আন অন্তঃস্ৰাবী গ্ৰন্থিৰ হৰ্মনৰ কথা পঢ়াওতে বুজি পাইছিলো কেলচিটনিম হৰ্মনৰ কাম কি?

মোৰ ওচৰৰ কোঠাটোৰ চব্বিশ বছৰীয়া ল'ৰাজনক আজি কিছু সময় আগতে ইন্টেন্ছিভ্ কেয়াৰ ইউনিটলৈ নিছে। কিড্নিৰ অসুখ। আজিহোনো ডায়েলাইচিচ্ কৰাব। মাক দেউতাকৰ হাহাকাৰ-একমাত্ৰ সন্তানৰ হৃদ্‌পিণ্ডৰ স্পন্দন স্তব্ধ হোৱাৰ ভয়ত। তুমি নিশ্চয় জানা, কিড্নিৰ কাৰ্য্যকৰী একক নেফ্ৰণে মানৱ দেহৰ তেজ অবিৰত ভাৱে ফিল্টাৰ কৰি থাকে। নেফ্ৰণৰ তেজ ফিল্টাৰ কৰা শক্তি কণা মানেই ডায়েলাইচিছৰ প্ৰয়োজন। ভয় নকৰিবা। এইবোৰ অসুখে আমাক নাপায়। কিন্তু মনত ৰাখিবা অতি মাত্ৰাৰো মিঠাবস্তু নাখাবা। অৱশ্যে ডায়েবেটিছ হোৱা মানুহ বৰ লুতুৰা হয়। পেনক্ৰিয়াচৰ কোষবোৰে ক্ষৰণ কৰা ইনচুলিন হৰ্মনৰ পৰিমাণ কমিলেই বিপদ। হাঁহি উঠিছে নহয়? মঙলদৈত ইন্টাৰভিউ দিবলৈ যাঁওতে হোটেলত চাহ খোৱাৰ কথা। অ' কি আছিল মানুহজনৰ নাম? উপেন শৰ্মা। আমাৰ দুয়োৰে সন্মুখৰ

চকীখনত বহী লৈ মানুহজনে যে আমাৰ পইচাৰে একাপ চাহ আৰু ডাঙৰ মিঠাই এটা খোৱাৰ বাবে কথাবোৰ কৈছিল। একাপ চাহ আৰু এটা মিঠাইৰ বাবে পেঞ্চনাৰ মানুহজনৰ ইমান ফাঁকি দিয়াৰ প্ৰয়োজন আছিলনে? পুত্ৰ-কন্যাৰ পৰা একো নাপালেও মাক-দেউতাকে পুত্ৰ-কন্যাৰ গৌৰৱেই কৰে।

আজি বিছনাত শুই থাকোতে মোৰ আন এটা কথাও মনত পৰিছে। বিশ্ববিদ্যালয়ৰ পৰা ওলায়েই মোৰ বন্ধুৰ ভাতৃৰ কিড্‌নিৰ ৰোগৰ চিকিৎসাৰ বাবে দিল্লী যাত্ৰাৰ কথা। কিয় তোমাৰ মনত নাই? মই যে গুৱাহাটীৰ ৰেলষ্টেচনৰ পৰা তোমালৈ ফোন্ কৰিছিলোঁ। চাৰ গংগাৰাম হছ্‌পিটেল। নতুন দিল্লী। চাৰ্জন ডাঃ হৰ্ষগৌৰী, নেফ্ৰল'জিষ্ট ডাঃ ডি. এছ. ৰাণা আৰু ডাঃ এ.কে. ভাল্লা। কি ব্যক্তিত্ব! বন্ধু ভাতৃ অধিবক্তা দিগন্তৰ দুমাহৰ ভিতৰতেই হোৱা মৃত্যু। কেৰেলিয়ান চিষ্টাৰ কেইজনীৰ মৰম লগা মাত। এতিয়াও মনত পৰে! কেতিয়াবা কি ভাবো জানা মানুহৰ দেহত ৰোগ সৃষ্টি কৰিব পৰা হৃদপিণ্ড, হাওঁফাওঁ, কিড্‌নি আদি নাথাকিলেই ভাল আছিল। ভয় কৰিছা নহয়? হৃদপিণ্ডটোৰ যে বেমাৰ বোৰ! উচ্চ ৰক্ত চাপ বুলিলেই ভয় লাগে। তুমি কিন্তু মিছাতেই মগজুত এইবোৰ পুহি নাৰাখিবা। মনটো কিবা কাৰণত বেয়া লাগিলে জয়ন্ত হাজৰিকাৰ গীত এটাকেই শুনিব পাৰা দেখোন। জোৰকৈ শব্দ কৰি হাঁহিবা। পাৰিলে লাফিং ক্লাব এটাকেই খুলিব পাৰা দেখোন। কি নাম দিবা বাৰু? প্ৰস্তুতি লাফিং ক্লাব নেকি? চাইন ব'ৰ্ড খনত আৰু এটা কথা লিখিব নাপাহৰিবা। ইয়াত বিনামূলীয়া হাঁহিৰ যোগান ধৰা হয়। আজি কালি মুক্ত অক্সিজেন যোগান ধৰা প্ৰতিষ্ঠানো গুৱাহাটীত হৈছে। সহ্য কৰিব নোৱাৰাকৈ অধিক ডে'ছিবেলৰ শব্দ কৰি প্ৰদূষণ কৰিব, মাটি-পানীত অলাগতিয়াল বস্তু পেলাই প্ৰদূষণ কৰিব, বায়ু দূষিত কৰিব- তাৰ পাছত আকৌ প্ৰদূষণ মুক্ত সমাজৰ কথা কৈ শ্ল'গান দিব। কি যে যন্ত্ৰণা! মই কিন্তু তোমালোকৰ ওচৰৰ মোহনপুৰ পথাৰতেই এটা মুক্ত অক্সিজেন গ্ৰহণ কেন্দ্ৰ খোলাৰ ইচ্ছাত আছোঁ। লগৰ ডাক্তৰ দুজন আৰু ফিজিও থেৰাপিষ্ট দুজনেৰে ইতিমধ্যে যোগাযোগ কৰিছোৱেই; নে তুমিয়েই দায়িত্ব ল'বা। তুমি কিন্তু ৰিচিপ্‌চনিষ্ট হ'ব নালাগে। থাৰ্টিটু অল আউট। হোষ্টেলৰ চিনাকি বাক্য। বত্ৰিশটা দাঁত উলিয়াই হঁহা। হৃদৰোগৰ শল্য চিকিৎসাও আজি কালি গুৱাহাটীতেই হয়। অ' পাহৰিছিলোৱেই। তোমাৰ মাৰ যে এনজিয় কাৰডিয়গ্ৰাফী কৰা বুলি কৈছিলা GNRC ত। কিমান যে নতুন চিকিৎসা! হাৰ্ট এটেকৰ পূৰ্বলক্ষণ হোনো এন্‌জাইনা বিষ। পিঠিৰ বিভিন্ন অংশত এই বিষ হয়। তুমি হয়তো ভাবিছা দুদিনমান নাৰ্চিং হোমত থাকিয়েই মই চিকিৎসা শাস্ত্ৰৰ বিশাৰদ হোৱা বুলি। কিন্তু এই কেইদিন বহু ৰোগৰ নাম শুনিলোঁ। বহু ৰোগী দেখিলোঁ। নাৰ্চিংহোমত আহিলেহে গম পায় ৰোগাক্ৰান্ত জনৰ কি কৰুণ অৱস্থা।

আমাৰ বিহুৰামে আকৌ বুকুৰ পাল্‌পিটেচন হলেই অৰ্জুন গছৰ ছালৰ ৰস খায়। তুলসী পাত আৰু মহানিমৰ পাত খায়। কিয় বিহুৰামক মনত নাই? তুমি ইন্টাৰভিউ দিব অহাৰ দিনা ইন্টাৰভিউলৈ যাব ওলাওঁতেই তোমাক যে 'থেংকৃইউ' দিছিল। সি বেচেৰাই ভুলতেই 'বেষ্ট অব্ লাক' নিদি 'থেংক্‌ইউ' দিলে।

অসুখ-বিসুখ হ'লে মোৰ বাইদেউ আৰু ভণ্টিহঁতলৈও মনত পৰে। তিনিজনী ছোৱালীৰ মাজত মই একমাত্ৰ ল'ৰা। ক্ষীণকায় চেহেৰাৰ মই সৰুতে মোৰ মা-দেউতাৰ লগতে আত্মীয়ৰ চিন্তাৰ বিষয় আছিলোঁ। তিনিজনী ছোৱালীয়ে মোক শুহি শুহি খোৱা বাবে মই হোনো ক্ষীণ। বাইদেউ ভণ্টিহঁতৰ অসহায় মুখ কেইখনে মোক আজিও আমনি কৰে। দেহৰ অন্তঃস্ৰাৱী গ্ৰন্থিবোৰক দোষ নিদি তাইহঁতক জগৰীয়া কৰাৰ কি উজু প্ৰচেষ্টা!

আজি ৰাতিপুৱাৰে পৰা নাৰ্চিংহোমৰ মোৰ কোঠাটোত থকা খিৰীকি দুখনেৰে মই হিয়া ভৰাই

বাহিৰৰ সৌন্দৰ্য্য উপভোগ কৰিছোঁ। মোৰ অৱস্থাতো হোষ্টেলত নতুনকৈ নাম ভৰ্ত্তি কৰা ছাত্ৰৰ দৰে। কি যন্ত্ৰণাদায়ক আৰম্ভণিৰ সেইদিন কেইটা। কেৱল গুড্ মৰ্নিং, গুড্ইভিনিং, পানীৰ বটলত পানী ভৰাই আনি দিয়া, দুদিনৰ মূৰে মূৰে কলগেট কিনা, নাকৰ তলত কল্‌গেটৰ গোঁফ লগাই লৈ আমলখি গছত সাৰটা সাৰটি, ডাইনিং হলত অদ্ভুত শব্দৰ বাক্য গাঁঠনিৰে বেল নম্বৰ কোৱা, গাৰ্লচ হোষ্টেলৰ সন্মুখলৈ গৈ ৰেলৰ উকি মৰা, মোৰ বেল নম্বৰতো শুনি তুমি যে এদিন ইমান হাঁহিছিলা। বহুকেইজন হোষ্টেলৰ চিনিয়ৰে আমাক বেল নম্বৰেৰে সম্বোধন কৰিছিল। কি যে অশ্ৰাব্য শব্দ কেইটামানৰ সমষ্টি মোৰ বেল নম্বৰ। হোষ্টেলৰ বিছনাৰ তলত সোমাই বেগিঙৰ সময়ত বন্ধু মুকুলে মাইকী ম'হ বিচৰাটো মোৰ এতিয়াও মনত পৰে। মুকুলকে মাইকী এনোফিলিছ্ মহে কামুৰি মেলেৰিয়া কৰাৰ পাছত মেলেৰিয়া ৰোগৰ কাৰক প্লাজম'ডিয়াম ভাইভেক্স নিয়ন্ত্ৰণ কৰিবলৈ কুইনাইন টেবলেট দিছিল। তাৰ কঁপি কঁপি জ্বৰ উঠিছিল আৰু এনিমিয়া হৈছিল।

প্ৰস্তুতি, তুমি কিন্তু তোমাৰ মাৰ লিপিড্ প্ৰফাইল টেষ্ট অতি সোনকালে কৰাবা। ল' ডেনছিটি লাইপ্ৰটিন আৰু হাই-ডেনছিটিলাইপ'প্ৰটিল আমাৰ দেহৰ বাবে ক্ষতিকাৰক; উচ্চ ৰক্তচাপৰ মূল কাৰক। যৌগিক ব্যায়াম কৰাব পাৰিলেও ভাল।

তুমি ভাবিছা নেকি হে'পাটাইটিছ্ বিৰ বিষয়ে মই নাজানো বুলি? হে'পাটাইটিছ্- এ.বি.চি.ই. এইবোৰৰ লক্ষণবোৰ মই আগতেও পঢ়িছো। তোমালৈ চিঠিখন লিখাৰ কিছুসময় আগতে ডাঃ অমৰজিৎ চৌধুৰী আহি গৈছে। ঔষধ সলাই দিছে। এতিয়া Hiact-p নামৰ এটা নতুন ঔষধ খাব লৈছোঁ। মই আগতে আনৰ পৰা তেজ লৈছোঁ নেকি? বেজি লৈছো নেকি? অস্ত্ৰোপচাৰ হৈছে নেকি? আদি বহুবোৰ প্ৰশ্ন তেওঁ মোৰ ভণ্টিক কৰিছে। উন্নত চিকিৎসাৰ বাবে বাহিৰলৈ যোৱাৰ প্ৰয়োজন নাই বুলি কৈছে। পইচা খৰচ কৰিবলৈ মোৰ মা-দেউতাই কৃপণালি কৰা বুলি তুমি নাভাৱিবা।

তোমাৰ কথা মনলৈ আহিলেই মনত গৌৰৱ বোধ হয়। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰী তুমি যদিবৃটিছৰ দিনৰ পৰা মনমোহনৰ দিনলৈ কথাবোৰ তুলনা কৰা তেতিয়াহ'লে মনোকষ্ট পাবাই।

মই কিন্তু তাহানিত সমাজ অধ্যয়ন পঢ়ি ভাল পোৱা ল'ৰা। স্কুলত যদিও চাৰে সমাজ অধ্যয়ন পঢ়াওতে দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনকে ধৰি প্ৰধানমন্ত্ৰীৰ নিযুক্তিক লৈ কোৱা কথাবোৰ আজিও মনত পৰে। সাংসদত তেত্ৰিশ শতাংশ ৰিজাৰ্ভেছন হ'লে তুমি হেনো আকৌ সাংসদেই হ'বা। কি ক'লা? এতিয়াৰে পৰা হিন্দীত বক্তৃতা দিব শিকিছা? কোৱা, কোৱা। কিন্তু ভোজপুৰী হিন্দী নকবা। চিন্তা নকৰিবা জন্মু-কাশ্মীৰৰ বিধান সভাত ৰিজাৰ্ভেছন বিল পাছ নহ'লেও আগন্তুক সংসদৰ অধিবেশনত এই বিল গৃহীত হ'ব। হ'ব দিয়া; এদিন কিজানি ৰাজ্যিক ৰাজনীতিলৈ অহা তোমাক মেডাম চিফ্‌মিনিষ্টাৰ বুলি সম্বোধন কৰিব পাৰোৱেই। তুমি এতিয়াও চিদাম্বৰমৰ মুক্ত অৰ্থনীতিৰ বিৰোধ কৰা নেকি? মনত ৰাখিবা কোটি কোটি টকাৰ সম্পত্তিৰ মালিক জনেই কিন্তু তোমাৰ মোৰো বিত্তমন্ত্ৰী।

তোমাৰ লগত থকা মোৰ আন্তৰিকতা, অভিন্ন হৃদয়ৰ কথা মোৰ পৰিয়ালেও জানে। শিক্ষিতা ছোৱালী হিচাবে তোমাৰ ৰুচিবোধক লৈ মোৰ দৰে মোৰ ভণ্টিহঁতেও গৌৰৱ কৰে। তোমালোকৰ গোত্ৰটোৱেই মই পাহৰো হে। অ' মনত পৰিছে, মধুকল্য... বা শ্ৰীপ্ৰস্তুতি মধুকল্য। ঠিকনাটো এবাৰ চিঠিখনৰ মাজতেই লিখি চাওঁ নেকি? শ্ৰীপ্ৰস্তুতি মধুকল্য, এম.এ., এম.ফিল, জোনালী পাম। কে.কে. ভট্ট পথ, বিৰুবাৰী, মঙলদৈ, দৰং। প্ৰাণী বিদ্যাৰ বাসস্থান আৰু নিচিৰ বিষয়ে পঢ়োৱা দত্ত চাৰলৈ মনত পৰিছে। বাসস্থান আৰু নিচিৰ কি সুন্দৰ ব্যাখ্যা।

পঢ়াৰ দিনত প্ৰেক্টিকেল

ক্লাছলৈ যাব ওলালেই আগতে ভেকুলী কাটিবলৈ যোৱা বুলি তোমালোকে হাঁহিছিলা, ৰসায়নৰ ছাত্ৰ অনুৰাগ বৰঠাকুৰৰ জৈৱ ৰসায়নৰ কথা কোৱা মনত পৰেনে? পদাৰ্থ বিদ্যাৰ সেই যে গাৰ্গ উপাধিৰ ছোৱালীজনীৰ লগত ছায়েন্‌ছ্ কেন্টিনত চাহ খাইছিলোঁ। ছোৱালীজনীয়ে অচিলম্পৰ কথা কৈছিল। শিক্ষা বিভাগৰ ছাত্ৰ মোৰ ৰূমমেট বিকাশে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ লগতে স্নায়ুকোষৰ এক্সন আৰু ডে'নড্ৰাইট্‌ৰ কথাবোৰ কিমান যে মুখস্থ কৰিছিল। অৰ্থনীতিৰ ছাত্ৰ প্ৰকাশে এতিয়াও কিজানি ইন্‌কাম টেক্সৰ সৰল ফৰ্ম ফিলাপ কৰাতেই ব্যস্ত। সি হেনো নলবাৰীৰ ৰেজিষ্টাৰ্ড ইন্‌কাম টেক্স প্ৰেক্টিচনাৰ। কলেজৰ প্ৰবক্তা সকলৰ ইন্‌কামটেক্সৰ ফৰ্ম ফিলাপ কৰি বছৰত ভাল পইচা আৰ্জে। সংস্কৃতৰ ছাত্ৰৰ পানিনি ব্যাকৰণ আৰু অমৰকোষ মুখস্থ কৰাৰ দৰেই জটিল প্ৰাণী বিদ্যাৰ ছাত্ৰৰ বাবে ক্ৰেবচক্ৰৰ বিভিন্ন স্তৰ মুখস্থ কৰা ইহ'ল মুখ্য কাম। জিন আৰু ক্ৰ'ম'জমৰ এবাৰেচনৰ বাবে হোৱা জন্মগত ৰোগবোৰৰ বিষয়ে পঢ়াৰ কথা ক'লে পৰিসংখ্যা ছাত্ৰ মুকুটে কোৱাৰ দৰে আমি এতিয়া আৰু ভেকুলী কটা স্তৰত নাই। বাল্টিক সাগৰৰ বিষয়ে জানিবলৈ তুমি কেতিয়াও ভূগোলৰ ছাত্ৰ হ'ব নালাগে। টি.ভি.ৰ বিজ্ঞাপন দেখিলেই মোৰ হেল্‌চিডকলৈ যাবৰ মন যায়। কিন্তু নোৱাৰো। নাটকৰ সেই সংলাপটোৰ দৰে 'মৰুদ্যান গৈ জপিয়াই মৰিবৰ ইচ্ছা যায়- কিন্তু নোৱাৰো ৰেল ভাড়াৰ অভাৱত।'

অ', তোমাৰ দাদাৰ কথা সোধাইনাই। কলেজৰ কামটো হ'লনে? দাদাৰ কলেজখনে হেনো এইবাৰ তদৰ্থ মঞ্জুৰী পাব। কলেজৰ কন্‌কাৰেন্স থাকিলেও কিন্তু তেওঁক অৰ্থনীতি বিষয়ত চাব্‌জেক্ট কনকাৰেন্স লাগিবই। চাকৰি হ'লেই দাদাৰ বিয়া পাতিম দেই। ছোৱালী মই চাম। কোষ্ঠী, ৰাশি, গোত্ৰ, কিমান বিচাৰ! লাহে লাহে কিন্তু আমাৰ সমাজতো ব্লাড গ্ৰুপৰ লগতে আৰ এইচ ফেক্টৰ ছোৱাৰ দিন আহিছে। মানুহৰ দেহত হৈ থকা জিনীয় বা ক্ৰ'ম'জমৰ মিউটে'চনৰ বাবে আজিকালি জেনেটিক কাউন্সিলিং বা জেনেটিক ইন্‌জিনিয়াৰিংৰ কথা পঢ়িছিলোঁ। আজিৰ দিনত চিকিৎসা পদ্ধতিও বৰ উন্নত হৈছে।

আৰ এইচ্ নিগেটিভ হলেও সমস্যা বাঢ়ে। হ'বলগীয়া বৌজনীৰ তেজ পৰীক্ষা কৰাইল'ম দিয়া।

প্ৰস্তুতি, কালি চিঠিখন আধা লিখা হ'ল। দিন এটা আঁতৰি আন এটা দিন আহিল। ঠিক সেই কবিতাটোৰ দৰেই- 'দিন যায় আহে ৰাতি আয়ুস গৈছে টুটি, চমু চাপি আহিছে মৰণ।'

কবিতাটোৰ গূঢ়াৰ্থখিনি ভাবি ভয় লাগিছে। সঁচাকৈয়ে নেকি চমু চাপি আহিছে.......!

ডাঃ অমৰজিৎ চৌধুৰী আহিছিল। এসপ্তাহ পাছতেই মোক নাৰ্চিং হোমৰ পৰা যাব দিব। মই সম্পূৰ্ণ আৰোগ্য হ'ম বুলি ডাক্তৰে কৈছে।

আজি ৰাতিপুৱাতে মোৰ বন্ধু এজন আহিছিল; বৰ চিকৌ, ঘিনৌ। ৰোগ বুলিলেই সকলো ৰোগেই সংক্ৰামক বুলি ভাবে। কোঠাটোৰ দৰ্জাৰ সন্মুখৰ পৰাই বেংক বিষয়া বন্ধুজনে মাত লগাই গ'ল; সম্ভৱত ভয়ত। নোটবোৰ হাতেৰে চুব নিবিচৰা মোৰ খুৰাৰ দৰে। আনে ব্যৱহাৰ কৰা ফোন্‌ৰ ৰিচিভাৰটো ডেটল পানীৰে মচি লোৱা প্ৰৱক্তা কাকতিৰ দৰে।

তোমাক মোৰ বিষয়ে বহু কথাকৈ আমনি দিলোঁ নহয়? কৈছোৱেই নহয়- মোৰ এইকেইদিন হোষ্টেলত নামভৰ্ত্তি কৰি নৱাগত আদৰণি সভা হোৱাৰ দিনটোলৈ অপেক্ষা কৰা ছাত্ৰ জন যেন লাগিছে। অৱশ্যে এসপ্তাহ পাছতেই মই এই নাৰ্চিং হ'ম এৰিব পাৰিম। যেন মোৰ নৱাগত আদৰণি সভাহে!

ক'তো শান্তি নাই বুজিছা। কলেজৰ প্ৰৱক্তা মোৰ বাইদেউৰ ৰাতিপুৱাৰে পৰা দৌৰা-দৌৰি। তাইক দেকিলে চিঞৰি চিঞৰি ক'বৰ ইচ্ছা যায়- সমালোচকবোৰ সংযত হোৱা। এই কেইদিন তাই


মোৰ ওচৰলৈ অহা নাই। একমাত্ৰ ভায়েকৰ ঔষধ খুৱাই দিবলৈ আহিব পৰা নাই। তাইহঁতৰ কলেজত হেনো নাকৰ (NAAC) টিম আহিব। কিমান যে কাম। এই বোলে ফুলনিৰ দায়িত্ব, বিভাগীয় চেমিনাৰ, নেচেনল চেমিনাৰ কৰা প্ৰৱক্তাৰ তালিকাত যোল্লজনৰ নাম নাই- হাহাকাৰ। কম্পিউটাৰ জনাৰ তালিকাত মাত্ৰ দহজনৰ নাম ইত্যাদি। অধ্যক্ষৰ সময় নোহোৱা অৱস্থা। নৈমিত্তিক ছুটীও নিদিয়ে। বাইদেউৰ ভাষাতেই নাকৰ টিম কলেজ পৰ্য্যবেক্ষণ কৰা মানে দৰা ঘৰৰ মানুহে ছোৱালী ছোৱাৰ দৰে কথা। ছোৱালীৰ ঘৰত সকলো ভাল লাগিছে, ঘৰখন সু-ৰুচিসম্পন্ন, ছোৱালীৰ শিক্ষা, দেখা-শুনা, মাত, গাৰ ৰং ভাল; মাত্ৰ ৰাশিফল চাই গম পালো ল'ৰা ছোৱালীৰ যোৰা হেনো অড়িষড়স্তক। মিত্ৰ ষড়স্তক হ'লেও কথা নাছিল। ছোৱালী বিয়া নকৰায়। ঠিক নাকৰ পিয়েৰটিম অধ্যক্ষৰ হাতত সকলো লিখি চহী কৰি জমা দিয়া ৰিপৰ্টৰ দৰে! ওচৰৰ চি.কে. চৌধুৰী কলেজক দিয়া C+ গ্ৰেড্‌ৰ দৰে! প্ৰশংসাৰ সীমা নাই।

প্ৰস্তুতি, মই তোমাৰ পৰা এষাৰ প্ৰতিশ্ৰুতি ল'ব বিচাৰিছোঁ। মোৰ অসুখক তুমি সন্দেহ কৰা নাইতো? মোৰ জিনীয় বা ক্ৰ'ম'জমল এবাৰেচন জনিত ৰোগ হোৱা বুলি তুমি ভৰা নাইতো? মই কিন্তু এসপ্তাহ পাছতেই আৰোগ্য হৈ নাৰ্চিং হ'মৰ পৰা ওলাই যাম। মই তোমাক কথা দিলো নাকৰ টিমে কলেজবোৰক দিয়া ৰিপৰ্টৰ দৰে মই তোমাক হতাশ নকৰো। ৰাশিফলৰ অড়িষড়ষ্টক বা মিত্ৰষড়ষ্টক ফলাফলৈও মই অপেক্ষা কৰিব নোৱাৰো। তেজ পৰীক্ষাৰো প্ৰশ্নই নুঠে। মাত্ৰ এটা কথাই বিশ্বাস কৰো- আমাৰ আন্তৰিকতাত ৰোগে ধৰা নাই। আমাৰ হৃদয়ৰ মিলন ঠিকেই হ'ব।

চিঠিখন বৰ দীঘলীয়া হ'ল। পৰামৰ্শ দিয়া বাবে বেয়া নাপাবা। স্পিড্ পোষ্টত দিয়া চিঠিখন পোৱা মাত্ৰকে ফোন কৰিবা। আজিয়েই মোৰ ম'বাইল ফোন্‌ৰ চিম কাৰ্ড সক্ৰিয় হ'ব- নম্বৰটো হ'ল- ৫৯৫৯০-৫৮৮৮৮। তোমাৰ ফোন্‌লৈ মই অপেক্ষা কৰিলোঁ আৰু নিলিখো। ঔষধ খাবৰ সময় হ'ল। ইতি-

-তোমাৰ
প্ৰদীপ্ত পৰাশৰ
১০-০৮-০৪


****




প্ৰহৰী দল পৰিবৰ্ত্তনৰ সময়ত, ইংলণ্ডৰ ৰাণীৰ ঐতিহ্যমণ্ডিত ৰাজপ্ৰসাদৰ সন্মুখত

# এখন ইচ্ছা-পত্ৰ

কমৰুন জান্নাত



সমুদ্ৰ গৰ্ভত মণি-মুকুতা বিচাৰি প্ৰৱেশ কৰা কঠিন, কিন্তু তাতোকৈয়ো কঠিন সৃষ্টিৰ ৰহস্য বিচাৰি মানুহৰ অন্তৰত প্ৰৱেশ কৰা। তথাপিতো দুৰ্দান্ত নাবিকৰ ভূমিকাৰে প্ৰৱেশ কৰিলোঁ তোমাৰ জীৱনৰ অশান্ত বামুৰ্দা সীমান্তত। যিদিনা আমাৰ মাজত আন্তৰিকতাৰ অভাৱ ঘটিব সিদিনাখন মোৰ এই সাহসীকতাই এক কলংকিত জীৱনৰ দলিলৰ ৰূপ ল'ব। ভাৰতৰ শেষ সীমান্ত সেই কাৰ্গিলত চট্‌ফটাই পৰিৰোৱা গুলিবিদ্ধ জোৱানৰ দৰে জীৱনৰ অশান্ত সীমান্তত পৰি ৰ'ব কিছুমান স্মৃতি। যাক লৈ আৰম্ভ হ'ব অৱৰুদ্ধ জীৱন, সপোন হেৰাই যাব বাস্তৱৰ বুকুত, জীৱন হেৰাই যাব চকুলোৰ মাজত। অতীতে ভাবুকি দিব ভৱিষ্যতক, শ্বাস-প্ৰশ্বাসে ভাবুকি দিব মৃত্যুৰ, হেৰাই যাব জীৱনৰ ছন্দ.....। এৰা, আকস্মিকতাই মোক বহুসময় অবাক কৰি ৰাখিলে, বহু সময় পিছতহে আৰম্ভ কৰিলোঁ এখন চিঠি...

মৰমৰ 'মন'

তোমাক কিমান মৰম দিম ভাৱি পোৱা নাই। তোমাক যিমানৰ প্ৰয়োজন আছে সিমানেই লৈ ল'বা, তাত মোৰ আপত্তি নাই। আজি মই তোমাক মোৰ মৰমৰ দাবীদাৰ হিচাপে লৈ এই ইচ্ছা-পত্ৰত চহী কৰিলোঁ আৰু প্ৰতিজ্ঞাবদ্ধ হ'লো কোনো মূল্যৰ বিনিময়ত তাক হস্তান্তৰিত নকৰো। জীৱনে বিচৰা সকলোবোৰৰে স'তে তোমাৰ হৃদয়ত আজি আত্ম-সমৰ্পণ কৰিলোঁ। তোমাৰ প্ৰেম মোৰ বাবে এতিয়াও অন্ধকাৰ আচ্ছন্ন নতুবা পাই হেৰুৱা অব্যক্ত শূন্যতা। তথাপি ভয় খোৱা নাই কাৰণ মই অংগীকাৰবদ্ধ, দৃঢ় প্ৰতিজ্ঞ ভাল পাঁও কাৰোবাক (তোমাক), তাতোকৈ আৰু পৃথিৱীত কোনো দাবীয়েই শ্ৰেষ্ঠ হ'ব নোৱাৰে, এয়াই প্ৰেমৰ সততা আৰু শ্ৰেষ্ঠ দাবী সঁচা হৃদয়ৰ। পাৰিবানে নিজকে বিলাই দিব আনৰ ওচৰত? পাৰিবানে আনৰ প্ৰেমক নিঃস্বাৰ্থ ভাৱে নিজৰ প্ৰেম বুলি চিনাকি দিবলৈ? পাৰিবানে মোৰ উন্মাদ হিয়াখন বুজাই শান্ত কৰিবলৈ? হয়তো নোৱাৰিবা! কাৰো সতে মিছাতে বহি, হৃদয়ৰ কথা পাতি সময় কটাবলৈ যেন কাৰোৰেই অৱকাশ নাই! যান্ত্ৰিক যুগত মানুহৰ মন আৰু হৃদয়ো একো-একোটা যন্ত্ৰই ৰূপ লৈছে। মানুহৰ হৃদয় বোলা অংগবিধ যেন তেজ চলাচল কৰা একোটা কাৰখানাৰ বাদে আন একো নহয়। আবেগৰ স্থান বাৰু তাত আছেনে? আবেগৰ যুক্তিতকৈ বিবেকৰ যুক্তিক প্ৰাধান্য দিয়ে এই একবিংশ শতিকাৰ মানৱে। চৰম ব্যস্ততা!

ব্যস্ততাই মানুহক গ্ৰাস কৰিলেও এয়াও সত্য যে কোনেও নিবিচাৰে আলেকজেণ্ডাৰ চেলকাৰ্কৰ দৰে নিসংগ জীৱন

কটাবলৈ বা কোনোবা অভিজাত শিশুৰ প্ৰাণহীন পুতলাৰ ভূমিকাত অভিনয় কৰিা যাবলৈ! ময়ো নিবিচাৰো। মোৰো হৃদয়ত জ্বলি উঠে চেনেহৰ একুৰা জীয়া জুই, বাজি উঠে প্ৰণয়ৰ জয়গান, দুৰ্দান্ত পিয়াহ, অনন্ত আশা আৰু অলেখ কল্পনা। এইবোৰকে পিঠিত বোজা বান্ধি স্পষ্ট ভাৱে আজি প্ৰৱেশ কৰিবলৈ আহিছোঁ তোমাৰ প্ৰেমময় সাগৰত। পিছে নাজানো- হৃদয়ৰ অনুভূতিক তুমি কিদৰে পান কৰা। কিমান গধূৰ হ'লে প্ৰেমৰ সংজ্ঞাই তোমাৰ আবেগৰ পাৰ ভাঙিব পাৰে মই তাকো নাজানো। লা-ৰুছফুকোৱে কৈছিল- 'এনেকুৱা কোনো অভিনেতা নাই যিয়ে সঁচা প্ৰেম বা প্ৰেমৰ অভিনয়ক বেচি সময়ৰ বাবে লুকুৱাই ৰাখিব পাৰে'। এৰা, মই নোৱাৰিলোঁ.... সেয়ে, তোমালৈ আজিৰ দৰে সদায় লিখি যাম; কিন্তু তোমাৰ মৌনতাত লিখিবলৈ বাধ্য হ'ম-

"মাজনিশা সাৰ পাই শুনিছানে
কেতিয়াবা কেতেকীৰ
হিয়া ভগা মাত?
ভাবিছানে এটিবাৰো পখীৰ
ডিঙিত কান্দে মানুহৰ
বুকুৰ সম্বাদ!
মই জানো তুমি কিটো জানা।
হেৰা মোৰ হিয়াহীনা প্ৰিয়া
তুমি জানা মাথোঁ
তুমি তুমি, মই মই ........."

অৱশ্যে মৰম কি বস্তু যিয়ে বুজি নাপায় তাক মৰম দি লাভ নাই, তথাপিতো এয়া মৰমৰে খেলা যেতিয়া মৰম নিদিও উপায় নাই। ইংৰাজীত এষাৰ কথা আছে 'Love begets love'.

তোমাৰ প্ৰেমৰ অব্যয় আকাঙ্খাই নিশ্চয় মোৰ জীৱনটো এদিন নহয় এদিন কল্যাণময় কৰি তুলিব। জীৱনটোলৈ মোৰ দৰদী অনুভৱ আছে, জীৱনটোত আনন্দ-উপভোগ কৰাৰ ইচ্ছা মোৰ বহু দিনৰ, তুমি হ'বা মোৰ কৰ্মক্লান্ত জীৱনৰ সংগী, সকলো অৱসাদ গুছিব তোমাৰ সহযোগিতাত।

মই হাঁহিব বিচাৰোঁ,
তোমাৰ স'তে
মই কান্দিব বিচাৰোঁ,
তোমাৰ স'তে
হেৰাই যাব বিচাৰোঁ,
তোমাৰ স'তে
যিদৰে হেৰাই যায়
জংঘলৰ মাজত
প্ৰেমিক চৰাই......। এৰা,

সুখী হ'ব বিচাৰোঁ। মোৰ জীৱনৰ আশা-কল্পনা, সপোন-বাস্তৱ, সাফল্য-ব্যৰ্থতা সকলো আজি তোমাৰ হৃদয়ত কেন্দ্ৰিভূত। তোমাৰ ইংগিতত বাট বুলিছে মোৰ জীৱন-যৌৱনৰ তেজাল ঘোঁৰাই। আবেগ আৰু আনন্দত মিশ্ৰিত স্বীকৃতিহীন কণ্ঠই মাথো উচ্চাৰণ কৰিছে আজি-

"অপনে ৰুহ্‌পৰ নিগাহ কৰ্‌নেদে
খুবচুৰত গুনাহ কৰ্‌ণে দে
ৰুখচে পৰ্দা হঠাৰ জানে হুজাৰ
আজ দিলকো তবাহ কৰণে দে.."

মনত ৰাখিবা- ভালপোৱা দিবপৰাজন মহান আৰু যিয়ে ল'ব পাৰিছে তেওঁ ভাগ্যবান। ভালপোৱাক যিয়ে নিলিম কৰিছে তেওঁ অৱশ্যে আদালতৰ ওচৰত অপৰাধী নহলেও প্ৰণয়ৰ সমাজখনত তেওঁ এজন কুখ্যাত অপৰাধী। বাৰু যিয়েইনহওক, তোমাৰ স্ব-ইচ্ছাই মোক যেনেদৰে ভালপোৱা দিবা, ময়ো ভালপোৱাৰ সূত্ৰটো তেনেদৰেই ধৰি ল'ম। আগুৱাই যাম দুয়ো সফলতা আৰু কৃতকাৰ্য্যতাৰ মাজত থকা বাধাৰ প্ৰাচীৰখন ভাগিবলৈ, এখন আবৰ্জনাহীন সমাজ গঢ়িবলৈ। অলপ আগুৱাই যাওঁ আহা...... সৌৱা সূৰ্য্যোদয়ৰ নতুন প্ৰভা।

জনা-নজনাৰ মাজত, মনৰ তাগিদাত বহু কথাই লিখিলো। অৱশ্যে লিখিব নাজানো ভুল নুবুজিবা। ক'ৰবাত কিবা এটা ভুল হ'ল চাগে! মই ভাৱো, মোৰ ভুলবোৰ ক্ষমা কৰি দিবপৰা তোমাৰ নিশ্চয় এখন হৃদয় আছে, যিহেতু তোমাতে মোৰ অসীম ভালপোৱা আছে.....।


তোমালৈ অজস্ৰ মৰম আৰু শুভকামনাৰে-

ইতি-
তোমাৰ দুৰ্দান্ত প্ৰেয়সী
কাবেৰীজ্যোতি

*****

# এটি তৰাৰ মৃত্যু

জ্যোতিৰ্ময় নাথ
স্নাতক দ্বিতীয় বৰ্ষ



জীৱন এক অভিধানৰ সুশৃংখল শব্দবোৰৰ মাজৰ এটা অৰ্থবহুল শব্দ ভাৱি প্ৰণয়ে ৰাতিপুৱাৰ আকাশখনলৈ চালে আৰু কণমানি শিশু এটাৰ দৰে মিচিকিয়াই হাঁহি দিলে। মনটো সঁচাকৈয়ে উদাস উদাস যেন লাগিল। জীৱনৰ ৪৮টা বসন্তপাৰ কৰি সঁচাকৈয়ে ইয়াৰ অৰ্থ বিচাৰি পাইছে। কেতিয়াবা তিতা, কেতিয়াবা মিঠা, কেতিয়াবা কেহা ইত্যাদি...... ইত্যাদি। জীৱনৰ তিনিটা স্তৰৰ কথা ভাবিছে প্ৰণয়ে শৈশৱ, কৈশোৰ, যৌৱন আৰু বৃদ্ধ। কি যে আছিল সেই বিগত দিনবোৰ মুখৰপৰা ক'ব নোৱাৰাকৈয়ে ওলাই আহিল গানৰ কলিটি-

পাৰ হৈ গ'ল ধুমুহা
এজাক
ভাগি গ'ল মোৰ
প'জা।

ক'ব নোৱাৰাকৈয়ে চকুৰ লোটকেৰে ভৰি পৰিল মুখমণ্ডল। এয়ে হয়তো জীৱন! বহল আকাশখনৰ ফালে চাই অবচেতন মনটোৱে বলকি গ'ল কথা কেইষাৰী। জীৱন সাগৰখনত আজিলৈ যি বহুত সাতুৰিছে বিভিন্ন প্ৰক্ৰিয়াৰে। সাতুৰি জানো কেতিয়াবা নিজৰ লক্ষ্যত উপনীত হৈছে? নাই, ই যেন মৰীচিকা সদৃশ। লগে লগে মনত পৰি গ'ল মেৰেণি টেইলৰৰ সেইবিখ্যাত উক্তিটোলৈ- 'জীৱনটো তাচখেলৰ দৰে; হৰা জিকা আমাৰ হাতত নাথাকে। কিন্তু খেলখন কিদৰে খেলো সেইটো সম্পূৰ্ণ আমাৰ হাতত।' সঁচাকৈয়ে টেইলৰৰ উক্তিটোৱে যেন এই মুহূৰ্ত্তত সত্যৰ নিৰ্দেশন! জীৱনটো যেন কচুপাতৰ পানী। বিগত দিনবোৰত ঘটি যোৱা স্মৃতিবোৰে কেতিয়াবা হয়তো মানুহজনক পাগল কৰিব পাৰে। পুৰণি কবিতা, পুৰণি গান, পুৰণি মদৰ মূল্য আটাইতকৈ বেছি। পাহৰো বুলিও পাহৰিব নোৱাৰি; নষ্টালজিয়াত আক্ৰান্ত হৈ থাকিব লগা হয় বাৰে বাৰে। অতীত জীৱনৰ ৰঙীন স্মৃতিবোৰে কেতিয়াবা কেতিয়াবা ভাৱাক্ৰান্ত কৰি তোলে। হেৰাই যোৱা সমুদ্ৰৰ ঢৌবোৰে কেতিয়াবা হঠাতে উথলি উঠাৰ দৰে মনৰ আবেগবোৰে দি যায় বেদনা গধুৰ কিছুমান স্মৃতি।

নৈৰ কোবাল সোঁতে পাৰ ভাঙি থান-বান কৰাৰ দৰে প্ৰণয় দুৱাৰ জীৱনলৈ নামি আহিছিল যৌৱনৰ কোবাল ধুমুহা। যৌৱনৰ পাৰ ভঙা আবেগৰ বশৱৰ্তী হৈ গোপনে হৃদয়ত স্থান দিছিল মৰমৰ বৰষাক। বৰষা আহিছিল মাত্ৰ দুদিনৰ বাবে যৌৱনৰ আবেগকণ ঢাকি ৰাখিবৰ বাবে।

হৃদয় জগতত প্ৰৱেশ কৰা বৰষাৰ স্মৃতিবোৰে লৈ যায় অতীতৰ ৰঙীন দিনবোৰলৈ। বৰষা অতি সপ্ৰতিভ ছোৱালী। সেই সময়ত বৰষা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ

ছাত্ৰী। প্ৰণয় ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ আছিল। বিশ্ববিদ্যালয়ৰ মেখেলা চাদৰ পৰিহিতা শান্ত ছোৱালীজনীৰ লাজুক চাৱনিয়ে তাৰ কলিজা মোচৰ খুৱাই দিছিল। মনতে হয়তো ভাবিছিল ছোৱালীজনীৰ লগত সম্পৰ্ক কৰিব পৰা হ'লে! তাৰ হৃদয়ত গোপনে-গোপনে অংকুৰিত হৈছিল প্ৰেমৰ বীজ। চিনাকী হোৱাৰ সুযোগ পোৱা নাছিল। সহপাঠীৰপৰা নামটো জানিব পাৰিছিল যদিও মনত তীব্ৰ হেপাহ জন্মিছিল আপোন কৰি লোৱাৰ।

সময়ৰ সোঁতত দুয়োকে আপোন কৰি লোৱাৰ সুযোগকণ আহিছিল সেইদিনা।

প্ৰণয়ে সৰুৰেপৰা সাহিত্য সাধনাত ব্ৰতী আছিল। ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ আছিল যদিও সুন্দৰ সুন্দৰ কবিতা লিখিছিল। কবিতা এটা বিশ্ববিদ্যালয়ৰ মুখপত্ৰত প্ৰকাশ পাইছিল। সুমধুৰ, সুললিত শব্দত হৃদয়ৰ কথাবোৰ প্ৰকাশ পাইছিল। কম শব্দত হৃদয়ৰ কথাবোৰ প্ৰকাশৰ যি অভিনৱ কৌশল বোধহয় শলাগিবলগীয়া! এজন বিজ্ঞানৰ ছাত্ৰ হৈও অসমীয়া সাহিত্যত নিজৰ পাৰদৰ্শিতাৰে ভাবা সাহিত্যক উন্নীত কৰাৰ যি একাগ্ৰ সাধনা ভাবিলে আচৰিত হ'ব লগা যেন হয়। মুখপত্ৰত প্ৰকাশ পোৱাৰ পাছত এদিন প্ৰণয়ে গ্ৰন্থাগাৰৰ কোঠাত অধ্যয়নত ব্যস্ত হৈ আছিল। জীৱনত ভাবি নোপোৱা বস্তু কিছুমান অসাধাৰণ বস্তু হৈ যায় আৰু কল্পনা কৰা কিছুমান কথা কল্পনা হৈয়ে ৰয়। প্ৰণয়ে মাজে মাজে সপোন দেখিছিল বৰষাক আপোন কৰি লোৱাৰ; কিন্তু নিজকে নিজে মাথোন সুধিছিল জীৱন লগৰীজনীৰ ভৱিষ্যৎ সুৰক্ষাৰ ক্ষেত্ৰত দিব পৰা সুবিধাখিনিৰ বিষয়ে। অভাৱনীয় ভাৱে ঘটনাটো ঘটি গ'ল গ্ৰন্থাগাৰৰ কোঠাত। প্ৰণয় অধ্যয়নৰত অৱস্থাত পিছফালৰপৰা অহা কোমল লাজকুৰীয়া মাতষাৰিত অধ্যয়নৰত মনটো ভাঙি গ'ল।

"ক্ষমা কৰিব। আপোনাক অধ্যয়নৰত অৱস্থাত ব্যাঘাত জন্মোৱাৰ বাবে মই অতিকৈ দুখীত। আপোনাৰ প্ৰকাশিত 'অনামী বেদনা' নামৰ কবিতাটি পঢ়ি খুব ভাল লাগিল। আপোনাৰ কবিতাবোৰ ভৱিষ্যতে পঢ়িব পাৰিম বুলি আশা থাকিল।" প্ৰণয় যেন মুহূৰ্ত্তৰ বাবে শিল পৰা কপৌৰ দৰে থৰ লাগি চাই ৰ'ল তাইৰ চকুৰ ফালে। কিবা ক'ব খুজিছিল যদিও সি দেখিলে কাষত বৰষা নাই ওলাই গ'ল। মনতে আওৰালে বৰষাৰ কথাবোৰ আৰু ভাবিলে জীৱনৰ মধুৰতা সময়ৰ সোঁতত হোৱা মুহূৰ্ত্তবোৰ। কিমান সময় বহি আছিল ক'ব পৰা নাছিল। চকীদাৰজনে মাত দিয়াতহে তাৰ তন্ময়তা ভাঙিল। সেয়ে হয়তো আৰম্ভণি! লাহে-লাহে দুয়োৰে মাজত বন্ধুত্ব আৰম্ভ হ'ল। বিশ্ববিদ্যালয়ৰ নিৰিবিলি গছৰ তলত বন্ধুত্বৰ আড্ডাটো অধিক মনোগ্ৰাহী হ'বলৈ ধৰিলে। সময় গতিশীল। চূড়ান্ত পৰীক্ষাত প্ৰণয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। জীৱনৰ গভীৰতম সোঁতত শিক্ষাৰ ডোলেৰে দুয়োজনে সপোন ৰচিলে অনাগত ভৱিষ্যতৰ।


পৰীক্ষাৰ ভাল ফলাফলৰ বাবে প্ৰণয় দুৰৰাই আগশাৰীৰ কলেজ এখনৰ প্ৰবক্তা হিচাবে কম দিনৰ ভিতৰত জইন কৰিলে। জীৱন লগৰী বৰষাৰ প্ৰেমিক হিচাবে। কতবোৰ সপোন ৰচিছিল এজনী অবুজ শিশুৰ দৰে বৰষাক বুকুৰ মাজত সুমুৱাই লৈ এজন মানুহ হিচাবে। প্ৰতিষ্ঠা লাভ কৰিছিল একমাত্ৰ চাকৰিটিৰ বাবে।

সপোনবোৰ সপোন হৈয়ে ৰ'ল। বৰষাক প্ৰণয় দুৰৰাই আপোন কৰি ল'ব নোৱাৰিলে। দুদিনৰ কাৰণে আহি হঠাৎ হেৰাই গ'ল এক অচিন ৰোগত। সফল প্ৰেমৰ প্ৰকৃত ছবিবোৰ আজি প্ৰণয় দুৰৰাৰ হৃদয়ত বজা প্ৰতিটো শব্দ আকাশৰ একোটি তৰাৰ দৰে....!

****

# নষ্ট গদ্য

## এটা জীৱন....... মৃত্যুৰ সিপাৰে......



**অনুভৱ এন্দাৰ্চন**

জীৱনৰ অন্তত কি আছে বাৰু? মাজে মাজে নিজৰ মাজতে প্ৰশ্ন হয়। হেৰায় যায় জীৱনৰ ছন্দ, দীৰ্ঘ আৰু যন্ত্ৰনাদায়ক হয় নিশাবোৰ। প্ৰশ্নবোধক চিন এটাই বাট আগচি ধৰে মোক। বিচৰাখিনি পোৱাৰ মাজতেই জীৱনৰ পৰিসীমা সীমাবদ্ধ নেকি বাৰু? নে নোপোৱাখিনিৰ পৰাই জীৱন বেলি অস্ত যাবলৈ ধৰে? এই বোৰৰ অবিহনে জীৱন কেনেকৈ পূৰ্ণ হ'ব পাৰে?

বন্ধু মহলৰ মাজত মোক লৈ এতিয়াবা আলোচনা হয় মোৰ অনুপস্থিতিত। মই হেনো মানুহজন কেতিয়াবা কেতিয়াবা নিজৰপৰা হেৰাই যাওঁ! এয়া জানো কাৰোবাৰ বাবে সম্ভৱপৰ? নে নিজক পাহৰি থকাও জীৱনৰে অংগ? তেনেহ'লে জীৱন কি, এটা অন্তহীন যাত্ৰা-মৃত্যুৰ আগমুহূৰ্ত্তলৈ। মৃত্যুৰ সিপাৰে বাৰু কি থাকে? আধ্যাত্মিকতাবাদৰ মতে- 'মৃত্যুৰ সিপাৰেও এটা জীৱন থাকে'। ইয়াৰ অৰ্থ এয়াই নেকি জীৱনত পূৰ্ণ নোহোৱা আশাবোৰ মৃত্যুৰ সিপাৰে পূৰণ হোৱাৰ সুবিধা থাকে। মইও বাৰু সেই পথৰেই পথিক নেকি?

আজি কেইমাহমান পূৰ্বে মোৰ শৈশৱৰ বন্ধু এজনৰ অকাল মৃত্যু হয়। যাৰ জীৱনৰ পঁচিশটা বসন্ত পাৰ নহওঁতেই এই পৃথিৱীৰপৰা চিৰ বিদায় ল'ব লগা হয়। আমাৰ সকলোৰে হৃদয় চুই গৈছিল তাৰ এই অস্বাভাৱিক মৃত্যুৱে। কিন্তু মৃত্যুও এটা শিল্প, জীৱন নাটৰ পৰিসমাপ্তি। সকলোৱে কয়, সি তাৰ জীৱনটোৰ পৰা সকলোখিনি পাবলগীয়া আদায় কৰি নিছে। তথাপিও জীৱনে জানো তাক সকলোখিনি আদায় দিছিল? হয়তো সেইটো এটা অমূলক প্ৰশ্ন, এটা ডাঙৰ শূন্য।

Every thing is planning. সকলোবোৰ এটা পৰিকল্পনা নেকি বাৰু? চাৰিসীমাৰ মাজত পঢ়া-শুনা, প্ৰেম, জীৱিকা-উৰ্পাজন, আই-পিতাইৰ দায়িত্ব, সকলোবোৰ; এইখিনিৰ মাজতেই জানো জীৱনৰ সংজ্ঞা বিচাৰি পোৱা যায়?


মই জীয়াই থকা জীৱনটোৰ সৈতে Compromise কৰিব পৰা নাই। অথচ পলাই যাবও বিচৰা নাই, কাপুৰুষৰ দৰে। প্ৰেমৰ কৃত্ৰিমতা, চাকৰিৰ কিনা-বেচা, অৰাজকতা, মানৱতাৰ অধঃপতন এইবোৰে মোক ভিতৰি ভিতৰি জুৰুলা কৰিছে। অথচ এইবোৰৰ পৰিবৰ্ত্তন কৰিবও বিচৰা নাই, পৰিকল্পনা খেলি-মেলি হোৱাৰ ভয়ত। পৰিকল্পনা বিহীন জীৱন এটা লৈ জীয়াই থকাৰ সাহস কৰিব পৰা নাই। সকলোকেই দেখিছো, দেহত কৃত্ৰিমতাৰ সাজ

পিন্ধি নিজক চহকী কৰি তুলিছে। নিজৰ চৰিত্ৰৰ, নিজৰ বিবেকৰ মৃত্যু নিজেই প্ৰত্যক্ষ কৰিছে। তথাপি বাহ্যিক জগতত তেওঁ এজন সুখী মানুহ। এখোপ ওপৰলৈ যোৱাৰ তাড়নাত দুখোপ তললৈ নামিব লগা হৈছে। সকলোৱেই কিবা পাবৰ বাবে কিবা হেৰুৱাব লগা হৈছে। যদি অলপ হেৰুওৱাৰ বিনিময়ত বহুতো পোৱা যায় তেন্তে অলপ হেৰুওৱাত ইমান ভয় কিয়? মোৰ নিজৰ চিন্তাধাৰাৰ স'তে মই নিজে Compromise কৰিব পৰা নাই। "You are mad, Completely mad"- বন্ধু এজনে কৈছিল। মানুহ ইমান সহজত জানো পাগল হ'ব পাৰে। পাগল বোৰেওতো কিছুমান চিন্তাধাৰাৰ মাজত জীয়াই থাকে। অথচ বাস্তৱৰ সন্মুখীন হোৱাৰ পথ বিচাৰি নাপায়, ফলত এটা নতুন চিন্তাধাৰাই মূৰত নতুনকৈ বাহ লয়। মোৰ এই মানসিক দ্বন্দবোৰৰ উত্তৰ বিচাৰি হাবাথুৰি খাওঁ- নিজৰ মাজতে। লাহে লাহে ভাবিবলৈ ধৰো চৰাইবোৰ কিমান দুখত জাতিঙ্গালৈ যাব বাধ্য হয়।


কাৰোবাৰ কোমল হাতৰ পৰশ, এষাৰি মৰমৰ মাত, এটি মিঠা চাৱনিয়ে যদি জীৱনৰ গতিৰ পৰিবৰ্ত্তন আনিব পাৰে, তেন্তে মইও সেই পথৰেই চিৰপথিক। এখন সেউজীয়া প্ৰতিচ্ছবি বুকুত বান্ধি যাযাবৰী জীৱন পাৰ কৰা বহুতো পথিক মই দেখিছো। সকলোৰেই হয়তো এটাই আশা, 'এদিন কোনোবা এজন আহিব'। আগন্তুকৰ আগমনৰ বাবে মই অধীৰ আগ্ৰহৰে বাট চাম। যিয়ে আমাৰ সকলোৰে সপোন বাস্তৱত ৰূপায়িত কৰিব।

(টুটুৰ প্ৰেৰণাত)

*****





০° (শূন্য ডিগ্ৰী) দ্ৰাঘিমা ৰোখা,
গ্ৰীনিউইচ্ মানমন্দিৰ ঃ লণ্ডন




ইংলীচ চ্যেনেলৰ তলেৰে (Euro Turnal) চলা
ৰেলগাড়ীৰ ভিতৰত বাচ সুমুৱাই লোৱা দৃশ্য

# অন্যায়ৰ জয় সততাৰ পৰাজয়

অমূল্য হাজৰিকা
স্নাতক দ্বিতীয় বৰ্ষ



গোটেই নিশাটো আলোকে উজাগৰে কটালে। আলোকৰ যেন এটাৰ পিছত এটা দুখে নেৰাই হ'ল। সৰুতে তাৰ দেউতাক ঢুকাল। পৰিয়ালৰ ভিতৰত মাক আৰু আলোক। আলোকে বৰ দুখ-কষ্টৰ মাজেৰে পঢ়া-শুনা কৰিছিল। অৱশ্যে সি পঢ়াতো বৰ চোকা আছিল। স্নাতক চূড়ান্ত পৰীক্ষাত ৰসায়ন বিজ্ঞানত অনাৰ্ছ লৈ প্ৰথম শ্ৰেণীৰ প্ৰথম বিভাগ পাইছিল আলোকে। আই, এ, এছ, পৰীক্ষাতো সি উত্তীৰ্ণ হৈছিল। কিন্তু কেইটামান টকাৰ অভাৱৰ বাবে সি আই, এ, এছ, বিষয়া হ'ব নোৱাৰিলে। আলোকৰ নিজৰ ওপৰতেই বিতৃষ্ণা আহিছিল, খং উঠিছিল। কিমানবাৰ যে সি ইন্টাৰভিউ দিছে। য'তে চাকৰিৰ বাবে বিজ্ঞাপন ওলায়; তাতেই সি আবেদন কৰি ইন্টাৰভিউ দি আহিছে। ইন্টাৰভিউ প্ৰত্যেকবাৰে তাৰ ভালেই হয়, কিন্তু তাৰ যোগ্যতাক কোনেও মৰ্যদা নিদিয়ে। সকলোৱে গুৰুত্ব দিয়ে টকা, মাথো টকাহে চিনি পায়। আজি সি টকাৰ অভাৱৰ বাবেই নিশ্চিতাক হেৰুৱাব লগা হয়। নিশ্চিতা বিখ্যাত ব্যৱসায়ী কোটিপতি আদিত্য ফুকনৰ একমাত্ৰ ছোৱালী। আলোক-নিশ্চিতা দুয়ো প্ৰেমিক-প্ৰেমিকা। কোনো ভাষাৰে বুজাব নোৱাৰাকৈ আলোকে নিশ্চিতাক প্ৰাণভৰি ভাল পায়। সি জানে নিশ্চিতাইও তাক সিমান খিনিয়েই ভাল পায়, যিমানখিনি সি নিশ্চিতাক ভাল পায়। সুদীৰ্ঘ পাঁচ বছৰ ধৰি সিহঁতে ইজনে সিজনক ভাল পাই আহিছে। কিন্তু সিহঁতৰ প্ৰেমক নিশ্চিতাৰ ঘৰে উচিত মৰ্যাদা নিদিলে। অহংকাৰী অৰ্থলোভী নিশ্চিতাৰ দেউতাকে আলোকৰ নিচিনা ডাল-দৰিদ্ৰৰ ঘৰত ছোৱালী বিয়া দিব নোৱাৰে, সিহঁতৰ বংশ মৰ্য্যদা হানি হ'ব। সেয়ে কোনোৱা মন্ত্ৰীৰ পুতেকৰ লগত নিশ্চিতাৰ বিয়াৰ বন্দোৱস্ত হৈ গৈছে। তাই দেউতাকৰ সিদ্ধান্তত বিৰোধিতা কৰিব নোৱাৰে। নিশ্চিতাই ভালদৰেই জানে যে দেউতাক আদিত্য ফুকনে এবাৰ যিটো কৰিব খোজে সেইটো কৰিহে এৰে। এই খবৰটো পোৱাৰে পৰা আলোকৰ নানা দু:চিন্তা মনলৈ আহিছে। তাৰ জীৱনত আকৌ এবাৰ চৰম আঘাত পালে সি।

আলোক জীয়াই আছে থাকিব লাগে বাবেহে। তাৰ আজি নিজস্ব বুলিবলৈ একোৱেই নাই। হিয়া উজাৰি সি সকলোবোৰ দি দিলে কাৰোবাক। সকলোবোৰ যেন তাৰ ডাল-দৰিদ্ৰৰ ঘৰত জন্ম পোৱাটোৰেই কাল হ'ল। সি আজি মৃতপ্ৰায়।

সেই সময়তে কোনো এক শুভ ক্ষণত আলোকে লগ পাই চহৰখনৰ নামজ্বলা সাংবাদিক লেমন হাজৰিকাক। সেই

হাজৰিকাই আলোকক নতুন জীৱন দিলে।

আলোকে আজি স্থানীয় চহৰখনৰ থানাত আৰক্ষী অধীক্ষক হিচাপে যোগ দান কৰিছে। আলোকে তাৰ চকীখনত বহি একান্তমনে এটা এটাকৈ ফাইলবোৰ পৰীক্ষা কৰিছে। ফাইলবোৰ চাই আলোক আচৰিত হ'ল। সাংবাদিকক হত্যা, ব্যৱসায়ীক হত্যা, কোনোৱা যুৱকক হত্যা, চহৰখনত ড্ৰাগছ্‌ৰ অবাধ প্ৰচলন এই সকলোবোৰ কূটাঘাট মূলক ঘটনাৰ মূল নায়ক এ.পি.। আনকি বৰ্তমান সি যিখন চকীত বহি আছে সেইখন চকীৰ আগৰ অফিচাৰ জনকো এ.পি.ৰ নিৰ্দ্দেশতেই হত্যা কৰা হৈছে। অথচ থানাখনৰ কোনো এজন বিষয়া কৰ্মচাৰীয়েই এ.পি.ৰ সম্পূৰ্ণ নাম আৰু ঠিকনা নাজানে। থানাখনৰ আটাইতকৈ বয়সস্থ চিপাহী ৰহমতৰপৰা জানিব পাৰিলে এ.পি. এজন হাতদীঘল মানুহ। মন্ত্ৰী, বিধায়ক, উচ্চপদস্থ আৰক্ষী বিষয়া সকলোবোৰ এ.পি.ৰ হাতৰ মুঠিত। এইটোও জানিলে থানাখনৰ আগৰ অফিচাৰজনক এ.পি.ৰ নিৰ্দ্দেশ মতে কাম নকৰাৰ অপৰাধত হত্যা কৰা হৈছে। আলোকে আজিৰ সমাজখনৰ স্বৰূপটো ভালদৰেই বুজি পাইছে। সকলোবোৰ মানুহেই টকাৰ পিছত দৌৰে। টকাৰ কাৰণে আজিৰ মানুহে যিকোনো জঘন্য কাম কৰিব পাৰে। আলোকে থানাৰ সকলো কৰ্মচাৰীকে সতৰ্ক কৰি দিছে, কোনোৱেই যাতে নিজ কৰ্তব্যৰ পৰা বিচলিত নহয়। এই মুহূৰ্তৰপৰাই আমি 'অপাৰেচন এ.পি.' আৰম্ভ কৰিম। আলোকে এ.পি.ৰ ৰহস্য উদ্‌ঘাটনৰ বাবে দিন-ৰাতি আহৰি নোহোৱাকৈ লাগি গ'ল।

আলোকৰ আজি হঠাতে নিশ্চিতালৈ খুব মনত পৰিল। নিশ্চিতাক যে সি চাকৰি পোৱা কথাটো জনোৱাই নাই! সেয়ে সি সন্ধিয়া নিশ্চিতাহঁতৰ ঘৰলৈ গ'ল। ঘৰত আদিত্য ফুকন নাছিল আৰু নিশ্চিতা বাথ ৰুমলৈ গৈছে। গতিকে লগুৱাজনে তাক আদিত্য ফুকনৰ কোঠাতে বহিব দিলে। কোঠাটোৰ চাৰিওঁফালে সি চকু ফুৰালে। গোটেই কোঠাটোৰ বেৰবোৰ আৰু মজিয়াখন মাৰ্বল পাথৰৰ। এনেতে আলোকৰ টেবুলৰ ওপৰত এখন কাগজ চকুত পৰিল। কাগজখন চাই সি হতবাক হৈ গ'ল। এয়া সি কি দেখিছে? আজি ৰাতি সাংবাদিক লেমন হাজৰিকাক হত্যাৰ পৰিকল্পনাৰ কথা কাগজখনত লিখা আছে। এইবাৰ সি চকুহাল ডাঙৰকৈ মেলি কাগজখনৰ তলৰ নামটো চালে আদিত্য ফুকন ওৰফে এ.পি.। আলোকৰ আৰু বুজিবলৈ বাকী নাথাকিল সমাজত মুখাপিন্ধা ভদ্ৰলোক আদিত্য ফুকনেই যে এ.পি.। আলোকে কাগজখন লৈ অলপো পলম নকৰি সাংবাদিক হাজৰিকাৰ ঘৰ পালেগৈ। হাজৰিকাক সকলোখিনি কথা বিৱৰি ক'লে আৰু চিঠিখন দেখুৱালে। আলোকৰ আৰু নিশ্চিতাক লগ কৰা নহ'ল। চাকৰিৰ তাগিদাত সি গুচি আহিল। আলোক বৰ চিধা-চাধা মানুহ। সি উচিত বিচাৰ কৰি দোষীজনকহে শাস্তি দিয়ে। সময়ৰ মূল্য সি খুউব ভালদৰেই বুজে।

ৰাতি আলোকে সাংবাদিক হাজৰিকাৰ ঘৰত নিজে পহৰা দি থাকিল। আলোকে ভৰা মতেই ৰাতি এঘাৰমান বজাত সাংবাদিক হাজৰিকাৰ দুৱাৰত টোকৰ পৰিল। আলোকৰ পৰিকল্পনা মতে কাম কৰা ল'ৰাটোৱে দুৱাৰখন খুলি দিলে। লগে লগে দুজন অচিনাক্ত বন্দুকধাৰী যুৱক ভিতৰলৈ সোমাই আহিল। আলোকে চোফাৰ আৰ হৈ দুয়োখন হাতত দুটা পিষ্টল লৈ পৰিস্থিতিৰ স'তে মুখা-মুখি হ'বলৈ আগৰে পৰা সাজু হৈ আছিল। আলোকে অকণো পলম নকৰি দুয়োখন হাতৰ আঙুলিৰে একেলগে ট্ৰিগাৰ টিপি দিলে লগে লগে বন্দুকধাৰী দুজনৰ হাতৰপৰা পিষ্টল চিটিকি পৰিল। আলোকে এই বিলাক কাম বৰ সততা আৰু নিষ্ঠাৰে কৰে আৰু সি সময়ত শৰ মাৰিব জানে। সেয়ে তাৰ লক্ষ্য ভ্ৰষ্ট নহ'ল, ঠিক ঠাইতে গৈ তাৰ পিষ্টলৰ গুলিয়ে আঘাত কৰিলে। আলোকে সিহঁতক থানালৈ লৈ আহিল। সোধ-পোছ কৰি সিহঁত দুজনৰ পৰাই জানিলে আজি পুৱতি নিশা

অৰ্থাৎ তিনিমান বজাত এ.পি. য়ে জাহাজঘাটেৰে প্ৰায় তিনিকোটি টকাৰ ড্ৰাগছ্ লৈ আহিব। আলোকে হাতৰ ঘড়ীটোলৈ চালে এতিয়াও তিনি বাজিবলৈ আধাঘণ্টা সময় আছে। এখন্তেকো পলম নকৰি কেইজনমান চিপাহী লগত লৈ আলোক জাহাজঘাট পালেগৈ। সিহঁতে নিজ নিজ ঠাইত খাপ পিটি জাহাজখনলৈ অপেক্ষা কৰি থাকিল। ঠিক তিনি বজাৰ লগে লগে জাহাজখন ঘাট পালেহি এ.পি. আৰু অন্য দুজন লোক। জাহাজৰপৰা নামি এটা এটাকৈ ড্ৰাগছ্‌ৰ পেকেটবোৰ জাহাজৰপৰা নমাই হিচাপ কৰাত ব্যস্ত। ইফালে আলোকে নিখুত হাত দুখনেৰে সিহঁতৰ দেহৰক্ষী দুজনক ইতিমধ্যে যম পুৰীলৈ পঠিয়াই দিছে। আলোকৰ নিৰ্দ্দেশমতে চিপাহী সকলে এ.পি. ওৰফে আদিত্য ফুকন আৰু লগৰ দুয়োজনকে ঘেৰাও কৰিলে। আলোকে এ.পি.ৰ হাতত হেন্দকাফ্ লগাই ড্ৰাগছ্‌ৰ টোপোলাসহ আন দুজনকো থানালৈ আনি লক্‌আপত ভৰাই থ'লে। আলোকে এ.পি.ক অলপ উত্তম-মধ্যমো সোধালে। আলোকৰ আজি মনত আনন্দৰ সীমা নাই। আলোকে নিজহাতে দুৰ্নীতিৰ মূল নায়ক এ.পি.ক আটক কৰিছে। সি যেন প্ৰথম বাৰৰ বাবে এটা মহৎ কাম কৰিলে! ঘৰলৈ আহি আলোকে আনন্দতে মাকক সাৱটি ধৰিলে।


আন দিনাতকৈ আজি আলোক সোনকালেই থানালৈ গ'ল আৰু একান্তমনে তাৰ চকীখনত বহি পৰিল। আজি যেন তাৰ মূৰৰপৰা গভীৰ বোজা এটা পাতল হৈ পৰিছে। এনেতে আলোকৰ অ' চি ৰবালৈ চকু পৰিল সদায় খুহটীয়া কথাৰে হাঁহি-ধেমালি কৰি থকা ৰবাই গহীন হৈ চকীখনত তলমূৰ কৰি বহি আছে। বাকীবোৰৰ ফালেও আলোকে চালে প্ৰত্যেকৰে মুখত বিষাদৰ ছাঁ। আলোকে কথাটো কি ধৰিব নোৱাৰিলে। এনেতে চকীদাৰজনে আলোকক খাম এটা দিলে। আলোকে খামটো খুলি চাই দেখিলে সততাৰ উচিত মূল্য। বিভিন্ন কুটাঘাটমূলক কাৰ্য্যৰ মূল নায়ক আদিত্য ফুকন ওৰফে এ.পি.ক গ্ৰেপ্তাৰ কৰাৰ অপৰাধত তাক ছয় মাহৰ কাৰণে চাকৰিৰপৰা নিলম্বিত কৰিছে। আলোকে নিজকে নিজে হাঁহিবলৈ ধৰিলে আৰু পাগলৰ দৰে ক'বলৈ ধৰিলে- এয়াই হ'ল বৰ্তমানৰ সমাজ। বৰ্তমানৰ আইন আনৰ হাতৰ মুঠিত, বৰ্তমান দুৰ্জন বজ্জাৰৰ সমাজত ৰক্ষকেই ভক্ষক; য'ত দুৰ্নীতিৰ জয়, সততাৰ পৰাজয় হয়। ****




বিশ্বৰ ফুলৰ মেলা ঃ হলেণ্ডৰ কিউকেনহ'ফ্ (Keukenhof)

# অমাৱস্যাৰ জোনাক

মনীষা শৰ্মা
স্নাতক প্ৰথম বৰ্ষ



কোঠাটোত সোমায়েই ছায়াৰ চকুযুৰি আলনাখনলৈ গ'ল। কি যে অৱস্থা হৈছেকাপোৰৰ; বিচনাত কাপোৰ, মাটিত কাপোৰ, গাৰু, বিচনা চাদৰ চব পৰি আছে। কিবা এক অজানা বিষাদ, খণে ছায়াৰ মনটো অকণমান সময়ৰ বাবে চুই গ'ল।

ঃ 'তই কোনো দিনেই ভাল নহ'বি নেকি বাইদেউ?'

কোঠাটোৰ পূবফালৰ চুকটোত থকা বিচনাখনত বহি মূৰৰ চুলিখিনি আগফালে আনি খুচৰি থকা বায়েৰলৈ চাইছায়াইসুধিলে। তাইজানে বায়েকে কেতিয়াও ইয়াৰ উত্তৰ নিদিয়ে, তথাপিও অভ্যাসবশত: ছায়াৰ মুখৰপৰা এইযাৰ কথা প্ৰতিদিনেই ওলায়।

এটা এটাকৈ সকলো কাপোৰ জাবি জোকাৰি ছায়াই কোঠাটো আকৌ সুন্দৰকৈ সজাই পেলালে। কোঠাটোৰ গাতে লাগি থকা পাকঘৰটোলৈ চাই ছায়াইবুজিলে, মাক এইচুবুৰীটোত নাই। নিশ্চয় নৃপেনহঁতৰ মাকৰ লগত মেল মাৰি আছেগৈ। কি কৰিম, কি নকৰিম বুলি ভাবি ছায়াই মাক অহালৈ মাকৰ বিচনাখনতে বাগৰ দিলে। এনেকুৱা অকলশৰীয়া অৱস্থাবোৰত ছায়াৰ মনটো সদায়েই যেন কিবা এক ৰহস্যময় পৃথিৱীলৈ উৰি যাব খোজে, যিবোৰ ছায়াৰ জীৱনৰ বাস্তৱ আছিল এদিন। দিও- নিদিও কৈ তাইমনটো এৰি দিলে নিশ্চিন্ত মনে সোঁৱৰণীৰ পৃথিৱীখনত উৰি ফুৰিবলৈ।

কিমান দিননো হ'ল ছায়াৰ, এইঘৰখনৰপৰা ওলাই যোৱাৰ! ছায়াই মনতে হিচাপ কৰি চালে বিয়াৰ দিনটো ধৰিলে এঘাৰ দিনেই হ'ব। এই এঘাৰ দিনতে ঘৰখনত যেন বহুত কিবা কিবি পৰিৱৰ্তন হৈছে। বহুত কিবাকিবি মানে আৰু চোতালখন মাজৰ দুটা বৃহস্পতিবাৰত মচিব হোৱা নাই, কাঠিটোতো শেলুৱৈ পৰিছে, ঘৰৰ ভিতৰখন অপৰিষ্কাৰ হৈছে, তাৰ বাহিৰে আৰু .......... এৰা, তাৰ বাহিৰেতো ছায়াই নোহোৱা হৈছে এইঘৰখনৰপৰা।

কেনেকুৱা যে দিন আছিল সেইবোৰ, ছায়াৰ শৈশৱে যেন বাৰে বাৰে তাইক সোঁৱৰাই দিয়ে সোণালী শৈশৱ সকলোৰে বাবে নহয়। ছায়াই শুনিছিলি ওচৰ চুবুৰীয়া তিৰোতা বোৰৰপৰা, বায়েকৰ জন্মৰ দুবছৰ পিছতে হেনো মাকে এটি ল'ৰা সন্তান জন্ম দিছিল। পিছে সি জন্মৰ অশৌচ নাযাওঁতেই এইপৃথিৱীৰপৰা গুচি গ'ল। তাৰ তিনিবছৰ পিছত ছায়াৰ জন্ম। সঁচাকৈ তাই পৃথিৱীলৈ আহিছিল নে, মাকৰ জীৱনৰ ধুমুহা হৈ আহিছিল, এতিয়াও কেতিয়াবা ভাবে ছায়াই! দেউতাকে হেনো মাৰিবলৈ খেদি গৈছিল

জ্ঞ-29



মাকক তাইৰ জন্মৰ দুদিনৰ দিনা। তাইক দলিয়াই দিব ওলাইছিল। উস্, কি যে কষ্ট হয় ছায়াৰ এইবোৰ ভাৱিলে। তাইৰ গণনা ওচৰ চুবুৰীয়াই জোৰ কৰি পাতিছিল। দেউতাকে হেনো এমাহলৈকে তাইৰ মুখেই চোৱা নাছিল। কিন্তু এমাহৰ পিছত যেতিয়া মাকে তাইক বাহিৰলৈ ৰ'দ লগাবলৈ উলিয়াই আনিছিল, তেতিয়া দেউতাকে আঁতৰৰ পৰাই চাইছিল। গণনাৰ দিনা হেনো মাকে তাইক কোলাত লৈ কৈছিল, "মোৰ আইজনী, তোৰ নামতো ছায়া ৰাখিলো, ডাঙৰ হ'লে মোক ছাঁ দি ৰাখিবিদেই তই।"

ছায়াই নাজানে মাকে তাইক আশীৰ্বাদেই দিছিল নে নিজৰ দুৰ্ভাগ্যক নিজে পতিয়ন নিয়াইছিল। তথাপিও তাই সদায় মাকক ছাঁ দি ৰাখিবলৈকে চেষ্টা কৰিলে। তাৰ পিছৰ জীৱনছোৱা, কি যে ভয়ংকৰ। সেই ঘটনাবোৰ ঘটি যোৱাৰ পিছত দ্বিতীয় বাৰলৈ ছায়াই কেতিয়াও মনত পেলোৱা নাই। কিন্তু আজি যেন মনটোৱে উবি গৈছে বাৰে বাৰে সেই দিনবোৰ শেষবাৰৰ বাবে জুমি চাবলৈ।

সঁচাকৈ, জীৱনটো যে কি! কিমান যে কি আৱিষ্কাৰ হ'ল এই পৃথিৱীখনত, কিন্তু কোনোবাই জানো ক'ব পাৰে নিজৰ জীৱনটোত এইমুহূৰ্তৰ পিছত কি ঘটিব? সঁচাকৈ ছায়াই সদায় অনুভৱ কৰে পৃথিৱীৰ আটাইতকৈ ৰহস্যময় বস্তু মানুহৰ জীৱনটোৱেই চাগৈ, যাৰ কোনো নিশ্চিতি নাই।

তেতিয়া ছায়াই মেট্ৰিক দি উঠিছিলহে মাথো, বায়েকৰ বিয়াৰ বাবে প্ৰস্তুতি আৰম্ভ হৈছিল। চহৰৰ ফালৰ হাইস্কুলৰ শিক্ষক এজনে বিয়াৰ প্ৰস্তাৱলৈ ছায়াহঁতৰ ঘৰলৈ আহিছিল। ঘৰ-বৰ সকলোৱেই সুন্দৰ, সুশীল আছিল; অপচন্দ কৰাৰ কোনো প্ৰশ্নই নাছিল। কি যে আনন্দ আছিল ঘৰখনত সকলোৰে, আটাইতকৈ বেছি ছায়াৰ, বায়েকৰ বিয়া, ভিনিহিয়েক এজন পাব, কিমান যে বস্তু দাবী কৰিব পাৰিব তাই, লিষ্ট বনাই বনাইও তাইৰ বাকী ৰৈ গৈছিল বহুত কিবাকিবি।

কিন্তু..............., সকলো সপোন তাচ্‌পাতৰ ঘৰৰ দৰে খহিপৰিছিল ছায়াৰ, মাক-দেউতাকৰ, বায়েকৰ। কি যে এক অভিশপ্ত দিন আছিল সেইটো! মাত্ৰ কেইটামান শব্দই ছায়াৰ গোটেই ঘৰখনকেই পঙ্গু কৰি পেলাইছিল। বিয়াৰ জোৰোণ দি উঠাৰ পিছতে কোনোবা এজনে আহি খবৰ দিছিল,- 'টেণ্ট্ হাউচৰ বস্তু লৈ অহা গাড়ীখন খালত বাগৰি পৰি গাড়ীৰ লগত অহা দৰাৰ ঠাইতে মৃত্যু হৈছে'।

কি হৈছিল বাৰু তাৰ পিছত? বহুত কষ্টেৰে ছায়াই মনটোক সামৰি ৰাখিলে একমুহূৰ্তৰ বাবে। হালোৱা দেউতাকে কিমান কষ্টেৰে বিয়াৰ যোগাৰ কৰিছিল, চোতালৰ মাজত বহি বুকু ভুকুৱাই কান্দিছিল দেউতাকে, মাকে পিৰালিত পৰি উচুপিছিল আৰু বায়েকে, তাই কইনা বহুৱাবলৈ সজোৱা বিচনাখনত বহি নিৰৱে মাথো সমুখলৈ চাই ৰৈছিল। ছায়াই চিঞৰি-চিঞৰি মাতিছিল বায়েকক। কিন্তু সেই যে বায়েক নিৰৱ হৈ গৈছিল আৰু কোনোদিনেই তাই কথা নক'লে। হৃদয় শাত পৰি যোৱা সেই হাঁহিটোও চিৰদিনৰ বাবে হেৰাই গ'ল বায়েকৰ ওঠৰ পৰা। তাৰপিছত..., কুলক্ষণীয়া, পতিহীনা বুলি কোনোৱেই নাহিল বায়েকক বিয়া কৰাবলৈ। দেউতাকে সিহঁতক আৰু কোনোদিনেই গালি পৰা নাছিল তাৰপিছত।

তাৰ পিছত, কি যে কৰা নাই ছায়াই জীয়াই থাকিবলৈ। মেট্ৰিক পাছ কৰি কলেজত পঢ়িবলৈ তাই টিউচন কৰি টকা উলিয়াইছিল। সেই যে প্ৰথম টকাকেইটা তাই নিজৰ উপাৰ্জনেৰে উলিয়াইছিল, তাৰ পিছত কেনোদিনেই মাক-দেউতাকক তাই টকা-পইচা খোজা নাই। দেউতাকে ভুলতো কোনোদিনে তাইৰ বিয়াৰ কথা নুলিয়ালে। বি,এ, পাছ কৰি দুবছৰ ঘৰত বহাৰ পিছত যিদিনাখন ছায়াই গাঁৱৰে এল,পি, স্কুলখনত চাকৰি পাইছিল সিদিনা ঘৰখনলৈ যেন অকণমান শান্তিৰ পোহৰ আহিছিল। বায়েকে একো নক'লেও তাইৰ মূৰটোত হাত বুলাইছিল, যেন এক গভীৰ আস্থা, বিশ্বাস আছিল সেইস্পৰ্শত; যাক ছায়াই আজিও অনুভৱ কৰে।

জীৱনৰ সকলো ৰং আকৌ এবাৰ হেৰাই গৈছিল, যিদিনাখন দেউতাকে সিহঁতক চিৰদিনৰ বাবে এৰি গৈছিল। তথাপিও ছায়াই ধৈৰ্য্য ধৰিছিল, সেয়া যেন একোৱেই নাছিল তাতোকৈ হাজাৰ দুখ তাই মূৰৰ ওপৰেৰে পাৰ কৰিছিল। বায়েক, মাক এই দুয়োটাই যেন তাইৰ জীৱনৰ সৰ্বস্ব আছিল সেই মুহূৰ্তৰ পৰা। নিজৰ জীৱনটোৰ সপোন, আশা সকলোবোৰ যেন তাইৰ জীৱন বৃত্তৰ পৰা বহু আঁতৰৰ কিবা অচিনাকি বস্তু হৈ গৈছিল।

কিন্তু এই যে জীৱনটো, ইয়াৰ সোঁতৰ দিশৰ ওপৰত যে কাৰোৰে নিয়ন্ত্ৰণ নাথাকে। ছায়াই এক ৰিণিকি ৰিণিকি সপোনৰ আভাস পাইছিল, যিদিনাখন তাইৰ একেলগৰ শিক্ষক, একেখন গাঁৱৰে, তাইতকৈ দুবছৰৰ ডাঙৰ দিলীপে তাইৰ হাতত ধৰি কৈছিল- "ছায়া, এই যে তুমি জীয়াই আছা, নাভাৰিবা যে কেৱল তোমাৰ ঘৰখনৰ বাবেই জীয়াই আছা, কোনোবা এজন আৰু আছে, যাৰ প্ৰতিটো উশাহ-নিশাহ তোমাৰ লগত জড়িত হৈ আছে।"

ছায়াই বহু কষ্টেৰে সেই সপোনতো আঁতৰাই ৰাখিছিল নিজৰপৰা। কিন্তু ই এক নতুন সাজ পিন্ধি তাইৰ হৃদয়ত ধৰা দিছিলহি, যিদিনা দিলীপৰ দেউতাক, ভনীয়েক, খুৰাক আহিছিল সিহঁতৰ ঘৰলৈ বিয়াৰ প্ৰস্তাৱ লৈ। ছায়াই হা-না একোৱেই কৰা নাছিল সিদিনা। পিছত দিলীপক বুজাইছিল তাই, তাইৰ দায়িত্ববোৰ সোঁৱৰাই দিছিল। কিন্তু দিলীপ, তেওঁ যেন ছায়াৰ বাবে হাজাৰ ধুমুহাকো মূৰ পাতি ল'বলৈ সাজু আছিল। বহুত আপত্তিৰ পিছত ছায়া সাজু হৈছিল দীলিপৰ দুহাতত ধৰি জীৱনৰ বাটটোত খোজ দিবলৈ।

আৰু..., কেনেদৰে পাৰ হৈ গ'ল সকলোবোৰ; যেন এক দীঘলীয়া অমাৱস্যা নিশাৰ পিছত আকাশত তৰাই তিৰবিৰাবলৈ আৰম্ভ কৰিছে।

ঃ তই কেতিয়া আহিলি অ'?

মাকৰ মাতত ছায়া উচপ খাই উঠিল। ক'ত যে উৰি ফুৰিছিল তাইৰ মনটোৱে! এটা হুমুনিয়াহ এৰি ছায়াই উত্তৰ দিলে, "আজি দেওঁবাৰ যে, সেইবাবে আহিলো। দেউতাৰ বোলে খৰিচা খোৱাৰ ইচ্ছা হৈছে, আমাৰ কলহটোৰ পৰাই নিব আহিলো।"

ঃ ভালে হৈছেদে, গাঁৱতে বিয়া হোৱাত মোৰে লাভ হৈছে এইটো। তই বহ্, মই চাহ-তাহৰ যোগাৰ কৰো।

পাকঘৰলৈ যোৱা মাকৰ ফালে চাই এক গভীৰ আস্থা ভৰা হাঁহি মাৰিলে, এই শান্তিৰ দিনবোৰ যেন সদায় থাকে, এই ভাৱেৰে।

ছায়াই অনুভৱ কৰিলে, সঁচাকৈ প্ৰতিটো অমাৱস্যাৰ পিছতে একোটা সুন্দৰ, জিলমিল পূৰ্ণিমা আহে!

*****





চিয়াং নদীৰ টৌ ঃ পেৰিচ




নতুন পুৰুষৰ আগত গৌৰৱোজ্বল ইতিহাসৰ বিৱৰণ ঃ লণ্ডনৰ এক মিউজীয়ামৰ সন্মুখত

# প্ৰেম এবাৰেই হয়



সোণটি বোনাপাৰ্ট
প্ৰাক্তন ছাত্ৰ

।। এক।।

গল্ডি ঐ গল্ডি....... আজি কালেকচন কৰিব লাগিব বে। মানুহবিলাকৰ বোধকৰো দৰমহা হৈছে। হুইট চাল্লা.....ধ্যেইত....... এইবাৰো কুৰি, ন'বু....... একো নাই .......হুইট....... আবে কি বিটাইচ'বে কন এইবিলাক? পংকজে টুৱেন্‌টি নাইন খেলি থকাৰ পৰাই অলপ দূৰত বহি থকা গল্ডিক ক'লে। ক্লাৱৰ মজিয়াত এয়া সিহঁতৰ দৈনন্দিন কাম।......ইয়াৰ চাল্লা টকা মাৰাৰ বাহিৰে বেলেগ ধান্দা নাই। ঐ..... এইবাৰো যদি যোৱাবাৰৰ নিচিনাকৈ মাৰ' কথা কিন্তু বেয়া হ'ব। চাল্লা তোৰ কাৰণে আমি বাকী কেইটাই ইজ্জত খেদাব নোৱাৰো। আবে ৰং চিড়িয়ানেকি......... মেৰেজ আছে দেই ........। মনোজে খেলি থকাৰ মাজতে মতামত দাঙি ধৰিলে। .......এয়া মেৰেজৰ এক তাচ..........আৰু এয়া মেৰেজৰ চেকেণ্ড্ তাচ........। বিভিন্ন জনৰ বিভিন্ন কথা গল্ডিয়ে শুনিব ধৰিলে।

এটা ফাইল। মানে ক্লাৱৰ দল এটা। গল্ডি, কন, কংকন, মুন, মনোজ, পংকজ, তিলক, ৰুবুল,প্ৰণয়, ৰিংকু আৰু বহুতো। ইহতে ব'হাগ বিহু পাতিব। প্ৰত্যেক বছৰৰ দৰেই এইবাৰো বিহু পাতিব ইহঁতে। ইহঁতৰ নিচিনা উদীয়মান যুৱক থকা বাবেই আজি অসমীয়া কলা-সংস্কৃতিৰ মূল ভেঁটি বিহু অসমীয়াৰ মাজত পৰিচিত হৈ আছে। নহ'লেতো ই কেতিয়াবাই সময়ৰ সোঁতত উটি-ভাহি ক'ৰবাত হেৰাই গ'লহেতেন! বিহু মানে কি বুলি সুধিলে ইহঁতৰ কেইটামানৰ কাৰণে টকা ঘটাৰ মেশ্বীন্, আন কেইজন মানৰ বাবে বহুত বহুত সুবিধা পোৱাৰ মেশ্বীন্। মাত্ৰ ইহঁতৰ কাৰণে বিহুতো এটা গ্ৰে'ট মেশ্বীন্। সঁচাকৈয়ে ইয়াৰ আবিষ্কাৰক ইহঁতৰ কাৰণে পূজনীয় ব্যক্তি। 'এই প্ৰণয়, আৰু কমেওঁ পাঁচ হাজাৰ টকা লাগিব। সময়ো ক'ম আছে; গতিকে দুটা দুটা হৈ বিভিন্ন ঠাইলৈ যাব লাগিব। Un paid কৰি নাৰাখিবি দেই। এশ টকাৰ তলত চাঁদা নল'বি। ভাল মালদাৰৱালা পালে বেছি লিখিবি'- গল্ডিয়ে কথাখিনি কৈ বহীকেইখনৰ ওপৰে ওপৰে চকু ফুৰালে। ইহঁতৰ মেনেজাৰ সি। মানে টকা-পইচা লৈ ক'ত কিমানকৈ ফিটিং দিব লাগিব এইবোৰ আইডিয়া তাৰ। ইহঁতৰ আইডিয়া মেশ্বীন্ সি। 'ঐ বাগৰুকাই পেন্দেলৰ কাম আজি শেষ হ'ব লাগিব কিন্তু। তই সদায় পাল্লা মাৰি থাক'। বাগৰুকাই সিহঁতৰ কাম কৰাৰ মেশ্বীন্। সি থাকিলে হাজিৰাৰ আধাখিনি লাভত থাকে ইহঁতৰ। দিনত দুবাৰ চাহ

আৰু একমুঠা বান্দৰ বিড়ি আনি দিলেই হ'ল। বান্দৰৰ নিচিনাকৈ বিড়ি হুপি হুপি সি বিনা প্ৰতিবাদে কাম কৰি যায়। ক্লাৱৰ মজিয়াত গন্ডি দীঘল দি শুই পৰিল। কেতিয়া টোপনি আহিল তাৰ খবৰ নাই। হঠাৎ কেইজনীমান ছোৱালীৰ মাতত সি সাৰপাই উঠিল। চকুকেইটা মোহাৰি মোহাৰি সি শুই থকাৰ পৰাই চাই পঠিয়ালে। সমুখত চুমি, জিনা, প্ৰিয়া, উৰ্মিমালা। সিহঁতৰ ঘৰৰ ওচৰৰ ছোৱালী। আনহাতে জিনা তাৰ ভনীয়েক। আন কেইজনী তাইৰ লগৰে। বিহু নাচে সিহঁতে। তেতিয়া প্ৰায় সন্ধিয়া হওঁ হওঁ। ঘড়ীটোলৈ চালে সি; চাৰি বাজি গ'ল কেতিয়াবাই। ভোক ভোক লাগিছে তাৰ। ৰাতিপুৱাৰ চাহখিনি খায়েই ওলাইছিল সি। এতিয়ালৈকে ভাত পেটত পৰা নাই। কেইজনমান কেৰমবৰ্ডত ব্যস্ত। আনকেইজন মান তাচত ব্যস্ত। 'দাদা তোৰ খোৱাবোৱাৰ একো নিয়ম নাই নেকি? দেউতাৰ কিন্তু বিৰাট খং উঠিছে। তোৰ ঘৰত বিচনা নাই নেকি, ইয়াত যে অঘৰীৰ নিচিনাকৈ শুই আছ' ভনীয়েকে আৰু বহুত কিবাকিবি কৈ আছিল; তাৰ সেইবোৰ কাণত নুসুমাল। দীঘল এঙামুৰি এটা দি সি বাগৰুৰ ফালে চালে। মনটো ভাল লাগিল তাৰ। কাম প্ৰায় শেষ। 'উসঃ ৰক্ষা কোনোমতে' তাৰ মুখেৰে ওলাই আহিল এক প্ৰতীক্ষাৰ অৱসাদ। এইকেইদিন তাৰ ভীষণ কষ্ট হৈছে। ৰাতিপুৱা ৭ বজাত শুই উঠিয়েই চাহখিনি খাই বাহিৰ আৰু ৰাতি প্ৰায় ১০ বজাত ঘৰ। অৱশ্যে টকা সি ভাল কামাইছে। সন্ধিয়াকৈ কালেক্চনত যাব লাগিব বুলি কৈ ভনীয়েকৰ লগত ঘৰলৈ গ'ল।

।।দুই।।

শেষ হ'ল। তিনিদিনীয়া কাৰ্য্যসূচীৰে বিহু শেষ হ'ল। কোনোমতে ধুমুহা বৰষুণৰ মাজেৰে শেষ হ'ল। অৱশ্যে সিহঁতৰ দুদিনৰ কাৰ্য্যসূচীহে আছিল। কিন্তু দ্বিতীয় দিনা যি ধুমুহা বৰষুণ দিলে কোনোমতেহে ষ্টেজখন নভঙাকৈ থাকিল। কিন্তু মানুহ বহা পেন্দেলটো ভাঙি পৰিল। সিহঁতৰ দুই এজনৰ আঘাতো হ'ল। বাগৰুৰ কিন্তু একো নহ'ল। তাৰে অৱদান বেছি আছিল এইক্ষেত্ৰত।

যি কি নহওঁক বিহু শেষ হ'ল। গন্ডি আৰু প্ৰণয় দুয়ো হিচাপত বহিল। কাৰ ভাগত কিমান পৰিব। বাকীবোৰৰ বিহুৰ দিনা অহা ছোৱালী কোনটো ভাল লাগিল, কোনটো কিমানবাৰ মাতিলে, সিহঁতৰ মাজত কি কি হ'ল- এইবোৰ আলোচনা কৰি হাঁহিখিকিন্দালিৰ শেষ নাই। প্ৰণয়ে আটাইকে ৰাতি এটা মজবুত খানা আয়োজন কৰা বুলি ক'লে। মুঠ পোন্ধৰ হাজাৰ টকা বৈ গৈছে। কেৱল গন্ডি আৰু প্ৰণয়েহে জানে এইকথা। গন্ডিয়ে ল'লে ন হাজাৰ টকা আৰু প্ৰণয়ে ল'লে ছয় হাজাৰ টকা। খানাৰ বাবে বেলেগকৈ পাঁচশ টকা থৈ দিয়া আছে। সকলো হিচাপ পত্ৰ শেষ হ'ল। প্ৰণয়ো ৰাজী হ'ল আৰু গন্ডিয়ো ৰাজী হ'ল। দুয়োকে দেখাত বেচ খুচ যেন লাগিল। ইমান দিনে ভাত-পানী বাদ দি দিনে ৰাতিয়ে অঘৰীৰ দৰে ঘূৰি থকাৰ পিছত টকা হাতত পৰাত সিহঁতৰ সকলো দুখ-ভাগৰ অন্ত পৰিল। আজি সিহঁতৰ বিৰাট আনন্দ। বিশেষকৈ তীৰ্থ, মিন্টু, যুগল, উমেশ, ভাইটি, হেমন্ত, দেৱ, মুকুট, ভবেশ, পিংকুহঁতৰ বিৰাট ফূৰ্ত্তি; কাৰণ সিহঁতে বিনাকষ্টে এটা খানা পাব। বাগৰুকো নিমন্ত্ৰণ দিয়া হ'ল। বেচেৰাৰ বিৰাট কষ্ট হৈছে এইকেইদিনত।

ওচৰ পাজৰৰ মানুহখিনিৰ পৰাওঁ যথেষ্ট সহায়-সহযোগ লাভ কৰিছে সিহঁতে। ক'বলৈ গ'লে সিহঁত ল'ৰাকেইটা বিৰাট ভাল। বেক গ্ৰাউণ্ড্ বেয়া নহয়। কোনো ছোৱালীৰ কেচ নাই, পৰীক্ষাত ফে'ল কৰা নাই, বিভিন্ন অত্যাধুনিক ব্যৱস্থা উলিয়াই সিহঁতে অনায়াসে পৰীক্ষাত সফলতা অৰ্জন কৰিছে। প্ৰত্যেক বছৰে ঠাইখনত সৰস্বতী পূজাওঁ সিহঁতেই পাতে, তাৰোপৰি ৰাভা দিৱস, বিহু সন্মিলন, মাঘবিহু, একত্ৰিশ ডিচেম্বৰ, এক জানুৱাৰী আকৌ কেতিয়াবা ভাল বন্ধু পালে সিহঁতে নিজকে ব্যস্ত ৰাখে ইত্যাদি বিভিন্ন উপায় অৱলম্বন কৰি; কি যে ব্যস্ততাপূৰ্ণ জীৱন সিহঁতৰ। সেইকাৰণে ল'ৰাখিনিৰো খবৰ বোধকৰো ওচৰ-চুবুৰীয়াই সঘনাই লৈ থাকে ৰাতি কিমান

দেৰিলৈ ক'ত থাকে যেন C.B.I.হে।

।।তিনি।।

একমাত্ৰ ভনীয়েক জিনাক সি নশ টকাৰে এযোৰ গুলপীয়া ৰঙৰ চুৰিদাৰ আনি দিলে। বিৰাট ভাল পায় সি এইৰঙটো।বাকী আঠ হাজাৰ টকাওঁ সি ভনীয়েকৰ নামত খোলা পাচবুকত থৈ দিলে। তাৰ নিজৰ কাৰণে চিন্তা কৰাৰ আহৰি নাই আৰু অভ্যাসো নহ'ল। সি সদায় বাট চাই- এদিন ভনীয়েক বিয়া হৈ যাব এখন ঘৰলৈ। সিদিনা তাই খুউব কান্দিব! মাকেও কান্দিব, দেউতাকেও মনে মনে চকুলো টুকিব।কিন্তু সি নাকান্দে।সি যে বিৰাট সুখী হ'ব; কাৰণ তাৰ ভনীয়েকৰ জীৱনৰ নিৰাপত্তা এটা সি দিব পাৰিব । সামান্য মাষ্টৰৰ চাকৰি এটাৰে আজিকালি সম্পূৰ্ণ মাহটো চলাও অসম্ভৱ তেনেস্থলত দেউতাকে ক'ৰপৰা সিহঁতৰ নামত টকা জমা থব'। সেয়ে সি ভনীয়েকৰ নামত পাচবুকখন খুলি প্ৰত্যেক বছৰে চাৰি/পাঁচ হাজাৰ টকা আৰু কেতিয়াবা বেছিকৈ জমা থৈ আহিছে। সিদিনা তাৰ হিচাপত প্ৰায় সত্তৰ/পয়সত্তৰ হাজাৰ ওলাইছে। গতিকে আৰু অলপ জমা হ'লেই ভনীয়েকৰ বিয়াখন সুকলমে পাৰ হৈ যাব। তাৰ আৰু জীৱনত নহ'ব। পঢ়াপাতিতওঁ ভালদৰে নহ'ল। সি ভাল চোকা ল'ৰাইআছিল।প্ৰথম বিভাগতেই পৰীক্ষাবোৰ পাছ কৰি গৈ আছে। বি.এ. দিয়েই সামৰিলে সি। ক'বলৈ গ'লে সিহঁতৰ অভাৱে তাক বাধ্য কৰাইছে। সি কেতিয়াওঁ এইটো অনুভৱ মাক-দেউতাক বা তাৰ ভনীয়েকৰ আগত প্ৰকাশ কৰা নাই।কাৰণ সি জানে মাক-দেউতাকে তাক কেতিয়াওঁ নপঢ়িবলৈ নকয়।

সকলো বাদ দিছে সি।লগৰ ল'ৰাবোৰৰ বাইক, দামী লংপেন্ট, চাৰ্ট, জোতা আদিৰ দৰে তাৰ ইচ্ছা নাযায়। লগৰবোৰে বাইকত গাৰ্ল ফ্ৰেণ্ড এজনী উঠাই ঘূৰি ফুৰা দেখি সি সেইবোৰ কৰিব নাযায়।তাৰ আজি মনত পৰিছে সিহঁতৰ ক্লাছত পঢ়া নিলাক্ষী নামৰ ছোৱালীজনীলৈ। খুউব ধুনীয়া আছিল তাই।পঢ়াপাতিটো খুউব চোকা আছিল। সি খুউব ভাল পাইছিল তাইক, কিন্তু তাৰ দৰিদ্ৰতাই, তাৰ পঢ়াপাতিৰ অৱস্থাই তাক তাইৰ পৰা বহুত দূৰত থাকিবলৈ বাধ্য কৰাইছিল।সি আজিওঁ তাইক মনৰ কথা ক'ব নোৱাৰিলে। সি বিৰাট নাৰ্ভাচ ফিল কৰে তাইৰ সমুখত। বৰ্তমান সি একপ্ৰকাৰ বাদেই দিছে।

তাৰ এতিয়া কেৱল টকাৰ চিন্তা। য'ৰ পৰা যেনেকৈ নহওঁক সি টকা আনিব বিচাৰে। সেইবুলি চোৰ, ডকাইত বা এনে কোনো কাম কৰি নহয়; য'ৰ পৰা ঘৰখনৰ সন্মানত আঘাত লাগে। তাৰ মনত পৰিল অতি সৰুকালৰ বন্ধু ফিৰোজলৈ।এতিয়া পঢ়াপাতি বাদ দিছে। খুউব ধনী ঘৰৰ ল'ৰা। কেতিয়াবা ঠিকাৰ কাম কৰে।বহুকেইখন দোকানো আছে সিহঁতৰ। গাড়ীওঁ বহুকেইখন তাৰ। ফিৰোজে তাক এদিন সুধিছিল কিবা সহায়ৰ প্ৰয়োজন নেকি? সি একো কোৱা নাছিল, মাথো সময়ত যাম বুলি কৈ থৈ দিছিল। আজি সময় আহি গৈছে। সি আজি ফিৰোজৰ তাত যাব কিবা এটা কামৰ সন্ধানত। টক্.. টক্.. টক্... টক্ 'ঐ গল্ডি গল্ডি গল্ডি দুৱাৰখন খোলচোন' হঠাৎ প্ৰণয়ৰ মাতত সি বাস্তৱ জগতলৈ ঘূৰি আহিল। কিমান সময় সি ভাৱি আছিল ক'ব নোৱাৰে। প্ৰণয়ে মাতিলতহে সি থতমত খাই উঠিল। সি দুৱাৰখন খোলাৰ লগে লগে প্ৰণয়ে প্ৰায় ঠেলামৰাদি গৈ ৰুমটোত সোমাল, 'ঐ চা কেনে পাইছ? একদম পোনে পোনে তোৰ তাত আহিছো চাল্লা...পূৰা বাৰ দিলো। কেনে পাইছ' কালাৰটো? তামাম চলিছে; জোতা এযোৰো অৰ্ডাৰ দি থৈ আহিছো- জিনচটোৰ লগত মিলাকৈ। আৰে ক' লা বে... কেনেকুৱা লাগিছে? চাওঁ তোৰ আইনাখন দেছোন। চাল্লা... মজা ফিটিং হৈছি বে...ঐ একঠাইৰ পৰা আহো ব'ল। প্ৰণয়ে আইনাখন এবাৰ আগফালে এবাৰ পিছফালে নি চাইচাই তাক সুধিলে। 'ক'ৰ পৰা? গল্ডিয়ে বিচনাতে বহি তাৰ কাণ্ড কাৰখানা চাই সুধিলে। 'কিয়? আজি ফ্ৰাইদে নহয় জানো? পাহৰিলি নেকি? নতুন এখন

আহিছে। মই আহোতে পষ্টাৰ চাই আহিছো।' প্ৰণয়ে কথাখিনি কৈ আকৌ আইনাখনত ব্যস্ত হ'ল। গল্ডিয়ে চিন্তা কৰিলে এঘাৰ বাজি পোন্ধৰ মিনিটৰ পৰা এক বজালৈকে তাৰ পিছত ঘৰত আহি গা ধুই ভাতখিনি খাই ফিৰোজৰ তাত যাব। ঠিক আছে সময়টো মিলিব। আপোনা-আপুনি তাৰ হাতৰ বুঢ়া আঙুলি আৰু মধ্যমা আঙুলিয়ে শব্দ কৰি উঠিল। ঐ প্ৰণয় তোৰ বাইকখন মোক দুই বজাত লাগিব। অলপ কাম আছে। সি জিনাক ৰুমৰ পৰাই দুকাপ চাহ কৰিবলৈ ক'লে। অলপ সময়ৰ পিছতে দুয়ো চাহখিনি খাই ওলাল হলটোৰ অভিমুখে। য'ত নেকি সিহঁতে বিচাৰি পায় এক কাল্পনিক সোৱাদ।

****

# ব্যৰ্থ প্ৰণৱ

বেবী দাস
প্ৰথম বৰ্ষ

স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলক পঢ়ি থকা দেখি প্ৰণৱৰো পঢ়িবলৈ মন গ'ল। কিন্তু প্ৰণৱে কেনেকৈ পঢ়িব? কোনে তাক পঢ়ুৱাব? এই সংসাৰত তাৰ আছেনো কোন? নিজৰ পেটৰ ভাত মুঠিয়েই যোগাৰ কৰিব নোৱাৰে আৰু পঢ়িব কেনেকৈ? তাৰ মনত পৰিল এৰি অহা জীৱনৰ সেই দিনবোৰ...।

প্ৰণৱৰ ঘৰ নলবাৰীত। তাৰ দেউতাক ডাক্তৰ আছিল। সিহঁতৰ ঘৰত তিনিজন লোক। মাক, দেউতাক আৰু প্ৰণৱ। স্বভাৱ চৰিত্ৰ আৰু পঢ়া-শুনাত প্ৰনৱ বৰ ভাল। সেয়ে তাক সকলোৱে ভাল পায়। প্ৰণৱে অষ্টম শ্ৰেণীত পঢ়ি আছিল। মাক-দেউতাকে প্ৰণৱক লৈ বহুত আশা কৰিছিল।

এদিন বন্ধৰ দিনত মাক, দেউতাক আৰু প্ৰণৱ শ্বিলংলৈ ফুৰিব গৈছিল। শ্বিলংৰ একা-বেকা ৰাস্তাত তেওঁলোকৰ গাড়ীখনক আগফালৰ পৰা এখন বাছে খুন্দা মাৰে। এই দুৰ্ঘটনাত মাক-দেউতাকৰ মৃত্যু হয়। ওচৰৰ মানুহ বিলাকে প্ৰণৱক খিৰীকিৰে উলিয়াই নি চিকিৎসা কৰি সুস্থ কৰে। প্ৰণৱৰ এজন খুড়াক দুৰ্ঘটনাৰ খবৰ পাই সেই ঠাইলৈ যায় আৰু তাক বিচাৰি পাই নিজৰ ঘৰলৈ লৈ আহে। খুড়াকে প্ৰণৱক সম্পত্তিৰ লোভত কেইদিনমান ভালকৈ ৰাখিছিল। প্ৰনৱে ভাৱিছিল যে মাক-দেউতাক নাথাকিলেও অন্ততঃ খুড়াকে পঢ়ুৱাব। কিন্তু সম্পত্তি লোভী খুড়াকে তাক কিয় ইমান মৰম কৰিছিল সি বুজি পোৱা নাছিল। দুইদিনমানৰ পিছত খুড়াকে প্ৰণৱহঁতৰ সকলো মাটি-বাৰী নিজৰ নামত কৰি ল'লে আৰু প্ৰণৱক ঘৰৰ পৰা উলিয়াই দিলে। প্ৰণৱে উপায় নাপাই এঘৰ মানুহৰ ঘৰত কাম কৰাকৈ থাকে। তাতো তাৰ দুখৰ অন্ত নপৰিল। মানুহ ঘৰে প্ৰণৱৰ ওপৰত নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। তেওঁলোকৰ অত্যাচাৰ সহিব নোৱাৰি সি এদিন তেওঁলোকৰ ঘৰৰ পৰা পলাই গ'ল। সি কোনো মানুহৰ ঘৰত আশ্ৰয় নাপালে। আশ্ৰয়হীন হৈ সি এদিন ভিক্ষাৰীলৈ ৰূপান্তৰিত হ'ল।

কাৰোবাৰ মাত শুনি সি উচপ খাই উঠিল। ইমান সময় সি যে স্কুলৰ বাৰাণ্ডাত বহি আছিল গমকে পোৱা নাছিল। সি তাৰ পৰা উঠিল আৰু চকুলো মচি মচি ৰাস্তালৈ ওলাই আহিল ভিক্ষাৰ জোলোঙাটো লৈ।

*আদৰ্শ যদি ম্লান নহয়,*
*আশা যদি ভয়হীন হৈ থাকে, তেন্তে*
*ব্যৰ্থতা আহিব নোৱাৰে।*

*- পণ্ডিত জৱাহৰলাল নেহৰু*

****

# কবিতাৰ শিতান



Tulip Garden, Keukenhof; Photo: Rubul Hazarika, PCC

# ফাগুনৰ সপোন

প্ৰণৱ ডেকা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

এজাৰ জোপা নুফুলিবৰ
কিমান দিন হ'ল বাৰু?
নৈখনিৰ যৌৱনা বুকুখনি
উদং হ'বৰ দিনাৰে পৰা,
নে সোণগুটিবোৰ দাঁই নিয়াৰে পৰা?
প্ৰশ্নত উজুটি খাওঁ কিয় মই বাৰে বাৰে
এজাৰ জোপা ফুলা নাই সেই কাৰণে?
এজাৰ জোপাৰ উদং ডালবোৰ
আকাশ ভেদি যোৱা পিয়াসী
দৃষ্টিৰে ইমান ব্যাকুল!
শব্দৰ বোজাটো চোন মোৰ ওচৰতে পৰেহি
নগ্ন, নি:স্ব, নীৰস, নিসংগ?
নিলাজ বৰষুণজাক যে
বহুদিন অহা নাই,
মোৰ উদং দেহাটি
পিত্ পিত্কৈ চাবলৈ।
মই বাট চাম তালৈকে
বিলখন গৰ্ভিনী হ'ব,
পাৰত হালিব বিৰিণা বন।
শৰালিবোৰে কিৰীলি পাৰিব,
ডৰিকণাবোৰে বগলীজাকক নেওচা দিব
আৰু তুমি মোৰ সেউজীয়াত
হেৰাই যাবা ক্ৰমশ....।
***



# দুখ

পলাশ কুমাৰ নাথ
প্ৰাক্তন ছাত্ৰ

তোমাৰ স'তে, এটা সাক্ষাৎকাৰৰ জাননীত
মোক মতা নহ'ল।
মাথোন,
মোৰ বুকুৰ পৰা কাঢ়ি কাঢ়ি লোৱা হ'ল
উশাহৰ চিঞৰবোৰ।
মোৰ আশাৰ বাৰিষাত নুমালা
খঙাল দুপৰীয়াৰ সংগীত।
হৃদয়খন ঠিকনাবিহীন কৰি দিয়া হ'ল,
গৰখীয়া বতাহজাকক সোধা হ'ল
কিমান অপ্ৰেমী কথাই
মোৰ হৃদয় বোবা কৰি দিব পাৰে
কাঁচিয়লী ৰ'দক সোধা হ'ল
কিমান চকুলোৰ ধলত শুকাব পাৰে
মোৰ দুখৰ উচুপনি পুখুৰী।
তুমি, মোৰপৰা কাঢ়ি কাঢ়ি ল'লা
দুখ
কিয়নো, মোৰ দৰেই, তুমিও জানা
দুখৰ মোহনাইদিয়েই যে বয়
সুখ।
***



# শৰতৰ পাপৰি


ডেইজী প্ৰিয়া ডেকা
স্নাতক তৃতীয় বাৰ্ষিক

শৰতৰ বতৰত লুকাই থাকে
ধুনীয়া এখনি ছবি,
ওলমি আছে তাতে
স্মৃতিৰ পাপৰি।
পুৱাৰ কিৰণত দুৰৰিত
নিয়ৰৰ মুকুতা জ্বলে,
শুকুলা মেঘে তাতে
হাঁহিটি মাৰে।
মলয়া বতাহে সুগন্ধি বিলাই,
বৈ যায় শৰতৰ পাপৰি
শৰতৰ মধুৰ স্মৃতি বুটলি।
***



# বিষাদৰ ডাৱৰ

মঃ আমিনুল হক
স্নাতক দ্বিতীয় বৰ্ষ, প্ৰাণীবিজ্ঞান বিভাগ




পিছৰখিনি নকওঁ দিয়া
শুনি তুমি বৰ দুখ পাবা
বাৰে বাৰে নো কিয় ইমানকৈ
সুধি আমনি কৰি আছা?
সন্দেহ হৈছে নেকি
পৃথিৱীখন ৰঙীণ নহয় বুলি?
নে জুখিব খুজিছা মোক
ফাগুনৰ পচোৱাজাকৰ সৈতে?
তুমি চাগৈ বৰ বিৰক্ত হৈছা নহয় নে
কোনো কথা নাই
বকুলৰ মালাধাৰিৰ ঘ্ৰাণ ল'বাচোন
সকলো আমনি দূৰ হৈ যাব।
মই কিন্তু অলপো বিচলিত হোৱা নাই
তোমাৰ হৰ্ষ-বিষাদ নতুবা
আনন্দ জোৱাৰৰ ধল দেখি;
কিয় জানা?
মই লাহে লাহে বুজি উঠিছো
তুমি মোৰ বাবে এটি
মিঠা সপোনৰ বাহিৰে আন একো নোহোৱা।


চিন্তিত পৰিলা নেকি?
হতাশ নহ'বাচোন
তোমাৰ জীৱনত
সোণাৰু ফুলাৰ দিন সমাগত
সেইকাৰণে এইবোৰ কথাক লৈ
মই নিজকে কৰি পেলাইছো অভ্যাগত
শুনি দুখ নকৰিবা
এয়া-
কেৱল তোমাৰ মৰমত
উটি-ভাহি ফুৰা দিনবোৰত
সাঁচি থোৱা মৰ্মবেদনা
নিগৰিছে মাথো; মোৰ কাপেদি
মোৰ অন্তৰাত্মাৰ
চিৰন্তণ বিষাদৰ প্ৰচ্ছায়া হৈ।
***

# দেওলগা শাওণ

ৰিমজিম নাথ
স্নাতক তৃতীয় বার্ষিক (অসমীয়া বিভাগ)




দুচকুত সেউজীয়া সপোন
সংগ্ৰামী জীৱনৰ ভাগৰুৱা
প্ৰাণবোৰক জীপাল কৰি তোলে
সিহঁতৰ ঘৰ্মাক্ত দেহৰ
দেওলগা পথাৰ পথাৰ
গোন্ধটোৱে.......।
আজন্মৰে পৰা সিহঁতৰ সম্পৰ্ক
এই গোন্ধটোৰ স'তে,
এদিন সিহঁতৰ সপোনে
আঁজুৰি আনিব
একাঁজলি কোমল ৰ'দ।
আঘোণৰ পথাৰত
সোণ গুটিৰ থোক হৈ
ৰিব্ ৰিব্ বতাহত
হালিব জালিব
দেওলগা শাওণ।
***



# আহ্বান

ৰিম্‌জিম্ বৰষা


মোৰ বুকুৰ পথাৰ সোণালী কৰা
তুমি সিঁচি যোৱা কঠীয়াবোৰে
এতিয়া নোদোকা নোদোকা ঠোকেৰে
ভৰ পক্ দিছে...
এদিন আহিবাচোন
আলিৰ পাকত পাক মিলাই
হেঁপাহেৰে সোণগুটি বুটলিম...।
***



# শেৱালী

হিমাদ্রী শৰ্মা

আহিনৰ এটি জোনাকসনা গধূলি
শেৱালি ফুলিছিল।
তই ফুল হৈ ফুলি থাক অ' শেৱালি
মোৰ হিয়াৰ দলিছা ভৰাই
আমোল মোলাই...
মই নিয়ৰ হৈ তোক
উজ্বলাই তুলিম...।
***



# স্তব্ধ হৈ যোৱা বতাহজাক

চয়নিকা ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক (দৰ্শন বিভাগ)

হঠাতে সাৰটি লৈছিলো
এজাক অচিনাকি বতাহ...।
নিশাৰ নিস্তব্ধতা ভেদিও
বতাহ জাকে সুৰ দিছিল
শব্দবোৰত....।
এতিয়া মোৰ নিভৃত কোণত
সেইজাক বতাহ...।
নাজানিবা অনেক বিনিদ্ৰ সময়
মই অতিবাহিত কৰিছিলো
সেইজাক বতাহৰ সৈতে।
আজিও মনত পৰে চেঙেলী ঘাটৰ
পাৰে পাৰে ওমলা দিনবোৰ
আজিও মন যায় সেইজাক
বতাহৰ সৈতে ওমলিবলৈ...।
আকুল প্ৰত্যাশাৰে নৈখনৰ
ছাঁটোত মোৰ ওঁঠটো গুজি দিছিলো।
কিন্তু বতাহজাক যে...!
কবিতাৰ সৈতে, অনুভূতিৰ সৈতে
আজি মোৰ সন্ধি নচলে
অযুত কথাৰ মালিতাবোৰে
মোক বাৰে বাৰে সোঁৱৰাই.... আকৌ
ল'বলৈ কয় বতাহ....।
***

# কবিতা

মিনু কলিতা

মই নিবিচাৰো সীতাৰ সতীত্বৰ চানেকিৰে
ৰামৰ অগ্নিযজ্ঞ,
অথবা
মুখাবৃত এজাক যুধিষ্ঠিৰ
প্ৰেম আৰু মনুষ্যত্বৰ যুদ্ধত।
মই নিবিচাৰো ভোকত কল্‌মল্‌
দেৱ শিশুৰ হত্যাৰ মাজেৰে
মানৱৰ মাজতো দানৱ জীয়াই থকাৰ
প্ৰমাণ পত্ৰ
অ' মানৱতা!
তুমি মোৰ হৃদয় ব্যাপি বিচাৰ কৰা।

***



# কবিতাৰ অপমৃত্যু


জয়ন্ত কুমাৰ নাথ
ৰসায়ন বিজ্ঞান বিভাগ

কবিতাৰ বুকুৰেদি বাৰিষা নামিলে
গজি উঠে সেউজী শব্দ
যৌৱন বাগৰি পৰে বসন্তৰ পথাৰত
পোহৰৰ চুমা আঁকি বহে প্ৰেম, ৰ'দৰ চোতালত
অজানিতে বাঢ়ে অস্থিৰতাৰ ভৰ
ভৰ সহি বহি পৰে সপোনৰ নিজান ঘাটত
নিৰ্জনতা ভেদি বাজি আহে স্মৃতি
নৈপৰীয়া বতাহে দুষ্টালি ভৰা শিশুৰ দৰে
নিৰৱতাৰ আৱৰণ খুলি দুখবোৰ চায়
বতাহত দুখবোৰ উমলিবলৈ ধৰে
দুখবোৰ জ্বলি জ্বলি শেষ হ'লেই
কবিতাৰ বুকুৰেদি খৰাং নামিব
গজি নুঠিব সেউজী শব্দ
দুখবোৰৰ অপমৃত্যু হ'লে
সুখবোৰ সুখী হ'বও নোৱাৰিব
আৰু দুখ কৰিবও নোৱাৰিব..।

***

# মোৰ বুকুৰ সৰিয়হ ডৰা

ৰাজীৱ কলিতা
স্নাতক তৃতীয় বাৰ্ষিক



ওখ ওখ গছবোৰে মূৰ দাঙি
মেঘৰ স'তে তোমাৰে
কথা পাতিছে।
মেঘবোৰে দুহাত মেলি মেলি
যুদ্ধ কৰাৰ সাহস
তোমাৰ পৰাই পাইছে,
তুমি যেতিয়া এটা গান হৈ
উৰি ফুৰা চৰাইৰ বুকুৰে বুকুৰে।
গছবোৰ তেতিয়াই সেউজীয়া হয়
মেঘবোৰে তেতিয়াই কথা কয়
আকাশেও তেতিয়া চকুলো টোকে
তোমাৰ বুকু স্পৰ্শ কৰাৰ জোখাৰে
মই এতিয়া নিতৌ সাধু কও
তুমি সৰিয়হ ডৰাত
চুলি মেলি দিয়াৰ সাধু
তুমি চুই দিলে
নদীখন বৈ যোৱাৰ সাধু
সাধু শুনিবলৈ এতিয়া গছবোৰ আহে
সেউজীয়া হৈ, মেঘবোৰ আহে
আকাশো আহে
তোমাৰ বুকুৰ সংবাদ ল'বলে
তুমি সিঁচি থৈ যোৱা সৰিয়হ ডৰা
তোমাৰ বুকুত এতিয়া ভৰ পক দিছে
দাৰুনী হৈ তুমি অহা নাই বাবে
নদীখনে শীতল কৰি ৰাখিছে।

তোমাৰ বুকুৰ সৰিয়হ ডৰা
গছবোৰে পহৰা দিয়ে
মেঘবোৰেও, আকাশে পিয়াপি দি
ঘূৰি ফুৰিছে
তোমাক দেখিলেই ক'ব
বুকুৰ সৰিয়হ ডৰা পকাৰ কথা
কেতিয়াবা চৰাইবোৰ আহে
মোৰ বুকুৰ সৰিয়হ ডৰা খুটি খুটি খাবলে'
কিন্তু সিহঁতে ভুলতো নাগায়
তোমাৰ গান।
তোমাৰ কথা সুধিলেই উৰি গুছি যায়;
মোৰ সৰিয়হ ডৰালৈ এবাৰো নাচায়।
***

# তুমি মোৰ বুকুত আচা

দীপাঞ্জলী হাজৰিকা
স্নাতক প্ৰথম বাৰ্ষিক

তোমাক মনত পেলাবলৈ
নালাগে নিৰ্দিষ্ট সময়,
নালাগে এটি ঋতু বা
এটি কোমল দোকমোকালি নতুবা,
ছাইৰঙী এটি লাহী আবেলি।
যেতিয়া মন যায় তেতিয়া,
অ' তেতিয়াই
কথা পাতিব পাৰো মই তোমাৰ স'তে,
ফোন্‌ত? নহয়।
মোৰ হৃদয়ত তুমি অনবৰতে বহি থাকা।
মৰম নিজৰাৰ পাৰৰ শিলটোত।
নিৰবধি বৈ থকা তাৰ পানীত
তুমি নিতৌ মুখ চোৱা।
যেতিয়া মন য়ায তেতিয়াই,
তোমাৰ সৈতে অভিমান কৰিব পাৰো মই
অথবা,
মন গলেই পাৰ কৰিব পাৰো অনন্ত সময়
তোমাৰ ওঁঠত ওঁঠ থৈ।
তুমি যে মোৰ বুকুত আচা।

***



# নিছিদ্ৰ ত্ৰিকাল

বিতোপন ডেকা


নিছিদ্ৰ অতীত
সত্য
শিৱ
সুন্দৰৰ জন্ম য'ত।
নিছিদ্ৰ বৰ্তমান,
ৰক্তাক্ত জননী
শঠতা দুৰ্নীতি আৰু নিষ্ঠুৰতা
শেষত
অনুকূল বসন্ত দুৰ্দশাগ্ৰস্ত।
নিছিদ্ৰ ভৱিষ্যৎ
প্ৰচণ্ড অগ্নিৰ দগ্ধত
ধুঁৱলি কুঁৱলি
ধোঁৱা আৰু ছাই।

***



# আধুনিকতাৰ সংজ্ঞা বিচাৰি

পৱিত্ৰ নাথ
স্নাতক প্ৰথম বাৰ্ষিক



একবিংশ শতিকাৰ
সভ্য দেশৰ আমি
সভ্য নাগৰিক;
আৰু,
সেয়েহে আমি গৌৰৱী।
আধুনিকতাৰ সংজ্ঞা বিচাৰি
আমি বোৰ মাথো
একবিংশ শতিকাৰ গাত ভেজা দি
অসভ্য সমাজৰ ৰীতিক আদৰি লৈছো
হয়তো,
ইয়াতেই নিহিত আছে আমাৰ
আধুনিকতাৰ সংজ্ঞা।
য'ত আমি পাহৰি পেলাও
নিৰ্লজ্জতাৰ কথা
নিজ সংস্কৃতিৰ কথা।
মাথো,
ইয়াকেই ভাৱো
আমি একবিংশ শতিকাৰ
সভ্য দেশৰ
সভ্য নাগৰিক।
কিন্তু,
কৰা নাই মন
কৰিছো যে এতিয়া গমন
সৌ অসভ্য, বৰ্বৰ
তথা উলঙ্গ জগতলৈ।
এতিয়া,
সভ্য সমাজক নেলাগে,
হয়তো লাগে,
দেহ ঢকাৰ নামত
নামমাত্ৰ এটুকুৰা বস্ত্ৰ।
হয়তো,
তাতেই আমি বিচাৰি পাওঁ
আধুনিকতাৰ সংজ্ঞা।
দেহৰ অংগ উলিয়াই
নগ্ন অথবা অৰ্ধনগ্ন হৈ
ঘূৰি ফুৰিব পৰা
আমিবোৰ বাৰু
কোনখন আধুনিক দেশৰ
সভ্য নাগৰিক?
সভ্যতাৰ নামত আমিবোৰে
বৰ্বৰতাক আশ্ৰয় দিছো
নিৰ্লজ্জ ৰীতিক
বুকুত সাৱতি লৈছো।
আৰু,
কত যে আছে
সভ্য দেশৰ
অসভ্য উদাহৰণ।
***

# যি পথে আহিবা তুমি

অঞ্জুমণি চহৰীয়া

যি বাটেদি দুৱৰিয়ে পাইছে
নিয়ৰৰ আশ্ৰিত নিৰাপত্তাৰ বতৰা
সম্ভৱত তুমি সেই বাটেদিয়েই আহিবা
তুমি সৃষ্টিৰ জন্মদাতা
এটি আশা
অথবা কল্পনা।
চুই চাব মন যায় তোমাৰ আকাশ।
সেউজীয়া স্বপ্ন....।
শুনিছানে কেতিয়াবা
গৰখীয়া বাঁহীৰ সুৰ?
নিয়ৰ অথবা দুৱৰিৰ সেউজীয়া গীত
ক্লান্তিবোৰ এতিয়া শুই পৰিছে।
মোৰ সেউজীয়া পথাৰত।
তুমি যেতিয়া এই বাটেদি উভতিবা
দিবাচোন দুৱৰিকো
একাঁজলি হাঁহি অথবা
এটা গান...।

***






# পানীপিয়া চৰাইৰ বাবে

পাৰিজাত কানন কোঁৱৰ
স্নাতক প্ৰথম বাৰ্ষিক

তোমালোক আহিছিলা ভগৱানৰ আশীৰ্বাদত
লগতে লৈ আহিছিলা একো একোটা,
নিষ্কলুষ মন, এক সম্ভাৱনাপূৰ্ণ ভৱিষ্যৎ।
তোমালোকে ওমলিছিলা এই মাটিৰ বুকুত,
খোজ দিছিলা প্ৰত্যেয়েৰে, জীৱন গঢ়াৰ বহু আশাৰে।
কিন্তু তোমালোকৰ সেই আশা ফলৱতী হ'ব নিদিলে,
এই মাটিৰেই এজাক মানুহে।
তোমালোকৰ ধমনীৰ পৰা ওলোৱা তেজেৰে
সেই পথাৰখন ৰাঙলী হ'ল,
তোমালোকৰ নিৰ্মল আত্মাবোৰ
একো একোটা পানীপিয়া চৰাই হ'ল;
আৰু, ঠোঁটত লৈ ফুৰিলে এটি শব্দ-
মানৱতা!

***

# জ্বলন্ত হৃদয়

তৰুলতা ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক

মোৰ হৃদয় খনি
এগছি জলন্ত মমৰ
দৰে;
নাই কোনো নিশ্চয়তা
আছে মাথো
ব-হু-ত ভয় আৰু
সংকীৰ্ণতা।
কেতিয়াবা মম গছি
বতাহত অধিক দীপ্তমান,
আকৌ কেতিয়াবা
একেবাৰেই ধিমিক্ ধামাক্।
কিন্তু....
ই সদায় বিলাব বিচাৰে পোহৰ
ক্ষীণ অথবা উজ্বল
নকৰে কালৈকো আশা,
এয়াই যেন মমগছিৰ
শেষ অভিলাষ।
***




# কল্পনা

প্ৰণৱ জ্যোতি ডেকা
স্নাতক তৃতীয় বাৰ্ষিক

উটি বুৰি গ'ল সৌৰা তোমাৰ বৈভৱ
কেনেকৈ তিষ্ঠিবা তুমি ঢৌৰ মাজত?
ঢৌবোৰ লুণীয়া
হৃদয় দহিছে বিষ অনলত।
চোৰাচোন, আকাশখনো হঠাতে নীলা হৈ গ'ল
নীলকণ্ঠ আছে ক'ত? কালীনাগ দমন কৰি
কেতিয়া নাচিব কদম ডালত, নাইবা
ফুটিব বাঁহীৰ মাত যৌৱন উপচাই যমুনা তীৰত।
অতীতৰ দিনবোৰ অতিকৈ মধুৰ
যদিওবা কাঁইটেৰে খোঁচ খোৱা কোমল শৰীৰ,
তথাপিতো অনুভৱ কৰো সিদিনা আছিলো শ্যাম বৰণীয়া!
সেউজ সেউজ মাথো সেউজী ৰঙেৰে ভৰা
মোৰ অতীত, মোৰ কল্পনা।
***

# শৈশৱ

মুনমণি চহৰীয়া
স্নাতক তৃতীয় বাৰ্ষিক



শাৰদীয় স্নিগ্ধ জোনাক নিশাত
নিয়ৰৰ মুকুতা সৰে,
ল'ৰালিৰ সেই সোণালী দিনৰ
স্বপ্নই আমনি কৰে।
মনত পৰে 'মা'ৰ মৰম
আলফুলে দুহাতেৰে দিয়া, নেপাওঁ
আৰু সেই আলসুৱা মৰম,
চকুলো দুগালে সৰে।
সেয়ে আজি 'মা'লৈ মোৰ
ঘনাই মনত পৰে।
মনলৈ আহে শৈশৱৰ কথা,
কিমান ভাল লগা,
ক'ত পাম সেই আদৰ-চেনেহ?
অন্তৰখন হ'ল যে ভগা।
মাথো আজি ভাবো অকলে,
নিৰ্জন দুপৰত নিৰৱে,
বেদনাত চকুলো নিগৰে।
***



# বাট বুলিলেই অবাট

দুলুমণি শৰ্মা

বাট বুলিলেই বুলিব পাৰিনে
লুংলুঙীয়া বাট
মোৰ বাটত পৰি আছে অনেক
বিষাক্ত কাঁইট।
হাঁহো বুলিলেই হাঁহিব পাৰিনে?
ভাল লগা হাঁহি
বাজি উঠে বিষণ্ণ আবেলি
মৃত্যুমুখী বাঁহী...।
***

# বৰষা

নমিতা কলিতা
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক

মন ফাগুনৰ ৰিক্ত কাননত
তুমি আনা মৌচুমী ধাৰা
হৃদয় চাহাৰাত বৃষ্টি ঢালি
তুমি বৰষা হৈ আহা;
পলাশৰ জুই নালাগে মোক
আনা শুভ্ৰ ৰজনীগন্ধা
পচোৱাৰ বা নালাগে মোক
আনা বৰষাৰ মধুচন্দা!
তুমি দিয়া, উপচাই দিয়া
দিয়া ৰিমঝিম
বিৰাম বিহীন
বৰষা বিধুৰ দিন....
তোমাৰ চকুত জোনৰ জ্যোতি
বুকুত সাগৰ নীলা
প্ৰেমেৰে আজি উপচাই দিয়া
ৰিক্ত মনৰ পিয়লা।

***

# অনুভৱ

ধনমণি ডেকা
স্নাতক তৃতীয় বাৰ্ষিক

প্ৰকৃতি দেৱী এতিয়া
ৰূপ সৌন্দৰ্য্যত মহামণ্ডিতা,
ব'হাগীৰ বিয়াৰ
পূৰ্ণ পয়োভৰ।
বসন্ত এতিয়া
এক জীৱন্ত কবৰ।

***



# অপেক্ষা

ইলামণি কলিতা

এতিয়া
বহুত জোনাকী সনা ৰাতি
মই উজাগৰে ৰওঁ
তোমাৰ স'তে উমলি
বকুলৰ গধূলি
এজাক বৰষুণৰ বাবে।
সময়বোৰ শব্দ নৈশব্দৰ মাজত
হেৰাই গৈছে
আৰু মোৰ বুকুৰ বাগিছাত ফুলি উঠা
হেঁপাহৰ সূৰুযমুখী জোপা
তোমাৰ হাতৰ মুঠিত হেৰাইছে।
তথাপি এতিয়াও অপেক্ষাৰত
এজাক বৰষুণৰ...।

***

# অনুভৱ

মিনতি শৰ্মা
প্ৰবক্তা, প্ৰাণীবিজ্ঞান বিভাগ



কিহবাই মোৰ ডিঙিত সোপা মাৰি ধৰে
মই চিঞৰি চিঞৰি ক'ব বিচাৰো
নাই! মই নোৱাৰো।
মই কি বাকশক্তি হেৰুৱালো?
চকুযুৰি মুদিব খোজো
নাই নোৱাৰো;
ই বেছিকৈ মেল খাই যায়।
মই মাথো নিৰীক্ষণ কৰো;
সৌৱা, সভ্যতাৰ ধামখুমিয়াত
আমাৰ ভৱিষ্যৎ প্ৰজন্ম
আমাৰ উত্তৰ পুৰুষ
আমাৰ দেশৰ ধৰণী!
মোৰ শৈশৱলৈ মনত পৰে
সেই যে খেলিছিলো
টাংগুটি, মাদৈবহা, লুকাভাকু,
দৰাকইনা,পাটি টি-টি
লাচখেলা, এম আই য়েচ্, মাৰ্বল................
আদিকে ধৰি লেখিব নোৱাৰা
অনেক থলুৱা খেল!
এই সৰু সৰু খেলবোৰৰ দৰ্শকো
আছিল বহুত
আইতা-ককা, মা-দেউতা, খুৰা-খুৰী,
পেহা-পেহীকে ধৰি
বহুজন।
আজি কালিচোন শৈশৱৰ অনুভূতিৰে ভৰা
শিশু দেখা নাপাওঁ!
টেনিচ, চুইমিং, কেৰাটে,
টাইকোৱান্ড', জিম্নেছ্টিক্স্,
কম্পিউটাৰ গেমছ্ আৰু যে
ক'ত কি!
সিহঁতৰ কোমল ওঁঠত, এই নামবোৰ শুনিলে
মই ভেবা লাগি ৰওঁ।
আজি কালি হেনো প্ৰতিযোগিতাৰ যুগ
এই প্ৰতিযোগিতাত দৌৰিছে,
উত্তৰ পুৰুষ, অভিভাৱক, পৰিচালক,
প্ৰশিক্ষক...
যেন এক লানি নিছিগা সোঁত।
এটাই মাথো শংকা
পুৰস্কাৰ পামনে?
পুৰস্কাৰ পাব'নে?
দুখ লাগে, হিয়া মোৰ হাহাকাৰ কৰি উঠে,
প্ৰতিযোগিতাৰ মেৰ্পাকত সোমোৱা

আমাৰ প্ৰজন্মৰ শেঁতা পৰা মুখ দেখি;
এনেভাৱ হয়;
সিহঁতে যেন কিবা বিচাৰি ফুৰিছে,
কিন্তু, বিচাৰি উলিয়াব পৰা নাই!
চিন্তা কৰাৰ শক্তিকণো যেন নাই
হয়,
সিহঁতে নিজকে বিচাৰিছে
বিচাৰিছে নিজস্ব সৃষ্টি শীলতা।
মানসিক চাপত ভোগী ভোগী
সিহঁত পথভ্ৰষ্ট হৈ পৰিছে।
সেয়ে-
সমাজত কিবা এটা কৰাৰ,
কিবা এটা হোৱাৰ তাড়নাত
যেনি তেনি বাট বুলিছে
ফলস্বৰূপে-
উত্তৰ হৈছে প্ৰহেলিকাময় জীৱন,
দুৰ্নীতি, শোষণ, নৈতিক চৰিত্ৰৰ পতন, হত্যা,
লুণ্ঠন,
চোৰ-ডকাইত, ঠগ-প্ৰৱঞ্চক আৰু
বন্দুকৰ গৰ্জন।
সেয়ে-
মোৰ ডিঙিত কিহবাই সোপা মাৰি ধৰে
মই ক'ব খোজা
হয়, আৰ্তনাদ কৰি উঠো



হে, পূৰ্বপুৰুষ সকল, বৰ্ত্তমান অভিভাৱকসকল,
ভৱিষ্যৎ প্ৰজন্মৰ পথ প্ৰদৰ্শক সকল,
আহক!
আমি আটায়ে এবাৰ ভাৱি চাওঁ,
আমি নিজকে প্ৰশ্ন কৰোঁ;
আমি জানো ধোঁৱা-তুলসীৰ পাত?
আমাৰ ভৱিষ্যৎ প্ৰজন্মক দোষ দিলেই নহ'ব
আমি এখন সুস্থ-সবল, নিকা,
প্ৰদূষণ মুক্ত সমাজ
গঢ়িব লাগিব, ভৱিষ্যৎ প্ৰজন্মকলৈ।
বিৰিঙাব লাগিব নিৰ্মল হাঁহি আৰু স্বচ্ছ হৃদয়।
পৃথিৱীতেই ৰচিব লাগিব
আমাৰ সপোনপুৰী;
আমি বাৰু নোৱাৰিম নে?
***

অনুবাদ কবিতা
আবুল কাছেম আছ্ছাব্বীৰ আৰবী কবিতাৰ অসমীয়া অনুবাদ

অনুবাদক ঃ মঃ আছিৰউদ্দিন
জেষ্ঠ প্ৰবক্তা, আৰবী বিভাগ

# প্ৰিয়তমা




প্ৰিয়তমা,
শিশুৰ দৰে সুমিষ্ট তুমি
সপোনৰ আবেশেৰে ভৰা
মধুময় জোনাক তুমি।
হাস্যময়ী আকাশৰ দৰে..........
জোনাক ৰাতিৰ দৰে...............
কিম্বা সদ্যপ্ৰস্ফুটিত গোলাপৰ দৰে.......
অথবা, ফুল কোমলীয়া নৱজাতকৰ হাঁহিৰ
দৰে.........
সদা লাৱণ্যময়ী তুমি।
যৌৱন ভৰা তোমাৰ
কমনীয় ব্যৱহাৰত,
তোমাৰ নিষ্পাপ দেহৰ
লয়লাস ভঙ্গীত,
দুৰাচাৰ পাপাত্মাৰো
বিগলিত হয় পাষাণ হৃদয়।
তুলনা বিহীন তোমাৰ নমনীয়তাৰে
তুমিয়ে ফুলাব পাৰা
শিলতো গোলাপ ফুল।
বিস্ময়ভৰা নয়নৰে
সকলোয়ে চায় তোমাক
তুমিয়ে নেকি সৰগৰ অপ্সৰা?
আহিছা নামি ধৰাৰ ধূলিলৈ,
অশান্ত পৃথিৱীত বোৱাবলৈ
মধুৰ বন্যা?
আহিছা নেকি
ভহাবলৈ যৌৱনৰ আনন্দৰ ভুৰ?
তুমিয়েই নেকি....
জান্নাতুল ফিৰ্‌দাউছৰ পৰী
আহিছা ধৰণীত
পাতিবলৈ শান্তিৰ মেলা?
***

<u>কবি পৰিচয়</u> ঃ

আধুনিক ৰোমাণ্টিক আৰবী কবি আবুল কাছেম আছ্‌ছাব্বীএ ১৯০৯ চনত টিউনিছিয়াত জন্ম গ্ৰহণ কৰে। মাধ্যমিক শিক্ষা সমাপ্ত কৰি তেওঁ টিউনিছিয়াৰ আইন কলেজত ভৰ্ত্তি হৈ ১৯৩০ চনত আইনৰ স্নাতক ডিগ্ৰী লাভ কৰে। যৌৱনত পদাৰ্পণৰ লগে লগে তেওঁ এজনী টিউনিছিঅ' গাভৰুৰ প্ৰেমত আৱদ্ধ হয়; কিন্তু প্ৰেমিকাৰ অকাল মৃত্যু ঘটে। ফলত তেওঁ প্ৰেয়সীক ৰোমন্থন কৰি কবিতা লিখা আৰম্ভ কৰে আৰু অতি কম দিনৰ ভিতৰতে এগৰাকী ৰোমাণ্টিক আৰবী কবি হিচাবে প্ৰতিষ্ঠা লাভ কৰে। মাত্ৰ ২৫ বছৰ বয়সতে এই তৰুণ কবি গৰাকী হৃদৰোগত আক্ৰান্ত হৈ ১৯৩৪ চনত মৃত্যু বৰণ কৰে।

# চাকৰি

সুৰজিৎ কুমাৰ নাথ
প্ৰাক্তন ছাত্ৰ



তোক বিচাৰি হাবাথুৰি খাই ফুৰিছো অ' চাকৰি
আজি বহুকেইটা বসন্ত গৰকিলো
তথাপি তোৰ নেদেখিলো মুখ
কেনেকুৱা দেখি বাৰু তোক?
তোক বিচাৰোতে মোৰ ঘাম আৰু
তেজৰ টোপালবোৰে
কেতিয়াওঁ তোৰ সম্ভাৱনাক নুই কৰা নাছিল
ভাৱিছিলো জীৱনৰ লাখুটি হ'বি
পোহৰাই ৰাখিবি মোৰ অমাৱস্যাৰ ৰাতি
চাকৰি, কিয় বাৰু আঁতৰি ফুৰিছ'?
গাঁৱৰ বোকাময় পথেদি বাছত উঠি
খোজকাঢ়ি বিচাৰি ফুৰিছো তোক
তই বাৰু কিয় নুবুজ?
তই দেখোন জানই
তোক কঢ়িয়াবলৈ মোৰ কান্ধ দুখনো ভাগৰুৱা
কামিজৰ জেপ দুটাও ফটা
চাকৰি, তোক চাবলৈ বৰ আশাৰে
কুজা হৈ বৈ আছে এগৰাকী বৃদ্ধা
যোৱা মাহত আহিম বুলি কৈয়ো নাহিলি!
বৰ আশাৰে মাংসৰে এসাজ খাম বুলি ভাৱিছিলো
কিনিবলগীয়া মাৰ ঔষধ, হৰলিক্স, ভিটামিনৰ বট্‌ল
বাৰিষাৰ টিনপাত, শীতৰ কম্বল
তোক লৈ যেন পৃথিৱীখন জয় কৰি পেলাম!
চাকৰি, কলেজ পাছ কৰা প্ৰমাণ পত্ৰখনে
প্ৰমাণ দিব নোৱাৰিব নেকি
ইউনিভাৰচিটিৰ ফিজ দিব নোৱাৰিলো বুলি?
চাকৰি, ঘৰৰ আটাইৰে শৰীৰ বেয়া
সকলোৰে জ্বৰ-কাহ-ডায়েৰীয়া
তই আহিলেহে
তোক লৈ সোমাম 'চেম্বাৰ, ডাক্তৰ চহৰীয়া'
মোৰ মুখলৈ চা চাকৰি
পুৱা পাঁচটাৰ পৰা ঘূৰি ফুৰি
মুখত পানী এটুপি নপৰিলেও
মূৰটো আচন্দ্ৰাই কৰিলেও
গেষ্ট্ৰিক উজাৰ দিলেও
দীঘল শাৰীত থিয় দি মুখত হাঁহি ফুটাই আছো
শুনিছো এই মাহতে দিব লাগিব আশী হেজাৰ
চাকৰি, কেনেকৈনো কওঁ?
মানুহটোক এৰি গোটেইখিনি দিলেও
পাম মাত্ৰ পঞ্চাশ হেজাৰ
বহুতক বহুত দিছ' চাকৰি, তই বহুতক সকলো দিছ'
এইবাৰ মোকো দে
তই আহিলেহে মই মানুহজনীক কথা দিব পাৰো
তই আহিলেহে মই টিভি, ফ্ৰিজ, ফাৰ্ণিচাৰ
ফুৰিবলৈ চাৰি চকীয়া নহলেওঁ
দুই চকীয়া আনিব পাৰো
চাকৰি, অহা মাহত আহিবিনে?
মনত বৰ ভয়- কোনে কাক কাঢ়ি লয়
তই আহিলেই মই যাম মানুহজনীৰ ঘৰলৈ
নহ'লে যে তাইক লৈ
বেলেগে কৰিব জয়জয় ময়ময়।

('পেঞ্চন'ৰ আধাৰত)

***

# হে ভগৱান!
# আমাক অলপ শান্তি দিয়া

দ্বীপ কিশোৰ শইকীয়া



তোমাৰ কথা মনত্লে' আহিলে
ডাৱৰবোৰে লুকা-ভাকু খেলে
সিহঁত বৰ্তমান মোৰ প্ৰশস্তি
হৃদয়ত কলিং বে'ল বাজিলেই
গম পাওঁ তুমি আহিছা
পুতলা, ফুল এইবোৰ
মোৰ বাবে এক প্ৰেমৰ বতৰা
এখন মহাকাব্য বোধহয় ৰচনা হ'ব!
তাত থাকিব বৰষুণত
তিতা কেঁচা মাটিৰ গোন্ধ।
তোমাৰ ওঁঠৰ পৰশত সাৰ পায় উঠা পবিত্ৰ
হৃদয়ৰ কথা
ৰাতিৰ সপোনত তোমাৰ সৈতে হোৱা
কথা বতৰাৰ
এক সুন্দৰ প্ৰতিচ্ছবি।
সুখ আৰু দুখৰ মিলনেই হ'ব মহাকাব্যৰ মূলমন্ত্ৰ
'ফ্ৰ'য়েড'ৰ দৰে বিচাৰিব
ভগৱানৰ দৰে তুমি অদৃশ্য হ'বা
কক্‌বকাই থাকিব জনসাধাৰণ কিম্বা
বৰ্তমানৰ অ' বি' বি শিক্ষক
আত্মহত্যা কৰিব পেটৰ তাড়নাত
সমাজে উপাধি দিব কাপুৰুষৰ
কাপুৰুষৰ উপাধি ল'ব নোখোজা সকলে
চৰকাৰৰ পাৰ্মিটত চলা সুৰা পান কৰিব
চিগাৰেটৰ ধোঁৱাৰে সিহঁতে ৰজনী আনিব
উচ্চস্বৰে ক'ব-
'হে ভগৱান! আমাক অলপ শান্তি দিয়া'
প্ৰেমৰ কথা মনলে আহিলে
সুবাত মগন হৈ প্ৰেমৰ আলোকপাত কৰিব।
চৰকাৰ, টকা, প্ৰেম একেখন চালনীৰে চেকিব।
বৈ যাব হৃদয়ৰ পবিত্ৰতা।
পাৰিলে আহিবাচোন, মহাকাব্যখনৰ ৰচকৰ
ভূমিকাত
যদি আহোঁ বুলি কোৱা-
ধৰ্য্যৰ সৈতে বাট চাম সেই দিনটোলৈ
বিপোজৰ মিঠাই, শীতল পানীয় দিব
নোৱাৰিলেও
বৰ আগ্ৰহেৰে মাত দিম
মোৰ........ আহিলা।

****

(বন্ধু প্ৰাণজ্যোতি বৰুৱাৰ স্মৃতিত)

# নতুন ব'হাগী আই

কুন্তি মণ্ডল
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

অ' ব'হাগী তুমি কিয়নো আহিলা
হৃদয়ত মৰমবোৰ লৈ?
অসমীয়া সকলৰ নাই যে সময়
তোমাক সমাদৰ কৰিবল'।
আজি অসমত নাজানা তুমিতো
নাইযে মানুহৰ শান্তি,
সোণৰ ঐক্যত আগৰ নিচিনা কৈ
নজ্বলে উলাহৰ বন্তি।
ভৰিত ধৰিছো কাকুতি কৰিছো
মিনতি কৰিছো আমি,
উলটি যোৱাগৈ অহা বাটেৰে
নকৰিবা দুখ তুমি।
বছৰৰ পিছত আহিবা আকৌ
পাবা জানো চিনি?
চিনি নাপালেও ময়ে মাতিম
দিবা মাথো সঁহাৰি।

****



# অনুভৱৰ পৃষ্ঠা লুটিয়াই

গীতিকা শৰ্মা
স্নাতক তৃতীয় বৰ্ষ

এতিয়া ইয়াত দোভাগ নিশা
বাহিৰত জোনাকৰ ধাৰাষাৰ বৰষুণ
চাৰিওফালে শূন্যতাৰে আৱৰা
নিশাৰ নৈ:শব্দতা।
চিন্ময়ী দুচকুৰে
উজাগৰে আছো মাথো মই,
মোৰ বুকুত কুৰুকি-কুৰুকি
সোমাই থকা দুখৰ ক'লা প্ৰলেপবোৰ
মেলি লৈছো অনুভৱী দুহাতেৰে,
স্মৃতিৰ পৃষ্ঠা লুটিয়াই
আকৌ এবাৰ
চুই চাব বিচাৰিছো
পাহৰণি হ'ব ধৰা
তোমাৰ আৰু মোৰ
সেউজীয়া অনুভৱৰ ক'লাজবোৰ।

***

# এজন কৃষকৰ তিনিটা কবিতা

ভাস্কৰ জ্যোতি নাথ
স্নাতক দ্বিতীয় বৰ্ষ

(১)
নাঙলৰ সীৰলুত
উঠি আহে মোৰ শইচহীন জীৱন
অ' প্ৰভু- তিনিথোক কল দিম তোক
ধান দিয়া মোক।

(২)
বাপুৰ নৰীয়া
ভোকৰ দুপৰীয়া
মাইচানাৰ মাক শোৱাপাটীত
এলোটা পানীৰে তিনি দিন, তিনি নিশা।

(৩)
পথাৰ
টুকি থাকে দুখ চকুলোৰ দৰে
ধান নাই
নাই শইচ
আছে নাঙঠ হৈ।

****



# সন্ধিয়াৰ চকুলো

হোমাশ্ৰী দেৱী
স্নাতক দ্বিতীয় বৰ্ষ

প্ৰোদেশে আচুৰি গ'ল
তাইৰ আংশুমণি দেহাটি,
এটি নিটোপল দেহ
যেন নতুন আইনাৰ প্ৰতিচ্ছবি!
হঠাৎ এজাক নতুন বতাহে
তাইৰ চকুৰ তলত এটি প্ৰলেপ সানিলে,
অজান আকাঙ্খাত ওলাই অহা
দুধাৰি চকুলো যেন সময়ৰ প্ৰত্যাহ্বান
এনেকৈ আৰু কিমান দিন হ'ব প্ৰতাৰিত?
দুৰ্বল অংশত আঘাত কৰাৰ পাছত
লাজুক চাৱনিয়ে হ'ল সান্ত্বনাৰ বাণী
নে? সদায় হ'ব লাগিব যুদ্ধত পৰাজিত নায়িকা।
তাই কান্দিছিল, খুব কান্দিছিল
সন্ধিয়াৰ বতাহৰ লগত মিলি গৈছিল প্ৰতিটোপাল অশ্ৰু
কাৰোবাৰ হাতৰ মৰমৰ স্পৰ্শত কম্পিত তাই
ৰিহাৰ আঁচলেৰে মচি গৈছিল সন্ধিয়াৰ দুধাৰি চকুলো।।

****

# শৰত

পলাশ চহৰীয়া
স্নাতক প্ৰথম বৰ্ষ

বৰষাক বিদায় দি তুমি আকৌ আহিলা
মুখত এমোকোৰা হাঁহি লৈ।
তুমি অহাৰ বাবে শেৱালিয়ে যে,
আনন্দতে মিচিকিয়াই হাঁহিবলৈ ধৰিছে।
যেতিয়া নিয়ৰে তাইক প্ৰাত:স্নান কৰাই,
তেতিয়া তাইক দেখিবলৈ ইমান ভাল লাগে!
মই তোমাক কেনেকৈ বুজাম শৰত?
সেয়া বুজাবলৈ মোৰ তাত কোনো ভাষা নাই।
আৰু কি জানা শৰত........?
নিয়ৰে দুবৰিকো স্নান কৰায়।
ইমান ভাল লাগে তেতিয়া,
মুকুতাৰ মণি যেন লাগে জানা।
শৰত, তোমাক মোৰ ইমান ভাল লাগে।
মোৰ কাষত থাকিবানে সদায়? থাকিবানে?

****



# শৰতৰ পদুলি

মহঃ মিৰ্জা শ্বাহাদত মুৰ্চিফুল আলম
স্নাতক প্ৰথম বৰ্ষ

শৰতৰ এটি সন্ধিয়া
সূৰ্য্যাস্তৰ মিঠা আবেলি পৰত
ঠন্ ধৰা সেউজীয়াবোৰ
কোমল দলিচা
মনত বুলাই দিবৰ মন যায় আলফুলে
মৰম লগা শেৱালীৰ দৰে।

নীলাভৰ আকাশখনত
উজ্বলি থকা জোনটিৰ
মিচিকিয়া হাঁহিত
নাচি উঠে হৃদয়খন
কোনোবা এটি মুহূৰ্ত্তত।

পূৱাৰ নিয়ত
উজ্বলি থকা শেৱালিৰ
মৰম সনা সৌন্দৰ্য্য
একে থৰে চাই থাকি
ক'ব নোৱাৰাকৈ
অন্তৰৰ দু:খ বেদনাবোৰ
আঁতৰি যায়
মলয়া বতাহৰ লগত।

***

# কৃষ্ণচূড়া

হিমাদ্ৰী কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

খিৰিকী খন খুলিলেই দেখা
পাওঁ এজোপা কৃষ্ণচূড়া।
ফুলে পাতে জাতিষ্কাৰ হৈ
ই এজোপা সম্পূৰ্ণ গছ।
কতা মই চোন এই
কৃষ্ণচূড়াত কোনো
প্ৰেমৰ ৰং নেদেখো
বিচাৰি নাপাওঁ কোনো মাদকতা।
অনুভৱ কৰিব নোৱাৰো
হৃদয়ক আহ্লাদিত কৰা
কোনো অনুভূতি।
সৰুতেই ক'ৰবাত পঢ়িছিলো,
জালুকবাৰীৰ কৃষ্ণচূড়াৰ
ৰঙৰ বিষয়ে।
কিমান যে মিঠা সেই আমেজ
কৃষ্ণচূড়াৰ তলত বহাৰ।
কিন্তু কিয়?
মই একো অনুভৱ কৰিব নোৱাৰো
মোৰ মাজত বাৰু
প্ৰেমেৰে ভৰা হৃদয়ৰ
অভাৱ নেকি?
*****



# স্মৃতিৰ জলঙাৰে

দ্বীপশিখা ডেকা
তৃতীয় বৰ্ষ

তোমাক বাট চাইছিলো
স্মৃতিৰ জলঙাৰে
প্ৰত্যাশিত এটি নিশাত
দুচকুত অলেখ সপোন ৰচিলো
হাচ্‌নাহানা ফুলা ৰাতিত
নিৰৱে আৰু নিৰৱে
তোমাক বাট চাইছিলোঁ
বুকুত অলেখ কামনা লৈ
পৰাণ ভৰি উপচাবলৈ
কিয় জানা?
তুমিযে ৰূপালী নিশাৰ
এপাহি নিয়ৰ সিক্ত গোলাপ
মই কিন্তু তোমাক স্পৰ্শ দিব নোৱাৰো
তুমিযে নিচেই কুমলীয়া
উন্মাদনাত উৰলিব খোজা
আশাবোৰ নিৰৱে শুই যায়
মুকুতা ফুলা দুৱৰি দলিচাত।
****

# যীশুলৈ প্ৰশ্ন তিনিটা

ভাস্কৰ জ্যোতি নাথ
স্নাতক প্ৰথম বৰ্ষ

ঠিক! আজিৰ এনেকুৱা এটা সন্ধ্যাতে
মোক যীশুৱে লগ ধৰা কথা আছিল
আৰু ঠিক! আজিৰ দৰে
সেই সময়টোতে মই কিবা সুধিবলৈ
ব্ৰঞ্জৰ মূৰ্ত্তিটোৰ ওচৰত নিবদ্ধ আছিলো
মোৰ বুকুখন ব্ৰঞ্জৰ কৰি............
প্ৰথম সাক্ষাততে যীশুৱে মোক ক'লে,
"ইতিহাস যিমান কষ্টকৰ
ভৱিষ্যতটো আৰু কষ্টকৰ।"
মোৰ ব্ৰঞ্জৰ হিয়া কপিছিল
ভয়ত, সংঘাতত .........
মোৰ তেতিয়া ভৰি মাটিত নাছিল
হাত দুখন আছিল আকাশমুৱা হৈ
সন্তুৰ বতাহকে বিচাৰিছিল
হৃদয় জুৰ পেলোৱা বতাহ।
মই যীশুক প্ৰশ্ন কৰিলোঁ তিনিটা
পৃথিৱী কেতিয়া সুন্দৰ হ'ব ঃ প্ৰথম প্ৰশ্ন
মানুহ কেতিয়া সুখী হ'ব ঃ দ্বিতীয় প্ৰশ্ন
মানুহে প্ৰেম কৰিবলৈ কেতিয়া শিকিব ঃ তৃতীয় প্ৰশ্ন
যীশুৱে মোক তিনিটা প্ৰশ্নৰ উত্তৰ দিলে
মানুহক ভাবিবলৈ দিয়া মনতে
প্ৰথমতে ঃ আকাশ হ'বলৈ............
দ্বিতীয়তে ঃ চৰাই হ'বলৈ...........
তৃতীয়তে ঃ নদী হ'বলৈ..............।।
****




# এটি নিশাৰ আবেগ

জ্যোতিময় নাথ
স্নাতক দ্বিতীয় বৰ্ষ

তিমিৰাচ্ছন্ন নিশা
তোমাৰ কোমলতাই ব্যক্ত কৰিম
মোৰ জীৱনৰ গোপন কথা
ঘনে ঘনে আমনি কৰিব
স্মৃতিৰ লানিবোৰে
ৰাস্তাত থকা টিউব লাইটবোৰৰ
পোহৰত,
শাৰী শাৰী গছবোৰে
বিদ্ৰূপ কৰি হঁহা
দেও লগা নিশা শূন্যতাৰ বুকুত
সতেজ সতেজ লগা তোমাৰ নয়ন যুগলে
বাধা দিব পাৰিব
পাৰিব
সুকোমল শব্দৰ সেউজীয়া আমন্ত্ৰণ
প্ৰেম আৰু বিশ্বাস
উন্মাদ গাভৰুৰ সেই
চিৰালফটা হাঁহিৰ খলকনি
হেৰাই যাব ধৰা
কবিৰ পাণ্ডুলিপি
****

# ঠিকনা

সাগৰিকা ডেকা
স্নাতক তৃতীয় বৰ্ষ




এটি ঠিকনা দিব খুজিছো
অনুভৱী এখনি হিয়াৰ
ইচ্ছা কৰিলে বান্ধিবও পাৰা
এইখনি হিয়ালৈ
বিশ্বাস আৰু মৰমৰ এখন সাঁকো।
জানা আজিকালি সকলোৱেই ব্যস্ত
ৰং হেৰোৱা সপোনৰ পিছত দৌৰাত
কথা পাতিবলৈ ওঁহো
ভালে আছানে বুলি সুধিবলৈকো
কাৰোৰে সময়ে নাই
কিমানযে কথা আছিল পাতিবলৈ
পৃথিৱীৰ কথা,
জীৱনৰ কথা,
সপোনৰ কথা
আৰু যে বহুতো.........
শূন্যৰপৰা শূন্য হেৰাই যোৱা অংক
কিমাননো কৰিবা
ভাগৰুৱা অনুভৱ নকৰা জানো?
সেয়ে এদিন আহিবাচোন
আশাৰ জুমুঠি ধৰি
সযতনে বুকুত বন্ধা মোৰ
প্ৰেমৰ ঘৰলৈ
মোৰ ঠিকনাটো দিলো-
"প্ৰেমৰ ঘৰ"
কলেজ ৰোড,
মঙলদৈ।
তোমাৰ বাবে ৰ'ম মই জোনাক নামি অহাৰ বাটত।।

****

# মোৰ হাঁহি ভালপোৱাজনলৈ

চিত্ৰাৱাণী বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

ইমান বিষাদ, অথচ
ওঁঠত লগাই ৰাখিছা
হাঁহি নামৰ এটি ৰং
ইমান সাহস কিয় তোমাৰ?
কিয় বাৰু সজাব খুজিছা মোৰ গধূলি?
এয়া বিশ্বাস কৰা,
লাজ লাগিব জানা তোমালৈ
ভয় লাগিব তোমাক চাবলৈ
কাৰণ, বিষাদতো যে তুমি হাঁহা।
কেনেকৈ কম কিমান সেউজীয়াই
টগ্‌বগ্ কৰিলে পৃথিৱী গাভৰু হয়?
আৰু ইয়াকো নাজানো কিমান আনন্দই
মেলা পাতিলে মই খিল্‌খিল্‌কৈ হাঁহো?
নাই নোৱাৰো একোকে ক'ব মই,
কাৰণ, নাজানো যে সেয়া দুখৰ হাঁহি নে সুখৰ?
শুনি সুখী হৈছো মই
মোৰ খিল্‌খিল্ হাহিয়ে যে
তোমাৰ বুকুৰ অৰণ্যত
বসন্তৰ শইচ সিঁচিছে।
সঁচাই যদি মোৰ খিল্‌খিল্ হাঁহিয়ে
তোমাৰ চৌপাশ মুখৰিত কৰে
সদায়েই যাম মই তোমাৰ কাষলৈ
সেই খিল্‌খিল্ হাঁহিটি লৈ।।
****



# নিঃকিনৰ আৰ্তস্বৰ

তৃষ্ণা দেৱী
স্নাতক প্ৰথম বৰ্ষ

জীয়াঢলৰ বানত ভাঁহি যোৱা
অথবা ধনশিৰীৰ সোঁতত লীন হোৱা
সহস্ৰজনৰ হিয়াভঙা বিননি
শুনিবা মোৰ বুকুৰ মাজতেই।
মোৰ হৃদযন্ত্ৰৰ প্ৰতিটো স্পন্দনত
বিচাৰি পাবা সৰ্বহাৰাৰ
কৰুণ আৰ্তনাদ।
আৰু মোৰ চকুযুৰিত দেখিবা
কলীয়া ডাৱৰে ঢকা নীলাকাশৰ
সীমাহীন বিষাদগ্ৰস্ততা।
চকুলোৰে মসৃণ মোৰ দুগালত
তথাপিওচোন জিলিকে
সৰগীয় কাননৰ পোৱালমণি,
আদৰৰ ফুলপাহ মৰহি গ'লেও
বিলুপ্ত নহয় মানৱতা-
যিয়ে উদ্ভাসিত কৰে মোৰ অন্তৰ্জগতখনি।
****

# বিষ্ফোৰণ

নৱজ্যোতি ডেকা
স্নাতক দ্বিতীয় বৰ্ষ



তেজৰ ডোঙাবোৰ গছকিবলৈ ভাল নালাগে
কিন্তু উপায়টো নাই
নিজৰ পোনাটিৰ প্ৰেয়সী পত্নীৰ
নতুবা জন্মদাত্ৰী মাতৃৰ
সিঁচৰিত বিদীৰ্ণ দেহটি
আৰক্ষীৰ হাতৰ পৰা আনি
সৎকাৰ কৰাৰো দায়িত্ব মোৰেই।
ক্ষত-বিক্ষত ভগ্নীৰ মুখত
দৰৱ এপালি ঢালি দিব বাৰু কোনে?
তাইৰ সেই বিকট্ চিঞৰটোৰে
গাঁৱৰ ওচৰ চুবুৰীয়াক আমনি
নকৰেনে?
পোনাটিৰ ফটোখন বাৰু বাকচৰ
এচুকত থোৱা নাছিলনে মাকে!
ঠায়ে ঠায়ে জ্বলি গৈছে
তথাপি পাপা শব্দটি ভাঁহি আছে
মোৰ অজানিতে।
ফটোখন হেৰাল নেকি?
বৰ লুইতৰ পাৰত যে আমি দুয়ো
উঠিছিলো বনভোজলৈ যাওঁতে
পিতাই যে হুমকি দিছিল
মোৰ পাৰ্চত উদ্ধাৰ কৰি
আয়ে যে হেঁপাহ পলুৱাই চাইছিল,
ক'ত সেইবোৰ?
এতিয়া সকলোবোৰ অতীত
মাথো এটা শব্দত
বিষ্ফোৰণ .................।

*-ধেমাজীত নিহঁত শিশুসকলৰ স্মৃতিত।*

****



# খবৰ

শৰৎ চন্দ্ৰ নাথ
প্ৰাক্তন ছাত্ৰ

মোৰ জীৱনৰ জুপুৰিটোলৈ
চহৰলৈ যোৱাৰ দৰে
আহিবা।
তোমাৰ নাজানো
মোৰ হলে বহুতো দুখ
কলিজাৰ কোহে কোহে ...
বুজিচা,
আনক ক'লে হিয়া লঘু হব।
দুখ আৰু সজ্জাবোৰে
প্ৰশ্ন কৰিব জীৱনৰ বাটে-ঘাটে
তোমাক ক'ম বাৰু
পাৰিলে সোনকালে আহিবা
আৰু কৈ থলো
মোৰ বুকুখন
বিস্ফোৰিত আগ্নেয়গিৰিৰ পিছত
এটা উলংগ গহ্বৰ।
উষ্ম মৰমখিনি
চিনাকি ক্ৰেতাৰ জোলোঙাত
অসংযত হালতত
কেবাদিনো ধৰি আছে
তমি সিহঁতক আৱিস্কাৰ কৰিবা।
চহৰলৈ যাওঁতে যদি পোৱা
তোমাৰ অচিনাকি জনক
সুধিবা ....
শৰতৰ স্নিগ্ধ নিশা
মোৰ কলিজাৰ সুৰা পিবলৈ
কিয় নাহিল বাৰু?

*****

# সন্ত্ৰাস

নৱজ্যোতি দাস
স্নাতক তৃতীয় বৰ্ষ



বাৰুদৰ শব্দত থৰথৰকৈ কঁপা
ভয়াল নিশাবোৰ আৰু সেই
ধূলি, ধোঁৱা, বতাহত বিয়পি অহা
তেজ-মঙহৰ গোন্ধবোৰ
শতিকাৰ পিছত শতিকা শোণিতৰ;
য'ত জীয়াঢল বয়।
বানে গৰকা ধেমাজীৰ ১৫ আগষ্টৰ
অভিশপ্ত বোমা বিস্ফোৰণেই হওঁক
কিম্বা বিভীষিকাময়
১ চেপ্তেম্বৰৰ ৰাচিয়াৰ বেচলান বিদ্যালয়ে হওঁক
সন্ত্ৰাসজৰ্জৰ পৃথিৱীত কেচা তেজৰ ফাকু
ৰক্তপাত-ধ্বংসপাত, অস্থিৰতা সুলভ মাথো
কোনে বুজে অবুজ শিশুৰ হৃদয়বিদাৰক কান্দোন?
কোনে বুজে মাতৃৰ বুকুৰ কেঁচা উম
কিয় পাতিছ নিৰীহ-নিষ্পাপ মানৱ বধৰ যজ্ঞ?
আমি হৃদয়হীন হৈ গ'লো নেকি বাৰু!
হত্যা-হিংসাৰ দাবানলত স্তব্ধ জনজীৱন
নিচাসক্ত যুৱকৰ উদ্যত ৰিভলভাৰ
ৰজাৰ পৃষ্ঠপোষকতাত সন্ত্ৰাস
কাৰ বুকুয়েদি কেতিয়া পাৰ হৈ যায় বুলেট
তাৰ নাই একো ঠিকনা
শান্তি ৰক্ষাৰ ঠিকাটো এইবাৰ কোনে পাব বাৰু?

তেজ মঙহৰ শৰীৰ নিমিষতে মিলি যায়
ধূলি-বালি- ধোঁৱাৰ স'তে।
ঘৰিয়ালৰ চকুলো টুকি ৰাজনীতি কৰাৰ
আখৰা চলে, গান্ধীবাদৰ কথা চলে
আপোনাৰো গান্ধী হ'বৰ মন যায় নেকি বাৰু?
তেন্তে এটা কাম কৰিব, আজি-কালি বজাৰত
গান্ধীৰ মুখা, টুপি আৰু খদ্দৰৰ ধুতি
ৰিডাকশ্বনত বিক্ৰী হৈ আছে।
নিৰ্য্যাতিত নিপীড়িত, শোষিত-দলিত,
বঞ্চিত-অৱহেলিত
ক্ৰু হাঁহিৰ ফেনিল তৰংগ।
****

# মোৰ হৃদয়ৰ মানস পটত

কমল কুমাৰ নাথ
স্নাতক দ্বিতীয় বৰ্ষ

মোৰ হৃদয়ৰ মানস পটত
তেওঁ সদায় অহা-যোৱা কৰে,
অথচ মই ৰখাব পৰা নাই তেওঁক;
কেতিয়াবা মনৰ ভিতৰত মোৰ
হঠাৎ বাজি উঠে বাৰ্তালাপ
নতুবা তেওঁৰ স্পষ্ট কণ্ঠস্বৰ।
মোৰ চেতনাৰ নিলগৰ
মোৰ ধাৰণাৰ আতঁৰৰ
সেই সুমধুৰ কণ্ঠই
ক'ত বাৰু সুৰ তুলিছে,
বাৰান্দাত নে গছৰ তলত?
ইটো-সিটো আৰু বহুতো........
নিৰৱ মোৰ হৃদয়ত
লাগে হাহাকাৰ,
তেজত খলক লাগে
হাৰত খুন্দা মাৰে
তেওঁৰ খোজৰ কঁপনিবোৰে
চকুহালৰ চাৱনিটোৱে।
সকলোবোৰ জনাৰ পিছতো
তেওঁ সঁচাকৈয়ে বুজিও অবুজ
অবাধ্য ছাত্ৰৰ দৰে;
সেয়ে হয়তো ৰখাব পৰা নাই তেওঁক
তেনেহ'লে ইয়েই সঁচা নেকি
তেওঁ মোৰ বাবে কেৱল এক
সপোন সোঁৱৰণি।।
****



# সময়ৰ এটি ক'লাজ

গীতিকা শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

নিজৰ অস্তিত্ব বিচাৰি
আমি আজি কাৰাবন্দী,
কণ্ঠ আমাৰ ৰুদ্ধ,
শিকলিৰে বন্ধা আছে দুহাত।
পোৱা-নোপোৱা, সাফল্য-ব্যৰ্থতাৰ
হিচাপ কৰি কৰি
আজি আমি ভাগৰি পৰিছো,
উৰুখা পঁজাবোৰো ক্ৰমশ:
হাউলি পৰিছে আমাৰ।
আনফালে সিহঁত
মাতাল হৈছে সুখৰ বন্যাত।
কি সুখ সেয়া?
স্বৰ্গীয় সুখ নে আন কিম্বা?
সুখৰ কোনো তুলাচনী নাই।
মাথো শুনিছো-
সিহঁতৰ ডায়েৰীত নাই
নোপোৱা, ব্যৰ্থতা,
দুখ, হতাশা
আদি শব্দবোৰৰ অৰ্থ;
বুজি নাপায় সিহঁতে
দয়া বা ক্ষমা মানে কি?
চিনি নাপায় ক্ষুধা বা তৃষ্ণাৰ
বৰ্ণ বিন্যাস।
***

# ন-অসমীয়া

মোঃ ছায়েদ আলী
দ্বাদশ বৰ্ষ



কুৰি শতিকাৰ দ্বিতীয় দশকত
স্বাধীনতা পোৱাৰ আগত,
পুৱতিৰ কোমল পৰশ প্ৰেমত
প্ৰৱেশিলো অসম দেশত।
ধৰ্ম অনুযায়ী আমি মুছলমান
পূৰ্ব বংগৰ লোক,
কৃষি কাৰ্যত পাৰ্গত বুলি
মাতৃয়ে আদৰি লওঁক।
অসমৰ মাটিত বসতি কৰি
বংগক পাহৰি গ'লো,
খেতি কৰাৰ বিবিধ প্ৰণালী
অসমত প্ৰৱৰ্তন কৰিলো।
মাটি ভাঙিলো খেতি কৰিলো
মৰাপাটত প্ৰসাৰ,
চৰ অঞ্চলৰ বাকৰি আবাদ
আমিয়ে আৰম্ভ কৰিলো
অসমীয়া মাধ্যমৰ স্কুলত পঢ়ি
অসমতে গ'লো মিলি,
আমি এতিয়া ন-অসমীয়া
অসম এৰিব লাগে
অনা-অসমীয়া আমিয়ে হ'লো
আমাকে খেদিব চাগে'!

বিদেশী আঁতৰি কৰিব লাগে
আৰম্ভ হ'ল আন্দোলন।
তোমালোক চৰুৱা পমুৱা বনুৱা
এৰিব লাগে অসমখন,
প্ৰশ্ন কৰিলে উত্তৰ আহিব
আচল অসমীয়া চৰুৱা।
বিদেশী আন্দোলন চলোৱাসকল
সুযোগ বিচৰা লোক,
খেতি কৰা বহুল প্ৰণালী
কোনে শিকাই দিলে?
অসমক মাতৃক উন্নত কৰি
কোনে আগুৱাই নিলে!
মূল প্ৰশ্ন উত্তৰ নিবিচাৰি
বৃথা চেষ্টা কৰা কিয়?

*****

# উজাগৰী নিশা

মতিৰাম মেধি
জেষ্ঠ্য প্ৰবক্তা, ভূগোল বিভাগ

আইৰ মৰম চেনেহৰ দৰে
নিশাৰ এন্ধাৰবোৰেও
অকপট মৰমবোৰ
মোৰ গালে মুখে সিঁচি দিয়ে।
নিদ্ৰামগ্ন ধৰাৰ বুকুত
চৌদিশৰ নিৰৱতাই
মৰতক সৰগ সজাব খোজে,
সঙ্গীহাৰা কেতেকীৰ কৰুণ বিননিত
মাজনিশাৰ ৰেলখনেও উকি মাৰে।
টিক টিক শব্দেৰে ঘড়ীটোও জী উঠে
গড়ালৰ হাঁহজনীয়েও বেদনাত কেঁকাই উঠে
ককাদেউতাৰ পিঠিৰ বিষটো বেছি হয়।
নিয়তিৰ নিউ নিউ চিএৰত কিন্তু
মৰমীয়াল এন্ধাৰবোৰে
ঘন-ক'লা মূৰ্ত্তিধৰি মোক খেদি আহে,
আৰু
তেতিয়াই মোৰ ল'ৰালিৰ মধুৰ স্মৃতিত
বিষন্ন মনটি গুমৰি উঠে।
'ৰাতিটোৰ বাবে মোক ঘূৰাই দিয়া ল'ৰালি'
আইৰ কোলাত হালি-জালি
গোটেই ৰাতিটো শুম
দুখৰ বোজাটি কাযত থৈ
আইৰ মুখলৈ চাম,
আৰু অজান দেশৰ ছবি অঁকা
মোৰ প্ৰেয়সীয়ে
এন্ধাৰবোৰ নিগিলালৈকে
মই উজাগৰে থাকিম।

***



# নিঃসঙ্গতা

মিছ্ নমিতা বৰুৱা
স্নাতক প্ৰথম বৰ্ষ

নিজম নিস্তব্ধ নিশা
বহি আছো মই অকলশৰে
তোমাৰেই কথা ভাবি
চাৰিওফালে মাথো শুনো
তোমাৰেই সুৰৰ প্ৰতিধ্বনি।
কিমান যে সপোন!
কিমান কল্পনা বুকুত লৈ
উজাগৰে আছো কত নিশা,
তুমিতো নুবুজা মোৰ হৃদয়ৰ
প্ৰেমৰ মধুৰতা।।

***

# এই নদীৰ পাৰত কান্দে কলিজাৰ বুলবুলি

ৰিজু মণি ডেকা
স্নাতক প্ৰথম বৰ্ষ

বন্ধু,
নদীখন বৈ আছে
বৈ থাকিব।
নদীৰ দুয়োপাৰে ফুলিছিল চেনেহৰ ফুল,
এতিয়া জ্বলিছে বেদনাৰ জুই।
নৈখন পাৰ হ'বলৈ চেষ্টা নকৰিবা
দুৰ্ভগীয়াহঁতৰ বাবে ওপৰত মাথো
এখন ভগা দলং।
তলৰ সোঁতত ভাহি আহিছে
বিষাক্ত সাপৰ পোনা।
পাৰৰ বগৰী জোপাত
বৰলৰ বাহ।
নদীৰ সিপাৰত উৰি থকা
স্বাধীনতাৰ পতাকাখন নাচাবা
সেইখন পতাকা,
অন্তহীন ক্ষুধাবাসী জনতাক
বেয়নেটেৰে খুচি
নিঃশেষ কৰা স্বাধীনতাৰ।
হয়তো তুমি চিনি পোৱা নাই
প্ৰতাৰণাৰ সীমাৰেখা ডাল!
বন্ধু,
তোমাৰ প্ৰাথমিক চৰ্তটো হ'ল।
তুমি মৃত্যুঞ্জয়ী হোৱা।
****



# ২০০৪ৰ শাৰদীয় মেলা

ৰিজু মণি ডেকা
স্নাতক প্ৰথম বৰ্ষ

ক্ষুধাৰ্ত্ত পেট
উলঙ্গ দেহেৰে
সিহঁত ক'লৈ দৌৰিছে বাৰু?
দেৱীৰ পূজা মণ্ডপলৈ?
তাত দেখোন এতিয়া
এদল উন্মাদ লোকৰ তাণ্ডৱ নৃত্য
ঘূৰি ফুৰিছে সিহঁত।
কেইটামান বিদেশী ৰাইফল হাতত লৈ
জীৱনক শেষ সম্ভাষণ জনাবলৈ
তেন্তে,
সিহঁত যাব ক'লৈ?
জীৱন বৃত্তৰ কেওফালে
দুৰ্ভিক্ষ, দুৰ্নীতি আৰু দুৰ্মূল্যৰ
নিষ্ঠুৰ হাতোৰা
পদূলিয়ে পদূলিয়ে
চিকাৰিৰ ৰাং কুকুৰৰ দল।
বহুদিন আগৰেপৰা
সিহঁত জুৱা খেলৰ পণ,
কেতিয়াবাই সিহঁতে
হাঁহিবোৰ বন্ধকত থলে
ডিঙিত মহাৰাজৰ ভৰিৰ গচকত
সিহঁতৰ কণ্ঠ বাকৰুদ্ধ
পূজাৰ বেদীত
এখনি শেঁতা পৰা মুখ
ষষ্ঠীতেই বিজয়াৰ আয়োজন
তপত খোলাত চট ফটাই থকা
সিহঁত তৃতীয় শ্ৰেণীৰ নাগৰিক
****

# সৃষ্টিৰ শিল্পী

তপন শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

আদিতেই সৃষ্টিৰ পাতনি মেলি
বিজয় নিচান উৰাও,
পুৰাণক ধ্বংস কৰি,
নতুনক প্ৰতিষ্ঠা কৰো,
মই,
মই,
অগ্ৰগামী
কালজয়ী।
ধ্বংসৰ বিজয় আনি,
তৃপ্তিৰ বাসনা পূৰাও
শান্তিৰ সমাধি স্থলত
পৃথিৱীৰ বুকুত
মই,
মই,
উদ্‌গামী
শিল্পী
অনন্ত অৱসাদ ক্লান্তিৰ
অমানৱতাৰ লক্ষ বেদী
মই আনো
বিশ্বাসত শান্তি।
সমগ্ৰ পৃথিৱীৰ ধ্বংসৰ সমাধি স্থলত
গঢ়িতোলা এক অভিনৱ সৃষ্টি।।
****





# জ্ঞানৰ অন্বেষণত

ডেইজী দেৱী
স্নাতক তৃতীয় বাৰ্ষিক

তোমাৰ অন্বেষণত
হৃদয়ত সংগোপনে সাজিছো
জোনাকী ভেঁটি....
ৰামধেনুৰ সাতোৰঙী হেঁপাহেৰে
বুকুত তৰি দিছো আশাৰ চাদৰ।

পোহৰৰ প্ৰতীক্ষাত
ৰুই থৈছো অলেখ স্বপ্ন
দুখৰ ৰজনী অবসান হ'লেই
সোণ গুটিবোৰে গজালি মেলিব।

তোমাৰ অন্বেষণত
চৌদিশে বৈছে জ্ঞানৰ পৱন,
সময় হ'লেই আঁউসী আঁতৰিব;
উদিত হ'ব ভাস্কৰ
সেউজী সাজেৰে ৰাংঢালী হ'ব ধৰিত্ৰী।
***

# মই পোহৰে কৈছো

বিপুল চহৰীয়া
স্নাতক প্ৰথম বৰ্ষ (বিজ্ঞান)




মই পোহৰে কৈছো-
মোৰ বৈপৰীত্যৰ অৱসানত
মোৰ অস্তিত্বক সঁহাৰি জনাই
সভ্য সমাজৰপৰা হৰিজন বস্তিলৈ
সবেই হৰ্ষোল্লিত হয়
মোৰ উপস্থিতিৰ মধুৰ পৰশত।
মই প্ৰাণ দিওঁ, মোৰ বৈপৰীত্যৰ কবলত
ককবকাই ফুৰা অগণন জনক
আৰু মোৰ উপস্থিতিয়ে জগাই দিয়ে
নীলাভ আকাশক, সঁফুৰা পথাৰক
এটি নতুন দিৱসক।
মোৰ উৎস, যি ৰঙা ছটিয়াই
হালধীয়া হৈ পুনৰ ৰঙা হয়
প্ৰতিদ্বন্দী হৈ মোৰ বৈপৰীত্যৰ
শান্তিৰ বতৰা ছটিয়াই অমল ধৰাত।
মোক বিচাৰে, বহুতেই বিচাৰে
সেয়ে ডাঙৰ ডাঙৰ ফেষ্টুনবোৰলৈ
সমদলবোৰ যায় আগবাঢ়ি
চিঞৰি-চিঞৰি, মোক লাগে বুলি।
সঁচাই মই বৰ প্ৰয়োজনীয় হৈ পৰিছো
কাৰণ মোৰ বৈপৰীত্যৰ কোবাল সোঁতত
হেৰুৱাইছে যি সৰ্বস্ব
তাক মই বাৰে বাৰে জীৱন দিছো।

মোৰ উপস্থিতিক বহুতেই ভাল নাপায়
যি সমৰ্থন কৰে মোৰ বৈপৰীত্য
যাৰ বাবে নিৰ্লজ্জতাই মাথো বেশভূষা
যি মোৰ বৈপৰীত্যৰ অশ্লীল নিচাত মত্ত।
কিন্তু সভ্য সমাজে মোক বিচাৰে বাবেই
মোৰ বৈপৰীত্যৰ অৱসান ঘটাই
মই দিব লাগে সৰগীয় মদিৰা
আৰু শান্তিৰ সেউজী চেঁকুৰা।
সেয়ে বাৰে বাৰে সভ্য সমাজৰপৰা আগবঢ়া
সমদল বোৰৰ উচিত হাৰত জিলিকা
শুভ্ৰ ফেষ্টুনবোৰে কঢ়িয়াই ফুৰিছে
ৰাতুল ৰঙেৰে উদ্ভাসিত
আমাক পোহৰ লাগে বুলি খোদিত
ডাঙৰ ডাঙৰ হৰফ্ কেইটা।
***

# কিছু মনত পৰা কথাৰে...

জ্যোতিস্মিতা ডেকা
স্নাতক প্ৰথম বাৰ্ষিক

জানা, আজিও মনত পৰে
তোমাৰ মোৰ সৌ সিদিনাৰ কথা
যিদিনাৰ পৰা আঁকিছো মই
দুনয়নত তোমাৰ ছবি।
মোৰ প্ৰতিটো উশাহত ক্ৰমান্বয়ে
বাঢ়ি আহে তোমাৰ প্ৰতি ভালপোৱা।
শৈশৱৰ ধূলিৰ বালিত খেলা
আৰু যে কিমান বোৰ!
মনতে কৰা কল্পনা আৰু মোৰ
প্ৰিয়জনৰ কথা
তাৰ পিছত আহিল ধুমুহা
টুকুৰিয়ালে যৌৱনে হৃদয়ৰ দুৱাৰত
দুচকুত নতুন ফুল ফুলোৱাৰ



হেঁপাহেৰে মোৰ শুকান পথাৰখনিত
খেলিছিলো আৰু দৌৰিছিলো।
এদিন মোৰ মৰমী গাঁওখনিলৈ
সেউজীয়া নামিছিল
মদাৰ ফুলো বেঙুনীয়া হৈ ফুলিছিল।
এনেকৈয়ে এদিন মোৰ
গধূলিৰ পদূলিত ফুলি উঠিছিল
শৰতৰ শেৱালি
আজিও মোৰ হিয়াৰ আপডালত
বাঢ়ি আহে হেঁপাহৰ পতাকা
একো নজনাকৈয়ে।
****

# মঙলদৈ মহাবিদ্যালয়

হিৰণ্য


দৰং জিলাৰ ঐতিহ্যমণ্ডিত
এনে এখনি স্থানত,
সজাঁলে মহাবিদ্যালয় বিদ্যাৱন্ত লোকে
উচ্চ শিক্ষাৰ তৃষাত।
বিদ্যাৰ্থীৰ কাৰণে বিদ্যানুৰাগী লোকে
স্থিৰ কৰিলে মতিক,
উচ্চ শিক্ষাৰ কাৰণে বিসৰ্জন দিলে
মন, ধন, শ্ৰম, ভূমিক।
ইতিহাসৰ পাতত নাম ৰাখি গ'ল
ৰাখিলে বিদ্যাৎসাহীতাৰ,
প্ৰস্ফুটিত হ'ল মঙলদৈত
মঙলদৈ মহাবিদ্যালয়।।
তাৰে স্বাদুফল পালে দৰঙে
গুণী, জ্ঞানী, বিদ্বান
উদ্ভাসিত হ'ল বৃহৎ শিক্ষানুষ্ঠান
এই মঙলদৈত।।
যাৰ যতনত মন, ধন, শ্ৰম
তিনিওৰে সঙ্গমত,
পিন্ধিলে ২০০৩ৰ শুভ ক্ষণতে
অৰ্দ্ধ-শতাব্দীৰ মালা।।
বিদ্বানজনে যোগালে আহি
উৎসাহ উদ্দীপনা,
বিলীন হৈ আছে এই অনুষ্ঠানত
শত শত প্ৰেৰণা।।
সোণালী জয়ন্তী পাৰ কৰিলে
মহাবিদ্যালয় খনিয়ে,
তাকে দেখি চৰণ চুমিছোঁ
মঙলদৈ মহাবিদ্যালয়ক।।

****

# মঙ্গলদৈ মহাবিদ্যালয়

গীতিকা চহৰীয়া
স্নাতক তৃতীয় বাৰ্ষিক


প্ৰণাম মঙ্গলদৈ মহাবিদ্যালয়
তুমি আজি ধন্য
পঞ্চাশটা বসন্ত গচকি
তুমি আজি গৌৰৱৰ শীৰ্ষত
প্ৰণাম তোমাৰ জ্ঞানৰ দীপ্তিক
যি দীপ্তিৰে দীপ্তিমান আজি
শত সহস্ৰ জনতা
সমাজৰ এন্ধাৰ আঁতৰাই
পোহৰ বিলাবলে
তুমি দিয়া আমাক প্ৰেৰণা।
প্ৰণাম মঙ্গলদৈ মহাবিদ্যালয়
শত জনৰ সপোনৰ তুমি
শত জনৰ আপোনৰ
আজি তোমাৰ এই সোণালী দিনত
যাচিবলৈ মোৰ একো নাই;
আছে মাথো হৃদয় উজাৰি দিব পৰা
শ্ৰদ্ধা ও ভক্তিৰ সঁফুৰা
আৰু এটি জয়গান...
জয়তু মঙ্গলদৈ মহাবিদ্যালয়!
***



# মূল্য

বিপুল গোস্বামী
প্ৰাক্তন ছাত্ৰ

মোক এখন হৃদয় ধাৰে লাগে
আজি বহুদিন হ'ল হাবাথুৰি খোৱা
এখন ধাৰে দিয়া হৃদয় বিচাৰি
বিনিময়ত মাত্ৰ.........
বহু অকৃত্ৰিম মৰম আৰু ভালপোৱা
প্ৰতিশ্ৰুতিৰে সৈতে।
শুনিছো, আজি কালি হেনো
জীৱনৰ বজাৰত হৃদয়ৰ মূল্য বহুত বেছি।
তোমাৰ বাৰু "টাটা ইণ্ডিকা" বা
"এস্থিশ্বন্" আছে নেকি?
নতুবা তোমাৰ পকেটত থকা
মানি বেগটোৰ ওজন কিমান?
উখান হওঁক তোমাৰ দেউতাৰ
বেংক বেলেন্স বাৰু কিমান আছে?
কি! আচৰিত হৈছা নেকি!
অ' জীৱনৰ বজাৰত হৃদয়ৰ 'মূল্য' ইমানেই!
****



# ENGLISH SECTION

Winterburg, Germany: Photo: Rubul Hazarika, PCC

# Without You

Sri Rahul Dev Biswas
T.D.C. 1st Year

I feel so dark in this large world,
Everything is so silent without of yours,
Days are long and nights are cold,
Wherever I thought it, you will not be mine
My eyes become tears, because I fill so alone,
You are the one, who makes me laugh.
I cannot live without your love and care.
*Mann*, give me your heart, give me your soul,
I lost everything of mine, without your thoughts,
*Mann*, break my heart not and forget me not,
Because you are the one; where my life vests forever,
And knew, I love you more than my life.

*****

# Everything Love

Barnali Sarmah
T.D.C. 1st Year

Dreams are unlimited,
Which can't turn into reality.
Past is forgettable,
Which doesn't have relation with present.
Money is valuable,
Which can change one's life style.
Flowers are temporary,
Which remain only for sometime.
Life is a journey,
Which consists of joys and sorrows.
Love is precious,
Which gives everlasting happiness to one and all.

*****

# How To Express

Naba Kumar Boro
T.D.C. 1st Year

Days have passed, months have fallen.
My heart has never forgotten,
The face, he holds in every vein.
Time increased the love I had.
How do I explain, how much I love you,
Are the three words enough for you?
What about my feelings I expressed,
On those days of my College.
Days have passed, months have fallen.
Now every moment, I beg to God,
To gift a day, where you will say,
'I like you, I love you too'.

****

# About Life

Nabajyoti Konwar
T.D.C. 3rd Year

Every pages of life
On the basis of decision
Who is unconscious
About his life,
He does not know
Life is a vicissitude like wheel.
Sometime it gets down
And sometime up,
In this time,
Come out is life
Who win this life war?
He finds all his pleasure,
But war does not mean
Destruction, for life,
It means win his own soul,
So, beware and go on
Where are last decision
To fulfil our life

******

# Cricket And Examination

**Mizanur Rahman**
**T.D.C. 1st Year**

The examinee is the batsman.
The paper setter is the baller.
The examiner is the umpire.
The examination hall is the stadium.
The table is the pitch.
The mark-sheet is the score board
The bench is the crease.
The pen is the bat
The questions is the ball
The paper is the over.
Wait for the call
Tough questions are fast-bowling.
And critical questions are spin-bowling.
Good answers are good betting
A half answer is a late run
A late answer is a four with risk
A cheat discovered is a L.B.W.
And trying to copy is run out.
And to be caught-red-handed
Is caught out.
A supplementary is follow-on.
A position is a double century
Failing means an innings defeat.
Distinction is a century.

*****

# (1) A Dream Of Love

Md. Mainul Hoque
T.D.C. 1st Year

Love is not a thing
Which you can touch.
Love is not a right
Which you can demand.
Love is not a game
Which you can play.
Love is not a flower
Which you can smell.
Love is a beautiful dream
Which you can see
Again and again.

# (2) My Heart's for you

You know
my heart beat only for you.
I cann't live without you.
I am nothing without you.
Just like a fish
Without water.
You are only for whom
I am living.
Really you have stolen me away
By a power, I cannot resist
I have sleepless nights
Without you
But bringing you back
To my tough
I have a peaceful night
Which means you back
In my dreams.
I ask question myself-what wrong
With me?
And I know some thing deep
Inside me installed by God.

# (3) What is a man?


Man is not a drama
But his life is a drama.
Man is not a flower
But his character is like a flower.
Man is not a criminal
But someone make him criminal
Man is not a mad, toy..........
But someone can do such
Oh man! What man has made
For man?

****

# The Indian Tiger

Buddhin Ch. Hazarika
Senior Lecturer
Dept. of Zoology

The Indian tiger or Royal Bengal Tiger *(panthera tigris)* is the most impressive, majestic and biggest of all cats. Tiger is known for its power, ferocity and agility. It is locally known as *Dhekiapatia Bagh* (Assamese), *Bagh* (Bengali, Oriya), *Nahar, Sela Bagh* (Marathi), *Pulle* (Tulegu and Tamil). Right now India harbours nearly 65% of the global population of tiger. The colour of tiger is brilliantly attractive striped coat colours varies from orange red to golden yellow and sometimes creamy white may mix in. The cheeks, throat, belly and legs are white. The backs of the ears are black with white spot in the centre and insides of the ears are white. The black markings on the patch of white hair above each eye provide clue for identifying individual tigers.



In recorded history, tigers have been known since 2500 BC from the tiger seals of Indus Valley Civilization of Mohenjodaro and Harappa. In the last century, tiger was a very common wildlife species in almost all the states of India. There were 40,000 tigers at the beginning of the $20^{th}$ century, although its general range remained unchanged, expansion of hu-

man habitat, destruction of tiger habitat for agriculture including *jhum* (shifting) cultivations, depletion of prey base and ruthless killings have resulted in the sharp decline of wild tiger population. The population gradually decreased to less than 2000 and there has been a 95% decline in tiger population in the Seventies of Twentieth Century. Till 1969, killing and hunting of tiger was open in India. Severe fragmentation and shrinking of tiger habitat may be another cause for depletion of tiger population. In 1969 itself in a convention of International Union for Conservation of Nature and Natural Resources (IUCN) a sensational research paper titled "Vanishing India Tiger" was presented by Mr. Kailash Sankhala where he established that the tiger population in India was not more than 2000. A comprehensive census in 1972 of Indian tiger showed evidence of 1827 tigers in India, 20 in Bangladesh and 200 in Nepal. Its population in Bhutan and West Myanmar could not be ascertained.

The status of tiger is still vulnerable. To protect tiger from illegal killing 'Project Tiger' programme was launched on 1st April 1973 by the Government of India which can be termed as a significant measure for tiger conservetion. Till date there are 27 tiger projects in India. The statewise distribution of the projects are as- Assam-2, Arunachal Pradesh-2, Bihar-2, Madhya Pradesh-5, Maharashtra-3, Mizoram-1, Uttar Pradesh-2, Karnataka-1, Orissa-2, Rajasthan-2, Tamil Nadu-1, West Bengal-2, Kerala-1, ....... As per 1997 census in Madhya Pradesh only there are 927 tigers. Rightly enough MP has been termed as the "Tiger State".

Between 1975 and 1997 the number of National Parks and Sanctuaries in Indua's "Protected Area Network" has risen from 100 to 500 covering an area of about 1,50,000 sq km

**Tiger Races/ Sub-species**

Species panthera tigris. The tiger is considered to have eight races or sub-species. These are- (i) the Siberian tiger (*Panthera tigris altaeica),* (ii) the Chinese tiger (*P.t. amoyansis),* (iii) the Indo-Chinese tiger *(P.t. corbetti)* (iv) the Indian tiger *(P.t. tigris),* (v) The Caspian tiger *(P.t. viggata),* (vi) the Sumatran tiger *(P.t. sumatrae),* (vii) the Javan tiger *(P.t. sondaicus),* the Bali tiger *(P.t. baltica).* Out of these the last two races become extinct in 1980 and 1940, respectively.

(about 4.6% of country's landmass). Still large forest areas outside the PAs have a good number of tigers which may not come under census report.

Male amd female tiger are difficult to identity at a distance but from a minute observation it can be identified easily because, adult males are generally bigger in size. An average adult male Indian tiger measures about 10 feet in length (nose to tail tip) where the mean length is 9.6`` and a female measures upto 9` in length. The average height of a male is 36`` at shoulder and weights around 200 kg whereas females weight around 150 kg.

Tigers are confined to the Asian continent only. It has a wide geographical distribution from the Southern shores of the Caspian sea to Arel and Lake Baikal to the Sea of Okhotask. It extends as far as the Malaysian island in the south, the Turkish Georgia to the West and Sakhalin island to the east. Tiger being the easily adaptable animal in various habitat, occupies a variety of habitat in different parts of the continent. The species represented by 8 (eight) sub-species/ races of which the nominate sub-species *Panthera tigers* is confined to the Indian sub-region. This race is also commonly known as Royal Bengal Tiger.

**About white tiger:**

The white tiger is not a separate race. It is a 'recessive mutant' of the Indian race (also known from ancient China) of which there is a small 'man made' population now. They are also not albinos. A white tiger has dark brown stripes on whitish baody with eyes and is slightly larger then a narmal one. Although many white tigers were reported from the wild in the past, the existing individuals owe their origin to captive inbreeding from a male white cub 'Mohan' trapped in the

**Body Parts used in Treditional Medicine**


* Tiger skins and heads are used as trohpics and decoratin material.
* Tiger claws are used as talismans.
* Tiger bones, skulls, whiskers, eyeballs, claws hair, penis and blood are used in traditional oriental medicines.
* Tiger fat is used in balms and potions.
* Tiger nose in used for treatment of epilepsy.
* Tiger whiskers are though to cure toothaches.
* In China tiger penis soup is still believed to be the ultimate aphrodisiac.
* Teeth are used to prepare medicine for asthma and rabies, bones for rheumatism and fur (burnt) to drive away centipedes.
* Tail is used for treatment of skin ailments.

**Note:** *It has been proved that as the case of the rhino horn, use of tiger body parts in medicine has no foundation.*

forests of Rewa State in Madhya Pradesh by the then Maharaja of Rewa who succesfully reared at Govindgarh from 1951. The other gene-pool from Nandankanan decendent has given new hopes for the Survival of the white tigers in captivity. At present there are 33 white tigers in Indian Zoos and about 59 white tigers in captivity in England and USA.

Except Sri Lanka tiger is found in Nepal, Bhutan, West Myanmar, Bangladesh and India. In India the tiger has left its tracks in the winter snows of the Himalayas at an altitude of 10,000 feet. Generally tiger lives in humid evergreen forests, in dry open jungle and in the grassy swamps of the terai, while in Sunderban it leads an almost amphibious life in the terrain of trees, mud and water. It avoids deserts and desiccated zones. Three things are essential to the tigers- the neighbourhood of large animals (prey base) upon which it can prey, ample shed to sleep and water to quench its thirst. Since the tiger stalks its prey and does not run it down, the secondary undergrowth in forest helps it to cover for tactical preying.

Ordinarily tiger hunts after sunset (dusk) and before sunrise (dawn), but sometimes the time differs in stress. Tiger feeds mainly on the flesh of animals such as- deer, antelope, gaur, wild buffalo, wildboar, langurs, monkeys and youngs of elephant, rhino and tiger also. The tigers of Sunderban mangrove (tidal) forests hunt fishes, crabs, prawns and smaller mammals also. Cattle lifting by tigers is a regular practice at forest periphery as herds of cattle graze on forest vegetation. The practice of cattle lifting is normally acquired from parents. Incapacitated tigers, which are unable to kill their natural prey may also become cattle lifters or maneaters. Except for the Sunderban tigers which are believed to include man in their list of natural prey



there are no other population known to hunt man for food. Since Sunderban tigers frequently or occasionally kill man, cubs of such tigers also become man-eaters by such experience which is passed on from one generation to the next.


Tigers are generally solitary hunters and each has its own hunting territory. After a kill other tigers and tigresses may be allowed to feast. Tigers are very good swimmers. In stress it climbs to trees. In one night a tiger may travel 15-20 kms if necessity aries.

Tiger attains sexual maturity at the age of 3-3$^1/_2$ years by the female and 3$^1/_2$ years to 4 years by the males. However, in captivity sexual maturity is attained a bit earlier. During breeding time the adult male and female come close to each other where if necessary males fight among

**Sex-wise Tiger Population Trend in Assam (Census-2000)**
**POPULATION STRUCTURE**

| Name of the Protected Area | Male | Female | Cub | Total |
|---|---|---|---|---|
| Kaziranga National Park | 33 | 40 | 12 | 85 |
| Manas National Park | 22 | 38 | 5 | 65 |
| Orang National Park | 8 | 9 | 2 | 19 |
| Boruadi WL Sanctuary | 1 | 1 | 1 | 3 |
| Laokhowa Sanctuary | 4 | 4 | 3 | 11 |
| Dibru Saikhowa Ntional Park | 14 | 17 | - | 31 |
| Nameri National Park | 10 | 12 | 4 | 26 |
| Burhachapon Wildlife Sanctuary | 4 | 2 | - | 6 |
| Gibbon Wildlife Sanctuary | 1 | 1 | - | 2 |
| Sonai Rupai Wildlife Sanctuary | 5 | 5 | 2 | 12 |
| Chakrasila Wildlife Sanctuary | 1 | 1 | 2 | 4 |

Country ENVIS, Assam




themselves. Mating season in November to May. But sometimes it is found in other time also. Generally a tigress of up to seven are also repoted in captivity. The cubs are nartured on milk for about 6 weeks and when they are about 16 months old they accompany their mother to hunt. After 18-20 months they hunt independently. The life span of a tiger is about 20 years but the life span varies in different habitat.

****

# Commercial Prospectus and Problems of Medicinal Plans in Assam

**Sachindra Saharia**
**Senior Lecturer**
**Deptt. of Botany**

Medicinal Plants play an unique role in our society from the time immemorial. The medicinal Plants includes aromatic Plants too, as because aromatic plans have some of the qualities of medicinal value including insecticidal and antifungal activities and however, it is established that all aromatic plants are medicinal.

In the past also, people used medicinal plants in many diseases either in raw or in preparation but this was found in only traditional method without knowing the scientific value of these important medicinal resources.

Plans are being used as medicine and in drug preparations for their various medicinal properties and confined to their organic contents essential oils, glycoside, Vitamins, alkaloids, minerals and their pharmacological and therapeutic aspects. It is also significant that 30% allopathic medicines are obtained either directly or indirectly from different parts of plants.

The common green leafy herbs such as Kalmau Sak (Ipomae aquatica), Helechi Sak (Enhydra fluctuans), Bhedia lata (Paederia foetida), Barmanimoni (Hydrocotyl laranica), Doron Sak (Leucus aspera), Gandhi Kachu (Homalomena aromatica) are found to be best sources of macronutrients as well as micronutrients. Each of these contains a valuable medicinal properties and are used for permanent recovery of diseases. The king of herbs Bhedailata is used for parification of blood as it contains high % (36.97%) iron and vitamin C.

The other some very important medicinal resources which are not only preserving our health but they are responsible for treating several diseases- Arjun, Aswagondha, Amlaki, Bhrigaraj, Vasa, Bhedai, Chitrak, Kalmegh, Tulsi, Shatavari, Sarpagondha, Pippali, Haridra, Golmorich, Rasna (Vanda roxburgi) etc. are commonly found elsewhere. It is however enumerated that in Assam there are almost 367 identified medici-

nal plant species, which is next to Arunachal Pradesh where number is 458 (species)

The demand for plant based medicines are on the increase both in the developed and developing countries because of the growing recognition that herbal remedies are non narcotic natural products. They are more safer and congenial to the human body. However, these are easily available at affordable price. Besides demands of health products, Pharmaceuticals, food supplements, cosmetics and other plants based products also getting popularity in all over the global area, which have increased the demand for crude herbs both in domestic and international markets.

The EXIM Bank of India reported the value of medicinal plants related trade in India of the order of 5.5 billion dollar and is now growing more and more. According to WHO the international market of herbal products is estimated to be almost 62 US dollar and it is raising day by day. But, Indian's share in the global export market of medicinal plants is very poor- It is less than 0.5% I,e only Rs. 285 million out of 2300 million involved in global market.

Here some of the important medicinal plants species under trade with demand and prospects have been mentioned which are found in Assam and in the N.E Region, showing estimated quantity of annual

| Local name | Rate in Rs. per kg | Quantity fresh (kg) |
|---|---|---|
| Bel (Aegle marmelon) | 50.00 | 3000.00 |
| Satmul | 100.00 | 10,000.00 |
| Brahmi | 15.00 | 5000.00 |
| Arjun | 15.00 | 4000.00 |
| Dhatura (Datura metel) | 30.00 | 3000.00 |
| Amlakhi | 15.00 | 10000.00 |
| Amra | 15.00 | 5000.00 |
| Bhedailata | 20.00 | 2500.00 |
| Tita Bhekuri (Solanum indicum) | 15.00 | 2000.00 |
| Bahek (Ashatoda zeglinica) | 15.00 | 3000.00 |
| Nilajiban | 15.00 | 2000.00 |
| Kalmau Sak | 20.00 | 2500.00 |

collection.

Besides, national Medicinal plant board Ministry of Health has prioritized 32 plant species in NE Region which have high market demands. NE Indian states are a suitable area for commercial propagation of majority of these plants. More than 15% plant species grow naturally in this region.

Out of 32 Prioritized medicinal plants- Amla, Ashok, Bel, Amlakhi, Brahmi, Kalihari, Pippali, Kalmesh, Haridra, Sarpagandha are mentionable. Among these Amla species has the highest annual demand (41,782.9 tonnes).

Though the N.E. region much rich in medicinal resources, Yet there are certain agro-climatic, administrative and other infrastmetural conditions to boost rural economy as an organized sector in Assam. Priorities should be given in these regards.

1. Mapping of Identified areas where identified plants are available.

2. Working out of the possible scale of exploitation/ extraction of selected medicinal plants.

3. Identification of all the medicinal plants used by different ethnic groups of people and proper safeguarding of these.

4. Establishment of rural industry of medicinal plants and linkage to the medicinal plant cultivators.

5. Imparting training for collection, packaging and storage of medicinal plants.

6. Providing infrastructural facilities to the growers for proper transportation, distribution and marketing system.

7. Whole sale market Centre for medicinal plants should be enhanced.

8. Reasonable fixation of price of different kinds of medicinal plants will encourage the growers.

9. National Medicinal Plant Board and State Medicinal Plant Board should have direct correlation should be provided special financial assistance.

10. Establishment of bio-resource centers for conservation of plants and in the interest of sufficient fund.

11. The public awareness campaigning is must and should mobilire it properly.

But, still there is a lack of proper survey of medicinal plants, lack of scientific framing for authentic source of row material, absence of well organized N.G.O.s working on this field and lack of skilled man power for medicinal plant related activities.

No doubt, medicinal plants must offer tremendous role for changing the rural economy to solve the unemployment problem in the present job crisis situation of the state as well as in other parts of the country. Different organized N.G.O.s the Govt. and individually also should come into force to have positive mind in this regard growing more and more and to conserve these at right place.

****

# মঙলদৈ মহাবিদ্যালয়ৰ ২০০৩-২০০৫ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া সকলৰ বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন

## সম্পাদকীয় প্ৰতিবেদন ঃ তৰ্ক আৰু বক্তৃতা বিভাগ



জয়জয়তে যিসকল মহান আত্মাই নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দেশ মাতৃৰ বাবে হেলাৰঙে মৃত্যুক সাৱটিছিল সেই সকল পুণ্যাত্মালৈ জনাইছোঁ সশ্ৰদ্ধ প্ৰণাম। লগতে ঐতিহ্যমণ্ডিত এই বিদ্যামন্দিৰৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ দায়িত্ব অৰ্পণেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সেৱাৰ সুযোগ দিয়া বাবে আটাইলৈ যাচিছোঁ আন্তৰিক কৃতজ্ঞতা।

'তৰ্ক আৰু বক্তৃতা' এই গুৰুত্বপূৰ্ণ বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক কচৰতৰ আখৰা থলীৰূপে কিমান প্ৰয়োজনীয় তাক পুনৰ দোহাৰাৰ প্ৰয়োজন নাই। 'সঠিক চিন্তা আৰু শুদ্ধভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি, সিদ্ধান্তৰ বৈধতা আৰু নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাৰ্য্য'।

বৰ্তমান সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ভাৱে আগুৱাই যাবলৈ আমাক প্ৰয়োজন এক সুস্থিৰ যুক্তিবাদী মন আৰু সমাজৰ উপকাৰী যুক্তিপূৰ্ণ আলোচনা। এইবোৰৰ সুস্থ প্ৰতিফলনৰ বাবে যৎকিঞ্চিত বৰঙণি আগবঢ়োৱাৰ উদ্দেশ্য সন্মুখত ৰাখি ২০০৩-২০০৪ বৰ্ষৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাপে নিজৰ দায়িত্ব ও কৰ্তব্য সম্পাদনৰ বাবে ইং ১০-০১-২০০৪ তাৰিখে সন্মানীয় অধ্যক্ষৰ উপস্থিতিত ঈশ্বৰৰ নামত শপত লৈছিলোঁ। নাজানো কিমানদূৰ ফলৱতী হলো।

কাৰ্য্যভাৰ গ্ৰহণৰ পিচতে প্ৰথম কাৰ্য্যসূচী ৰূপে ১৯ জানুৱাৰী,২০০৪ তাৰিখৰ পৰা ২৪ জানুৱাৰী,২০০৪ তাৰিখলৈকে চলা মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত 'তৰ্ক, অসমীয়া আৰু ইংৰাজী বক্তৃতা, আকস্মিক বক্তৃতা, কুইজ প্ৰতিযোগিতা' অনুষ্ঠিত কৰিলো। সবাতোকৈ আকৰ্ষণীয় আছিল ১২ টা দলৰ অংশ গ্ৰহণেৰে বন্ধুবৰ মৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মাই নিয়াৰিকৈ পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাখনি।

এই বৰ্ষৰ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে জয়ন্ত নাথে। বিভাগৰ সাধ্যানুসাৰে বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ কুইজ প্ৰতিযোগিতা, ৰঙিয়া মহাবিদ্যালয়ৰ তৰ্ক প্ৰতিযোগিতা, বিশ্বনাথ মহাবিদ্যালয়ৰ কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা, দৰং জিলা প্ৰশাসনৰ উদ্যোগত উপায়ুক্তৰ কাৰ্য্যালয়ত জিলা ভিত্তিত অনুষ্ঠিত ৰাজীৱ গান্ধী অক্ষয় ওজা দিৱস উপলক্ষে অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতা আৰু ছয়গাঁও সাতপখিলী প্ৰাথমিক বিদ্যালয়ৰ জন্ম শতবাৰ্ষিকী উৎসৱত তৰ্ক আৰু আবৃত্তি প্ৰতিযোগিতাত অংশ গ্ৰহণ আছিল এই সময়চোৱাৰ উল্লেখযোগ্য দিশ।

বৰপেটাৰ এম. চি. মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম আন্ত:মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত মঙ্গলদৈ মহাবিদ্যালয় দলৰ তৃতীয় স্থান লাভ,

আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত ১৫ তম্ ছহিদ সোঁৰৱণী সদৌ অসম আন্ত: মহাবিদ্যালয় তৰ্কপ্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ লগতে ছয়গাঁও সাতপখিলী প্ৰাথমিক বিদ্যালয়ৰ জন্ম শতবাৰ্ষিকী উৎসৱত সদৌ অসম আন্ত মহাবিদ্যালয় তৰ্কপ্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ জয়ন্ত নাথে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মানৰ উপৰিও আবৃত্তি প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰাটো আছিল উল্লেখনীয় সফলতা।

পূৰ্বৰ দৰে এইবেলিও ২৫ চেপ্তেম্বৰ,২০০৪ তাৰিখে ১৫তম ছহিদ সোঁৰৱণী সদৌ অসম আন্ত:মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি সুকলমে অনুষ্ঠিত কৰা হয়। কামৰূপ, উত্তৰ লক্ষীমপুৰ, যোৰহাট, নলবাৰী, মৰিগাঁও আদিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ এঘাৰখন মহাবিদ্যালয়ৰ ২২ গৰাকী প্ৰতিযোগীৰ অংশ গ্ৰহণে প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰে।

এই বছৰৰ তৰ্ক প্ৰতিযোগিতাৰ বিষয়টি আছিল সদনৰ মতে- "স্নাতক মহলাত কৰ্ম জীৱন গঢ়া বৃত্তিমুখী শিক্ষাই অসমৰ নিবনুৱা সমস্যা সমাধানৰ একমাত্ৰ পথ"। ড০ মহেন্দ্ৰ প্ৰসাদ বৰুৱাৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ আমানুল হক দেৱে। প্ৰতিযোগিতাখনিত নতুনত্ব হিচাপে শ্ৰেষ্ঠ তাৰ্কিকলৈ- 'ৰহিম মোস্তাক সোঁৰৱণী বঁটা', তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকলৈ 'টঙ্কেশ্বৰ বৰা সোঁৰৱণী চলন্ত বঁটা' আৰু নগদ ধন ৫০১.০০ টকা সহ সাতোটিকৈ উদ্‌গনী মূলক বঁটা প্ৰদান কৰা হয়।

প্ৰতিযোগিতাৰ অন্তত: বিচাৰকৰ সিদ্ধান্ত আছিল এনে ধৰণৰ-

শ্ৰেষ্ঠ দল ঃ সন্দিকৈ ছোৱালী মহাবিদ্যালয়,

দ্বিতীয় শ্ৰেষ্ঠ দল ঃ কটন মহাবিদ্যালয়,

তৃতীয় শ্ৰেষ্ঠ দল ঃ মঙ্গলদৈ মহাবিদ্যালয়।

শ্ৰেষ্ঠ তাৰ্কিক, দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক আৰু তৃতীয় শ্ৰেষ্ঠ তাৰ্কিক যথাক্ৰমে সন্দিকৈ ছোৱালী মহাবিদ্যালয়, কটন মহাবিদ্যালয় আৰু মঙ্গলদৈ মহাবিদ্যালয়।

উদ্‌গনী বঁটা ক্ৰমে- যোৰহাট মহাবিদ্যালয়, ৰঞ্জিত শৰ্মা একাডেমী, মায়ং মহাবিদ্যালয়, নিৰ্মল হালৈ মহাবিদ্যালয়, টিহু মহাবিদ্যালয়, দক্ষিণ কামৰূপ মহাবিদ্যালয় আৰু খাৰুপেটীয়া মহাবিদ্যালয়ে লাভ কৰে।

মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে অকুণ্ঠ চিতে সহায়ৰ হাত আগবঢ়োৱা উপাধ্যক্ষ ড০ হৰিশ ডেকা ছাৰ, অধ্যক্ষ ড০ ৰমেন কুমাৰ ৰায়, বিভাগীয় তত্বাবধায়িকা লীনা শইকীয়া বাইদেউ, প্ৰবক্তা হৰিমন ডেকা ছাৰ, প্ৰবক্তা প্ৰমোদ শৰ্মা চাৰ, প্ৰবক্তা পৰেশ শৰ্মা ছাৰ, প্ৰাক্তন প্ৰবক্তা প্ৰফুল্ল শৰ্মা চাৰ, আন্ত:মঙ্গলদৈ ছাত্ৰ সন্থাৰ উপসভাপতি মঃ জুলহাছ আহমেদলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লগতে আন্তৰিক ধন্যবাদ যাচিছোঁ বন্ধুবৰ হেমেন, বাটেন, চন্দন, মনোজ, অপূৰ্ব, হেমন্ত, লীলা, ৰিকি আৰু মাইনালৈ। N.S.S. Unit, N.C.C. Unit, ছাত্ৰী নিবাসৰ আবাসীসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

পৰিশেষত 'তৰ্ক আৰু বক্তৃতা' এই গুৰুত্ব পূৰ্ণ বিভাগটিৰ সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য পালনত মোৰ সকলো জ্ঞাত-অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

শ্ৰদ্ধা আৰু সেৱাৰে-
শ্ৰীকিশোৰ কুমাৰ শৰ্মা, সম্পাদক

***

# সম্পাদকীয় প্ৰতিবেদন ঃ সংগীত আৰু সাংস্কৃতিক বিভাগ

বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ ছহিদ সকলক মই আন্তৰিক শ্ৰদ্ধা ও প্ৰণাম নিবেদিছোঁ। লগতে শ্ৰদ্ধা নিবেদিছোঁ, যি সকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাপে চিনাকি দিয়াৰ বাবে সংস্কৃতিৰ ভেঁটি গঢ়িলে, সেই সকল সংস্কৃতিৰ জনক, সাধক আৰু বাহক সকললৈ।

সংস্কৃতি এটি জাতিৰ দাপোণ। মানৱ হৃদয়ৰ সৌন্দৰ্য্যময় দিশটোৱেই হৈছে সংস্কৃতি। জীয়াই থকা আৰু জীয়াই ৰখা সংস্কৃতি এক সঞ্জীৱনী শক্তি। মানুহৰ মুকুটিৰ সাধনাই হৈছে সংস্কৃতিৰ মূল প্ৰেৰণা। সংস্কৃতি শব্দটো ইমান ব্যাপক যে ই সকলো মানৱীয় কাৰ্য্যকে সামৰি ল'ব পাৰে। মহান মহান পণ্ডিত সকলে কৈ গৈছে,- "সাহিত্য-সংগীত, কলাবিহীন মনুষ্য সাক্ষাত পশুৰ দৰে।" কিন্তু অন্য পশু আৰু মানুহ পশুৰ মাজত এটায়ে পাৰ্থক্য যে মানুহৰ নেজ নাই; আৰু মানুহৰূপী এই জাত পশুৰ এইটোৱে পৰম সৌভাগ্য যে ইহঁতে ঘাঁহ নোখোৱাকৈয়ে জীয়াই থাকে। গতিকে মানৱ আৰু পশুৱ মাজত মানৱক শ্ৰেষ্ঠত্ব প্ৰদান কৰা প্ৰধান কাৰণটোৱেই হ'ল মানুহে সাংস্কৃতিৰ চৰ্চা কৰে।

বিগত ২০০৩-২০০৪ বছৰটোৰ বাবে মোক সংগীত আৰু সাংস্কৃতিক বিভাগৰ সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবৰ বাবে সুযোগকণ দিলে, তাৰ বাবে মই মঙ্গলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা যাচিছোঁ।

সম্পাদক হিচাপে মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই মাহবিদ্যালয় সপ্তাহ, ১৯-০১-০৪ তাৰিখৰ পৰা ২৪-০১-০৪ তাৰিখলৈ অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ সকলো ধৰণৰ গীত-মাত আদিৰ ওপৰিও একাংকীকা নাট, একক অভিনয়, মুকাভিনয়, ব্যংগ নাট, বিহু নৃত্য, আধুনিক নৃত্য, ক্লাচিকেল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহত বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান আৰু সহযোগ কৰি মোক উৎসাহিত কৰি তুলিছিল।

**কৃতজ্ঞতা ঃ**

মোৰ কাৰ্য্যকালত সকলো দিশৰ পৰা সহযোগ তথা দিহা-পৰামৰ্শ আগবঢ়োৱা এই বিভাগৰ তত্বাবধায়ক শিক্ষাগুৰু শ্ৰদ্ধাৰ বিচিত্ৰ কুমাৰ মেধি ছাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগ আগবঢ়োৱা সহ:সম্পাদক ব্ৰজেন তালুকদাৰ তথা মোৰ বন্ধু শোণিত, অতুল, মানস, ভূপেনদা, ফুলেশ্বৰদা, পংকজ, সিদ্ধি, সমৰজ্যোতি, প্ৰীস্মিতা, হেমলতা, পুল, নৱনিতা, কুইন, কুচুম, চন্দন, নৰ, অনন্তবাপ, তৰুণ, দিলোৱাৰ, আলম, দীপাঞ্জলী, অনু, জাহ্নবী আৰু অন্যান্য সকলো বন্ধু-বান্ধবী লৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ- অধ্যক্ষ প্ৰমুখ্যে সমূহ শিক্ষা গুৰুলৈ। ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈয়ো মোৰ কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ কাৰ্য্য কালত হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি, মঙ্গলদৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'।

**শ্ৰদ্ধা আৰু সেৱাৰে-**

**কিশোৰ বৰুৱা, সম্পাদক**

****

# সম্পাদকীয় প্ৰতিবেদন ঃ ছাত্ৰী জিৰণি কোঠা



প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধা নিবেদিছোঁ সেইসকল মহান বীৰলৈ যি সকলে মহানুভৱতাৰ পৰিচয় দি নিজ মাতৃভূমিৰ কাৰণে প্ৰাণ উছৰ্গা কৰিলে। কৃতজ্ঞতা যাচিছোঁ সেই সকললৈ যি সকলে মোক এই ঐতিহ্য মণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা পদত নিৰ্বাচন কৰিলে।

শ্ৰদ্ধাৰ দাদা, বাইদেউ, মৰমৰ ভাইটি-ভন্টি আৰু বন্ধু বান্ধৱী সকল, ইং ২০০৩-২০০৪ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আপোনালোকৰ বহুমূলীয়া ভোটেৰে মোক বিপুল ভোটত জয়ী কৰালে, সেইবাবে মই আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ। আপোনালোকৰ আশীষ লৈ মই এই শিক্ষানুষ্ঠান খনিৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ গধূৰ দায়িত্ব গ্ৰহণ কৰিলোঁ।

কাৰ্য্যভাৰ পোৱাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মোৰ বিভাগৰ খেল সমূহ ডবা, লুডু, কেৰম, বেডমিণ্টন আৰু উঠা বহা আদি আছিল। ছাত্ৰীসকলে ইয়াত যোগদান কৰি খেলসমূহ চলাই নিয়াত মোক সহায় কৰিলে। প্ৰতিটো খেলতে প্ৰতিযোগীৰ সংখ্যা অধিক হোৱা বাবে বহুজনে খেলৰ মান উন্নত হোৱা বুলি প্ৰশংসা কৰিছে, যদিও এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হিচাপে ইয়াত ছাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে অধিক হোৱাটো বাঞ্চনীয় আছিল।

প্ৰতিযোগিতা সমূহৰ পুৰস্কাৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুকলি সভাত প্ৰদান কৰা হয়।

সম্পাদিকাৰ গধূৰ দায়িত্ব লোৱাৰ পিচত মই নিজে ছাত্ৰী জিৰণি কোঠাটোৰ পৰিবেশ যথেষ্ট খিনি উন্নত কৰিব পাৰিছো বুলি মই অনুভৱ কৰিছো। বৰ্তমান উন্নত দিশসমূহ হ'ল-ছাত্ৰী জিৰণি কোঠাতো আগৰ তুলনাত যথেষ্ট আহল-বহল হ'ল, বহিবৰ কাৰণে বেঞ্চ আদিৰ সংখ্যা বেছি হ'ল। এই ক্ষেত্ৰত বিশেষভাৱে শলাগ ল'ব লাগিব সন্মানীয় বিধায়ক শ্ৰীযুত বসন্ত কুমাৰ দাস দেৱৰ, তেওঁ আমাৰ অনুৰোধ ৰক্ষা কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ সুবিধাৰ্থে এখন ড্ৰে'ছিং টেবুলৰ যোগাৰ কৰি দিলে।

মই মোৰ কাম নিষ্ঠাৰে পালন কৰিছো যদিও আন বহু কৰণীয় কাম বাকী থাকিল। বিশেষভাৱে খোৱা পানীৰ সুবিধাটো অলপ উন্নত কৰাৰ ইচ্ছা আছিল। প্ৰস্ৰাৱগাৰত পানী আৰু পোহৰৰ অভাৱ থাকি গ'ল। আশাকৰো, পৰৱৰ্তীকালত সম্পাদিকাই উক্ত দিশ সমূহত চকু দিব।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা সহায় আগবঢ়োৱাৰ বাবে শ্ৰীমতী বন্দনা গোস্বামী বাইদেউ, অধ্যক্ষ মহোদয়, ড০ হৰিশ চন্দ্ৰ ডেকা ছাৰ, শ্ৰীঘনকান্ত বৰুৱা, শ্ৰীসাধিৰাম বড়া দেৱলৈ মোৰ কৃতজ্ঞতা যাচিলোঁ।

লগতে কৃতজ্ঞতা যাচিলোঁ দ্বীপকিশোৰদা, কুন্তলদা, হিতেশদা, চানদা আৰু পঙ্কজদালৈ।

বিশেষ ধৰণে সহায় কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী-নিবাস, শইকীয়া নিবাসৰ ছাত্ৰী সকল, বিভিন্ন মেচত থকা ছাত্ৰ-ছাত্ৰী আৰু লগতে বন্ধু-বান্ধৱী-- বনশ্ৰী, ডলী, কৰবী, চয়নিকা,

জয়জ্যোতি, জাহ্নুজ্যোতি, চিত্ৰলেখা, কবিতা, ৰিজু, চন্দন, প্ৰাণজিৎ, ফুলেন, ধীৰাজ, ৰূপ, নৃপেন, হিমাংশু, অমৰেন্দ্ৰ, কল্যাণ, হৃদয়, ৰিতু, মণিকা, কপিল আৰু ধ্ৰুৱলৈ থাকিল অশেষ ধন্যবাদ।

মোৰ এই এবছৰীয়া কাৰ্য্যকালত কি কৰিলো বা নকৰিলো ইয়াৰ বিচাৰ আপোনালোকে কৰিব। গতিকে মোৰ কাৰ্য্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলো বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়,

জয় আই অসম'

শ্ৰদ্ধা আৰু সেৱাৰে-

শ্ৰীৰুমি শৰ্মা

সম্পাদিকা

****

## সম্পাদকীয় প্ৰতিবেদন ঃ ছাত্ৰ জিৰণি কোঠা



এসময়ত লোকসকলে বিশ্বাস কৰিছিল অন্ত:দ্বাৰ খেল সমূহ এটি সীমাৰ মাজত আবদ্ধ; কিন্তু বহি:দ্বাৰ খেলসমূহ ইয়াৰ ব্যতিক্ৰম। সেইবাবে এই খেলৰ জনপ্ৰিয়তা আছিল বহুল।

সময়ৰ লগে লগে ইয়াৰ পৰিৱৰ্তন হ'ল। অন্ত:দ্বাৰ খেলৰ যোগেদিও শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশ সাধন হয় মানৱ সমাজত। বিশ্বৰ দৰবাৰত টেবুল-টেনিছ, বেড্মিণ্টন, ডবা আদি খেলে অন্ত:দ্বাৰ খেলৰ জনপ্ৰিয়তাৰ লগতে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হ'ল। বৰিছ বেকাৰ, গেৰী কাছপাৰ'ভ, পিট্ ছামপ্ৰাছ, নাভ্ৰাটিলোভা, ষ্টেফি গ্ৰাফ এওঁলোকেই ইয়াৰ মূল উদাহৰণ।

২০০৩-০৪ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক জয়ী কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মই মোৰ প্ৰথম পদক্ষেপ হিচাপে 'মহাবিদ্যালয় সপ্তাহ'ত বেডমিণ্টন, কেৰম, ডবা আৰু টেবুল-টেনিছ এই চাৰিবিধ খেলৰ প্ৰতিযোগিতা পৰিচালনা কৰা হয়। তলত খেল সমূহৰ চমু আভাস ডাঙি ধৰা হ'ল।

বেড্মিণ্টন ঃ

একক শাখাত মানস প্ৰতীম শৰ্মা জয়ী হোৱাৰ লগতে দ্বৈত শাখাত জয়ী হয় মানস প্ৰতীম শৰ্মা আৰু ভাস্কৰ শৰ্মা।

কেৰম ঃ

একক শাখাত মানস প্ৰতীম শৰ্মা আৰু দ্বৈত শাখাত দ্বীপ কিশোৰ শইকীয়া আৰু ধীৰাজ নাথ জয়ী হয়।

টেবুল টেনিছ ঃ

একক শাখাত মৃণাল বৰুৱা আৰু দ্বৈত শাখাত দ্বীপ কিশোৰ শইকীয়া আৰু খনীন্দ্ৰ কলিতা জয়ী হয়।

ডবা ঃ

এই প্ৰতিযোগিতাত সত্তৰ জনতকৈও অধিক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। প্ৰতিযোগিতাত প্ৰাঞ্জল বৰুৱাই শ্ৰেষ্ঠ খিতাপ অৰ্জন কৰে।

শ্ৰেষ্ঠ অন্ত:দ্বাৰ খেলুৱৈ সন্মান লাভ কৰে শ্ৰীমানস প্ৰতীম

শৰ্মাই।

কৃতজ্ঞতা স্বীকাৰ ঃ

যি গৰাকী শিক্ষগুৰুৱে প্ৰতিটো পদক্ষেপতে মোক দিহা পৰামৰ্শ তথা প্ৰেৰণা দি আহিছে তেখেত শ্ৰদ্ধাৰ শ্ৰীযুত হৰিমন ডেকা ছাৰ দেৱ। তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপনৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে-

"জয়তু মঙ্গলদৈ মহাবিদ্যালয়"

জয় আই অসম

শ্ৰীৰবীন্দ্ৰ বৰুৱা, সম্পাদক

২০০৩-০৪ বৰ্ষ

****



# সম্পাদকীয় প্ৰতিবেদন ঃ সমাজ সেৱা বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ যি সকল মহান ব্যক্তিৰ সেৱা আৰু ত্যাগৰ বিনিময়ত আজি আমি পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতাৰ সোৱাদ ল'ব পাৰিছোঁ, সেইসকল সমাজ-সেৱকৰ আশীৰ্বাদ শিৰত লৈ মই মোৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

'Work is Religion' কৰ্মই ধৰ্ম- এই নীতি সৰোগত কৰিয়েই জন্ম হৈছে সমাজ সেৱাৰ দৰে এটা মহান অনুষ্ঠান। প্ৰত্যেকজন ব্যক্তিৰে ভাল কাম কৰাৰ অদম্য হেঁপাহ আছে। এই হেঁপাহকণক সমাজ সেৱাৰ দ্বাৰা প্ৰতিফলিত কৰি সমাজৰ উন্নতিত বৰঙণি যোগাব পৰা যায়। সমাজ সেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ। বৰ্তমানৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক। গতিকে ছাত্ৰাৱস্থাৰ পৰা সমাজ সেৱাৰ মনোভাৱ গঢ়ি তুলিব পাৰিলেহে ভৱিষ্যতে এজন সু-নাগৰিক হিচাপে দেশখনক উন্নতিৰ জখলাত আগবঢ়াই নিয়াত সুবিধা হ'ব।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০০৩-২০০৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি যৎকিঞ্চিত সেৱা আগবঢ়াবৰ বাবে সি সকল বিবেকবান ছাত্ৰ-ছাত্ৰীয়ে মোক সুযোগ দিলে তেখেত সকললৈ মোৰ হিয়া ভৰা মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহত চাফাই প্ৰতিযেগিতা, বৃক্ষৰোপণ কাৰ্য্যসূচী আদি অনুষ্ঠিত কৰা হয়। চাফাই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। ই আমাৰ বাবে নিশ্চয় সু-খবৰ। এই প্ৰতিযোগিতাখনিত প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দললৈ বঁটা প্ৰদান কৰা হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ

মোৰ কাৰ্য্যকালৰ সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি বিভাগীয় কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰা তত্বাৱধায়ক অধ্যাপক শ্ৰদ্ধাৰ শ্ৰীযুত পৰেশ চন্দ্ৰ শৰ্মা ছাৰলৈ মোৰ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোক সততে দিহা পৰামৰ্শ দান কৰা শ্ৰদ্ধাৰ ড০ হৰিশ ডেকা ছাৰ, ড০ ৰমেন বয় ছাৰ, শ্ৰীযুত হৰিমন ডেকা ছাৰ, শ্ৰীযুতা লীনা শইকীয়া বাইদেউলৈ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মোৰ শুভাকাংক্ষী তথা সমূহ বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা আৰু মৰম যাচিছোঁ।

সদৌ শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু অজানিতে হৈ যোৱা দোষ ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি পেলাইছো।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু সমাজ সেৱা বিভাগ

শ্ৰীকবিতা বৰুৱা

সম্পাদিকা

****

# সম্পাদকীয় প্ৰতিবেদন ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনি বিভাগ



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মই শ্ৰদ্ধাঞ্জলি যাচিলোঁ সেই সকল ছহিদলৈ, যিসকলে নিজৰ জীৱনদান কৰি আমাৰ মাতৃভূমিক সেৱা কৰিলে।

হে মহান ছাত্ৰ-ছাত্ৰীসকল,

ইং ২০০৩-০৪ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়কৰ যি গুৰু দায়িত্ব আপোনাসৱে মোক দিলে; সেই দায়িত্ব মই সুচাৰুৰূপে পালন কৰিব পাৰিছো নে নাই সেয়া আপোনাসৱৰ বিচাৰ্য্য। এই সুযোগকণৰ সদ ব্যৱহাৰ কৰি মোৰ কাৰ্য্যকালত ২০০৩-০৪ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত কৰা কামৰ বিৱৰণ তলত ডাঙি ধৰিলো।

ক) ২০০৪ বৰ্ষৰ মঙলদৈ সনাতন ধৰ্মসভা প্ৰাঙ্গনত অনুষ্ঠিত হোৱা ৰাস মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৩২ গৰাকী স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকাই সেৱা আগবঢ়ায়।

খ) আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি কাৰ্য্যসূচীত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৮৫ জন স্বেচ্ছাসেৱক/ স্বেচ্ছাসেৱিকাই অংশ গ্ৰহণ কৰো।

গ) মোৰ কাৰ্য্যকালত মহাবিদ্যালয় চৌহদত দুটি পূৰ্ণদিনীয়া আৰু এটি অৰ্ধদিনীয়া শিবিৰ অনুষ্ঠিত হয়।

ঘ) ২০০৪ বৰ্ষত অনুষ্ঠিত হোৱা অভিৰুচি ক্ৰীড়া দিৱসত ২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

**সমস্যা ঃ**

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বহুতো সমস্যা আছে। তাৰ ভিতৰত প্ৰধান সমস্যা-কাৰ্য্যালয়ৰ বাবে এটি আহল-বহল কোঠাৰ অভাৱ। তাৰোপৰি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আবণ্টিত ধন সময়মতে নোপোৱাৰ বাবে শিবিৰ অনুষ্ঠিত কৰাত বহু জটিলতাৰ সন্মুখীন হ'বলগীয়া হয়। আশা কৰিছো আগন্তুক দিনত বিভাগীয় কৰ্তপক্ষই এই অসুবিধাসমূহ দূৰ কৰিব।

মোৰ কাৰ্য্যকালত সকলো দিশতে সু-পৰামৰ্শ আৰু অনুপ্ৰেৰণাৰ লগতে সহায় সহযোগ আগবঢ়োৱা শ্ৰদ্ধাৰ শ্ৰীযুত ৰমনীকান্ত চহৰীয়া, শ্ৰীযুত হৰিমন ডেকা আৰু শ্ৰীযুত হৰিশ চন্দ্ৰ ডেকা দেৱলৈ মোৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ। তাৰোপৰি মৰমৰ বন্ধু-বান্ধৱী— চন্দন, গীতা, হিমা, গীতিকা, কিশোৰ, জোনালী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সমূহ কৰ্মীলৈ তথা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ যাঁচিলো মোৰ অফুৰন্ত মৰম আৰু কৃতজ্ঞতা।

জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি

জয়তু মঙলদৈ মহাবিদ্যালয়

শ্ৰদ্ধাৰে-

**হজৰত আব্দুল বাতেন**

অধিনায়ক

২০০৩-০৪ বৰ্ষ

****

# সম্পাদকীয় প্রতিবেদন ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনি বিভাগ

প্ৰাৰম্ভণিতে মোৰ হিয়াৰ অকিঞ্চন প্ৰণিপাত যাচিছোঁ মাতৃভূমিৰ স্বাধীনতা আৰু জাতীয়তাৰ বাবে অসীম সাহস আৰু ত্যাগৰ পৰিচয় দি নিজৰ প্ৰাণ উৎসৰ্গা কৰা মহান পুৰুধাসকললৈ, যাৰ আশীষ আৰু শুভকামনাৰে আমি আন্ধাৰৰ পৰা পোহৰলৈ, অসত্যৰ পৰা সত্যলৈ আগুৱাই যোৱাৰ প্ৰেৰণা পাইছো।

Work is Religion- কৰ্মই ধৰ্ম; এই কথাষাৰকে সৰোগত কৰি তিনিটা দশকৰো বেছি বছৰ ধৰি সমাজৰ বাবে নি:স্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা ৰাষ্ট্ৰীয় সেৱা আঁচনি, মঙলদৈ মহাবিদ্যালয় গোটৰ এটা বৰ্ষৰ অধিনায়ক হিচাপে মই সমাজক কি দিব পাৰিলো নাজানো; কিন্তু প্ৰয়াস কৰিছিলো সূৰ্য্যমুখী সপোন সাৰতি অহা এজাক কলেজীয়া ছাত্ৰ-ছাত্ৰী (বন্ধু-বান্ধৱী)ৰ স'তে সমাজৰ বাবে কাম কৰি যোৱাৰ।

মোৰ কাৰ্য্যকালত দুটামান শ্ৰমদান শিবিৰ, মঙলদৈ সনাতন ধৰ্মসভাৰ ৰাস মহোৎসৱ আৰু অসম সাহিত্য সভা, ছিপাঝাৰ অধিবেশনত স্বেচ্ছাসেৱা প্ৰদান কৰাৰ বাবে অংশগ্ৰহণ কৰা হয়।

N.S.S.বুলি ক'লে সততে চিনাকি এই অনুষ্ঠানৰ অভাৱ-অভিযোগ নাই বুলি ক'ব নোৱাৰি। প্ৰথমেই প্ৰয়োজন, এটি আহল-বহল কোঠাৰ য'ত ছাত্ৰ-ছাত্ৰীসকলে একেলগে বহি বিভিন্ন সমাজিক দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰি N.S.S.ক আগুৱাই নিয়াৰ প্ৰয়াস কৰিব পাৰে।

আন বিভাগবোৰৰ দৰে N.S.S.ৰো এখনি প্ৰাচীৰ পত্ৰিকাৰ অতি প্ৰয়োজন। তাৰ বাহিৰেও মানসিক আৰু শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে প্ৰাথমিক চিকিৎসা প্ৰশিক্ষণ শিবিৰ,যোগ-ৰেইকি প্ৰশিক্ষণ শিবিৰ, ডিজেষ্টাৰ মেনেজমেন্টৰ জ্ঞান, কেৰিয়াৰ কাউন্সেলিং আদিৰ শিবিৰ অনুষ্ঠিত কৰা প্ৰয়োজন। তাৰ বাহিৰেও ঔদ্যোগিক প্ৰশিক্ষণ, স্ব-নিৰ্ভৰশীলতাৰ বাবে নানা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে কৰ্তৃপক্ষ আৰু N.S.S.ৰ স্বেচ্ছাসেৱক/সেৱিকাসকলে উপযুক্ত পদক্ষেপ ল'ব বুলি আশা কৰিলোঁ।

মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ N.S.S.ৰ সমূহ শুভাকাংখী, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, প্ৰবক্তা, কৰ্মচাৰীবৃন্দ, কাৰ্য্যসূচী বিষয়া শ্ৰীযুত ৰমনীকান্ত চহৰীয়াদেৱ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে N.S.S.ৰ সমূহ কৰ্মী আৰু মই বিভিন্ন ধৰণে সহায়-সহযোগ তথা প্ৰেৰণা পোৱা বাতেনদা, কিশোৰদা, সৌৰভ, প্ৰাঞ্জল, ভৰ, ননীমা, অৰ্চনা, প্ৰণতি, প্ৰণীতা, কবিতালৈ।

আশা কৰিছো মঙলদৈ মহাবিদ্যালয়ৰ N.S.S. এ মহাবিদ্যালয়ৰ সন্মান অটুট ৰাখি ঐকান্তিকতাৰে সমাজৰ বাবে কাম কৰি যাব। শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাতোপ্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

-শ্ৰদ্ধাৰে আৰু সেৱাৰে
শ্ৰী লৱ কুমাৰ ডেকা
অধিনায়ক
ৰাষ্ট্ৰীয় সেৱা আঁচনি
২০০৪-০৫ বৰ্ষ

****

# সম্পাদকীয় প্ৰতিবেদন ঃ চাৰু-কলা বিভাগ



প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ পাতনি মেলিছো।

২০০৪-০৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত চাৰু-কলা বিভাগৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰি চাৰু-কলা বিভাগৰ সম্পাদক হিচাপে বিগত বছৰটিত কি বিকাশ কৰিব পাৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য বিষয়। ২০০৪-০৫ বৰ্ষত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত চাৰু কলা বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত চিত্ৰকলাৰ বিভিন্ন প্ৰতিযোগিতা, পোষ্টাৰ মেকিং, ক'লাজ, চিলাই আদিৰ উপৰিও এখনি কৰ্মশালা আৰু এখনি বিশাল প্ৰদৰ্শনীৰ কথা উল্লেখযোগ্য। চিত্ৰ কৰ্মশালা অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ আমি আমন্ত্ৰণ জনাইছিলো ক্ৰমে অসমৰ বৰ্তমান সময়ৰ প্ৰখ্যাত চিত্ৰশিল্পী, দৰংবাসীৰ গৌৰৱ আৰু মঙলদৈ মহাবিদ্যালয়ৰ হৈ আন্তঃ মহাবিদ্যালয় 'যুৱ মহোৎসৱ'ত চাৰুকলা বিভাগত সোণৰ পদক লাভ কৰা মহাবিদ্যালয়ৰ প্ৰাক্তন কৃতি ছাত্ৰ মাননীয় দাদুল চলিহা দেৱ, গৌতম বৰুৱা, হিতেশ ডেকা, পল্লৱ ডেকা আৰু গৌতম ডেকাক। এওঁলোক সকলোৱে আমাৰ কৰ্মশালাখনত উপস্থিত থাকি নিজৰ সৃষ্টিকৰ্মৰ দ্বাৰা কৰ্মশালাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

মোৰ কাৰ্য্যকালত মই এটা অভাৱ বৰকৈ অনুভৱ কৰিছিলো। আমাৰ মহাবিদ্যালয় সপ্তাহত প্ৰতি বছৰে চাৰুকলা বিভাগৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। বহুতো প্ৰখ্যাত শিল্পীয়ে এই কৰ্মশালাত নিজৰ সৃষ্টিৰাজি আমাক উপহাৰ স্বৰূপে দি যায়। তেওঁলোকৰ সেই অমূল্য পেইন্টিং কেইখন মহাবিদ্যালয়ত সংৰক্ষণৰ ব্যৱস্থা এতিয়াও হোৱা নাই। সেয়ে মোৰ কাৰ্য্যকালত মই কৰ্মশালাৰ পৰা লাভ কৰা পেইন্টিং কেইখন অধ্যক্ষ মহোদয়ৰ হাতত জমা দি মহাবিদ্যালয়ত এটি আৰ্ট গেলাৰী সৃষ্টিৰ বাবে অনুৰোধ জনাইছিলো। নৱ-নিযুক্ত স্থায়ী অধ্যক্ষ মাননীয় ড০ যাদৱ চন্দ্ৰ নাথ ছাৰে মোৰ প্ৰস্তাৱত ইতিবাচক সহাৰিও জনাইছিল। সেয়ে মই মোৰ পৰৱৰ্ত্তী সম্পাদকসকলক এই বিষয়টোত অলপ গুৰুত্ব প্ৰদান কৰিবলৈ আৰু মাননীয় অধ্যক্ষ মহোদয়ক এটি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত সকলো কামতে বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ অতি শ্ৰদ্ধাৰ তত্বাৱধায়িকা বাইদেউ মাননীয়া ৰাণু কলিতা চৌধুৰী, মাননীয়া লীনা শইকীয়া বাইদেউ, মোৰ চিত্ৰকৰ্মৰ অনুপ্ৰেৰণা তথা মোৰ গুৰু মাননীয় দাদুল চলিহা ছাৰ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত, মোৰ অজানিত ভুলৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

'জয়তু মঙলদৈ মহাবিদ্যালয়'
'জয়তু মহাবিদ্যালয়
ছাত্ৰ একতা সভা'

ধন্যবাদেৰে-
শ্ৰী চন্দন কলিতা
সম্পাদক

***

# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় বীৰ ছহিদ আৰু যি প্ৰয়াত জীৱিত সদাশয় ব্যক্তিৰ আশা সুধীয়া প্ৰচেষ্টাৰ ফলত এই উচ্চ শিক্ষাৰ পবিত্ৰ মহান অনুষ্ঠানটিৰ প্ৰতিষ্ঠা হ'ল তেওঁলোকক সহস্ৰ প্ৰণাম যাচিছোঁ লগতে স্মৰণ কৰিছোঁ।

আজি সমাজৰ পৰিৱৰ্তিত মূল্যবোধ আৰু সময়ৰ আহ্বানে মানৱ জীৱনক প্ৰভাৱিত কৰিছে, পৃথিৱীখন এখন গোলকীয় গাঁৱত পৰিণত হৈছে। পৰিৱৰ্ত্তিত সমাজৰ লগত আমাৰ দৃষ্টি ভংগীও সলনি হৈছে। বিশ্বায়নৰ (Globalisation) ৰ ফলত আমাৰ জীৱন ধাৰণত শিক্ষা ব্যৱস্থা, অৰ্থ-ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা আদি সমগ্ৰ সামাজিক ভাৱৰাশিৰ পৰিৱৰ্ত্তন ঘটিছে। আজিৰ যুগৰ চেতনাই আমাক সকলো ক্ষেত্ৰতে সচেতন কৰে প্ৰতিযোগিতামুখী মনোভাৱে। Global Village ৰ নৱ-জাগৰণৰ একমাত্ৰ কোৱালিটি পূৰ্ণ উচ্চ শিক্ষাইহে প্ৰগতিশীল, প্ৰতিযোগিতাপূৰ্ণ সমাজ আৰু ব্যক্তি জীৱনৰ মাজত ভাৰসাম্য ৰক্ষা হোৱাত সহায় কৰিব পাৰে। এই পৰিৱৰ্ত্তিত সময়ত আমাৰ ছাত্ৰ-ছাত্ৰী আৰু নতুন যুৱ-প্ৰজন্মই যদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰে, তেন্তে অসমীয়া জাতিটো নিশকতীয়া নহ'ব বুলি আমি নিশ্চয়তা প্ৰদান কৰিব নোৱাৰো। আমাৰ ৰাজ্যখনত বৰ্তমান যুগৰ উচ্চ শিক্ষাৰ পৰিৱেশটো দেশৰ প্ৰকৃত মানৱ সম্পদ উন্নয়নত তথা জাতিটোৰ ভৱিষ্যৎ উত্তৰণত কিদৰে ভূমিকা যোগাব সেয়া অস্পষ্ট; ই এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে।

বৰ্তমান উচ্চ শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীৰ আত্ম-সংস্থাপনৰ সমস্যাই উচ্চ শিক্ষাত হতাশাৰ ছাঁ পৰিছে। আমাৰ শিক্ষা ব্যৱস্থাটোৰ কৰবাত কেৰোণ আছে। শিক্ষা ব্যৱস্থাটোত নিশ্চয় নতুনত্বৰ প্ৰয়োজন আছে। Quality Educationৰ প্ৰয়োজনীয়তা আহিছে। তিনিখনকৈ বিশ্ববিদ্যালয় আৰু ইয়াৰ পণ্ডিত সমাজ, অসমৰ বুদ্ধিজীৱি, শিক্ষাবিদ আৰু এখন গণতান্ত্ৰিক দেশত কৌশল গ্ৰহণকাৰী ব্যৱস্থা থকাৰ ফলতো আমাক সুস্থিৰ কোৱালিটি পূৰ্ণ শিক্ষা ব্যৱস্থা প্ৰদান কৰিব পৰা নাই। ইয়াৰ ফলত বৃহৎ অসমীয়া জাতিটোৱেই বহুদূৰ পিছ পৰি যাব লাগিব। ছাত্ৰ সমাজে আশা ৰাখিছো আমি নিশ্চয় শিক্ষা ব্যৱস্থাটোত নতুনত্ব পাম; অন্যথা এই ঘূণে ধৰা ব্যৱস্থাত সুজলা-সুফলা শস্য-শ্যামলা অসমী আইৰ শক্তি বৰ্ত্তি নাথাকিব আৰু বৃহৎ জাতিটো স্থবিৰতাই গ্ৰাস কৰিব তথা যুৱ প্ৰজন্ম যুগৰ প্ৰতাৰণাৰ বলি হ'ব লাগিব।

সুজলা-সুফলা অসমৰ চৌদিশৰ প্ৰাকৃতিক পৰিৱেশ যেনেকৈ বিচিত্ৰতাৰে ভৰপূৰ, তেনেদৰে ভৰপূৰ জাতি জনগোষ্ঠিৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰে আবৃত শংকৰ-মাধৱ, আজান ফকীৰৰ সমন্বয়ৰ মহাজাতি বৃহত্তৰ অসমীয়া জাতি। এই বৃহত্তৰ জাতিৰ ঐক্যতাক আমি নিলীম আকাশৰ তলত শুভ্ৰ বৰফেৰে ঢাক খাই থকা, পৰ্বতৰ উচ্চ শিখৰৰ পৰা কুলু-কুলু শব্দৰে বৈ অহা চন্দ নিৰ্মল পানীৰ নিজৰাৰ লগত তুলনা কৰিব পাৰি।

কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল ক্ষমতাৰ ৰাজনীতিৰ মেৰপাকত আজি জনজাতীয় সংঘাতে জাতিটোৰ স্থবিৰতা

আনিছে। সাতাম পুৰুষীয়া বিভিন্ন জাতিগোষ্ঠিৰ মাজত যুগ-যুগ ধৰি চলি অহা এই বান্ধোন ছিগি গৈছে। ৰাজনীতিৰ কুটিল চক্ৰান্তৰ বাবে চাৰিওপিনে গা কৰি উঠা বিভেদৰ এই মেৰপাকত আমাৰ বৃহৎ জাতিটো যেন আৰু প্ৰতাৰিত নহয়, সেই বাবে ছাত্ৰ সমাজে অধিক মনোনিবেশ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। আমি গণতান্ত্ৰিকভাৱে আৰু শান্তিপূৰ্ণভাৱে জাতিটোৰ বাবে বহুতো কৰিবলগীয়া এতিয়াও আছে। সকলো অসমীয়া জনগোষ্ঠিয়ে একোডাল এনাজৰীৰে বান্ধ খায়েই ৰাজনৈতিক, অৰ্থনৈতিক সুবিধাকে ধৰি সমগ্ৰ গণতান্ত্ৰিক সুবিধা লাভ কৰিব পাৰিব লাগিব। জাতি-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো খিলঞ্জীয়া জনগোষ্ঠিৰ মাজত সমন্বয় সৃষ্টিৰে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক শক্তিশালী ৰূপত আগবঢ়াই লৈ যাব লাগিব।

অসমৰ উশৃংখল যুৱ-মানসিকতাই গোটেই সমাজখন ছানি ধৰিছে। অসমৰ চুকে-কোণে সংস্কৃতিৰ নামত নগ্নতা, অপ-সংস্কৃতিয়ে গা কৰি উঠিছে; উলংগ হৈ নৃত্য কৰিব পৰাটোও সংস্কৃতি বুলি গৌৰৱবোধ কৰিছে। অথচ আমাৰ জাতিৰ নিজস্ব পৰম্পৰা আছে। বিশ্বৰ আন সংস্কৃতিৰ লগত ফেৰ মাৰিব পৰা সংস্কৃতি আছে। আমাৰ নিজৰটো পাহৰি আনৰ বেয়াটোকে ভাল বুলি বুকুত সাবটি লৈছে দুৰ্ভাগ্যজনকভাৱে। আমি সকলোৱে বিভিন্ন জাতি-জনগোষ্ঠিৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় অৰদান আগবঢ়াব লাগিব। আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও এই ক্ষেত্ৰত পদক্ষেপ ল'ব লাগিব নহ'লে আমাৰ ধ্বংস অনিবাৰ্য্য।

<u>কাৰ্য্যকাল</u> ঃ

(১) আমি ২০০৪-০৫ বৰ্ষৰ নৱ নিৰ্বাচিত ছাত্ৰ একতা সভাই অধ্যক্ষৰ ওচৰত আনুষ্ঠানিক ভাৱে কাৰ্য্যভাৰ গ্ৰহণ কৰো আৰু শপত বাক্য পাঠ কৰো।

(২) ১৭ ডিচেম্বৰ'০৪ ৰ পৰা ২১ ডিচেম্বৰ'০৪ লৈ ৫ দিনীয়াকৈ মহাবিদ্যালয় সপ্তাহ কাৰ্য্যসূচী পালন কৰা হয়।

<u>কৃতজ্ঞতা জ্ঞাপন</u> ঃ

আমাৰ বিভিন্ন কাম-কাজৰ লগত জড়িত থকা বা প্ৰয়োজনীয় পৰামৰ্শৰে উপকৃত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ যাদৱ নাথ ছাৰ, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক অনিল শৰ্মা ছাৰ, ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয় বাবৰ ভাৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাসকল, মাননীয় বিধায়ক বসন্ত দাসদেৱ, দিগন্ত মণি বড়া (বিমানদা), প্ৰতাপ বৰদলৈ, মণিময় গোস্বামী, আন্তঃমঙ্গলদৈ ছাত্ৰ সন্থা, দ্বীপ কিশোৰ শইকীয়া, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল আৰু মোৰ বকুলৰ তলৰ বন্ধুবৰ্গ 'চুইট ড্ৰিমৰ' সকলো সদস্য-সদস্যাৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লো।

মই উপ-সভাপতি হিচাপে দায়িত্ব পালন কৰিবলৈ যাওঁতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ছাত্ৰ-ছাত্ৰীৰ মাজত যদি কিঞ্চিত মানো দুখ দিছো আৰু অজানিতে কৰা ক্ৰুটি বিচ্যুতিৰ বাবে শৰণাগত হৈ আপোনালোকৰ ওচৰত নতশিৰে মাৰ্জনা বিচাৰিছোঁ লগতে বীৰ ছহিদ সকললৈ শ্ৰদ্ধাঞ্জলি যাচিছোঁ। মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ ৰ'ল অযুত মৰম, আশা আৰু শুভেচ্ছা।

শ্ৰদ্ধাৰে-

জয় আই অসম

জয়তু মঙ্গলদৈ মহাবিদ্যালয়

জয়তু মঙ্গলদৈ মহাবিদ্যালয়ৰ

ছাত্ৰ একতা সভা

খনিন্দ্ৰ ৰাজবংশী

উপ-সভাপতি

মঙ্গলদৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভা,

২০০৪-০৫ বৰ্ষ

*****



# ছাত্র একতা সভাৰ উপসভাপতিৰ প্ৰতিবেদন

প্ৰাচুৰ্য্যতাৰে ভৰা শব্দ ভাণ্ডাৰৰ বিয়াগোম্ বিশ্লেষণ শৈলীৰে কৃতিত্বৰ পাহাৰ গঢ়াৰ বাসনা মোৰ নাই। নিজকে মোচাহেব ৰূপে সজাবলৈ অপচেষ্টা কাহানিও কৰা নাই আৰু নকৰো। এমুঠি বিবেক সৰ্বস্ব মস্তিষ্কত কল্পনাৰ মায়াজাল ৰচি হৃদয় জয় কৰাৰ ধৃষ্টতাও মোৰ নাই। সেই মহান আপ্তবাক্যশাৰীক সৰোগত কৰি আপোনাসৱৰ স'তে খোজ মিলাবলৈ প্ৰচেষ্টা মোৰ আহোৰাত্ৰ-

"Duty is Beauty, Beauty is truth and Truth is God."

সুদীৰ্ঘ পাঁচটি বছৰৰ জীপাল অভিজ্ঞতাৰে মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ মজিয়াত আধুনিক বিশ্বৰ নব্য চিন্তাধাৰাৰে উন্মেষিত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ হকে নিজকে কিমান দূৰ আগবঢ়াই দিলো, সেই বিচাৰ্য্যৰ ভাৰ কাহানিও নলওঁ। কিন্তু ছাত্ৰ-ছাত্ৰীৰ সান্নিধ্যত এৰি অহা প্ৰতিটো পল লিপিবদ্ধ কৰিম মন গহনৰ ঐতিহাসিক দস্তাবেজৰ। সফল ছাত্ৰ নেতাৰ শাৰীত থিয় কৰাই যেতিয়াই আপোনাসৰে মোক মৰমেৰে ওপচাব বিচাৰে, অনুভৱ তেতিয়াই হয় 'যেন ইতিকিং কৰা হৈছে মোৰ কৰ্মৰাজিক'! আচলতে শ্ৰদ্ধাত দোঁ খাই যায় ছাত্ৰ-ছাত্ৰীৰ উদাৰতাত। আলোচনী সম্পাদকৰ আসনত অধিষ্ঠিত কৰাই পুনৰ দুবছৰীয়া কাৰ্যকালৰ বাবে সাধাৰণ সম্পাদকৰ উপৰিও আৰু দুবছৰ উপসভাপতি পদত আশীষ ধন্য কৰি মসৃন পৰিক্ৰমাৰে মঙলদৈ মহাবিদ্যালয়ৰ বৃহৎ পৰিয়ালটিৰ এজন দায়িত্বশীল সদস্য হিচাবে মোক সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰা হ'ল তাৰ বাবে কৃতজ্ঞতাৰ ভাষা আজি মই আবেগৰ বন্যাত হেৰুৱাই পেলাইছো।

**মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সম্পৰ্কে ঃ**

আশাশুধীয়া প্ৰচেষ্টাৰে জিলাখনৰ বৌদ্ধিক উত্তৰণৰ প্ৰাণকেন্দ্ৰ 'মঙলদৈ মহাবিদ্যালয়'ৰ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহৰ আয়োজনৰ বাবে অগ্ৰসৰ হৈছিলোঁ। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে, কৰ্তৃপক্ষৰ অপৰকল্পিত নীতি-নিৰ্দেশনাৰ এখনি সৰ্বাংগসুন্দৰ সমাৰোহৰ প্ৰতিচ্ছবি দাঙি ধৰাত আমি বাৰে বাৰে উজুটি খাইছিলোঁ।

**মহাবিদ্যালয়ৰ আলোচনী সম্পৰ্কে ঃ**

দৰং জিলাৰ উচ্চ শিক্ষানুষ্ঠান এখনৰ আজি তিনি বছৰ মহাবিদ্যালয় আলোচনী প্ৰকাশ নোহোৱাত দুখ অনুভৱ কৰাৰ লগতে লাজ পাইছোঁ। ছাত্ৰ-ছাত্ৰী সকলে অতি আশাৰে নিৰ্বাচিত কৰা আলোচনী সম্পাদক কেইজনে মহাবিদ্যালয়ৰ বৃহৎ স্বাৰ্থ ত্যাগ কৰি ব্যক্তিগত মুনাফাৰ বাবেহে যেন সম্পাদক হয় তেনে অনুভৱ হৈছে। মহাবিদ্যালয়ৰ আলোচনী এখন সময় মতে প্ৰকাশ কৰাৰ দায়িত্ব সম্পাদকৰ লগতে সম্পাদনা সমিতিৰো। গতিকে এই ক্ষেত্ৰত পিছলৈ চকু দিব বুলি আশা কৰিলোঁ।

**ছাত্ৰ একতা সভাৰ কাৰ্য্যকালত মোৰ উল্লেখযোগ্য দিশ ঃ**

মহাবিদ্যালয়ৰ চাইকেল ষ্টেণ্ড, পুথিভঁৰাল, চৌহদৰ ৰাস্তা পকীকৰণ, মহাবিদ্যালয় চাফ-চিকণ কৰি নতুনকৈ সজাই তোলা, খোৱা পানীৰ ব্যৱস্থা কৰা, ছাত্ৰী জিৰণি কোঠা, শিক্ষক জিৰণি কোঠা, Conferance Hall, Science Seminar Hall, Canteen, চাৰিটাকৈ প্ৰবেশদ্বাৰ, নিজা ৰবীয়াকৈ সকলোৰে বাবে Dept.ৰ ব্যৱস্থা কৰা, ছহিদ বেদী সজাই তোলা, মহাবিদ্যালয়ত Uniform ৰ ব্যৱস্থা কৰা, জৰজীৰ্ণ অৱস্থাত থকা Boys Hostel চাফ-চিকণ কৰি Class Room ৰ ব্যৱস্থা কৰা, মহাবিদ্যালয়ত Computer শিক্ষাৰ ব্যৱস্থা কৰা আদি মোৰ কাৰ্য্যকালৰ উল্লেখনীয় দিশ। এই ক্ষেত্ৰত সকলোৱে সহায় আগবঢ়োৱাৰ বাবে মই চিৰ কৃতজ্ঞ।

শেষত সকলোৰে ওচৰত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

শ্ৰদ্ধাৰে-
শ্ৰীদ্বীপ কিশোৰ শইকীয়া
উপসভাপতি, ছাত্ৰ একতা সভা
২০০৪-০৫ বৰ্ষ

***



# সম্পাদকীয়

প্ৰতিবেদনৰ আৰম্ভণিতে সকলোলৈ শ্ৰদ্ধা আৰু শুভেচ্ছা যাচিছোঁ। যিসকল ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ ফলত মঙলদৈ চহৰৰ দৰে ঠাইত মহামিলনৰ, মহাসাধনাৰ আশাৰ গজালি ৰোপণ কৰি বিভিন্নজনৰ জ্ঞানৰ চকু মোকলাবৰ বাবে 'মঙলদৈ মহাবিদ্যালয়' সৃষ্টি হ'ল তেওঁলোকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম।

মহাবিদ্যালয়ৰ ২০০৩-০৪ বৰ্ষৰ নিৰ্বাচনত আলোচনী বিভাগৰ সম্পাদক আৰু ২০০৪-০৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক সম্পাদকীয় প্ৰতিবেদনৰ যোগেদি মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সাহিত্যৰ শক্তি অসীম। সাহিত্য কলা হিচাপে স্বীকৃত হৈ আহিছে যদিও ইয়াত জীৱনবোধো প্ৰকাশ পায়। সাহিত্যই হৈছে সৃষ্টিৰ আনন্দ আৰু জ্ঞানৰ ভাণ্ডাৰ। মহৎ সাহিত্যৰ সৃষ্টি কঠোৰ সাধনাৰ ফলতহে হয়। জীৱনৰ গভীৰতা উপলব্ধি কৰিবৰ বাবেই এনে কঠোৰ সাধনাৰ প্ৰয়োজন।

সকলো সংস্কৃতিয়ে সুন্দৰ। আমাৰ অনুভৱত সুন্দৰতাৰ অন্য নামেই হ'ল সংস্কৃতি। পৰিবৰ্তনৰ বাটত সাংস্কৃতিক বিনিময় হ'বই লাগিব। কিন্তু নিজৰ মূলৰ পৰা বিচ্ছিন্ন হৈ যোৱাটো কেতিয়াও এটা জাতিৰ বাবে শুভ লক্ষন হ'ব নোৱাৰে।

আজি আমাৰ সমাজ আৰু সংস্কৃতি অগ্ৰসৰ হৈছে চৰম অধঃপতনৰ মাজেদি। এই চৰম অধঃপতনৰ বাবে দায়ী কোন? পশ্চিমীয়া সভ্যতা-সংস্কৃতি? নে সস্তীয়া কায়দাৰে পৰিচালিত জীৱন? নে ৰাজনীতিৰ প্ৰভাৱ?

আলোচনী এখন সম্পাদনা কৰাটো বৰ সহজ নহয়। যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে ই আৰু কঠিন হৈ পৰে। আমিও অনভিজ্ঞ; তথাপি যত্নৰ ত্ৰুটি কৰা নাই। তৎস্বত্বেও মোৰ দায়িত্ব সঠিকভাৱে পালন কৰিব পৰা নাই। মই জবাবদিহি হ'ম মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত- সেই সাহস মোৰ আছে।

ব্যক্তিগত ভাৱে আমাৰ নিজস্ব চিন্তাধাৰা আছে। তাৰ বাহিৰলৈ গৈ মহাবিদ্যালয়ত চলা কূটিল ৰাজনৈতিক পাকচক্ৰত পৰিছিলো নেকি? আজিও ভাৱিব পৰা নাই। কিন্তু কাৰ্য্যকালৰ বিয়লি বেলাত ভোগিছো এক অপৰাধবোধত। আমি নিজৰ দেহত চিকুটি চোৱা উচিত আমি কিবা কৰিব পাৰিলোনে? ভাৱি বেদনাগ্ৰস্ত হৈছো পাকচক্ৰত পৰি কৰিবলগীয়া কৰ্মৰ বাবে।

বিগত কেইবছৰৰ দৰে আমাৰ কাৰ্য্যকালতো গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰি দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল, শ্ৰেষ্ঠ কৌতুক অভিনেতা, থিতাতে লিখা কবিতা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰাৰ লগতে সংগীত বিভাগতো সুনাম অৰ্জন কৰিছিল।

মহাবিদ্যালয়ত প্ৰতিভাৰ অভাৱ নাই। কিন্তু সঠিক সুযোগ আৰু সুবিধাৰ অভাৱত সুপ্ত-প্ৰতিভা সমূহ সুপ্ত হৈয়েই থাকি যায়। এই সুপ্ত প্ৰতিভাসমূহ পোহৰলৈ অনাৰ দায়িত্ব এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে ছাৰ-বাইদেউ সকলৰ বহুত বেছি। কিয়নো এবছৰীয়া কাৰ্য্যকালেৰে নতুন নতুন ছাত্ৰ একতা সভা বছৰে বছৰে আহিব আৰু যাব, কিন্তু ছাৰ-বাইদেউসকল দীঘলীয়া সময়ৰ বাবে থাকিব। গতিকে এই ক্ষেত্ৰত তেওঁলোকৰ পৰাই ছাত্ৰ-ছাত্ৰীসকল বেছি লাভাৱান্বিত হ'ব বুলি মোৰ বিশ্বাস।

শেষত, সম্পাদনা সমিতিৰ সকলো সদস্য, তত্বাবধায়ক ডিম্বেশ্বৰ বৰুৱা ছাৰ, অনিল চন্দ্ৰ শৰ্মা ছাৰৰ লগতে মহাবিদ্যালয়ৰ সমূহ পৰিয়ালৰ ওচৰত বিগত বছৰত হোৱা ভুলৰ ক্ষমা বিচাৰিছোঁ।

মঙলদৈ মহাবিদ্যালয় সঁচা অৰ্থত উৎকৰ্ষতাৰ কেন্দ্ৰ হওঁক। এই কামনাৰে-

শ্ৰীচিন্ময় বৰুৱা
সাধাৰণ সম্পাদক
২০০৪-০৫ বৰ্ষ



# সম্পাদকীয়

পোন প্ৰথমে দেশৰ হকে প্ৰাণ দি যি সকল মহান ব্যক্তি ছহিদ হ'ল তেওঁলোকৰ আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দৰে ব্যক্তিৰ মহান আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

বৰ্তমান সমাজত এটা ধাৰণা চলি আহিছে যে যৌৱনত ভৰি দিয়া প্ৰায় সকলো ল'ৰা-ছোৱালীৰ কবিতা লিখা বা পঢ়াৰ প্ৰতি হেপাহ উপজে। মই কিন্তু ইয়াৰ ব্যতিক্ৰম। মোৰ সৰুৰ পৰাই কবিতাৰ প্ৰতি আগ্ৰহ আছিল। কবিতাৰ যোগেদি মনৰ দুখবোৰ ব্যক্ত কৰি মই ভাল পাইছিলো। লগতে মহাবিদ্যালয়খনত শিক্ষাগ্ৰহণ কৰাৰ উপৰিও কিবা এটা কৰাৰ মানসিকতা জাগ্ৰত হৈছিল। ইচ্ছা কৰিলোঁ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আলোচনী বিভাগৰ সম্পাদকৰ পদত প্ৰতিদ্বন্দিতা কৰিবলৈ। লুই পেষ্টিউৰে কৈছিল, ''মানুহৰ গোটেই জীৱন সামৰি লয় তিনিটা কথাই সেইকেইটা হ'ল ইচ্ছা, পৰিত্ৰাণ আৰু কৃতকাৰ্যতা।'' ইচ্ছাই এটা উজ্বল আৰু সুখী কেৰিয়াৰৰ দুৱাৰ মুকলি কৰি দিয়ে। পৰিত্ৰাণে দুৱাৰদলি পাৰ হৈ আগবাঢ়ি যায়। যাত্ৰাৰ শেষত আহে কৃতকাৰ্যতা। যি আমাৰ জীৱনৰ সমস্ত শিৰত কিৰীটি পিন্ধাই দি তাক পুৰস্কৃত কৰে আৰু মোৰো সেয়াই হ'ল। মই আলোচনী সম্পাদক হৈ মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ কামত ব্যস্ত হৈ পৰিলো। মোৰ গৌৰৱৰ থল নোহোৱা হৈছিল; কাৰণ মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক বুলি ক'লে সকলো ঠাইতে এক অন্য ধৰণৰ সন্মান পোৱা গৈছিল।

এই সন্মানখিনি, এই আনন্দখিনি এজন সম্পাদকেহে বুজে। সন্মান বস্তুটোক ভালদৰে উপলব্ধি কৰিলো এজন সম্পাদকৰ পদত অধিষ্ঠিত হৈ।

কাৰ্যকালৰ এবছৰ অতি সোনকালে পাৰ হৈ গ'ল। এই এবছৰীয়া কাৰ্যকালত মই ভালদৰে বুজিলো যে আমাৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখন যে প্ৰকাশ হোৱা নাই, তাৰ বাবে দোষী অকল সম্পাদক নহয়। অকল সম্পাদকজন অযোগ্য হোৱা বাবেই আলোচনীখন প্ৰকাশ নোহোৱাকৈ নাথাকে। ইয়াৰ বাবে দোষী তত্বাৱধায়কো নহয়। আলোচনী এখন প্ৰকাশ হওতে সম্পাদক বা তত্বাৱধায়কৰ ওপৰত যিখিনি নিৰ্ভৰ কৰে তাতকৈ বেছি নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীৰ ওপৰত। ফান্দত টকা থাকিল বুলিয়েই উকা কাগজেৰে এখন আলোচনী প্ৰকাশ কৰি উলিয়াব নোৱাৰি। সেইটো আমি সকলোৱে জানো। মই এটা কথাতেই বৰকৈ আচৰিত হলো যে আমাৰ দৰং জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠানখনতো বছৰেকীয়া মুখপত্ৰখন ছপাবলৈ লিখনিৰ অভাৱ হয়। যিবোৰ লিখনি পোৱা যায় তাতো উচ্চ মানদণ্ডৰ লিখনি তেনেই নগণ্য। গোটেই বছৰটোত ৰাতিপুৱা কলেজখনত ভৰি দিয়াৰ পিছত প্ৰায় 'নব্বৈ শতাংশ' ছাত্ৰ-ছাত্ৰীৰ

মুখত এটাই কথা, আলোচনীখন প্ৰকাশ হ'বনে, কেতিয়া প্ৰকাশ হ'ব? ইত্যাদি। কিন্তু আলোচনীৰ বাবে যদি নব্বৈ শতাংশ লিখনি পালোহেঁতেন ছাত্ৰ-ছাত্ৰীৰপৰা, তেতিয়া হয়তো দুবছৰৰ আলোচনী লগ লগাই প্ৰকাশ কৰিব নালাগিলহেঁতেন।

মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি থকা বহুতো ছাত্ৰ -ছাত্ৰীয়ে আমাৰ বছৰেকীয়া মুখপত্ৰখনক উকা কাগজ বুলি বিবেচনা কৰে। তেওঁলোকলৈ মোৰ এটাই অনুৰোধ যে তেওঁলোকে অন্তৰৰপৰা এই ভাৱধাৰা ত্যাগ কৰে যেন। আলোচনীখন আমাৰ ছাত্ৰ সমাজখনৰ দৰ্পণ। সৰ্বাঙ্গীন নহলেও ইয়াত আমাৰ মানসিক, নৈতিক আৰু বৌদ্ধিক ৰূপ স্বৰূপ প্ৰতিভাত হয়। ছাত্ৰ-ছাত্ৰীসকলক আকৌ এবাৰ মই অনুৰোধ জনাওঁ যে আলোচনীত লিখনি দিয়াত যাতে ক্ৰুটি নকৰে, কাৰণ ইমান ডাঙৰ মহাবিদ্যালয় এখনৰ আলোচনীখন বছৰত প্ৰকাশ নোহোৱাটো অতি লাজৰ কথা।

মহাবিদ্যালয়ৰ আলোচনী এখন সম্পাদনা কৰাটো ভবাৰ দৰে সহজ কথা নহয়। ওপৰত আলোচনা কৰা স্থিতিয়েই ইয়াৰ যথাযথ প্ৰমাণ। সাহিত্যিক প্ৰতিভা বিকাশত আত্মবিশ্বাসী আৰু স্বনিৰ্ভৰশীল ছাত্ৰ-ছাত্ৰী সকলেহে সম্পাদনা পক্ষক এই বিপদৰপৰা মুক্ত কৰিব পাৰে। হয়তো তেওঁ লোকৰ বাবেহে আজি এই আলোচনীখন প্ৰকাশ হৈ ওলাইছে। মই সেই ছাত্ৰ-ছাত্ৰী সকলক মোৰ ফালৰপৰা অশেষ ধন্যবাদ যাচিছোঁ।

এই আলোচনীখন প্ৰকাশ হওঁতে আৰম্ভণিৰপৰাই শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু তত্বাৱধায়ক মহোদয়ে যি সহায় আগবঢ়ালে তাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ সম্পাদকীয় কাৰ্যকালছোৱাত প্ৰতিটো কামতে সহায় আগবঢ়াই দি সকলো কাম সহজ কৰি দিলে মোৰ দাদা- মুন্নাদা অৰ্থাৎ দ্বীপকিশোৰ শইকীয়াই। মই তেওঁৰ এই নিস্বাৰ্থ সহায় জীৱনটো পাহৰিব নোৱাৰিম।

ৰাস্কিনে কৈছিল,- "প্ৰতি সূৰ্যোদয় জীৱনৰ আৰম্ভণি আৰু প্ৰতি সূৰ্য্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰতে প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰিও পৰোপকাৰী কামৰ খতিয়ান ৰাখি থ'ব পাৰে।"

পাৰিলে ময়ো এই মহাবিদ্যালয়খনৰ উপকাৰ সাধন কৰিবলৈ অহৰহ চেষ্টা কৰিম।

মানুহ মাত্ৰেই ভুল হয়। গতিকে আলোচনীখন সম্পাদনা কৰোতে ভুল ক্ৰুটি হোৱাটো অস্বাভাৱিক নহয়। সেই ভুল ক্ৰুটি মাৰ্জনা কৰি সকলোৱে যেন এই আলোচনীখন হাতত তুলি লয়। বিনা সংকোচে আলোচনীখন আপোনালোকে হাতত তুলি ল'লেহে মই ধন্য হ'ম।

পৰিশেষত এই মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনখনিৰ সামৰণি মাৰিলোঁ।

দেৱৰ্ষি ডেকা
সম্পাদক, আলোচনী বিভাগ



Printed at Paramount Computer Centre & Offset Bordoulguri, Darrang
Contact No : 98641-90004/93138/93160